
# সূত্ৰধাৰ

১-১৫ জানুৱাৰী ১৯৯২ ☐ সাত টকা



"মানুহে আজিলৈকে উচ্চাৰণ কৰা মহত্তম শব্দ

কিতাপ"

—বাৰ্ণাৰ্ড লেভিন

---

...কৈ মুখ্য মন্ত্ৰীৰ তলতহে
কৰিছিল। কাৰণ ৮/১১/৯০
...ছুটীত গৈছিল।

# সূত্ৰধাৰ

## বিষয়-সূচী

চতুৰ্থ বছৰ, প্ৰথম সংখ্যা
১-১৫ জানুৱাৰী, ১৯৯২
Vol. IV, No. 1
1-15 January, 1992



প্ৰচ্ছদ নিৱন্ধ

### কিতাপৰ কথা ১৬

মহাবিশ্বৰ সকলো বস্তুকে জন্মাৰ আগ্ৰহ আনকি মানুহৰ নিজৰ সত্তাকো জনাৰ আগ্ৰহৰ ফলতে জন্ম পাইছে কিতাপে। মানৱজাতি, পশু-পক্ষী, জড়জগত, আকাশ, অন্ধকাৰ অতল প্ৰান্ত সকলোকে নিয়ন্ত্ৰিত কৰাৰ দুৰ্দান্ত শক্তি আছে এই কিতাপৰ গাতেই। সকলো বিষয়ৰ কিতাপৰেই মূল লক্ষ্য হ'ল – মানৱ কল্যাণ! কিতাপৰ মাজেদিয়েই মানুহে লাভ কৰে গভীৰ আনন্দ, দুঃখ যাতনা; আৰু বিচাৰি পায় মুক্তি। মহাপৃথিৱীৰ উত্থান পতনৰ একমাত্ৰ মৃত্যুহীন প্ৰহৰী কিতাপৰ এক প্ৰচ্ছদ নিৱন্ধ আগবঢ়াইছে নাজমা মুখাৰ্জীয়ে। লগতে গ্ৰন্থজগতত বিচৰণ কৰা অসমৰ কেইজনমান বিশিষ্ট ব্যক্তি ড০ অনিল কুমাৰ গোস্বামী, ড০ গোবিন্দ প্ৰসাদ শৰ্মা, ড০ মামনি ৰয়ছম গোস্বামী আৰু প্ৰদীপ খাটনিয়াৰৰ এটি সাক্ষাৎকাৰো তেওঁ সূত্ৰধাৰৰ পাঠকলৈ আগবঢ়াইছে।

ৰাজনীতি

### আল্‌ফা-চৰকাৰ আলোচনাৰ বাধা-বিঘিনি আৰু কংগ্ৰেছ (ই)ত বিসঁচ ৬

অসমৰ সম্প্ৰতি সবাতোকৈ জৰুৰী ভাবে প্ৰয়োজনীয় বিষয় হৈছে শান্তি প্ৰতিষ্ঠা। আল্‌ফাৰ শেহতীয়া অৱস্থানে এই ক্ষেত্ৰত যথেষ্টখিনি সহায়ৰ ইংগিত দিয়া সত্ত্বেও, কিদৰে এচাম স্বাৰ্থান্বেষী ৰাজনীতিবিদে তাত বাধা সৃষ্টি কৰিবলৈ তৎপৰ হৈছে, তাৰেই ভিত্তিত দুলাল বৰাৰ আলোচনা।

ৰাজধানী সংবাদ
আই. এ. এছ. বিষয়াৰ থৈয়া-নথৈয়া – প্ৰশাসন কোঙা ☐ হৰেন বুঢ়াগোহাঞি ৯

ৰাজনীতি
আল্‌ফাৰ ঘোষণাত তেজৰ সোঁত বন্ধ হোৱাৰ ইংগিত ☐ হিতেন মহন্ত ১৩

বিশেষ নিবন্ধ
অসমঃ বৰ্তমান আৰু ভৱিষ্যত (৩) ☐ সুজিৎ চৌধুৰী ২৭

দৃষ্টিকোণ
বহিৰাগতৰ সমস্যা ☐ হোমেন বৰগোহাঞি ২৯

বিশ্ববিদ্যালয়ৰ বাতৰি
ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিয়ম আৰু অনীতিৰ ৰাজত্ব চলিছে ☐ স্বপ্না বেজবৰুৱা ৩৪

চিন্তা
ছেক্সপীয়েৰৰ হেমলেটঃ মনোবৈজ্ঞানিক বিশ্লেষণ ☐ ডাঃ বিজয় প্ৰসাদ বৰা ৩৮

গ্ৰন্থজগত
কিতাপৰ পৰম্পৰা আৰু ভৱিষ্যত ☐ নলিনীধৰ ভট্টাচাৰ্য ৪১

বিচিত্ৰা
চকোলেট আৰু বনস্পতিৰ পৰা হ' পৰা ৰোগ ☐ ডাঃ ৰমানন্দ শইকীয়া ৪৯

বিজ্ঞান
বিজ্ঞানৰ পৰিধি ☐ ড০ পবিত্ৰ বৰগোহাঞি ৪৭

চিঠি ৪
সম্পাদকীয় ৫
সাময়িকী ৭
কবিতা ৩৩
গল্প ৪৩
সংবাদ প্ৰবাহ ১৪
বিতৰ্ক ৫২
প্ৰাত্যহিক ৫০
ঘৰজেউতি ৫৩
উপন্যাস ৫৫
চিনেমা ৬০
খেলধেমালি ৬২

বেটুপাতঃ ৰেমব্ৰান্টৰ বিখ্যাত চিত্ৰঃ এজন পণ্ডিতৰ প্ৰতিকৃতি (১৬৩১ খৃষ্টাব্দ)

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যধ্যক্ষ
অনিল কুমাৰ গগৈ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিতঃ ☐ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

Bombay:-
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491



OKDISCO

## নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' আৰু 'বস্তুজগতৰ ক্ষয়'

নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' শীৰ্ষৰ কবিতাৰ 'কেন্দ্ৰীয় ধাৰণা' ৰূপে 'সূত্ৰধাৰ'ৰ পাততে আলোচক কবীন ফুকনে চিহ্নিত কৰা 'বস্তুজগতৰ ক্ষয়'ৰ সন্দৰ্ভত কিছু কথা যোগ দিব খোজোঁ।

বস্তুজগতৰ সংৰক্ষণ তথা উৎকৰ্ষৰ লক্ষ্য লৌকিক পৰম্পৰাগত প্ৰজ্ঞাৰ ভিতৰুৱা। সেয়েহে সুৰীয়া আৰু কাব্যিক মাতৃভাষাতে আমি পাওঁঃ

বাৰীৰ পিছে ফালে জাতি বাঁহ এজুপি
সিও মোৰ সোদৰৰ ভাই।

পিছে, বস্তুজগতৰ প্ৰতি একালৰ এই নিজান আৰু বিৰল আদৰ আজি এক বিশ্বময় নবীন বিজ্ঞান – পৰিপাৰ্শ্ববিজ্ঞান (ecology) ৰূপে তাত্ত্বিক-প্ৰায়োগিক উভয় দিশতে সংগঠিত ভাবে চৰ্চিত হ'বৰ উপক্ৰম; কাৰণ, জাতিবাঁহ জুপিৰ ক্ষেত্ৰতেই অকল নহয়, ব্যাপক-সূক্ষ্ম গভীৰ বিভিন্ন দিশত সম্পদ ৰূপে বস্তুজগতৰ এক সম্যক আৰু বৈজ্ঞানিক পৰিচয় আজি সম্ভৱ হৈছে। মানুহে নিজৰ দেহ-মন আৰু পৰিপাৰ্শ্বৰ ভাৰসাম্য এক উৎকৰ্ষযোগ্য জাগতিক ঘটনা ৰূপে চিনিছে। অৱশ্যে বস্তুজগতৰ এই নতুন পৰিচয়ৰ সুফল সকলো ঠাইতে এই মুহূৰ্ততে ভোগ কৰিবৰ নৌ হয় এথোন, কিন্তু সেয়া নিতান্তই বেলেগাই বিবেচনা কৰিবলগীয়া কাৰণত।

আনহাতে, পৰিপাৰ্শ্ব বিজ্ঞানত চৰ্চিত হোৱা বস্তুজগতৰ প্ৰতি এই অভিনৱ সদিচ্ছা স্বতঃস্ফূৰ্তও নহয়। আধুনিক প্ৰকৃতি বিজ্ঞান আৰু প্ৰযুক্তিৰ জোৰত বস্তুজগতত চলোৱা উৎপীড়নহেন পুঁজিবাদী সাম্ৰাজ্যবাদী অভিযান ক্ৰমেই ধৰা পৰিছে বিশ্বময় বস্তুজগতৰ স্থূল-ব্যাপক-গোপন ক্ষয়, আৰু উপলব্ধি হৈছে মানৱ সভ্যতাৰ বিকাশৰ খাতিৰতে বস্তুজগতত আৱশ্যকীয় সূক্ষ্ম-গভীৰ ভাৰসাম্যৰ। 'বস্তুজগতৰ ক্ষয়'ৰ আধুনিক বৈজ্ঞানিক সমীক্ষাত্মক ধাৰণাক্ৰমেই পৰিপূৰকভাবে জাগ্ৰত হৈছে সমৃদ্ধতৰ আৰু বৈজ্ঞানিক বস্তুজগত চেতনা, যি নিৰ্দেশ কৰে তাত্ত্বিক প্ৰায়োগিক পৰিপাৰ্শ্ব বিজ্ঞানৰ অনুকূল (sustainable) বিশ্ববিকাশ। অৰ্থাৎ, বিশ্বৰ প্ৰকৃতি বিজ্ঞানৰ স্তৰত 'বস্তুজগতৰ ক্ষয়'ৰ বিষয়ে সংকট চেতনা (sense of crisis) সৰ্বগ্ৰাসী নহয়, তাত সংকট চেতনাৰ পৰিপূৰকভাবেই থাকে সংকটমোচনৰ উপায়ৰ অনুসন্ধান। দৰাচলতে বৈজ্ঞানিক জ্ঞানতত্ত্বৰ (epistemology of science) পৰিসৰত যিকোনো সমস্যাৰ চিনাক্তকৰণ আৰু তাৰ সমাধানৰ সন্ধান স্বভাৱতে অংগাংগী।

নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' শীৰ্ষৰ কবিতাত 'বস্তুজগতৰ ক্ষয়' বিষয়বস্তু হৈছে নেকি? হৈছে বুলিব অৱশ্যে পাৰি, কিন্তু কি অৰ্থত? 'বস্তুজগতৰ ক্ষয়' কবিতাটোত মোৰ বোধেৰে এক অভিশাপ ৰূপেহে অনুভৱ হৈছে, সমাধান সাপেক্ষ সংকট হিচাপে নহয়। কবিতাটোত সুজলা-সুফলা জীৱ-উদ্ভিদ জগতৰ একাংশ মৰুভূমিত পৰিণত হোৱাৰ প্ৰহেলিকা সূচিত হৈছে। এনে পৰিণতিৰ কাৰণ মানৱ সামাজিক নহয়, ভূতাত্ত্বিকহে যেন বুলি কবিতাটোৰ প্ৰহেলিকা ভাবনাত প্ৰতীয়মান হৈছে।

কিন্তু সুজলা-সুফলা ভূখণ্ডৰ কবিতাটিত চিত্ৰিত হোৱা মৰুভূমি পৰিণতি কবিৰ এক অন্তৰ্জাগতিক সংকটৰ দ্যোতক হিচাপেহে পাঠকে গ্ৰহণ কৰাটো কবিয়ে দৰাচলতে বিচাৰে যেন লাগে। কবিয়ে ভাবে যে প্ৰবৃত্তিৰ ফালৰ পৰা সৰ্বকালৰ কবি মংগলসূচক বিগ্ৰহ গঢ়োঁতা আৰু তেওঁ নিজেও সেয়ে হ'বৰ মন। তেৰোঁ নিজৰ কবিতাত সুজলা-সুফলা পটভূমিৰ এক সজীৱ সমষ্টি জীৱনৰ চিত্ৰ আঁকি তাকে আৰাধিব খোজে। কিন্তু তেওঁ মনৰ দাপোণত জলজল পটপটকৈ বিচাৰি পায় মাত্ৰ মৰুভূমি সম্ভেদ, যাৰে এক বিগ্ৰহ তেওঁ গঢ়িব নাজানে বা নোখোজে।

অৰূপ কুমাৰ গোস্বামী

---

## প্ৰসংগঃ
## ডিব্ৰুগড় বিশ্ববিদ্যালয়

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰাত প্ৰবেশ কৰি বিশ্ববিদ্যালয়-খনৰ অভাৱ-অভিযোগ বা সমস্যা সমূহ ভালদৰে অনুধাৱন কৰি গঠনমূলক সমালোচনাৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ কল্যাণ সাধিব বিচৰা যিকোনো প্ৰচেষ্টা আদৰণীয়। কিন্তু প্ৰকৃত তথ্যৰ ভূ নোলোৱাকৈ কাৰোবাৰ ওপৰত অভিযোগ তুলি অভিযুক্তক হেয় কৰিবলৈ কৰা প্ৰচেষ্টাও আপত্তিজনক। লেখাটোৰ জৰিয়তে তেখেতে জনমানসত প্ৰতিপন্ন কৰিব বিচাৰিছে যে – 'স্নাতকোত্তৰ শেষান্ত পৰীক্ষাৰ ক্ষেত্ৰত পৰীক্ষাৰ্থী সকলৰ সুবিধা অসুবিধাৰ কথা স্নাঃ মঃ ছাঃ এঃ সভাই সহানুভূতিৰে বিবেচনা নকৰাৰ ফলতহে যোৱা ছেপ্তেম্বৰ মাহত ডি, বি-ৰ চৌহদত এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হ'বলৈ পালে।'

উপাচাৰ্যৰ ঘেৰাও আৰু পদত্যাগৰ ওপৰত বাতৰি পৰিবেশন কৰিবলৈ গৈ তেখেতে আন এঠাইত লিখিছে – 'এই ক্ষেত্ৰত স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ সংস্থাৰ দুৰ্বল ভূমিকাও শৈক্ষিক পৰিবেশ নষ্ট হোৱাৰ দায়ৰ পৰা সাৰি যাব নোৱাৰিব। বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ সংস্থাক আস্থা আৰু বিশ্বাসত ল'ব নোৱাৰিয়েই নিশ্চয় প্ৰত্যক্ষভাবে উপাচাৰ্যক ঘেৰাও কৰিবলৈ বাধ্য হ'ল।' কিন্তু দীক্ষান্ত বৰ্ষৰ পৰীক্ষাৰ ক্ষেত্ৰত স্নাঃ মঃ ছাঃ এঃ সভাৰ স্থিতি কি আছিল সেয়া পৰিষ্কাৰভাবে বাতৰি কাকতৰ জৰিয়তে প্ৰকাশ কৰা হৈছিল আৰু ছাত্ৰ একতা সভাৰ স্থিতিত বিভিন্ন মহলে আদৰণিও জনাইছিল। তদুপৰি পৰীক্ষা সংক্ৰান্তত স্নাঃ মঃ ছাঃ এঃ সভাৰ স্থিতি যদি সবলেই নাছিল, তেনেহলে পৰীক্ষা পিছুওৱাৰ দাবীত উপাচাৰ্যক ঘেৰাও কৰা কাৰ্যৰ বাবে আৰু অনশন কাৰ্যসূচী হাতত লোৱাৰ বাবে জগৰীয়া বুলি ঘেৰাও কাৰ্যসূচীৰ নেতৃত্ব বহণ কৰা আৰু অনশনকাৰী পাঁচজন ছাত্ৰই কিয় লিখিতভাবে দোষ স্বীকাৰ কৰিব লগা হ'ল? যদি শ্ৰীমতী বেজবৰুৱাই উক্ত কথাখিনি নজনাকৈয়ে ছাঃ এঃ সভাক দোষাৰোপ কৰিছে, সেয়া অন্ধ সাংবাদিকতাৰ পৰিচায়ক আৰু যদি জানি বুজিও লিখিছে তেনেহলে সেয়া উদ্দেশ্য প্ৰণোদিত।

যিটো সময়ত অসমৰ কাকতে পত্ৰে শৈক্ষিক পৰিবেশৰ ওপৰত আলোচনাৰ জোৱাৰ উঠিছে সেই সময়ত ডিঃ বিঃ-ত স্নাতকোত্তৰ শেষান্ত পৰীক্ষা সমূহ ঠিক সময়ত অনুষ্ঠিত কৰিবলৈ লোৱা ছাত্ৰ একতা সভাৰ পদক্ষেপক সন্মানীয় সাংবাদিক গৰাকীয়ে দুৰ্বল বুলি অভিহিত কৰিব বিচাৰে নেকি? সঁচা কথা যে ঘেৰাও কাৰ্যসূচী হাতত লোৱা ছাত্ৰ-ছাত্ৰী সকলে বিচৰা মতে পৰীক্ষা অনুষ্ঠিত কৰাৰ পক্ষপাতী স্নাঃ মঃ ছাঃ এঃ সভা নাছিল। কিয়নো তেওঁলোকে ১৫ নবেম্বৰ '৯১-ৰ পাছত পৰীক্ষা অনুষ্ঠিত কৰাৰ দাবী জনোৱাৰ লগতে প্ৰতিখন পেপাৰৰ মাজত কমেও ছয়দিন ব্যৱধান বিচাৰিছিল, যিটোৰ বাবে পাছৰ শিক্ষা বৰ্ষৰ যথেষ্ট ক্ষতি হ'লহেঁতেন! বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ নিৰ্বাচিত সংস্থা হিচাপে স্নাঃ মঃ ছাঃ এঃ সভাই মুষ্টিমেয় কেইজনমান ছাত্ৰৰ কথাকে চিন্তা নকৰি ডিঃ বিঃ-ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা ভৱিষ্যত শিক্ষাবৰ্ষৰ কথা চিন্তা কৰি নিয়মমত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লোৱা পদক্ষেপ দুৰ্বল বুলি কব খোজে নে, ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি সহানুভূতিৰ অভাৱ বুলি ক'ব খোজে?

আৰু এটা উল্লেখযোগ্য কথা, স্নাঃ মঃ ছাঃ এঃ সভাৰ তৰফৰ পৰা স্পষ্ট কৰি দিব বিচৰা হৈছে যে ১৪ ছেপ্তেম্বৰৰ ঘটনাৰ পাছত উদং হৈ পৰা দুৰ্নীতিৰ অভিযোগবোৰৰ পৰিপ্ৰেক্ষিতত স্নাঃ মঃ ছাঃ এঃ সভাই এইবোৰৰ বিচাৰ আৰু প্ৰতিবাদত আন্দোলনৰ কাৰ্যসূচী হাতত লোৱা নাছিল। ১৪ ছেপ্তেম্বৰৰ ঘটনাৰ বহুদিনৰ আগতেই আচলতে সম্পূৰ্ণ সচেতনতাৰে যোৱা আগষ্ট মাহতেই স্নাঃ মঃ ছাঃ এঃ সভাই এই বিশ্ববিদ্যালয়ৰ বিভিন্ন অভিযোগৰ বিচাৰ আৰু সমাধান বিচাৰি কৰ্তৃপক্ষৰ ওচৰত দাবী চনদ প্ৰেৰণ কৰিছিল, কিন্তু ১৭ আগষ্টৰ পৰা ৩ অক্টোবৰলৈকে স্নাঃ মঃ প্ৰাৰম্ভিক পৰীক্ষা সমূহ চলি থকা বাবেগে দাবী চনদৰ সমৰ্থত কোনো ধৰণৰ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰা নাছিল। কিন্তু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত কৰ্তৃপক্ষৰ পৰা লিখিত প্ৰতিশ্ৰুতি নোপোৱাৰ কাৰণে সমূহ প্ৰাৰম্ভিক পৰীক্ষা শেষ হোৱাৰ লগে লগে স্নাঃ মঃ ছাঃ এঃ সভাই বিভিন্ন দাবীৰ সমৰ্থনত আন্দোলনৰ কাৰ্যসূচী শৈক্ষিক পৰিবেশৰ মাজত থাকি সফলভাবে পালন কৰিছিল। ছাত্ৰ একতা সভাৰ বিভিন্ন দাবী আৰু ছাত্ৰ একতা সভাৰ পৰৱৰ্তী কাৰ্যপন্থাৰ বিষয়ে ইতিমধ্যে বাতৰি কাকতত বিতং ভাবে প্ৰকাশ কৰা হৈছে। ১৪ ছেপ্তেম্বৰৰ ঘটনাৰাজিৰ লগত স্নাঃ মঃ ছাঃ এঃ সভাৰ আন্দোলনৰ কাৰ্যসূচীৰ কোনো সম্পৰ্ক নাছিল এই কাৰ্যসূচী স্নাঃ মঃ ছাঃ এঃ সভাৰ পূৰ্ব নিৰ্ধাৰিত আৰু নিজাববীয়া আছিল।

শ্ৰীমতী বেজবৰুৱাই তেখেতৰ লেখাত উল্লেখ কৰা, ডিঃ বিঃ বৰ্তমান চলি থকা ডিগ্ৰীৰ দৰদামকে ধৰি বিভিন্ন অভিযোগ সমূহৰ স্পষ্ট তথ্য প্ৰকাশ কৰিবৰ বাবে স্নাঃ মঃ ছাঃ এঃ সভাৰ তৰফৰ পৰা জনোৱা হ'ল। যিহেতু ডিঃ বিঃ স্নাঃ মঃ ছাঃ এঃ সভাই বিশ্ববিদ্যালয়ত চলি থকা যি কোনো দুৰ্নীতিকেই নীৰৱে সহ্য নকৰে। কিন্তু শ্ৰীমতী বেজবৰুৱাই সম্পূৰ্ণ তথ্যভিত্তিক প্ৰবন্ধ যোৱা নবেম্বৰ মাহতেই প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি সেই সংখ্যাতেই দিয়াৰ পাছতো প্ৰকাশ কৰিব নোৱৰাত সভাই আশ্চৰ্য প্ৰকাশ কৰিছে আৰু ইয়াক সোনকালে প্ৰকাশ কৰি ৰহস্য ভেদ কৰাৰ কামনা কৰিছে।

ৰাতুল বৰা
সাধাৰণ সম্পাদক
ডিব্ৰুগড় বিশ্ববিদ্যালয়
স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভা







...কৈ মুখ্য মন্ত্ৰীৰ তলতহে
কৰিছিল। কাৰণ ৮/১১/৯০
...থ দাস ছুটীত গৈছিল।
...ক্য কৰিলে শ্ৰীমি...
...জা

# বাংলাদেশ

অসমৰ ভাগ্য নিৰ্ণয়ত বাংলাদেশ তথা পূৰ্ববংগই কেইবা শতিকা ধৰি এটা গুৰুত্বপূৰ্ণ ঐতিহাসিক ভূমিকা লৈ আহিছে। অৱশ্যে সেই ভূমিকা ইতিবাচক নহয়; বেছিভাগ সময়তে সি নেতিবাচক। তেৰ শতিকাত তুৰ্কী মুছলমানসকলে পূৰ্ববংগ জয় কৰাৰ আগলৈকে সেই ভূ-খণ্ডৰ প্ৰায় আটাইবোৰ অধিবাসীয়েই আছিল হিন্দু। তুৰ্কীসকলে তেওঁলোকক নানা প্ৰকাৰে মুছলমান হবলৈ বাধ্য কৰাৰ ফলত পূৰ্ববংগ এখন মুছলমান-প্ৰধান দেশত পৰিণত হ'ল। যোল শতিকাত পূৰ্ববংগ মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল। তাৰ পিছৰ পৰা অসমকো মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে বাৰম্বাৰ যিবোৰ সামৰিক অভিযান চলিছিল সেইবোৰ অভিযানৰ গুৰি ধৰিছিল ঢাকাৰ নবাব তথা মোগল শাসন-কৰ্তা সকলে। পূৰ্ববংগ আৰু অসমকে ধৰি সমগ্ৰ ভাৰত ব্ৰিটিছৰ অধীনলৈ যোৱাৰ পিছত কিছুদিনৰ কাৰণে অসমক পূৰ্ববংগৰ লগত সাঙুৰি দি কৃত্ৰিমভাবে এখন নতুন প্ৰদেশ গঠন কৰা হৈছিল। সেই সম্পৰীক্ষাৰ পৰিণাম অন্ততঃ অসমৰ কাৰণে মুঠেই মংগলজনক নহ'ল। যি মুছলিম লীগৰ দ্বি-জাতিতত্ত্ব তথা মধ্যযুগীয় সাম্প্ৰদায়িকতাবাদে ভাৰত উপ-মহাদেশক খণ্ড-বিখণ্ড কৰি এই অঞ্চলত চিৰস্থায়ী জটিল সমস্যাৰ সৃষ্টি কৰিছে, সেই মুছলিম লীগৰ জন্ম হৈছিল ঢাকাত। মুছলিম লীগে অসমকো পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল – যাৰ ফলস্বৰূপে চাৰ মহম্মদ ছাদুল্লা অসমৰ প্ৰধান মন্ত্ৰী হৈ থকাৰ সময়ত অসমৰ দুৱাৰ পূৰ্ববংগৰ লাখ লাখ অভিবাসী মুছলমানৰ কাৰণে মুকলি কৰি দিয়া হৈছিল। সেই ঘটনাৰ বিভিন্ন শুভাশুভ পৰিণাম আজি ইতিহাসত পৰিণত হৈছে। স্বাধীনতাৰ আগলৈকে অৰ্থাৎ ভাৰত এখন অখণ্ড দেশ হৈ থকাৰ সময়লৈকে পূৰ্ববংগৰ পৰা যি লক্ষ লক্ষ অভিবাসী মুছলমানে অসমলৈ আহি ইয়াত স্থায়ীভাবে বসতি স্থাপন কৰিছিল, তেওঁলোকক অসমে নিজৰ বুলি গ্ৰহণ কৰিছে আৰু তেওঁলোকেও অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি এটা সমন্বয়মূলক বৃহত্তৰ অসমীয়া জাতি গঠন কৰিছে। কিন্তু সেই বুলি ইতিহাসৰ এই সত্য অস্বীকাৰ কৰিবলৈ কোনো উপায় নাই যে পূৰ্ববংগৰ পৰা আহি অসমত স্থায়ীভাবে বসতি স্থাপন কৰা এই লাখ লাখ মানুহে কেৱল যে অসমৰ জনবিন্যাসকেই সলনি কৰি দিছে এনে নহয়; তেওঁলোকে বিপুল পৰিমাণৰ কৃষিযোগ্য আৰু বাসযোগ্য মাটি দখল কৰি অসমৰ খিলঞ্জীয়া মানুহখিনিৰ কাৰণে এটা চিৰস্থায়ী অৰ্থনৈতিক সংকটৰো সৃষ্টি কৰিছে। সি যি কি নহওক, অসমলৈ পূৰ্ববংগৰ পৰা চলি থকা অভিবাসন বা আন বহুতৰ ভাষাত নিঃশব্দ আক্ৰমণ দেশ বিভাজন হোৱাৰ লগে লগেই বন্ধ হোৱা হলে কোনো কথা নাছিল। কিন্তু ধৰ্মৰ নামত এখন স্বতন্ত্ৰ ৰাষ্ট্ৰ পোৱাৰ পিছতো পূব পাকিস্তানৰ পৰা অসমলৈ বৈ থকা অবিৰাম জনস্ৰোত এদিনৰ কাৰণেও বন্ধ নহ'ল। আশা কৰা হৈছিল যে পাকিস্তানৰ কবলৰ পৰা মুক্ত হৈ পূৰ্ববংগ স্বাধীন হ'ব পাৰিলে সেই দেশত সকলো প্ৰকাৰে এটা নতুন যুগৰ সূচনা হ'ব আৰু ফলত চুবুৰীয়া ভাৰতীয় ৰাজ্যকেইখনৰ বিৰুদ্ধে পূৰ্ববংগৰ নিঃশব্দ আক্ৰমণৰ অন্ত পৰিব। সেই আশাতেই আমি বহুতে বাংলাদেশৰ স্বাধীনতাৰ কাৰণে বাংলাদেশী সকলতকৈয়ো বেছি আবেগ-বিহ্বল হৈ উঠিছিলো। কিন্তু আমাৰ সকলো আশা মষিমূৰ কৰি স্বাধীন বাংলাদেশে ধৰ্ম-নিৰপেক্ষতা আৰু ভাৰতৰ লগত মৈত্ৰী-বন্ধনৰ পথ লোৱাৰ পৰিবৰ্তে যিটো পথত এতিয়া আগবাঢ়িছে সেইটো হ'ল ধৰ্মীয় মৌলবাদ আৰু ভাৰতৰ বিৰুদ্ধে প্ৰচ্ছন্ন বৈৰী-ভাবৰ পথ। একে আষাৰে কবলৈ গলে আজি অসমৰ কাৰণে আটাইতকৈ ডাঙৰ বিপদৰ কাৰণ হৈ পৰিছে বাংলাদেশ। পৃথিৱীৰ আটাইতকৈ দৰিদ্ৰ আৰু জনপূৰ্ণ দেশবোৰৰ ভিতৰত বাংলাদেশে শীৰ্ষস্থান দখল কৰিছে। বাংলাদেশত বাসযোগ্য মাটিৰ তুলনাত জনবসাত ইমান ঘন যে সেই দেশত আৰু বৰ্তমানতকৈ বেছি মানুহৰ কাৰণে ঠাই নাই। অথচ বাংলাদেশৰ জনসংখ্যা বাঢ়িব লাগিছে বাৰিষাৰ লুইতৰ বানপানীৰ দৰে – প্ৰতি মিনিটত ছটা নতুন শিশু, অৰ্থাৎ প্ৰতি দিনে প্ৰায় ছহেজাৰ। আনহাতে বংগোপসাগৰৰ লুণীয়া পানীৰ প্লাবনে প্ৰতি বছৰে বাংলাদেশৰ এক বিস্তীৰ্ণ অঞ্চল মানুহৰ বাসৰ অনুপযোগী কৰি তুলিছে। অৰ্থাৎ যিখন দেশত ইতিমধ্যেই মানুহৰ ভৰি দিবলৈকো ঠাই নোহোৱাৰ নিচিনা অৱস্থা হৈছে, সেই দেশত মানুহৰ সংখ্যা বাঢ়িছে বানপানীৰ দৰে, আনহাতে প্ৰকৃতিৰ নিৰ্মম পৰিহাসত বাসযোগ্য মাটিৰ পৰিমাণ কমিব ধৰিছে দ্ৰুত গতিৰে। বাংলাদেশৰ আৰ্থিক অৱস্থা যদি টনকিয়াল হ'লহেঁতেন, তেনেহলে হয়তো কিবা প্ৰকাৰে এই জটিল সমস্যাৰ এটা আংশিক সমাধান বিচাৰি উলিওৱা সম্ভৱ হ'লহেঁতেন। কিন্তু ওপৰতেই কৈ অহা হৈছে যে পৃথিৱীৰ আটাইতকৈ দুখীয়া দেশকেইখনৰ ভিতৰত বাংলাদেশ অন্যতম। প্ৰাকৃতিক সম্পদ বুলিবলৈ সেই দেশৰ বিশেষ একোটোৱেই নাই। বৈদেশিক মুদ্ৰা উপাৰ্জনৰ ক্ষমতা থকা একমাত্ৰ থলুৱা সামগ্ৰী মৰাপাটৰো আন্তৰ্জাতিক বজাৰত চাহিদা দ্ৰুত গতিৰে হ্ৰাস পাইছে। অৰ্থাৎ এতিয়া বা সুদূৰ ভৱিষ্যততো বাংলাদেশৰ অৰ্থনীতিৰ সাধ্য নাই যে সি সেই দেশৰ ক্ৰমবৰ্ধমান জনসংখ্যাৰ সমস্যাৰ সমাধান কৰিব পাৰিব।

এনে এটা ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হৈ বাংলাদেশৰ নেতা সকলে বাঢ়ি অহা জনসংখ্যা আৰু কমি অহা মাটিয়ে সৃষ্টি কৰা জটিল সমস্যাৰ সমাধান কৰিবলৈ এটাই মাত্ৰ পথ বিচাৰি পাইছে। সেইটো হ'ল বাংলাদেশৰ অতিৰিক্ত জনসংখ্যাৰ বোজা ভাৰতৰ ওপৰত –বিশেষকৈ চুবুৰীয়া অসম আৰু পশ্চিমবংগৰ ওপৰত – জাপি দিয়া। তেওঁলোকে খোলাখুলিকৈয়ে ঘোষণা কৰিছে যে বাংলাদেশৰ ওপচি পৰা জনপুঞ্জৰ কাৰণে তেওঁলোকক অতিৰিক্ত বাসভূমি লাগিবই, আৰু সেই বাসভূমি বিচাৰি উলিয়াব লাগিব ভাৰতৰ মাটিত। কাঁহটীয়া বেৰ দূৰৰ কথা, শিলৰ দুৰ্লংঘ্য প্ৰাচীৰেও বাংলাদেশৰ মানুহক ভাৰতলৈ অহাৰ পৰা কোনেও বাধা দিব নোৱাৰে।

অসম তথা ভাৰতৰ কাৰণে বাংলাদেশৰ পৰা আহিব পৰা বিপদ একমাত্ৰ এইটোৱেই নহয়। পাকিস্তানে সেই দেশৰ জন্মলগ্নৰ পৰাই ভাৰতৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈ আহিছে। অদূৰ ভৱিষ্যতত পাকিস্তানৰ ভাৰত-বিৰোধী কাৰ্যকলাপ আৰু বেছি বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। ছোভিয়েত ইউনিয়নৰ মৃত্যুৰ পিছত মধ্য এচিয়াৰ যি কেইখন মুছলমান-প্ৰধান দেশ নতুনকৈ স্বাধীন ৰাষ্ট্ৰত পৰিণত হৈছে, সেই ৰাষ্ট্ৰবোৰেও আন্তৰ্জাতিক পৰিস্থিতিত নতুন জটিলতা সৃষ্টি কৰাত কি ধৰণৰ ভূমিকা লয় সেইটো দেখিবলৈ এতিয়াও বাকী আছে। সেই দেশবোৰেও যদি ইছলাম মৌলবাদৰ শক্তি বৃদ্ধিত ইন্ধন যোগাবলৈ সিদ্ধান্ত লয়, তেন্তে ভাৰতৰ নিচিনা মিশ্ৰিত জন-সমষ্টিৰ দেশবোৰে নতুন নতুন জটিল সমস্যাৰ সন্মুখীন হ'ব লগীয়া হ'ব পাৰে। এই প্ৰসংগতে মনত ৰখা দৰকাৰ যে বাংলাদেশে ইতিমধ্যে সেই দেশৰ ৰাষ্ট্ৰপিতা মুজিবুৰ ৰহমানৰ ধৰ্মনিৰপেক্ষ জাতীয়তাবাদৰ আদৰ্শ পৰিহাৰ কৰি মহম্মদ এৰশাদ আৰু জিয়াউৰ ৰহমানৰ ইছলামী জাতীয়তাবাদৰ আদৰ্শ গ্ৰহণ কৰিছে। বাংলাদেশে ইতিমধ্যেই পাকিস্তানৰ ভাৰত-বিৰোধী ষড়যন্ত্ৰত সহযোগিতা কৰাৰ নানা প্ৰমাণ পোৱা গৈছে। অদূৰ ভৱিষ্যতত বাংলাদেশ ভাৰত-বিৰোধী কাৰ্যকলাপৰ এটা প্ৰধান ঘাটি হৈ পৰাৰ সম্ভাৱনা দেখা দিছে। এনে অৱস্থাত আলফাৰ লগত বাংলাদেশৰ মিতিৰালিক যি কোনো চিন্তাশীল মানুহেই গভীৰ সন্দেহৰ দৃষ্টিৰে চাবলৈ বাধ্য।

# আলফা-চৰকাৰৰ আলোচনাৰ বাধা-বিঘিনি আৰু কংগ্ৰেছ(ই)ত বিসঁচ

দুলাল বৰা

১৬ ডিচেম্বৰ তাৰিখে, অৰ্থাৎ আলফাৰ জিম্মাৰ পৰা পণবন্দীসকল মুক্ত হ'বলৈ আৰম্ভ কৰাৰ দিনা সন্ধিয়া গুৱাহাটীৰ কইনাধৰা পাহাৰৰ টিলাত থকা অতিথি শালাটোত এখন সাংবাদিক মেল অনুষ্ঠিত হৈছিল। গুৱাহাটীত থকা প্ৰায় সমূহ সাংবাদিকৰ উপস্থিতিত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই সেই মেলত কথাৰ মাজতে কৈ পেলালে যে নিৰীহ পণবন্দী কেইগৰাকীৰ মুক্তি 'বহু আগেয়েই সম্ভৱ হ'লহেঁতেন, যদিহে মাত্ৰ কেইজনমান স্বাৰ্থান্বেষী লোকে বিধি পথালি দি নেথাকিলহেঁতেন। সেই লোক কেইজনৰ মাজত "আপোনালোকৰ লগৰো দুজনমান (অৰ্থাৎ সাংবাদিক) আৰু মোৰ লগৰো দুজনমান আছে" বুলিও শইকীয়াই ব্যাখ্যা দিছিল। কিন্তু সেই "বিশিষ্ট" লোক সকলৰ নাম ক'বলৈ মুখ্য মন্ত্ৰীয়ে অস্বীকাৰ কৰিলে। মাথো ক'লে– "সময়ত আলফাৰ নেতাসকলৰ মুখৰ পৰাই আপোনালোকে নামবোৰ জানিবলৈ পাব।" পণবন্দী ৬ জনৰ বিনাচৰ্ত্তে মুক্তি আদায় কৰিব পাৰি, প্ৰতিপক্ষৰ সৈতে হোৱা দ্বন্দযুদ্ধৰ প্ৰথম ৰাউণ্ডত বিজয়ী হোৱা লোকৰ দৰেই মুখ্য মন্ত্ৰী শইকীয়া সেইদিনাৰ হিমচেঁচা সন্ধিয়াতো যথেষ্ট উৎফুল্লিত আৰু দৃঢ় হৈ আছিল। আনহাতে তেওঁ কৰা মন্তব্যই উপস্থিত সাংবাদিক সকলক স্তম্ভিত কৰি তুলিছিল।

শইকীয়াই "মোৰ লগৰো দুজনমান" বুলি কওঁতে যে তেওঁৰ দলৰ লোককেই বুজাইছিল সেই কথা অনুমান কৰা অকণো টান নহয়। নামবোৰ উচ্চাৰণ কৰিবলৈ তেওঁ টান পালেও যিকোনো এজন অনুসন্ধানী লোকে সেইবোৰো অনুমান কৰা সহজ। মন কৰিবলগীয়া যে পণবন্দী কেইজনক আলফাই মুক্ত কৰি দিয়াৰ পিছ দিনাই তিনি গৰাকী কংগ্ৰেছ(ই) নেতাই লৰা-ঢপৰাকৈ নতুন দিল্লীত প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওক অভিনন্দন জনাইছিলগৈ।

নেতাকেইগৰাকী আছিল- প্ৰাক্তন মন্ত্ৰী বীৰেণ সিং ইংতি, কেশৱ চন্দ্ৰ গগৈ আৰু বিষ্ণু প্ৰসাদ। পণবন্দী মুক্ত হোৱা ঘটনাত ৰাজ্যিক চৰকাৰটোৰ যেন এক্ো ভূমিকাই নাছিল, তেনে এক আৱহাৱা সৃষ্টি কৰাৰ উদ্দেশ্যেৰেই যে কামফেৰা কৰিছিল সেই কথা স্পষ্ট। মুখ্য মন্ত্ৰী শইকীয়াই অৱশ্যে তেওঁলোকৰ কাৰ্যকলাপত অকণো গুৰুত্ব দিব নোখোজে। তেওঁৰ মতে নেতা কেইজনে নতুন দিল্লীত প্ৰধান মন্ত্ৰীক আচুতীয়াকৈ লগেই ধৰিব নোৱাৰিলে আৰু সেয়ে প্ৰধান মন্ত্ৰীৰ বাস ভৱনত অগণন সাক্ষাৎপ্ৰাৰ্থীৰ মাজতে সাউতকৈ অভিনন্দন পত্ৰখন দি আহি সাংবাদিকক তিতাদাঁহেই খবৰটো জনালে যাতে তেওঁলোকৰ "কৃতিত্ব"ৰ কথা প্ৰচাৰ হয়। যি কি নহওঁক, উক্ত ঘটনাৰ যোগেদি এটা কথাই প্ৰতীয়মান হ'ল যে কংগ্ৰেছ (ই) নেতা তিনিজনে অসমৰ কংগ্ৰেছ নেতৃত্বক কিলাকুটিয়াবলৈকে তেনে তৎপৰতা চলাইছিল। তদুপৰি এই কথাও ইতিমধ্যে প্ৰকাশিত হৈছে যে কংগ্ৰেছ (ই) দলৰ দুই এজন বিসম্বাদীয়ে গোপনে আলফাৰ লগতো যোগাযোগ স্থাপন কৰি শইকীয়াক ক্ষমতাচ্যুত কৰাৰ আঁচনি পাঙিছিল।

পুলিচৰ হাতত গ্ৰেপ্তাৰ হোৱা হিৰণ্য শইকীয়া নামৰ আলফা কৰ্মী এজনে দিয়া জবানবন্দীতেই এই ঘটনা স্পষ্ট। আলফা কৰ্মীজনৰ মতে, মোমায়েক কংগ্ৰেছ (ই) নেতা চিত্তৰঞ্জন পাটোৱাৰীয়ে (সেই সময়ত শইকীয়া মন্ত্ৰী সভাৰ ৰাজীৱ মন্ত্ৰী) তেওঁক লগ ধৰি আলফাৰ নেতাসকলক এইবুলি বুজাবলৈ খাটনি ধৰিছিল যাতে আলফা আলোচনাত বহে আৰু প্ৰয়োজন হ'লে সেই আলোচনাৰ পৰা শইকীয়াক নিলগাই ৰখা হ'ব। কংগ্ৰেছ (ই) নেতাজনে এই প্ৰতিশ্ৰুতিও দিছিল যে এনে প্ৰস্তাৱিত আঁচনি নিৰ্মাণৰ আঁৰত কেন্দ্ৰীয় মন্ত্ৰী তৰুণ গগৈ, সংসদ সদস্য ভূৱনেশ্বৰ কলিতা, কিৰিপ চলিহা আৰু প্ৰদেশ কংগ্ৰেছৰ সম্পাদক নেকিবুৰ জামান আদি আছে। যি কি নহওক, শ্ৰীপাটোৱাৰীৰ এনে আঁচনিৰ কথা প্ৰকাশ হৈ যোৱাৰ পিছত তেওঁ মন্ত্ৰী সভাৰ পৰাও বৰ্খাস্ত হ'ল আনহাতে আলফাৰ এগৰাকী নেতাইও কাকতযোগে জনাই দিলে যে শ্ৰীপাটোৱাৰী প্ৰমুখ্যে নেতাসকলৰ কথাত তেওঁলোকে কোনো ধৰণৰ গুৰুত্ব নিদিয়ে আৰু কোনো যোগাযোগো ৰখা নাই। তথাপি এটা কথা ঠিক যে আলফা কৰ্মীজনৰ স্বীকাৰোক্তিৰ পৰা, মুখ্য মন্ত্ৰী শইকীয়াৰ কাম-কাজত হেঙাৰ সৃষ্টি কৰিবলৈ চেষ্টা চলোৱা ক্ষুদ্ৰ কংগ্ৰেছ (ই) গোটটোৰ স্বৰূপ ওলাল।

কিন্তু এটা কথা স্বীকাৰ্য্য যে কংগ্ৰেছ (ই) ৰ ভিতৰতে চলা শইকীয়া বিৰোধী খেলখনৰ অন্ত ইমানতে পৰা নাই আৰু খেলুৱৈসকলো ইমান পৰি মৰা বিধৰ নহয়। জনামতে, কংগ্ৰেছ (ই) দলৰ দুই-এগৰাকী এনে বিসম্বাদীয়ে ইতিমধ্যে নতুন অসম গণ পৰিষদ দলৰ লগতো ঘনিষ্ঠতা স্থাপন কৰাত সমৰ্থ হৈছে আৰু উক্ত দলৰ যোগেদিয়েই অকংগ্ৰেছী বিৰোধী দলসমূহৰ সৈতে গোপন শলাপৰামৰ্শ কৰিছে। আনহাতে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ এগৰাকী মন্ত্ৰী ৰাজেশ পাইলটেও ন-অ-গ-প প্ৰমুখ্যে এই শিবিৰটোৰ লগত ওতঃপ্ৰোত সম্পৰ্ক বজাই ৰাখিছে। দিছপুৰৰ ৰাজনৈতিক মহলত এই কথা সম্প্ৰতি জনাজনি হৈছে যে উক্ত শিবিৰটোৱে উত্ৰাৱল হৈ দিয়া খবৰৰ ভিত্তিতে কেন্দ্ৰীয় গৃহ মন্ত্ৰী চৱনে সংসদৰ মজিয়াত ১৩ ডিচেম্বৰৰ দিনাই 'পণবন্দী মুক্ত হ'ল' বুলি অসত্য তথ্য দি পিছত ক্ষমা খুজিব লগা অৱস্থা হৈছিল।

মুঠৰ ওপৰত এটা কথা ঠিক যে ৰাজনৈতিক আৰু সাংগঠনিকভাৱে হিতেশ্বৰ শইকীয়াক পৰাস্ত কৰিব নোৱাৰা শক্তিটোৱে আঁচনি তৈয়াৰ কৰিছে যাতে ১৯৮৫ চনৰ অসম চুক্তি স্বাক্ষৰিত হোৱা সময়ৰ দৰে পুনৰ হিতেশ্বৰ শইকীয়াক অসমৰ নেতৃত্বৰ পৰা আঁতৰাব পৰা যায়। আলফাৰ সৈতে হোৱা আলোচনা "একমাত্ৰ কেন্দ্ৰীয় চৰকাৰৰ লগতহে হব লাগে", "পণবন্দীৰ মুক্তি আৰু আলফাৰ যুদ্ধ বিৰতিৰ ঘোষণা আদিৰ সৈতে ৰাজ্য চৰকাৰৰ কোনো ভূমিকা নাই"– আদি ধৰণৰ প্ৰচাৰ দৰাচলতে এনে আঁচনিৰে যে অংগ সেইটো সহজে অনুমান কৰিব পৰা যায়। এইবোৰৰ বিপৰীতে অৱশ্যে মুখ্য মন্ত্ৰী শইকীয়াই যুঁজ দিব খোজা নাই যেনেই ধাৰণা হয়। কাৰণ তেওঁৰ মতে অসমত শান্তি স্থাপনহে অত্যন্ত জৰুৰী আৰু সেয়ে আলফাই কেন্দ্ৰীয় চৰকাৰৰ সৈতে পোনপটিয়াকৈ আলোচনা কৰিলেও তাত তেওঁৰ মৰ্যাদা হানি হব বুলি নেভাবে। অৱশ্যে আলফাৰ তৰফৰ পৰাও এতিয়ালৈকে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত গুণগত পাৰ্থক্য আছে বুলি কোনো ধৰণৰ ইংগিত প্ৰকাশিত হোৱা নাই।

অপ্ৰিয় হ'লেও এটা কথা উল্লেখ কৰা ভাল হব যে এনে ধৰণৰ আঁচনিবোৰত ব্যৰ্থ হলে 'স্বাৰ্থান্বেষী" মহলটোৱে চৰকাৰ আৰু আলফাৰ মাজত হবলগা প্ৰস্তাৱিত আলোচনাকেই ব্যৰ্থ কৰিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা যে চলাব তাত সন্দেহ নাই। ইমানদিনে আলোচনাৰ দাবী কৰি থকা সকলেও বেলেগ বেলেগ চং দিবলৈ আৰম্ভ কৰিব। আলোচনাক চলনা বুলি কোৱাৰ প্ৰয়াস কৰিব। এই সকলোবোৰ অতিক্ৰমি আলফাৰ নেতৃত্ব আৰু চৰকাৰে আলোচনাত বহিব পাৰে নে নোৱাৰে আৰু সবাসীৰ স্বাৰ্থ ৰক্ষা কৰিব পাৰে নে নোৱাৰে, সেইটোহে আসন্ন দিনকেইটাত অত্যন্ত লক্ষণীয় বিষয় হ'ব। আৰু সম্ভৱতঃ এই সময়ছোৱাতেই বিধিপথালি দি থকা সাংবাদিক বুদ্ধিজীৱী সকলো সাধাৰণ ৰাইজৰ চকুত ধৰা পৰিব। ■







...কৈ মুখ্য মন্ত্ৰীৰ তলতহে কৰিছিল। কাৰণ ৮/১১/৯০ ...নাথ দাস ছুটীত গৈছিল। ...ক্য কৰিলে শ্ৰীমিলন

# আলফা আন্দোলন আৰু সংবাদপত্ৰ

"Should a person bringout a sheet with the liberty to say and do every kind of wrong under the aegis of the "noble" doctrine of the freedom of the press? Obviously, anybody can bringout anything : the only limitation can be that of money or the number of purchasers he will get. And he can do a lot of mischief by propagating all kinds of pernicuous ideas— I am not thinking in terms of politics. Suppose some noted gangster started preaching gangsterism, not patently and obviously but in a disguised way. Well, then the freedom of press would mean the preaching of gangsterism or the preaching of hatred of others, which is common enough in many countries."— "জৱাহৰলাল নেহৰু, সম্পাদকসকলৰ সৰ্বভাৰতীয় অধিবেশন, ছেপ্তেম্বৰ ৭, ১৯৫২।

সংবাদপত্ৰ সমূহে উপভোগ কৰা "স্বাধীনতা"ৰ অপব্যৱহাৰ হব পাৰে বুলি ১৯৫২ চনতে জৱাহৰলাল নেহৰুৱে কৰা আশংকা আজিও দুৰ্ভাগ্যজনকভাৱে আমাৰ দেশত প্ৰাসংগিক হৈ আছে। বৰং ঠাই বিশেষে ই প্ৰবল হৈ উঠাহে দেখা গৈছে। হত্যা আৰু সন্ত্ৰাসকে মূলধন কৰি লৈ মূৰ দাঙি উঠা বিভিন্ন সংগঠনৰ পৰা আৰম্ভ কৰি একেবাৰে তামিলনাডুৰ অৰণ্যত দস্যুবৃত্তি চলাই জীয়াই থকা বীৰাপ্পন নামৰ দুৰ্দ্ধৰ্ষ অপৰাধী জনলৈকে আটায়ে সংবাদ মাধ্যম সমূহত পোনপটিয়াকৈ বা আওপকীয়াভাৱে হ'লেও লাভ কৰা প্ৰশস্তিবোৰ নিঃসন্দেহে বিবেকবানসকলৰ বাবে অস্বস্তি আৰু আশংকাৰ থলী।

অসমৰ সংবাদজগতখনত সম্প্ৰতি ঘটিবলৈ ধৰা ঘটনাবোৰ সম্পৰ্কে নিৰপেক্ষ নাগৰিকসকল নিৰুদ্বেগ হৈ থাকিব পৰা নাই। সন্ত্ৰাসবাদী সংগঠন আলফাৰ প্ৰতি একাংশ কাকতে দিয়া অকুণ্ঠ সমৰ্থনে সঁচা অৰ্থত ৰাজ্যখনৰ সামাজিক জীৱনৰে ক্ষতি কৰি এৰা নাই বৰং পৰিবৰ্তনৰ স্পৃহাৰে ব্যাকুল হোৱা আলফাৰ ডেকা বাহিনীটোকো বিভ্ৰান্ত কৰাৰ প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে। এনেবোৰ শিবিৰত এদল ঠেকহীন বুদ্ধিজীৱীৰো (?) সমাবেশ ঘটা দেখা গৈছে। অস্বীকাৰ কৰাৰ উপায় নাই যে এনে শিবিৰৰ প্ৰচণ্ড উচটনিয়ে বহু ক্ষেত্ৰত আলফাকো টলাব পৰা নাই আৰু তাৰ ফলস্বৰূপে তেনে বুদ্ধিজীৱী আৰু সংবাদসেৱীৰ দৃষ্টিভংগীতকৈ আলফাৰ পদক্ষেপহে সাধাৰণ ৰাইজৰ মাজত সমাদৃত হৈছে। উদাহৰণ স্বৰূপে বিগত নিৰ্বাচনৰ সময়ত আলফাই গ্ৰহণ কৰা ভূমিকাৰ কথাই উল্লেখ কৰিব পাৰি। ভাৰতৰ সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত কোনো ধৰণৰ আস্থা নাই বুলি স্পষ্টভাৱে ঘোষণা কৰি থকা বাবেই আলফাই নিৰ্বাচনত সম্পূৰ্ণৰূপে নিৰপেক্ষতাক অৱলম্বন কৰিছিল। কিন্তু উক্ত বিশেষ বুদ্ধিজীৱীৰ শিৱিৰবোৰে আলফাৰ এনে নিৰপেক্ষতাত কটুভাৱে সমালোচনা কৰিছিল আৰু নিৰ্বাচনত হস্তক্ষেপ কৰাৰ "বিপ্লৱী" প্ৰয়োজনীয়তা সম্পৰ্কে অহৰ্নিশে উপদেশ বাণী বৰিষণ কৰি থকা সত্ত্বেও আলফাই নিজৰ খুটি নলবোৱাকৈ থাকি প্ৰশংসা পাবলৈ সক্ষম হৈছিল। মন কৰিবলগীয়া যে উক্ত শিবিৰবোৰে নিজৰ সংকীৰ্ণ স্বাৰ্থ পূৰণৰ উদ্দেশ্যেৰে যোৱা কালছোৱাত নতুন দিল্লীৰ কংগ্ৰেছী চৰকাৰ আৰু দিছপুৰৰ কংগ্ৰেছী চৰকাৰৰ মাজত কাল্পনিক ব্যৱধান সৃষ্টি কৰি আলফাকো প্ৰকাৰান্তৰে প্ৰভাৱান্বিত কৰাৰ চেষ্টা চলাইছে। অৱশ্যে এই ক্ষেত্ৰতো আলফাই নিজৰ স্থিতি সলোৱা পৰিলক্ষিত হোৱা নাই। ভাৰতীয় ৰাষ্ট্ৰ যন্ত্ৰ একেই আৰু তাৰ ভিতৰত দিল্লী-দিছপুৰ চৰকাৰৰ মাজত কোনো প্ৰভেদ নাই বুলি কৈ থকা আলফাই সেয়ে

...বাবে ২... ...দ কিঞ্চিতমানো ...তবোৰ শিবিৰে ... আলফাৰ প্ৰস্তাৱিত আ... ...ক হৈয়ে কৰিবলৈও উঠিপৰি লগা দেখা গৈছে। উক্ত শিবিৰবোৰ ইমান দিনলৈকে আলফাৰ ঘনিষ্ঠ বুলিয়েই পৰিচিত হৈ আছিল। গতিকে, এই ক্ষেত্ৰতো আলফাই পূৰ্বৰ দৰেই নিজস্ব মূল্যায়ন আৰু নীতি সিদ্ধান্তৰ ওপৰত অটল হৈ থাকিব পাৰিব নে নাই সেয়া লক্ষনীয় হ'ব।

অসমৰ সংবাদ পত্ৰসমূহৰ লগত জড়িত একাংশ সাংবাদিকে দুগৰাকী সাংবাদিক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত চলোৱা আন্দোলনে ইতিমধ্যে ৰাজ্যখনৰ সংবাদ মাধ্যমলৈ যথেষ্ট অপযশ আনিলে। আলফাৰ বে-আইনী কাম-কাজৰ সৈতে সহযোগ কৰাৰ অভিযোগত সৈন্য-ৰাহিনীয়ে সাংবাদিক দুগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। দুয়ো গৰাকী সাংবাদিককে বিনাচৰ্তে আৰু অবিলম্বে মুক্তি দিয়াৰ দাবীত উক্ত সাংবাদিকৰ অংশটোৱে আন্দোলন কৰাৰ নামত চৰকাৰ তথা মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ বিৰুদ্ধে ফেপেৰি পাতি ধৰোতে নিজৰ গাতেই ফাপৰ লাগিল। সাংবাদিক দুগৰাকীৰ মুক্তিতকৈ হিতেশ্বৰ শইকীয়াকহে বে-কায়দাত পেলোৱাৰ পলিটিক্স কৰিবলৈ গৈয়েই সাংবাদিক চামৰ আন্দোলনে মাধমাৰ খালে। তেনে পলিটিক্স নথকা হ'লে সাংবাদিকসকলে প্ৰথমখন সভাতে, সাংবাদিক দুজনৰ গ্ৰেপ্তাৰৰ কাৰণ জানিবলৈ নিবিচৰাকৈয়ে মুখ্য মন্ত্ৰীৰ পদত্যাগৰ দাবী কৰি প্ৰস্তাৱ লোৱাটো সম্ভৱপৰ নহ'লহেতেন বা আন্দোলনটোও শেষলৈ চেফেৰা নহলহেতেন।

চেফেৰা লাগিল বুলি কোৱাৰ যুক্তি যথেষ্ট আছে। গ্ৰেপ্তাৰ হোৱা সাংবাদিক দুজনৰ মুক্তি নোহোৱা পৰ্য্যন্ত সাংবাদিকৰ চামটোৱে আন্দোলন চলাই যোৱাৰ কথা আছিল। এদিন সমূহীয়া বিক্ষোভ, প্ৰায় এসপ্তাহ জুৰি ধৰ্ণা আদি হ'ল, এদিন সমূহ কাকতৰ সম্পাদকীয় স্তম্ভ উকা হৈ ওলাল। কিন্তু এইবোৰৰ পিছত সাংবাদিক দুগৰাকীৰ মুক্তি নোহোৱাকৈয়ে আন্দোলন, ধৰ্ণা অনিৰ্দ্দিষ্ট কাললৈ স্থগিত কৰি পেলোৱা হ'ল। ৰাজ্যিক ভিত্তিত হোৱা সাংবাদিক অভিবৰ্ত্তনখনে আনকি সাংবাদিক দুজনৰ অবিলম্বে মুক্তিৰ দাবী জনাই প্ৰস্তাৱ এটাকে গ্ৰহণ কৰিব নোৱাৰিলে। তাৰ পূৰ্বে, গুৱাহাটীৰ সাংবাদিকৰ চামটোৱে প্ৰথমতে চৰকাৰৰ সমস্ত অনুষ্ঠান, প্ৰেছ বিজ্ঞপ্তি আদি বৰ্জন কৰাৰ সিদ্ধান্ত ললে। কিন্তু সেইটো সম্পূৰ্ণ সফল হৈ নুঠা দেখি 'আইন শৃংখলা সম্পৰ্কীয়" প্ৰেছ বিজ্ঞপ্তি বা প্ৰেছ ব্ৰিফিং আদিৰ পৰা কেইদিনমানৰ পিছতে উঠাই লবলৈ বাধ্য হ'ল। বৰ্জনৰ বিন্দুও উৰি গ'ল,আলফাই পণবন্দী মুক্ত কৰিবৰ দিনা। প্ৰায় সকলোবোৰ সাংবাদিকেই সেইদিনা মুখ্য মন্ত্ৰী শইকীয়াৰ প্ৰেছ মেললৈ ৰাতি ৮-৩০ বজাত ঢপলিয়াই গ'ল। বৰ্জনৰ সিদ্ধান্ত ক'ৰবালৈ গ'ল। তাৰ পিছততো আৰু কথাই নাই। দিছপুৰত এতিয়া দৰাচলতে সাংবাদিক সকলৰ দলদোপ হেন্দলঢোপ। মুখ্য মন্ত্ৰী শইকীয়া পিছে বৰ বুধিয়ক ব্যক্তি। ১৬ ডিচেম্বৰৰ নিশাৰ প্ৰেছ মেলত সুবিধাতো পায়ে কৰযোৰে সকলোকে কৈয়ে পেলালে– "আপোনালোক সদৌটি আজি অহা বাবে ধন্যবাদ।"

পৰিতাপৰ কথা যে সাংবাদিকসকলৰ আন্দোলনৰ লগত আনকি বাতৰি কাকতৰ মালিক সকলেও সহযোগ নকৰিলে। গুৱাহাটীয়া সাংবাদিকৰ সভা এখনে সকলো মালিককে অন্ততঃ এদিনৰ বাবে কাকতৰ প্ৰকাশ বন্ধ ৰাখিবলৈ মিনতি জনাইছিল। পিছে কাকত হ'লে এদিনৰ বাবেও বন্ধ হোৱা দেখা নগ'ল। আনকি সাংবাদিকসবে যিটো চৰকাৰক বৰ্জন (যেন তেখেত সকলে নিযুক্তি দিয়া চৰকাৰহে) কৰা আৰম্ভ কৰিছিল, সেইটো চৰকাৰৰেই বিজ্ঞাপনসমূহ মালিকসকলে পূৰ্ণ ৰূপত কাকত সমূহত প্ৰকাশ কৰোৱাইছিল। কোনোজনে আনকি সাংবাদিক হিচাপে এফালে বৰ্জনৰ সিদ্ধান্ত লৈছিল আৰু আনফালে মালিক হিছাপে (মোনুহ যিহেতু এজনেই) বিজ্ঞাপন চপাইছিল। দুমুখীয়া সুবিধাবাদৰ এনে নিৰ্লজ্জ প্ৰদৰ্শন দেখি সাধাৰণ মানুহৰ অৱস্থা সৰগ পৰা মানুহৰ লেখীয়া হৈছিল।

যি কি নহওক, এটা কথা উপলব্ধি কৰা মঙ্গল যে গুৱাহাটীৰ সাংবাদিক এচামৰ এনে কেৰামতিয়ে সাংবাদিকতাৰ দৰে মহান বৃত্তিটোৰ মৰ্যাদা অনেক ক্ষুণ্ণ কৰিলে। চৰকাৰী পক্ষৰ জয় হ'ল সঁচা কিন্তু তাত সৰ্বসাধাৰণ ৰাইজে আনন্দ পোৱাতকৈ আতংকিত হোৱাৰহে থল বেছি।

সেয়ে সম্প্ৰতি সৰ্বাধিক প্ৰয়োজনীয় বিষয়টো হৈছে সাংবাদিকসকলৰ আত্ম-সমালোচনা। এনে আত্মসমালোচনা কৰিব পাৰিলেহে সাংবাদিকসবে পুনৰায় জনসাধাৰণৰ আস্থাৰ আবেষ্টনীৰ ভিতৰত সোমাব পাৰিব। নহ'লে নহয়। অসমৰ সাংবাদিক সকলৰ বাবে এক সৰ্বজনগ্ৰাহ্য আৰু বাস্তৱসন্মত আচৰণবিধি প্ৰস্তুত কৰা আৰু সিবিলাকৰ কটকটীয়া ৰূপায়ণৰ বাবে সাংবাদিকসকলে নিজেই উদ্যোগ লোৱাৰ সাহস দেখুৱাব বাৰু পাৰিবনে? □

অনিৰুদ্ধ দত্ত


পূৰবী প্ৰকাশনৰ পৰা

নতুন আৰু বৰ্ণাঢ্য সাজেৰে অলপতে প্ৰকাশ পাব

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)






...কৈ মুখ্য মন্ত্ৰীৰ তলতহে কৰিছিল। কাৰণ ৮/১১/৯০ ...নাথ দাস ছুটীত গৈছিল। ...ক্য কৰিলে শ্ৰীমিশ্ৰক ...গা...

# আই,এ,এছ, বিষয়াৰ থৈয়া-নথৈয়া–প্ৰশাসন কোঙা

অসম চৰকাৰৰ আই, এ, এছ বিষয়া সকলৰ মাজত সম্প্ৰতি এটা ঘটনাই ভিতৰি ভিতৰি তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। হোৱাৰ কথাই। কিয়নো তিনি গৰাকী শীৰ্ষস্থানীয় আই, এ, এছ, বিষয়াৰ বিৰুদ্ধে চৰকাৰে লিখিত ভাবে অসন্তুষ্টি প্ৰকাশ কৰিছে। চৰকাৰী ভাষাত, তেওঁলোকৰ বিৰুদ্ধে "Displeasure"ৰ নোট দিয়া হৈছে। আই, এ, এছ, অৰ্থাৎ সৰ্বভাৰতীয় সেৱাৰ বিষয়া সকলৰ বাবে কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া বিধি সমূহ উলংঘা কৰাৰ অভিযোগ তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত হৈছে। অসম সচিবালয়ৰ কৰ্মচাৰী প্ৰশাসন 'ক' বিভাগে উক্ত কাৰ্য ব্যৱস্থা লৈছে। 'ডিছপ্লেজাৰ' দিয়া বিষয়া কেইগৰাকী হ'ল, অসম ৰাজহ বোৰ্ডৰ চেয়াৰমেন প্ৰফুল্ল চন্দ্ৰ মিশ্ৰ, শিক্ষা আৰু পৰ্য্যটন আয়ুক্ত প্ৰফুল্ল চন্দ্ৰ শৰ্মা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আৰু যোগান আয়ুক্ত চন্দ্ৰ কান্ত দাস। সচিবালয়ৰ এক সূত্ৰই জনোৱা মতে চন্দ্ৰকান্ত দাসক দিয়া 'ডিছপ্লেজাৰ' শ্ৰী দাসৰ আপত্তিৰ বাবে ইতিমধ্যে চৰকাৰে প্ৰত্যাহাৰ কৰিছে। কিন্তু শিক্ষা আয়ুক্ত প্ৰফুল্ল চন্দ্ৰ শৰ্মাই উক্ত 'ডিছপ্লেজাৰ'ৰ বিৰুদ্ধে বৰ্তমানলৈকে কোনো আপত্তি দৰ্শোৱা নাই যদিও ৰাজহ বোৰ্ডৰ চেয়াৰমেন প্ৰফুল্ল চন্দ্ৰ মিশ্ৰই হলে বিষয়টো সহজে এৰি দিবলৈ বিচৰা নাই। সম্প্ৰতি বিষয়া গৰাকীয়ে উক্ত "ডিছপ্লেজাৰ'ৰ বিৰুদ্ধে দুৰ্ঘোৰ আপত্তি দৰ্শাই ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব ভাস্কৰ বৰুৱালৈ এক পত্ৰ প্ৰেৰণ কৰিছে। সম্প্ৰতি এই ঘটনাটোৰ গুৰুত্ব আৰু প্ৰশাসনীয় মহলত সৃষ্টি হোৱা চাঞ্চল্যৰ পৰিপ্ৰেক্ষিতত আমি ইয়াক পঢুৱৈ ৰাইজৰ জ্ঞাতাৰ্থে বেকত কৰিলো। কাৰণ অসম চৰকাৰৰ উচ্চতম মহলত ঘটা ই এক নাভূত-নাশ্ৰুত ঘটনা। ইয়াৰ বাবে সচিবালয়ৰ কৰ্মচাৰী প্ৰশাসন বিভাগৰ দুগৰাকী আই, এ, এছ, বিষয়া বিপদত পৰাৰ সম্ভাৱনা প্ৰবল হৈ উঠিছে।

উল্লেখযোগ্য যে ঘটনাটো ১৯৯০ চনৰ নৱেম্বৰত সংঘটিত হৈছিল আৰু প্ৰায় এবছৰতকৈয়ো অধিক কাল নিটাল মাৰি আছিল। কিন্তু হঠাতে কি কাৰণতনো বিষয়টো পুনৰ সঞ্জীৱিত হৈ উঠিল সেইটোহে ৰহস্যজনক। উক্ত ঘটনাটো ইয়াত বিশদভাৱে উত্থাপন কৰাৰ আগেয়ে আমি ১৯৯০ চনৰ নৱেম্বৰ মাহলৈ উভতি যাব লাগিব। কাৰণ সেই সময়ত মুখ্য সচিবৰ পদত অধিষ্ঠিত হৈ থকা হৰেন্দ্ৰ নাথ দাসক কেন্দ্ৰ কৰিয়েই উক্ত ঘটনাটোৰ সূত্ৰপাত হৈছিল।

১৯৯০ চনৰ ৮ নৱেম্বৰৰ দিনা মুখ্য সচিব হৰেন্দ্ৰ নাথ দাসে স্বইচ্ছাৰে তৎক্ষণাত ছুটীত যাবলৈ বিচৰাৰ কথা সচেতন মহলৰ বাবে দৃষ্টিগোচৰ হৈছিল। গতিকে শ্ৰী দাসৰ ঠাইত অতিৰিক্ত মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ মিশ্ৰক মুখ্য সচিবৰ কাৰ্য্যভাৰ লবলৈ কোৱা হৈছিল। কাৰণ শ্ৰীদাসে ৮/১১/৯০ তাৰিখে ছুটীত যাবলৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক লিখিতভাৱে জনাইছিল এইদৰে–

" I Wish to proceed on leave immediately. Formal application will be submitted seperately . This may kindly be approved and alternative arrangement ordered."

মুখ্য সচিব শ্ৰীদাসৰ উক্ত টোকাৰ পৰিপ্ৰেক্ষিততেই মুখ্যমন্ত্ৰী শ্ৰীমহন্তই অতিৰিক্ত মুখ্য সচিব শ্ৰীমিশ্ৰলৈ এক লিখিত আদেশ দিছিল ১০/১১/৯০ তাৰিখে।

" As Shri H. N. Das IAS Chief Secretary has proceeded on leave, please take over charge as Chief Secretary until further order.

Also please issue the notification promoting Sarvashri (1) Shri P. C. Sharma, IAS (2) Shri C. K. Das, IAS, (3) Shri Monoharan, IAS and (4) Shri A. C. Changkakaty, IAS to the supertime scale. I have already passed orders in the relevant file, which has already been sent to the Personnel Department. "

উল্লেখযোগ্য যে শ্ৰীমহন্তৰ উক্ত আদেশটো কৰ্মচাৰী প্ৰশাসন 'ক' বিভাগে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা এক আমোদজনক ঘটনাৰ বাবেই সম্প্ৰতি প্ৰফুল্ল চন্দ্ৰ মিশ্ৰক "ডিছপ্লেজাৰ' দিয়াৰ বাতৰি ৰাইজৰ বাবে জ্ঞাত হৈ পৰিছে। অতিৰিক্ত মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ মিশ্ৰই মুখ্যমন্ত্ৰী শ্ৰীমহন্তৰ উক্ত নিৰ্দ্দেশ কাৰ্য্যকৰী কৰিবলৈ লিখিত আদেশ দিছিল সেই সময়ৰ কৰ্মচাৰী প্ৰশাসন বিভাগৰ যুটীয়া সচিব শ্ৰীমতী স্মিতা সবলোক, আই, ,এ এছক। শ্ৰীমিশ্ৰই আদেশ দিছিল–

"Joint Secretary, Personnel.

1. Let me get a copy of the notification of 'X' above together with 6 copies of taking over charge .

2. Let me see the file on 'Y' above .

3. I would like the action to be completed by 1 p.m. today at the latest. Thereafter report with completion report.

4. As Commissioner Personnel is not available this paper is marked to Joint Secretary ."

দেখা যায়, যুটীয়া সচিব শ্ৰীমতী সবলোকে চৰকাৰী অধিসূচনা আৰু চাৰি গৰাকী বিষয়াক "চুপাৰ টাইম স্কেল"লৈ পদোন্নতি দিয়াৰ ক্ষেত্ৰত তেওঁ দেখুওৱা অজুহাত আছিল এনেধৰণৰ।

"অতিৰিক্ত মুখ্য সচিব,
হৰেন্দ্ৰ নাথ দাসৰ ছুটীৰ অধিসূচনা জাৰি কৰা নাই। যিহেতু শ্ৰীদাসৰ ছুটীৰ ধৰণ অৱ... নহয়। ইয়াৰোপৰি শ্ৰীদাসে কাৰ্য্য...ৰ সোধাই দিয়াৰ ৰিপোৰ্ট পোৱা

...ৰল হোৱা ...দাম্পতি দিয়াৰ ...বিভাগে এতিয়াও ...নুমান কৰা মতে মুখ্য মন্ত্ৰীৰ ...াদেশটো উক্ত ফাইলতে আছে। গতিকে আজি ১ বজাৰ আগতে অধিসূচনা জাৰি কৰিবলৈ অসুবিধা হ'ব যদিহে সংশ্লিষ্ট কাগজ পত্ৰৰ সৈতে মূল ফাইলটো পোৱা নাযায়।"

("Additonal Chief Secretary, Your orders at sl 3 may kindly be seen. Regarding 'X' it is stated that no notification on leave of Shri H. N. Das has been issued as the nature and period of leave of Shri Das is not yet known. Moreover, the handing over charge report of Shri Das not available.

Regardig 'Y' the order of C.S. at prepage bottom may kindly be seen. The main file relating to the promotion of the four officers of 1975 batch is not yet received by the department. The final orders of C.M. will presumbly be in that file. Hence it will be difficult to issue the notification by 1 p.m. today unless the main file with relevant orders is received..........")

দেখা যায়, ১০/১১/৯০ তাৰিখে শ্ৰীমিশ্ৰই তেওঁৰ আদেশটো শ্ৰীমতী সবলোকক কাৰ্য্যকৰী কৰিবলৈ দিয়াৰ মূল কাৰণ আছিল, সেই সময়ত কৰ্মচাৰী প্ৰশাসন বিভাগৰ আয়ুক্ত এছ কে তেৰাৱী কাৰ্য্যালয়ত উপস্থিত নাছিল আৰু উক্ত দিনটো আছিল শনিবাৰ। গতিকে ২-৩০ বজাৰ আগতে অৰ্থাৎ অফিচ ছুটীৰ আগতে বিষয়টো নিষ্পত্তি কৰিবলৈ শ্ৰীমতী সবলোকক আদেশ দিছিল। জানিব পৰা মতে সেইদিনা ১২-৩০ বজাত আয়ুক্ত শ্ৰীতেৰাৱী কাৰ্য্যালয়ত উপস্থিত হয় আৰু তেতিয়া শ্ৰীমিশ্ৰই শ্ৰীমতী সবলোকৰ উক্ত টোকাটো শ্ৰীতেৰাৱীলৈ প্ৰেৰণ কৰে আৰু অফিচ ছুটীৰ আগতে তেওঁৰ মতামত বিচাৰে।

" Commissioner /Secretary, Personnel,

For your comments please.

I ought to get your comments today before the office closes."

কিন্তু সেইদিনা শ্ৰীতেৰাৱীয়ে কোনো মতামত নিদিলে বুলি জনা যায়। পিছদিনা অৰ্থাৎ ১১/১১/৯০ তাৰিখে কৰ্মচাৰী প্ৰশাসন বিভাগৰ উপ সচিবে এখন অধিসূচনাৰ দ্বাৰা শ্ৰীমিশ্ৰক মুখ্য সচিবৰ কাৰ্য্যভাৰ লবলৈ কোৱা হয় আৰু হৰেন্দ্ৰ নাথ দাসক মুখ্য সচিবৰ পদৰ পৰা আজৰাই দিয়ে। ফলস্বৰূপে সেইদিনাৰ পৰাই প্ৰফুল্ল চন্দ্ৰ মিশ্ৰ মুখ্য সচিব হয়।

চাবলৈ গ'লে ঘটনাটো সিমানতে যতি পৰিছিল যদিও আশ্চৰ্যজনকভাৱে যোৱা ১০/১০/৯১ তাৰিখে অতিৰিক্ত মুখ্য সচিব ভাস্কৰ বৰুৱাই ৰাজ্যপালৰ নামত অসম ৰাজহ বোৰ্ডৰ চেয়াৰমেন আৰু ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া প্ৰফুল্ল চন্দ্ৰ মিশ্ৰক উদ্দেশ্য কৰি দিয়া এটি গোপন আদেশ এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য। উক্ত আদেশত কোৱা হৈছে যে শ্ৰীমিশ্ৰই ১০/১১/৯০ তাৰিখে পুৱা ১০-২০ বজাত ভাৰতীয় প্ৰশাসনীয় সেৱাৰ আন এগৰাকী বিষয়া শ্ৰীমতী স্মিতা সবলোকক (তেতিয়াৰ যুটীয়া সচিব কৰ্মচাৰী প্ৰশাসন বিভাগ) নিজ কাৰ্যালয়লৈ মাতি পঠায় আৰু শ্ৰীমিশ্ৰই মুখ্য সচিবৰ পদ গ্ৰহণ কৰিব পৰাকৈ আৰু একে সেৱাৰ অন্য চাৰি গৰাকী বিষয়াক 'চুপাৰ টাইম স্কেল'লৈ পদোন্নতি দিয়াৰ অধিসূচনা জাৰি কৰি... নিৰ্দ্দেশ দিয়ে। এই অধিসূচনা ...ই দিনাই দিনৰ ১ বজাত জাৰি কৰিবলৈ কোৱা হয়। সেইদিনা ১২-৩০ বজাত শ্ৰীমতী সবলোকে শ্ৰীমিশ্ৰক সাক্ষাৎ কৰি A A I. 17/84/pt. নম্বৰৰ ফাইলটোত এটা টোকা দিয়ে। উক্ত টোকাত কোৱা হয় যে মুখ্য সচিব ছুটীত যোৱাৰ বিষয়ে তেওঁৰ হাতত সবিশেষ কাগজ-পত্ৰ নাই। ফলস্বৰূপে শ্ৰীমিশ্ৰই মুখ্য সচিব হিছাপে কাৰ্য্যভাৰ লবলৈ চৰকাৰী অধিসূচনা দিব পৰা নাযায়।

দ্বিতীয়তে চাৰি গৰাকী আই, এ এছ বিষয়াক "চুপাৰ টাইম স্কেল"লৈ পদোন্নতি দিয়াৰ ক্ষেত্ৰত মূল ফাইলটো কৰ্মচাৰী প্ৰশাসন 'ক' বিভাগে ঘূৰাই পোৱা নাই। শ্ৰীমতী সবলোকৰ উক্ত টোকাটোত শ্ৰীমিশ্ৰ সন্তুষ্ট নহ'ল আৰু দিনৰ ২-৩০ বজাত শ্ৰীমতী সবলোকক পুনৰ নিজ কমলৈ মাতি পঠায় আৰু নিৰ্দ্দেশ পালন নকৰাৰ লিখিত ব্যাখ্যা বিচাৰে। কৰ্মচাৰী প্ৰশাসন 'ক' বিভাগৰ A A I. 17/84 নম্বৰৰ মূল ফাইলটো আৰু অন্যান্য বিষয়াসকলক বিচাৰি উলিয়াবলৈ পুলিচৰ সহায় লোৱাৰ কথাও শ্ৰীমিশ্ৰই শ্ৰীমতী সবলোকক অবগত কৰে আৰু সেইমতেই এগৰাকী উপ-আৰক্ষী অধীক্ষক সচিবালয়লৈ আহি শ্ৰীমতী সবলোকৰ অনুসন্ধান কৰে। উক্ত ঘটনা সম্পৰ্কে স্পষ্টীকৰণ বিচাৰি হৰেন্দ্ৰ নাথ দাসে পুনৰ মুখ্য সচিব হিচাপে ১২/১১/৯০ তাৰিখে শ্ৰীমিশ্ৰলৈ দুখন চিঠি প্ৰেৰণ কৰে যদিও শ্ৰীমিশ্ৰই উক্ত চিঠিৰ প্ৰত্যুত্তৰ নিদিলে।

আদেশটোত আৰু কোৱা হয় যে শ্ৰীমিশ্ৰই শ্ৰীমতী সবলোকৰ লগত কৰা ব্যৱহাৰ, চৰকাৰী আচৰণ আৰু মৰ্যাদা যুক্তিৰ বাহিৰত আছিল। ঘটনাটো সংবাদ সেৱাৰ জৰিয়তে বহুলভাৱে প্ৰচাৰিত হোৱাত প্ৰশাসনৰ ভাৱমূৰ্ত্তি বিনষ্ট হয়। শ্ৰীমিশ্ৰই এগৰাকী কনিষ্ঠা মহিলা বিষয়াৰ প্ৰতি দেখুওৱা অশালীন আৰু কু-ব্যৱহাৰৰ বাবে চৰকাৰে শ্ৰীমিশ্ৰৰ ওপৰত অসন্তুষ্টি (Displeasure) প্ৰকাশ কৰে। চৰকাৰী আদেশৰ ফটো কপি ইয়াত প্ৰকাশ কৰা হ'ল।

জানিব পৰা মতে শ্ৰীমিশ্ৰই যোৱা ১৩ ডিচেম্বৰ তাৰিখে অতিৰিক্ত মুখ্য সচিব ভাস্কৰ বৰুৱালৈ এক গোপন পত্ৰযোগে এটা প্ৰত্যুত্তৰ দিয়ে। বিশ্বস্ত সূত্ৰৰ মতে শ্ৰীমিশ্ৰই উক্ত আদেশটোৰ শব্দৰ গাঁথনি আৰু প্ৰয়োগ সম্পৰ্কে আঙুলিয়াই দিছে। এই সম্পৰ্কত শ্ৰীমিশ্ৰই ভাৰত চৰকাৰে জাৰি কৰা এখন চাৰ্কুলাৰৰ বিষয়ে আঙুলিয়াই দিয়ে য'ত এগৰাকী আই, এ, এছ বিষয়াক 'ডিছপ্লেজাৰ' দিয়াৰ পদ্ধতিটো বিতংভাৱে ব্যাখ্যা কৰিছে। চাৰ্কুলাৰখন অধ্যয়ন কৰিলে দেখা যায় যে সৰ্বভাৰতীয় সেৱাৰ এগৰাকী বিষয়াক 'ডিছপ্লেজাৰ' দিব পাৰে কেৱল তেওঁতকৈ উচ্চ পদত থকা বিষয়াইহে, অৰ্থাৎ যাৰ তলত বিষয়া গৰাকীয়ে পোনপটিয়াভাৱে কাৰ্যনিৰ্বাহ কৰে। যদি উচ্চ বিষয়াজনে দেখে যে তেওঁৰ তলতীয়া বিষয়াজনে কেইবাবাৰো এনেকুৱা বেয়া কাম কৰিছে, যিটোৰ বাবে তেওঁক শাস্তি নিদিলেও সমালোচনা (Criticise) কৰাৰ প্ৰয়োজন হৈ পৰিছে; তেনে ক্ষেত্ৰত উচ্চ বিষয়াজনে তেওঁৰ তলতীয়া বিষয়াজনক অনাঅনুষ্ঠানিক (informally) ভাৱে সতৰ্ক কৰি দিব পাৰে, আৰু উচ্চ বিষয়াজনে সতৰ্ক কৰি দিয়াৰ পিছতো যদি তলতীয়া বিষয়াজনৰ কোনো কাম-কাজৰ উন্নতি পৰিলক্ষিত নহয়, তেতিয়া বিষয়টো তেওঁৰ বছেৰেকীয়া গোপন প্ৰতিবেদনত লিপিবদ্ধ কৰিব পাৰে। লিপিবদ্ধ কৰা উক্ত মন্তব্যৰ এটা নকল উচ্চ বিষয়াজনে সংশ্লিষ্ট বিষয়া গৰাকীক জনাব লাগিব আৰু তেতিয়া বিষয়া গৰাকীয়ে উক্ত মন্তব্যৰ বিৰুদ্ধে তেওঁৰ কৈফিয়ৎ দিব পাৰে, আৰু তাৰ পিছতহে চৰকাৰে বিধিগত ভাৱে ব্যৱস্থা লবলৈ সক্ষম হ'ব পাৰে।

কেন্দ্ৰীয় চৰকাৰৰ উক্ত চাৰ্কুলাৰখন বিতংভাৱে পৰ্যালোচনা কৰিলে এটা কথা নিঃসন্দেহে ক'ব পাৰি যে শ্ৰীমিশ্ৰৰ বেলিকা উক্ত বিধিসমূহ চৰকাৰে নিজেই উলংঘা কৰা পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ হ'ব পাৰে 'ডিছপ্লেজাৰ' দিয়া বিষয়াজন কেন্দ্ৰীয় চৰকাৰৰ উক্ত নিৰ্দ্দেশনাৱলীৰ সম্পৰ্কে হয়তো জ্ঞাত নহয়। অন্যহাতেদি চাবলৈ গ'লে ঘটনাটো সংঘটিত হোৱা সময়ত শ্ৰীমিশ্ৰ অতিৰিক্ত মুখ্য সচিব আছিল যদিও তেওঁ পোনপটিয়াকৈ মুখ্য মন্ত্ৰীৰ তলতহে কাৰ্য্যনিৰ্বাহ কৰিছিল। কাৰণ ৮/১১/৯০ তাৰিখেই হৰেন্দ্ৰনাথ দাস ছুটীত গৈছিল। সেই দিশৰ পৰা লক্ষ্য কৰিলে শ্ৰীমিশ্ৰক 'ডিছপ্লেজাৰ' দিয়াৰ ক্ষমতা আছিল তেতিয়াৰ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰহে।

দ্বিতীয়তে বিষয়া এজনক 'ডিছপ্লেজাৰ' দিবলৈ হ'লে তেওঁ এটাতকৈ অধিক বেয়া কাম কৰাৰ দৃষ্টান্ত থাকিব লাগিব। তৃতীয়তে, উক্ত বিষয়াজনক যদি প্ৰকৃততে 'ডিছপ্লেজাৰ' দিব লগা হয়ও আৰু 'ডিছপ্লেজাৰ' দিয়াৰ পিছতো যদি বিষয়াজনৰ কোনো উন্নতি সাধন নহয়, তেতিয়া উচ্চ বিষয়াজনে উক্ত মতামত বিষয়াজনৰ বছেৰেকীয়া গোপন প্ৰতিবেদনত লিপিবদ্ধ কৰিব পাৰে। কিন্তু পৰিতাপৰ কথা শ্ৰীমিশ্ৰৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা কোনো এটা কাৰ্য্য পদ্ধতিয়েই অনুসৰণ কৰা পৰিলক্ষিত নহ'ল।

উল্লেখযোগ্য যে শ্ৰীমিশ্ৰলৈ প্ৰেৰণ কৰা উক্ত চৰকাৰী আদেশটোৰ ভাষা আৰু শব্দৰ প্ৰয়োগ আৰু সিদ্ধান্তলৈ চাই ধাৰণা কৰিব পাৰি যে তেওঁক 'ডিছপ্লেজাৰ' নামত আওপকীয়াকৈ প্ৰকৃততে শাস্তিহে বিহা হৈছে। সচিবালয়ৰ এক বিশ্বস্ত সূত্ৰৰ মতে শ্ৰীমিশ্ৰ ভৱিষ্যতে যাতে অসমৰ মুখ্য সচিব হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই সম্প্ৰতি তেওঁৰ বিৰুদ্ধে এনে প্ৰক্ৰিয়াৰে তেওঁৰ কাৰ্য্যত কালিমা সানিবলৈ প্ৰচেষ্টা চলাইছে।

অতি আমোদজনক কথা হ'ল, ১৯৯০ চনৰ নৱেম্বৰ মাহত ঘটা ওপৰোক্ত ঘটনাৱলীক কেন্দ্ৰ কৰি সেই সময়ত সচেতন মহল এটাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এটা গোচৰ ৰুজু কৰিছিল। কিন্তু উক্ত গোচৰৰ অভিযোগ সমূহ এখন 'এফিডেফিট' যোগে ৰাজ্য চৰকাৰে অস্বীকাৰ কৰাটো মন কৰিবলগীয়া।

"..... It is denied that Shri P.C. Misra, Chief Secretary displayed any unbecoming behaviour, ill manner and violated any official decorum or properity in regard to Smti. Smita Sabhlok, Joint Secretary, Personnel. (Para-6. case no. CR. 2135 /90).

উক্ত 'এফিডেফিট'ৰ ৭ নং দফাত পুনৰ কোৱা হৈছে এনেদৰে-

"...... As the Personnel Department is the Administrative Department

CONFIDENTIAL

NO.AAP.115/91/9
GOVERNMENT OF ASSAM
DEPARTMENT OF PERSONNEL(PERSONNEL-A)
ASSAM SECRETARIAT(CIVIL) DISPUR
GUWAHATI-6.

ORDERS BY THE GOVERNOR OF ASSAM

Dated Dispur, the 10th October, 1991.

Whereas it appears that on 10.11.90 at about 10-20 AM Shri P.C. Misra, IAS had called Smti. Smita Sabhlok, IAS the then Joint Secretary, Personnel etc., Departments to his office chamber and asked her to issue Notifications for his taking over charge as Chief Secretary and for promotion of four officers to Supertime scale of IAS by 1 PM of the same day,

And whereas Smti. Sabhlok met him in his office chamber at 12-30 PM and made an endorsement in file No.AAI.17/84/Pt that (i) in absence of the required particulars of leave of the Chief Secretary, notification for allowing him to take charge of Chief Secretary could not be made; and (ii) the main file relating to promotion of four officers to Supertime scale of IAS had not been received back by the Personnel 'A' Department;

And whereas not satisfied at this, Shri P.C. Misra called Smti. Sabhlok at about 2-30 PM on the same day and sought her written explanation for not issuing the notification allowing him to take over charge of the post of Chief Secretary and attempted to put undue pressure on her by shouting that he would take disciplinary action against her and tried to intimidate her by sending a written order to Deputy Superintendent of Police, Dispur Police Station to search her and other officers of Personnel 'A' Department and to trace out the main file No.AAI.17/84;

And whereas accordingly the Dy. Superintendent of Police came to the Secretariat and enquired about the whereabouts of Smti. Sabhlok;

And whereas Shri P.C. Misra was requested by the Chief Secretary to clarify the position by two letters both dated 12.11.90 but Shri P.C. Misra did not reply;

And whereas the behaviour shown by Shri Misra, to Smti. Sabhlok was beyond all official decorum, dignity and propriety expected from an officer of his seniority apart from an attempt to force a junior officer to issue an unauthorised order through show of power and police force;

And whereas the incident got widely publicised through the press adversely affecting the image of the State administration;

Government therefore, convey their displeasure at Shri Misra's indecorous and uncalled for mis-behaviour to a junior lady officer.

BY ORDER AND IN THE NAME OF THE GOVERNOR OF ASSAM.

Sd/- ( BHASKAR BARUA )
Addl. Chief Secretary to the Govt. of Assam,
DISPUR.

Mem. No.AAP.115/91/9-A :: Dated Dispur, the 10th October, 1991.
[illegible] :-

1) Shri P.C. Misra, IAS, Chairman, Assam Board of Revenue, Panbazar, Guwahati-1.
2) The Under Secretary to the Govt. of India, Department of Personnel & Training, North Block, New Delhi.
3) Personal file.

By Order etc....

( P. K. BARUAH ) 14/10/91
Deputy Secretary to the Govt. of Assam,
Personnel 'A' Department.

OKDISCD

for IAS and ACS officer, any complaint concerning them should come to the Minister incharge of the Personnel Department. ...... It is denied that Shri P.C Misra the then Addl. Chief Secretary had displayed any uncivilised behaviour to Smti. 'Smita Sabhlok, Joint Secretary, Personnel."

এতিয়া চালে দেখা যায় যে ৰাজ্য চৰকাৰে 'এফিডেফিট' যোগে সেই সময়ত ঘটা উক্ত ঘটনাৱলীৰ সকলোবোৰ কথা অস্বীকাৰ কৰিছিল আৰু গোচৰটো গুৱাহাটী উচ্চ ন্যায়ালয়ে নিষ্পত্তিও কৰিছিল। ইয়াৰ পিছতো কেনেকৈ অতিৰিক্ত মুখ্য সচিব ভাস্কৰ বৰুৱাই একেবোৰ কাৰণতে শ্ৰীমিশ্ৰক 'ডিছপ্লেজাৰ' দিলে, সেইটো সচেতন মহলৰ বাবে সাঁথৰ স্বৰূপ হৈছে।

মনত ৰখা দৰকাৰ যে কেন্দ্ৰীয় চৰকাৰে সৰ্বভাৰতীয়, সেৱাৰ বিষয়াসকলৰ বাবে বান্ধি দিয়া নীতি-নিয়ম সমূহক ৰাজ্য চৰকাৰে আওকাণ কৰি এগৰাকী আই, এ, এছ বিষয়াক নিলম্বিত কৰিবলৈ যাওঁতে গুৱাহাটীৰ কেন্দ্ৰীয় প্ৰশাসনীয় ন্যায়াধীকৰণে এটা আদেশত কৈছিল —

"---- এই আদেশটোৱে কিছু পৰিমাণে আমাক আচৰিত কৰি তুলিলে। দেখাতেই আদেশটো মইমতীয়া বিধৰ। আইনৰ বিধি সম্পৰ্কে আওকণীয়া হৈহে কৰ্ত্তৃপক্ষই যেন এই আদেশটো দিছিল। তদুপৰি আদেশটো উলংগ আৰু অসৌজন্য-মূলকভাৱে গুৰুত্বপূৰ্ণ চৰকাৰী নিৰ্দ্দেশ জনোৱাৰ ক্ষেত্ৰত ন্যূনতম শিষ্টাচাৰখিনিৰো অভাৱ পৰিলক্ষিত হয়। ৰাজ্যপাল অথবা ৰাষ্ট্ৰপতিৰ ইচ্ছানুসাৰে প্ৰকাশ কৰা একোটা আদেশ যথাযথভাৱে সজাই পৰাই ৰাইজক অৱগত কৰাটো দৰকাৰ। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগৰ পৰা অহা এই আদেশটো বিশেষভাৱে আশ্চৰ্যজনক। চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগটো পৰম্পৰাগতভাৱে প্ৰশাসনীয় কলাৰ এক সুস্থ বাহকস্বৰূপ। আদেশটোত এই দিশবোৰ দুখ লগাকৈ প্ৰতিফলিত হোৱা পৰিলক্ষিত হৈছে।"

("....The order took us by some what of a surprise. On the face of it the order bears all the impress of an arbitrariness- almost despotic. As if the authority making the order is unconcerned about the rule of law. Naked and knaved, the order also displays a want of the minimum fitness about communicating important government orders. An order made at the pleasure of the Governor or the President is expected to be appropriately attired before it is seen out and presented for the public notice and knowledge. Coming as it does from the Personnel Department of the State Government, the order is particularly astonishing. The Personnel Department of the Government is traditionally the fountain of all that is fine in the art of administration. But this order appears to symbolise a lamentable lake of it........"
Para-2 of Central Administrative Tribunal, Guwahati Bench Case No. G.C. 380/86-

উক্ত গোচৰটোৰ আদেশ প্ৰদান কৰিছিল বিচাৰক ডম্বৰুধৰ পাঠক আৰু শৈলেন্দ্ৰ প্ৰসাদ হাজৰিকাই। যি কি নহওঁক, অসম চৰকাৰৰ আই, এ, এছ, বিষয়াসকলৰ মাজত চলা এনেবোৰ অপ্ৰয়োজনীয় খিয়লা-খিয়লিয়ে প্ৰশাসনৰেই যে কৰ্মক্ষমতা কমাব সি ধুৰূপ। সম্প্ৰতি ৰাজ্যখনৰ সমুখত উপস্থিত হোৱা নানা সমস্যা চম্ভালিবলৈ এটা ঐক্যবদ্ধ আৰু কাৰ্যক্ষম প্ৰশাসন অপৰিহাৰ্য। এনেস্থলত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই কি দৰে প্ৰশাসন যন্ত্ৰটোক একগোট কৰি সমস্যাসমূহৰ মোকাবিলা কৰে তালৈ সকলোৱে দৃষ্টি ৰাখিছে। এই ক্ষেত্ৰত শ্ৰীশইকীয়াৰ পাৰদৰ্শিতাৰ প্ৰমাণ পাবলৈ অৱশ্যে এতিয়াও বাকী। ▫

হৰেন বুঢ়াগোহাঞি

*The All India Services (Discipline and Appeal) Rules, 1969*

The instructions contained in the Ministry of Home Affairs Letter No. 7/4/59-AIS(II) dated the 20th March, 1959, and Letter No. 7/5/60-AIS(II), dated the 4th May, 1960 have been reviewed and the following clarification are given:—

In the Ministry of Home Affairs Letter No. 7/4/59-AIS(II) of 20th March, 1959, it is stated that there may be occasions when a psuperior officer may find it necessary to criticise adversely the work of an officer working under him, and he may feel that while the matter is not serious enough to justify the imposition of a formal punishment, it calls for some informal action such as communication of a written warning, admonition or reprimand. It has now been decided that where such a warning/displeasure/reprimand is issued, it should be placed in the personal file of the officer concerned. At the end of the year (or period of report), the reporting authority while writing the confidential report of the officer, may decide not to make a reference in the confidential report to the warning/displeasure/reprimand, if in the opinion of that authority, the performance of the officer reported on after the issue of the warning or displeasure or reprimand, as the case may be, has improved and has been found satisfactory. If however, the reporting authority comes to the conclusion that despite the warning/displeasure/reprimand, the officer has not improved, it may make apropriate mention of such warning/displeasure/reprimand, as the case may be, in the relevant column in Part II of the ACR form prescribed under the All India Services (Confidential Rolls) Rules, and in that case a copy of the warning/displeasure/reprimand referred to in the confidential report should be placed in the ACR dossier as an Annexure to the confidential report for the relevant period. The adverse remarks should also be conveyed to the officer and his representation, if any, against the same disposed of in accordance with the procedure laid down in the rules.

[DP&AR Letter No.11018/5/79-AIS(III), dated the 3rd April 1981].





# আল্‌ফাৰ ঘোষণাত তেজৰ স্ৰোত বন্ধ হোৱাৰ ইংগিত

হিতেন মহন্ত

এই মুহূৰ্তত অসমৰ ৰাইজৰ বাবে আটাইতকৈ শুভ সংবাদটো হ'ল পণবন্দীৰ মুক্তি, আটাইতকৈ আনন্দৰ কথা হ'ল আল্‌ফাৰ যুদ্ধ বিৰতি ঘোষণা আৰু ৰাজনৈতিক পৰ্যায়ত আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো হ'ল আল্‌ফাৰ আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ। কিয়নো আল্‌ফাৰ এই তিনিওটা পদক্ষেপে ৰাজ্যখনৰ শান্তিৰ পৰম্পৰা পুনৰ ঘূৰি অহাৰ ক্ষেত্ৰত আশাৰ সঞ্চাৰ কৰিছে। এই আশাৰ ৰেঙণি দেখিয়েই ৰাজ্যখনৰ প্ৰত্যেকজন শান্তিকামী ব্যক্তিয়েই পৰম আনন্দৰে স্বস্তিৰ নিঃশ্বাস পেলাইছে।

আচলতে যোৱা ১১ ডিচেম্বৰত অসমৰ একাংশ বাতৰি কাকতত প্ৰকাশ পাইছিল যে আল্‌ফাই পণবন্দী কেইজনক মুক্ত কৰি দিয়াৰ সিদ্ধান্ত কৰিছে। এই বাতৰি প্ৰচাৰিত হোৱাৰ লগে লগে অসমৰ প্ৰতিজন শান্তিকামী ব্যক্তিয়ে শান্তি ঘূৰি অহাৰ ৰিণিকি ৰিণিকি পোহৰ দেখিছিল। এই বাতৰি প্ৰচাৰিত হোৱাৰ এদিন পিছতেই কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চৱনে সংসদত ঘোষণা কৰিলে যে আল্‌ফাই পণবন্দী কেইজনক মুক্তি দিছে। অৱশ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ ঘোষণা ভুল আছিল। আল্‌ফাই তেতিয়াও পণবন্দী কেইজনক মুক্তি দিয়া নাছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ইয়াৰ বাবে সংসদত ক্ষমা বিচাৰিবও লগা হয়। আনহাতে আল্‌ফাই ঘোষণা কৰে যে পণবন্দী মুক্তি দিয়াৰ বাবে সংগঠনটোৱে বিবেচনাহে কৰিছে, সিদ্ধান্ত কৰা নাই। আল্‌ফাৰ এই ঘোষণাত নিঃসন্দেহে শান্তিকামী ৰাইজৰ মন এবাৰৰ বাবে হ'লেও সেমেকি উঠিছিল। কিন্তু ১৬ ডিচেম্বৰত নাটকীয়ভাবে পৰিস্থিতিৰ দ্ৰুত পৰিবৰ্তন ঘটিল। ১৬ ডিচেম্বৰত বাতৰি কাকতলৈ প্ৰেৰণ কৰা আৰু আল্‌ফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাই স্বাক্ষৰদান কৰা এক প্ৰেছ বিজ্ঞপ্তি যোগে পণবন্দী মুক্তি দিয়াৰ সিদ্ধান্ত চূড়ান্ত ভাবে ঘোষণা কৰে। কেৱল সেয়ে নহয়, সেই একেদিনাই ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগৰ আয়ুক্ত এছ কে তেৱাৰী, তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বিষয়া শিৱশম্ভু গুপ্তা আৰু ড্ৰাইভাৰ লোহিত দাসক মুক্তি দি সংগঠনটোৱে নিজৰ সততাৰ পৰিচয় দিয়ে। পণবন্দীৰ মুক্তিয়ে কেৱল পণবন্দী সংকট সমাধানেই নহয়, সামগ্ৰিকভাবে গোটেই সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত আশাৰ ৰেঙণি জিলিকি উঠে। ইয়াৰ পিছত পৰিস্থিতিৰ দ্ৰুতগতিত পৰিবৰ্তন হ'বলৈ ধৰে। ১৭ ডিচেম্বৰত বাতৰিকাকতলৈ প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰি আল্‌ফাই অনিৰ্দিষ্ট কাললৈ সৰ্বাত্মক যুদ্ধবিৰতি ঘোষণা কৰে। ১৮ ডিচেম্বৰত পুনৰ বাতৰি কাকতলৈ প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰি আল্‌ফাই ঘোষণা কৰে যে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানত সংগঠনটোৰ আপত্তি নাই। পৰিস্থিতিৰ এনেদৰে দ্ৰুতগতিত পৰিবৰ্তন ঘটিব বুলি অসমৰ ৰাইজৰ বাবে অকল্পনীয় আছিল। আচলতে এইটো এটা বিশ্বাস কৰিব নোৱৰা ঘটনা। তথাপি এনে এটা নতুন পৰিস্থিতিৰ উদয় হ'ল। আল্‌ফাৰ এই শেহতীয়া স্থিতিক সংগঠনটোৰ ঘোৰ বিৰোধী সকলেও প্ৰশংসা নকৰাকৈ থাকিব নোৱাৰে।

আল্‌ফাৰ এই শেহতীয়া ঘোষণাত আচলতে অসমৰ সংখ্যাগৰিষ্ঠ শান্তিকামী ৰাইজৰ মনৰ কথাকে প্ৰকাশ পাইছে। পণবন্দী মুক্তিৰ সম্পৰ্কত আল্‌ফাই নিজেই উল্লেখ কৰিছে যে বিভিন্ন ব্যক্তি, সংগঠন আৰু জনসাধাৰণৰ মতামতক শ্ৰদ্ধা প্ৰদৰ্শন কৰি সংগঠনটোৱে পণবন্দী কেইজনক মুক্তি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সি যি কি নহওক আল্‌ফাৰ এই শেহতীয়া স্থিতিয়ে ৰাজ্যখনলৈ শান্তি ঘূৰাই অনাৰ সোণালী সুযোগ আনি দিছে। এই সোণালী সুযোগ কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে কেনেদৰে গ্ৰহণ কৰে তাৰ ওপৰতেই এতিয়া সকলো নিৰ্ভৰ কৰিছে। কিয়নো আল্‌ফাৰ এই শেহতীয়া স্থিতিক অন্ততঃ চৰকাৰে দুৰ্বলতা বুলি ধৰি ল'ব নোৱাৰিব। চৰকাৰে যদিহে দুৰ্বলতা বুলি আল্‌ফাৰ শেহতীয়া স্থিতিক আওকাণ কৰে, তেনেহলে মাৰাত্মক ভুল কৰা হ'ব। কিয়নো আলোচনাৰ জৰিয়তে সমস্যা সমাধানতেই অসমৰ স্থায়ী শান্তি নিহিত হৈ আছে আৰু ৰাজ্যখনৰ সৰ্বসাধাৰণ ৰাইজেই শান্তিৰ আহ্বান জনাইছে। সকলো ধৰণৰ সন্ত্ৰাস, হিংসা আৰু অনিশ্চয়তাৰ গ্ৰাসত অসমৰ ৰাইজে দিন কটাই অতিষ্ঠ হৈছে। ৰাইজক এনেদৰে অতিষ্ঠ কৰাৰ কাৰো অধিকাৰ নাই।

এটা কথা মনত পেলোৱা প্ৰয়োজন যে হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ (ই) চৰকাৰ গঠন হোৱাৰ লগে লগে আল্‌ফা নতুন চৰকাৰখনৰ সমুখত চৰম প্ৰত্যাহ্বান ৰূপে অৱতীৰ্ণ হৈছিল। কিয়নো নতুন চৰকাৰখনে শপত গ্ৰহণ কৰাৰ ২৪ ঘন্টাৰ ভিতৰত আল্‌ফাই ৰাজ্যখনৰ বিভিন্ন ঠাইত ১৪ জন ব্যক্তিক অপহৰণ কৰি পণবন্দী কৰিছিল। ইয়াৰ পিছত আল্‌ফাই পণবন্দীৰ মুক্তিৰ বিনিময়ত সংগঠনটোৰ কেইজনমান আটক বন্দীক মুক্তি দিয়াৰ দাবী উত্থাপন কৰিছিল। ইয়াৰেই পৰিণতি স্বৰূপে শইকীয়া চৰকাৰে যোৱা আঠ জুলাইত সমূহীয়া ক্ষমাদানৰ আঁচনি ঘোষণা কৰিছিল। কিন্তু এই সমূহীয়া ক্ষমাদানৰ আঁচনি পণবন্দী মুক্তিৰ বাবে ফলপ্ৰসূ নহ'ল। আনহাতে আল্‌ফাই যিকেইজন আটক বন্দী মুক্তি দিয়াৰ দাবী উত্থাপন কৰিলে, সেই কেইজনক অসম চৰকাৰে মুক্তি দিয়াৰ ক্ষেত্ৰত অপৰাগতা প্ৰকাশ কৰিলে। ইয়াৰ পিছতেই পণবন্দী সমস্যা এটা নিমিলা অংকত পৰিণত হ'ল। এই ঘটনা প্ৰবাহৰ মাজতে ছোভিয়েত খনি বিশেষজ্ঞ গ্ৰীট ছেংকো ছাৰ্গে আৰু অ' এন জি চি-ৰ অভিযন্তা টি এছ ৰাজু এই দুজন

পণবন্দী আল্‌ফাৰ হাতত নিহত হয়। টি এছ ৰাজু নিহত হোৱাৰ পিছতেই ঘটনাই অন্যৰূপ লয়। টি এছ ৰাজুৰ মৃত্যুৰ পিছতেই অ' এন জি চি-ৰ বিষয়া সকলে ধৰ্মঘট আৰম্ভ কৰে। ফলস্বৰূপে বাকী পণবন্দী কেইজনক উদ্ধাৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ ওপৰত প্ৰবল হেঁচা প্ৰয়োগ কৰে। ইয়াৰ পিছত ১৪ ছেপ্টেম্বৰৰ নিশা অসমত দ্বিতীয় বাৰৰ বাবে সামৰিক বাহিনী নিয়োগ কৰা হয়। ইয়াৰ লগে লগে পণবন্দী মুক্তি বিষয়টো অনিশ্চয়তাৰ গ্ৰাসত সোমাই পৰে

আল্‌ফাই উত্থাপন কৰা স্বাধীন অসমৰ দাবীকে ধৰি অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক শিক্ষা-সাংস্কৃতিক যিবোৰ দাবী উত্থাপন কৰিছে, সেইবোৰ আলোচনাৰ মেজত ঠাই পোৱাত কোনো আপত্তি থাকিব নোৱাৰে। আলোচনাত স্বাধীন অসমৰ দাবী উত্থাপন কৰিলেই স্বাধীন অসমৰ দাবী মানি লোৱাটো নুবুজায়। এটা কথা স্পষ্ট যে উত্তৰ পূৰ্বাঞ্চল বিশেষকৈ অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ দীৰ্ঘদিনীয়া অৱহেলাৰ বাবেই আজি এচাম যুৱকে বন্দুক হাতত তুলি লৈ আল্‌ফাৰ নিচিনা সংগঠনৰ জন্ম দিছে। ফলস্বৰূপে আজি বহুজনে অকালতে প্ৰাণ দিবলগীয়া হ'ল। আল্‌ফাৰ হাতত বহু ব্যক্তিয়ে প্ৰাণ হেৰুৱাব লগীয়া হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। কিন্তু লগতে এইটোও পাহৰিব নালাগিব যে আল্‌ফাৰ সদস্য ভুক্ত বহু যুৱকে বুকুত দুৰন্ত দেশপ্ৰেম সাবটি লৈ হাঁহি হাঁহি মৃত্যুক আঁকোৱালি লৈছে। সেয়ে কেঁচা তেজৰ স্ৰোত বন্ধ কৰাৰ বাবেই এতিয়া আলোচনা অতীব প্ৰয়োজন। বিশ্বৰ সাম্প্ৰতিক ঘটনাৱলীয়ে এতিয়া প্ৰমাণ কৰিছে যে পৃথিৱীৰ এনে কোনো সমস্যা নাই, যিটো আলোচনাৰ জৰিয়তে সমাধান কৰিব নোৱাৰি:

ভাৰতবৰ্ষত আল্‌ফাও যে এটা ৰাজনৈতিক শক্তি সেই কথা কেন্দ্ৰীয় চৰকাৰে হৃদয়ংগম কৰিব পাৰিব লাগিব। সামৰিক বাহিনীৰ ব্যাপক অভিযানৰ পিছতো আল্‌ফাই পণবন্দী কেইজনক যোৱা পাঁচ মাহ ধৰি আটক কৰি প্ৰমাণ কৰি দিছে যে সংগঠনটো এটা উলাই কৰিব পৰা শক্তি নহয়  সি যি কি নহওক আলোচনাৰ বাবে এতিয়া কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে উদ্যোগ ল'ব লাগিব। সেইদৰে অসমৰ ৰাইজৰ সৰ্বাংগীন মংগলৰ স্বাৰ্থতেই অন্ততঃ কোনোৱে আলোচনাৰ পথত হেঙাৰ হ'ব নালাগিব। ■

# ৰজনী দাস কেনেকৈ পণবন্দী হৈছিল ?

আল্‌ফাৰ হাতত পাঁচ মাহতকৈ অধিককাল পণবন্দী হৈ থকা ৰাজ্য চৰকাৰৰ যোগান বিভাগৰ উপ-সঞ্চালক ৰজনী দাস যোৱা ৩০ জুনত অৰ্থাৎ পণবন্দী হোৱাৰ আগদিনা বিভাগীয় কাম এটাৰ বাবে শিলচৰৰ পৰা গুৱাহাটী আহি পাইছিলহি। ৰজনী দাস অনুকূল ধৰ্ম পন্থী। শিলচৰৰ পৰা গুৱাহাটী আহি পাওঁতে ৰাতি হৈছিল। ৰজনী দাসৰ সৈতে যোগান বিভাগৰ উপ-পৰিদৰ্শক এজনো আছিল। উপ-পৰিদৰ্শকজনো অনুকূল পন্থী। দুয়ো এখন টেক্সি ভাড়া কৰি গুৱাহাটীলৈ আহিছিল। ৰাতি হোৱা বাবে দুয়ো গুৱাহাটীৰ ভঙাগড়ত থকা সৎ-সংগ মন্দিৰত থাকে।

আনহাতে কৰ্মচাৰী বিভাগৰ আয়ুক্ত এছ কে তেৱাৰীও অনুকূল ধৰ্ম পন্থী। তেৱাৰী শিলচৰত সহকাৰী আয়ুক্ত হিচাপে কাম কৰোতে ৰজনী দাসৰ সৈতে পৰিচয় হয়। অনুকূল ধৰ্ম অনুসৰি তেৱাৰী ৰজনী দাসৰ শিষ্য। সেয়ে চাকৰিত ডাঙৰ হ'লেও তেৱাৰীয়ে দাসক মানি চলে। অনুকূল ধৰ্ম অনুসৰিয়েই তেৱাৰী আৰু দাসৰ মাজত গুৰু-শিষ্যৰ সম্বন্ধ। শিলচৰত থকাৰ দিনৰ পৰাই তেৱাৰী আৰু দাসৰ মাজত আন্তৰিকতা গঢ়ি উঠিছিল। সেই মৰ্মে দাস গুৱাহাটীলৈ আহিলেই তেৱাৰীৰ ঘৰলৈ যায় আৰু তেৱাৰীয়েও গুৰুক আদৰ-আপ্যায়ন কৰে।

সেয়ে ৩০ জুনত সৎ-সঙ্গ মন্দিৰত নিশাটো কটাই এক জুলাইৰ ৰাতিপুৱাই দাস আৰু যোগান বিভাগৰ উপ-পৰিদৰ্শকজন টেক্সীখনেৰে গুৱাহাটীৰ খানাপাৰাত থকা চৰকাৰী বাসভৱনলৈ যায়। তেৱাৰীয়েও গুৰুক নিজৰ ঘৰত পাই পূৰ্বৰ দৰে আদৰ অভ্যৰ্থনা জনায়। তেৱাৰীৰ চৰকাৰী বাসভৱনটো এটা টিলাত অৱস্থিত বাবে দাস আৰু উপ-পৰিদৰ্শকজনে তেওঁলোকৰ টেক্সীখন বাসভৱনলৈ উঠি যোৱা ৰাস্তাৰ তলতে ৰাখি থৈ গৈছিল। ঠিক দহ বজাৰ আগেয়ে তেৱাৰীয়ে জনতা ভৱনৰ কাৰ্যালয়লৈ আহিবলৈ সাজু হয়। তেৱাৰী কাৰ্যালয়লৈ আহিবৰ সময়ত দাস আৰু উপ-পৰিদৰ্শকজনেও বিদায় লবলৈ সাজু হয় আৰু তেওঁলোকৰ টেক্সীখন তলত ৰৈ থকাৰ বিষয়ে তেৱাৰীক জনায়। কিন্তু তেৱাৰীয়ে গুৰুক তললৈ খোজকাঢ়ি যোৱাটো পচন্দ নকৰি দাসক নিজৰ গাড়ীখনতে উঠিবলৈ কয় আৰু উপ-পৰিদৰ্শকজনকো টেক্সী লৈ জনতা ভৱনলৈ যাবলৈ নিৰ্দেশ দিয়ে। তেৱাৰীৰ উদ্দেশ্য আছিল গুৰুক জনতা ভৱনত টেক্সীখনত উঠাই দিব। সেই মৰ্মে দাস তেৱাৰীৰ গাড়ীখনত উঠে আৰু উপ-পৰিদৰ্শকজনে টেক্সীখনত উঠিবলৈ তললৈ খোজকাঢ়ি আহে।

ঠিক সেই মুহূৰ্ততে ঘটনাটো ঘটি গ'ল। তেৱাৰীৰ বাসভৱনৰ পৰা টেক্সীখন ৰৈ থকাৰ দূৰত্ব হব ১০০ মিটাৰ। উপ-পৰিদৰ্শকজনে তললৈ নামি আহি তেৱাৰীৰ দৰ্জা খোলা অৱস্থাত ৰৈ থকা দেখিবলৈ পায়। গাড়ীখনৰ ভিতৰত তেওঁ কাকো নেদেখি হতভম্ব হয়। গাড়ীখনত আছিল তেৱাৰী, দাস আৰু গাড়ীখনৰ চালক লোহিত দাস। উপ-পৰিদৰ্শকজনে এই ঘটনা দেখি লগে লগে দৌৰি গৈ তেৱাৰীৰ পত্নীক খবৰ দিয়ে। ইয়াৰ পিছতহে সকলোৱে জানিব পাৰে যে তেৱাৰী, দাস আৰু গাড়ীৰ চালক লোহিত দাসক অপহৰণ কৰা হৈছে। আল্‌ফাৰ উদ্দেশ্য আছিল তেৱাৰীক অপহৰণ কৰা। কিন্তু তেৱাৰীৰ গাড়ীখনত থকাৰ বাবে দাসকো অপহৰণ কৰিব লগীয়া হৈছিল।

## মন্ত্ৰী সংসদ

বৰ্তমান চৰকাৰৰ এজন কেবিনেট মন্ত্ৰীৰ ব্যৱহাৰত ৰাইজৰ লগতে বিষয়া কৰ্মচাৰী সকলো অতিষ্ঠ হৈছে। ক্ষমতা লাভ কৰি এতিয়া কেবিনেট মন্ত্ৰীজনে কাকো চিনি নোপোৱা হৈছে। আনকি যিটো সমষ্টিৰ লোকে তেওঁক বিগত নিৰ্বাচনত ভোট দি জয়যুক্ত কৰিছিল সেই সকলকো তেওঁ এতিয়া চিনি নোপোৱা হৈছে। মন্ত্ৰীজনৰ হেনো মুখ্যমন্ত্ৰীৰ সৈতে খুব ভাল সম্পৰ্ক। তেওঁৰ অধীনত কেইবাটাও দপ্তৰ। আইন বিষয়ত তেওঁ পাৰ্গত বুলি সহকৰ্মী সকলেও তেওঁক অলপ সমীহ কৰি চলে। সেয়ে তেওঁ এতিয়া কালৈকো কেৰেপ নকৰে।

বিভিন্ন অভাৱ অভিযোগ লৈ ৰাজ্যখনৰ লোকে তেওঁক লগ কৰিবলৈ আহিলে তেওঁ কাকো সাক্ষাৎ নকৰে। দুৰ-দুৰণিৰ পৰা অহা লোকৰ অনুৰোধ এৰাব নোৱাৰি মন্ত্ৰীজনৰ ব্যক্তিগত সচিব বা অন্যান্য কৰ্মচাৰীয়ে দুই-এজনক মন্ত্ৰীজনৰ কাৰ্যালয়ত প্ৰৱেশ কৰিব দিলেই এই পৰাক্ৰমী মন্ত্ৰীজনৰ গালি-শপনি খায়। ফল স্বৰূপে এতিয়া কৰ্মচাৰী সকলেও কোনো লোকক মন্ত্ৰীৰ কাৰ্যালয়ত প্ৰৱেশ কৰিব নিদিয়ে। মন্ত্ৰীজনে এতিয়া কেৱল তেওঁৰ অধীনত থকা বিভিন্ন দপ্তৰৰ উচ্চ পদস্থ বিষয়া সকলৰ সৈতে কাৰ্যালয়ত আৰু বাসভৱনত গোপন মেলত ব্যস্ত হৈ থাকে। ৰাইজৰ ফালে তেওঁ এতিয়া সম্পূৰ্ণ পিঠি দিছে।

মন্ত্ৰীজনৰ এই ব্যৱহাৰত অতিষ্ঠ হৈ বহু লোকে এতিয়া মন্তব্য কৰিছে ঃ আমাৰ ভোটেৰেই নিৰ্বাচনত জিকি আহিলে আৰু এতিয়া আমাকেই চিনি নোপোৱা হৈছে। কেৱল এই চৰকাৰী বিষয়া কেইজনেহে এতিয়া চিনি পোৱা হৈছে। এই চৰকাৰী বিষয়া কেইজনেহে তেওঁক নিৰ্বাচনত জয়ী কৰিছিল নেকি ?

মন্ত্ৰীক দেখা কৰিব নোৱাৰি বহুতেই বিফল মনোৰথ হৈ মন্তব্য কৰা শুনা গৈছে ঃ অহা নিৰ্বাচনত তাক চাই লম... ............।

আন এজন কেবিনেট মন্ত্ৰীৰ কথা হ'ল অন্য ধৰণৰ। এই মন্ত্ৰীজনৰ মুখখন অতি মিঠা। ব্যৱহাৰ আৰু মাতত তেওঁৰ মৌ বৰষে। আনকি এই মন্ত্ৰীজনে কোনোবা বিষয়া-কৰ্মচাৰী প্ৰৱেশ কৰিলে ওলোটাই তেওঁৰ চকীৰ পৰা উঠি নমস্কাৰ জনায়। সচেতন লোকে এইবোৰ দেখি-শুনি মন্তব্য কৰিছে ঃ মন্ত্ৰীয়ে যদিহে এই দৰে বিষয়া-কৰ্মচাৰীক চকীৰ পৰা উঠি নমস্কাৰ কৰে, তেনেহ'লে তেওঁ প্ৰশাসন চলাব কেনেকৈ ? এইটো যদিহে চলি থাকে, তেনেহ'লে তেওঁৰ দপ্তৰ ৰসাতলে যোৱাটো প্ৰায় নিশ্চিত।

অন্য কিছুমানে মন্তব্য কৰিছে এনেদৰে ঃ তেওঁৰ মুখখনহে মিঠা, কামত হ'লে একো নাই। মুখৰ কথাত তেওঁ কাৰো কাম কৰি নিদিয়ে। মুখখন তেওঁৰ যিমান মিঠা, ভিতৰি তেওঁ সিমান টান।

## মন্ত্ৰীয়ে ভাল বোলে যাক.....

তথ্য আৰু জনসংযোগ বিভাগৰ এজন কনিষ্ঠ বিষয়াৰ মইমতালিৰ বিষয়ে উল্লেখ কৰা হৈছিল। এজন ৰাজ্যিক মন্ত্ৰীৰ আশীষ ধন্য হৈ তেওঁ কেনেদৰে বিভাগীয় সঞ্চালকক বুঢ়া আঙুলি দেখুৱাই দিছপুৰত দপদপাই ফুৰিছিল সেই বিষয়ে বাতৰি পৰিবেশন কৰা হৈছিল।

কিন্তু সম্প্ৰতি এই বিষয়াজন পুনৰ দিছপুৰৰ বিষয়া-কৰ্মচাৰীৰ মাজত আলোচ্য বিষয় হৈ পৰিছে। এই কনিষ্ঠ বিষয়াজনৰ মহিমা দেখি সকলোৱে চকু কপালত উঠিছে। ৰাজ্যিক মন্ত্ৰীজনৰ বিশেষ চেষ্টাৰ ফলতেই এতিয়া এই কনিষ্ঠ বিষয়াজনক প্ৰাথমিক শিক্ষা বিভাগত উপ-সঞ্চালক পদত নিযুক্তি দিয়াৰ যো-জা চলিছে। যো-জা চলিছে মানে নিযুক্তি দিয়াৰ বাবে যাবতীয় কাম-কাজ প্ৰায় সম্পূৰ্ণ কৰা হৈছে। কেৱল এই বাতৰি লিখাৰ সময়ত শিক্ষা আয়ুক্তৰ চহিটো হবলৈহে বাকী।

উল্লেখযোগ্য যে উপ-সঞ্চালক পদৰ বাবে কমেও ১০ বছৰ শিক্ষাদানৰ ক্ষেত্ৰত অভিজ্ঞতা থকা প্ৰয়োজনীয়। কিন্তু এই বিষয়াজনৰ সেই অৰ্হতা আছে নে নাই সেই বিষয়ে দিছপুৰত সকলোৱে সন্দেহ উপজিছে।

অন্য কিছুমানে মন্তব্য কৰিছে ঃ মন্ত্ৰীৰ আশীষ ধন্য হ'লে আৰু লাগে কি ? নীতি নিয়ম ক'ৰবাত পৰি থাকিব। ইয়াৰ বাবেই বিভাগীয় নিয়ম উলঙ্ঘা কৰিও তেওঁ সঞ্চালকক বুঢ়া আঙুলি দেখুৱাই বহি থাকিল। বিভাগীয় নিয়ম উলঙ্ঘা কৰি তেওঁৰ শাস্তি হোৱাটো দূৰৰেই কথা, ওলোটাই পদোন্নতিহে হব।

## তেৱাৰীৰ মুক্তি আগতীয়াকৈ জানিছিল ?

আল্‌ফাৰ হাতত পণবন্দী হৈ থকা এছ কে তেৱাৰী মুক্তি লাভ কৰিব বুলি তেওঁৰ পৰিয়াল বৰ্গই হেনো পোন্ধৰ দিনমান আগৰ পৰাই নিশ্চিত ভাবে জানিব পাৰিছিল। তেৱাৰী মুক্তি লাভ কৰাৰ লগে লগে পৰিয়াল বৰ্গই অসম এৰি যোৱাৰ বাবে সাজু হৈ আছিল।

অৱশ্যে তেৱাৰীৰ পৰিয়াল বৰ্গই তেৱাৰীয়ে মুক্তি লাভ কৰিব বুলি দুই এজন বিশ্বস্ত লোকৰবাহিৰে কাৰো আগত ব্যক্ত কৰা নাছিল।

**ত্ৰিনয়ন**


# এক অমূল্য সম্ভাৰ

আজিয়েই পঢ়ক! কালিলৈনো কিয়?
কোনেনো জানে? কাইলৈ কি হ'ব?

বিপ্লৱাত্মক ভাবাদৰ্শৰ বুদ্ধিজীৱী আৰু বৈজ্ঞানিক; ১৯৭৭-৭৮ চনৰ অসমৰ সৰ্বপ্ৰথম সৎ-আঞ্চলিকতাবাদ আৰু অসমৰ সৎ-জাতীয়তাবাদী বিশ্ববিশ্ৰুত আলোড়নৰ প্ৰতিষ্ঠাতা তথা বাটকটীয়া সু-চিকিৎসক ৰূপে অসম বিখ্যাত ডাঃ নেছাৰ আহমেদ দেৱৰ নিৰ্ভেজাল খাটী জাতীয়তাবাদী কলমেৰে নিগৰি ওলোৱা সু-স্বাদু অমৃতসম অসম প্ৰেম আৰু অসমৰ নতুন পুৰুষলৈ জনোৱা আহ্বান সম্বলিত গীতি-কবিতাৰ এক অমূল্য আৰু অনন্য সম্ভাৰ –আটকধুনীয়া বেটুপাতেৰে প্ৰকাশ পালে।

১। মোৰ মন সমুদ্ৰৰ ঢৌ – বেচ ১৩.00 টকা
২। আল-কোৰআনৰ অসমীয়া ভাঙনি – খনে ১৫ টকা (১ম আৰু ২য় খন্ড)
৩। পঞ্জছুৰাৰ অসমীয়া ভাঙনি – খনে ৫.00 টকা

পোৱা ঠাই সমূহ ঃ– ষ্টুডেন্টছ লাইব্ৰেৰী, কল্পনা বুক ষ্টল, শৰ্মা বুক হাউছ, শৰ্মা বাতৰি প্ৰতিষ্ঠান পানবজাৰ, মহন্ত বুকষ্টল পল্টনবজাৰ, অৰুণোদয়, আমবাৰী, এন্টাৰপ্ৰাইজ কিতাপঘৰ শিলপুখুৰী, দি বি এন্টাৰপ্ৰাইজ চান্দমাৰী, তদুপৰি দিছপুৰ, বশিষ্ঠ, বেলতলা, বামুনী ময়দান, ভৰলুমুখ, মাছখোৱা আদি।

**জোলজালাল জেলিকাদ প্ৰকাশন**
মাৰফৎ– জেউতি ক্লিনিকছ বিল্ডিং
কুমাৰপাৰা, এফ এ পথ, গুৱাহাটী
পিন-৭৮১00৯

প্ৰচ্ছদ-নিবন্ধ

# কিতাপৰ কথা

নাজমা মুখাৰ্জী

উন্নততৰ জীৱনৰ সন্ধানত ধাৱমান মানুহৰ সংগ্ৰামী খোজৰ চিন হ'ল কিতাপ। হৃদয় আৰু মগজুৰ অপূৰ্ব সমন্বয়ত মানুহে চিন্তা কৰি উলিওৱা নতুন নতুন কথা – যিবোৰ সৃষ্টি কৰিবলৈ মানুহ অহৰহ সংগ্ৰামত অৱতীৰ্ণ হয়, সেইবোৰেই লিপিবদ্ধ হয় কিতাপত। গোটেইখন বিশ্বব্ৰহ্মাণ্ডকে – এই মানৱজাতি, পশু-পক্ষী, জড়জগত, আকাশ, অন্ধকাৰ অতল প্ৰান্ত – এই ভূমা, সকলোকে নিয়ন্ত্ৰিত কৰি ৰখাৰ দুৰ্দান্ত শক্তি আছে কিতাপৰ গাত। কিতাপ জীৱশ্ৰেষ্ঠ মানুহৰ শ্ৰেষ্ঠতম সন্তান।

বিৰাট বস্তুজগত আৰু পশু জগতৰ গোটেইবোৰ গোপন ৰহস্য মানুহে এটাৰ পিছত এটাকৈ উদ্‌ঘাটন কৰিছে আৰু তাক লিপিবদ্ধ কৰিছে কিতাপত। স্বাভাৱিকতেই মানুহৰ ওচৰত গোপন কৰিবলৈ এই বস্তুজগত আৰু পশুজগতৰ একোৱেই বাকী নাথিকল। মৰিচ মেটাৰ লিংকৰ 'ব্লু-বাৰ্ড' নাটকত মানুহৰ এই সাফল্যত প্ৰকৃতিৰ ক্ষুব্ধতাৰ ইংগিত আছে।

এই মহাবিশ্বৰ সকলো বস্তুকে জনাৰ আগ্ৰহ আনকি মানুহৰ নিজৰ সত্তাকো জনাৰ আগ্ৰহৰ ফলতে জন্ম পাইছে কিতাপে। আৰু কিতাপক জন্ম দিবলৈ যি লিপিৰ প্ৰয়োজন, সিও ক্ৰমে ক্ৰমে মানুহৰ হাততেই মৃত হৈ উঠিছে। সেই কাহিনী অধিক আকৰ্ষণীয় আৰু মনোগ্ৰাহী। সিও এটা অধ্যয়নৰ বিষয়। যাৰ নাম লিপি-বিজ্ঞান। চিত্ৰকলাৰ আধুনিক স্তৰ হ'ল লিপি। ভাব-লিপিৰ দ্বাৰা কেতিয়াবা বহুত জটিল জটিল কথাৰে ভৰা চিঠিও প্ৰতীকৰ সহায়েৰে লিখি উলিয়াব পাৰি। ডঃ ভোলানাথ তিৱাৰীৰ 'ভাষা-বিজ্ঞান' নামৰ হিন্দীত লিখা কিতাপখনত এনে এটা ভাব-লিপিৰ উল্লেখ আছে, যি মাথো চিত্তাকৰ্ষকেই এনে নহয়, বৰং এক নিটোল চিত্ৰও। উত্তৰ আমেৰিকাৰ চৰদাৰ এজনে আমেৰিকাৰ প্ৰেছিডেন্টলৈ ভাব-লিপিৰে লিখা চিঠি এখন এনেধৰণৰ এটা ঘৰৰ ভিতৰত এজন লোকক স্থাপন কৰা হৈছে। স্বাভাৱিকতেই বুজা যায় যে সেইজন হ'ল আমেৰিকাৰ প্ৰেছিডেন্ট। তেওঁৰ মুখামুখিকৈ সাতজন মানুহ দীঘলে শাৰী পাতি ৰৈ আছে। তাৰে পাঁচজন একে সাজপাৰ পিন্ধা আৰু বাকী দুজনৰ প্ৰতিজনৰে স্বকীয় বৈশিষ্ট্য আছে। শাৰীৰ প্ৰথমজনৰ মূৰত কিৰীটি, ইয়াৰ পৰা বুজা গ'ল যে তেওঁ পাঁচজনীয়া দলটোৰ নেতা। তেওঁ নিজৰ হাত এখন ঘৰটোত স্থাপন কৰা ব্যক্তিজনলৈ – অৰ্থাৎ প্ৰেছিডেন্টলৈ আগবঢ়াই দিছে। আটাইকেইজনৰে চকু এডাল ৰেখাৰে সংযোগ কৰা। পত্ৰখনৰ চিত্ৰটো ব্যাখ্যা কৰিলে ইয়াৰ অৰ্থ হ'ব এনেকুৱা – 'একে সাজপাৰ পিন্ধা পাঁচজনীয়া দলটোৰ মই নেতা। মোৰ লগত মোতকৈ শক্তিশালী আনদলৰ দুজন নেতাও আছে। আমি আটায়ে লগ হৈ আপোনাৰ সৈতে মিত্ৰতা স্থাপন কৰিব বিচাৰো। গোটেইকেইজনৰে চকুবোৰ এডাল ৰেখাৰে সংযোগ কৰাত ই মতৰ ঐক্যকেই বুজাইছে। ৰাজনৈতিক মিত্ৰতা – য'ত চতুৰালিয়েই সাৰ, তাকো ইমান সুন্দৰ ভাবে কলাৰ মাধ্যমেৰে প্ৰকাশ কৰা হৈছে!



এইদৰে গ্ৰন্থজগতৰ ইটো বিষয় সিটো বিষয়ৰ পৰিপূৰক। জ্যামিতি – জোখ-মাপৰ এই বিজ্ঞানৰ অবিহনে নিখুঁত প্ৰতিমা এটাওতো নিৰ্মাণ কৰি উলিয়াব নোৱাৰি। বাহ্যিক দৃষ্টিত দেখা পোৱা সম্পৰ্কবোৰক বাদ দিও সাহিত্য আৰু বিজ্ঞানৰ মাজত এক গোপন আৰু গভীৰ সম্পৰ্ক আছে। এই মিলৰ বাবেই আইনষ্টাইন সংগীতৰ ভক্ত আছিল; এপিকিউৰাচ, একুইনাচ, বেকন – এইসকলে দৰ্শন আৰু বিজ্ঞান সমানে চৰ্চা কৰিছিল। নিউটনে সমাজবিজ্ঞানৰ ক্ষেত্ৰতো বিভিন্ন মতবাদ আগবঢ়াব পাৰিছিল। প্ৰাচীন গ্ৰন্থ সমূহত সাহিত্য, বিজ্ঞান, দৰ্শন একেকাৰ হৈ মিলি আছে। হিমালয় পৰ্বত শ্ৰেণীত পোৱা বিভিন্ন বনৌষধিৰ সন্ধান আৰু ৰোগ মুক্তিত সেইবোৰৰ প্ৰয়োজনীয়তাৰ কথা ঋগ্বেদ আৰু অথৰ্ববেদত উল্লেখ আছে।

সাহিত্য আৰু বিজ্ঞান দুটা সম্পূৰ্ণ পৃথক বস্তু। গ্যেটেই উদ্ভিদ তত্ত্বৰ ওপৰতো কিতাপ লিখিছে। তাত উদ্ভিদৰ নাম-ঠিকনা বা গুণাগুণহে পোৱা যায়। মানুহ গ্যেটে এই গ্ৰন্থত প্ৰকাশ পোৱা নাই বা আংশিক ভাবেহে প্ৰকাশিত হৈছে। কিন্তু নিজৰ বিপুল সাহিত্যৰাজিত গ্যেটেৰ মানৱ মনৰ প্ৰকাশ ঘটিছে। তাত বিচাৰিলে বৈজ্ঞানিক গ্যেটেকো বিচাৰি পোৱা যাব। গ্যেটে সম্পৰ্কে ওপৰৰ কথাখিনি ৰবীন্দ্ৰনাথৰ। এতিয়া আমাৰ মনলৈ এইটো প্ৰশ্ন অহাটো স্বাভাৱিক যে সাহিত্য আৰু বিজ্ঞানৰ মিলটোনো ক'ত? মিলটো এনেধৰণৰ – তেওঁৰ সমুখত জাতে জাতে উলংগ উদ্ভিদৰ সমাহাৰ। নীৰস ভাবে তেওঁ সেইবোৰ কাটি চিঙি পৰীক্ষা কৰিব ধৰিছে। হঠাতে তেওঁ ভাবিলে ফুলৰ বক্ষ বিদাৰি ইয়াৰ ৰহস্য উদ্‌ঘাটন হোৱাৰ দৰে মানুহৰ মনৰ ৰহস্যও যদি উদ্‌ঘাটিত হ'লহেঁতেন! ইয়াত ফুলৰ গাত মানুহৰ তুলনা আৰোপ কৰাতেই সাহিত্যৰ উৎপত্তি। সেয়েহে কোৱা হয়, য'ত বিজ্ঞান শেষ হয়, সাহিত্যও তাৰে পৰাই আৰম্ভ হয়।

প্ৰাচীন কালত মানুহে এই মহাবিশ্বখনক অদ্ভূতভাবে লক্ষ্য কৰিছিল। সেই বাবে মানুহ হৈ পৰিছিল আৱেগিক। ফ্ৰান্সিচ বেকনে এই কথাটো ধৰিব পাৰিছিল। তেওঁ এৰিষ্টটলৰ দিনৰ পৰা বিজ্ঞানত ক'ত ক'ত আসোঁৱাহ আছে এই কথাটো বুজি পাইছিল। তেওঁৰ মতে 'গ্ৰীক সকলে নৈতিক উদ্দেশ্য আৰু অভিপ্ৰায়ৰ লগত যান্ত্ৰিক প্ৰক্ৰিয়াক সানি পুতকি খেলিমেলি কৰি পেলাইছিল। তেওঁলোকে ধুমুহা বৰষুণৰ কথা কওঁতে অকল আৱহাৱাৰ কথাকে কোৱা নাছিল, ঈশ্বৰ তত্ত্বৰ কথাও উলিয়াইছিল। খেতিখোলাৰ খাদ্যৰ যোগান ধৰিবলৈ আৰু পৃথিৱীখন মানুহৰ বাবে লাভজনক কৰিবলৈ ঈশ্বৰে ইচ্ছা কৰে কাৰণেই পানী ভাপ হৈ আকাশলৈ উৰি যায় আৰু উভতি আহি পৃথিৱীত পৰে।' বেকনে কলে যে এনেধৰণৰ অবৈজ্ঞানিক যুক্তি গ্ৰহণযোগ্য হ'ব নোৱাৰে। ভৌতিক বিশ্বব্ৰহ্মাণ্ডৰ পৰা আমি ঈশ্বৰৰ ধাৰণাক পৃথক কৰিব লাগিব। বস্তুবোৰ প্ৰাকৃতিক প্ৰক্ৰিয়াৰ পিনৰ পৰা বিচাৰ কৰি চাব লাগিব। বেকনে জ্ঞানৰ মহৎ উদ্ধাৰৰ বাবে এখন আঁচনিও প্ৰস্তুত কৰি উলিয়াইছিল – 'আমি প্ৰকৃতিক কিতাপৰ ৰেকত থৈ দিম আৰু সাক্ষ্য দিবলৈ বাধ্য কৰিম' – এই দৃঢ়তাৰ ফলতে নতুন নতুন কিতাপৰ জন্ম।

সাহিত্য, দৰ্শন, ৰাজনীতি, সমাজনীতি, বিজ্ঞান – সকলো শ্ৰেণীৰ কিতাপৰে জন্ম আৱেগ আৰু যুক্তিৰ ফলত। শিক্ষা দীক্ষা, জ্ঞান-বিজ্ঞান, সাহিত্য-দৰ্শন আৰু শিল্পকলাৰে সমৃদ্ধ হৈ মানুহ জীয়াই থাকিব লাগিব। প্ৰতিনিয়তেই, দিনৰ পিছত দিন ধৰি, যুগে যুগে। আৰু মানুহ এইদৰে

> কিতাপৰ উদ্দেশ্য হ'ল মানুহৰ অগ্ৰগতিৰ পথ প্ৰশস্ত কৰাৰ আকাংক্ষা। যিদৰে প্ৰতিটো ধৰ্মৰ সাধনাৰ পথবোৰ বেলেগ বেলেগ হলেও লক্ষ্য একেটাই – ঈশ্বৰৰ সন্ধান, সত্যৰ সন্ধান, সেইদৰে প্ৰতিটো ভিন ভিন বিষয়ৰ কিতাপৰো ঘূৰাই পকাই উদ্দেশ্য একেটাই, মানুহৰ কল্যাণ। কিতাপ মানুহে মানুহৰ কল্যাণৰ বাবে গঢ়ি তোলা এক সাধনা।

সন্মানজনক ভাবে বাচি থকাৰ যিটো প্ৰক্ৰিয়া যুগে যুগে চলি আছে, তাক নিয়ন্ত্ৰিত কৰি ৰাখিছে কিতাপে। প্ৰতিজন মানুহেই তেওঁৰ পূৰ্বৰ গ্ৰন্থ পাঠৰ সুযোগ লাভ কৰে। সভ্যতাৰ আদিম স্তৰৰ কথা অৱশ্যে সুকীয়া। এই যে মানুহে নিজৰ সময়ৰ আগতে ৰচিত কিতাপ পঢ়ে, তাৰ দ্বাৰা তেওঁৰ সেই সময়ৰ সমাজৰ বিষয়ে কিছুমান অনুভূতিৰ সৃষ্টি হয়। সেই অনুভূতিবোৰ মধুৰো হ'ব পাৰে, বিষাদৰো হ'ব পাৰে। ১৯০৯ খৃষ্টাব্দত প্ৰসিদ্ধ পণ্ডিত শ্যাম শাস্ত্ৰীয়ে 'কৌটিল্যৰ অৰ্থশাস্ত্ৰ'খন সম্পূৰ্ণভাৱে ইংৰাজী অনুবাদসহ প্ৰকাশ কৰাৰ লগে লগে বিশ্বৰ পণ্ডিত মহলত এটা আলোড়নৰ সৃষ্টি হৈছিল। গ্ৰন্থখন পঢ়ি তেওঁলোকৰ মনত গ্ৰন্থকাৰ, তেওঁৰ অৱস্থান, গ্ৰন্থখনিৰ ৰচনকাল সম্পৰ্কে নানান প্ৰশ্নয়ো ভুমুকি মাৰিছিল। তাৰ পিছত বিশ্বৰ পণ্ডিত মহল যেতিয়া এই গ্ৰন্থৰ জৰিয়তে খৃঃ পূঃ চতুৰ্থ শতিকালৈ উভতি গ'ল, তেতিয়া তেওঁলোকে কি মধুৰ অভিজ্ঞতাই লাভ নকৰিলে! গ্ৰন্থখনৰ খেউধৰি তেওঁলোকে কৌটিল্যৰ পূৰ্বসূৰী সকলকো চিনি পোৱা হ'ল – ভাৰদ্বাজ, বিশালাক্ষ, পিশুন, কৌণপদন্ত, বাতব্যাধি আৰু বাহুদন্তিপুত্ৰ; আকৌ 'অৰ্থশাস্ত্ৰৰ পূৰ্বৰ গ্ৰন্থ বাৰ্হস্পত্য, ঔশনস, পাৰাশৰ, মানৱ আৰু আম্ভীয় শাস্ত্ৰ! পাঠক সকলে কৌটিল্যৰ চিন্তা-চৰ্চাৰ লগতো একাত্মতা অনুভৱ কৰিলে – 'মানৱ বসতিপূৰ্ণ পৃথিৱীয়ে অৰ্থ। সেই পৃথিৱীৰ লাভ আৰু পালনেই হ'ল অৰ্থশাস্ত্ৰ।' অতীত আৰু বৰ্তমানৰ মাজত যোগসূত্ৰ স্থাপনতো কিতাপে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

চাৰ্লচ লেম্বৰ ব্যক্তিগত নিবন্ধৱলীৰ সংকলন 'Essays of Elia' লেখকৰ ব্যক্তিগত জীৱনৰ যিবোৰ কৰুণ কাহিনীৰ আভাস আছে, সেইবোৰ পঢ়িলে আমাৰ মনত স্বাভাৱিকতেই বেদনাৰ উদ্ৰেক হয়।

বেদ, উপনিষদ, গীতা, বাইবেল, কোৰাণ – এই প্ৰাকৃতিক গ্ৰন্থ সমূহত এটা সত্তাৰ কথা কোৱা হৈছে। এই সত্তা একক আৰু অদ্বিতীয়। পৃথিৱীৰ ভৌতিক ক্ৰিয়াকলাপ দেখি বিবুধিত পৰি মানুহে ঈশ্বৰৰ কল্পনা কৰিছিল। প্ৰাকৃতিক গ্ৰন্থ সমূহত ঈশ্বৰক মহাবিশ্বৰ নিয়ন্তা আৰু পালন কৰ্তা বুলি কোৱা হৈছে। আমাৰ পূৰ্বপুৰুষৰ এই আৱেগৰ সূত্ৰ ধৰি নতুন নতুন চিন্তা-ভাবনাও আমাৰ মনলৈ আহে। পৰৱৰ্তী কালত আইনষ্টাইনে এই ঈশ্বৰ তত্ত্বক বুদ্ধিমান, বিচক্ষণ সত্তা বুলি কৈ গৈছে।

চক্ৰেটিছৰ পৰা আৰম্ভ কৰি কুৰি শতিকাৰ জৰ্জ চান্তায়নলৈকে সকলোৰে দৰ্শনত প্ৰতিফলিত হোৱা দেখা যায় পাৰিপাৰ্শ্বিক অৱস্থা আৰু পূৰ্বসূৰীৰ আৰ্হি। চক্ৰেটিছ নিজৰ যুগৰ এজন শ্ৰেষ্ঠ পুৰুষ আছিল। তেওঁ সৌন্দৰ্যক জ্ঞান, পুণ্য, সাহস, ন্যায় আৰু বিশ্বাসৰ সৈতে তুলনা কৰিছিল। তেওঁৰ মতে সংগাই হ'ল ভগৱান প্ৰাপ্তিৰ পোন পন্থা। ইয়াৰ বহুত আগতেই ঋগ্বেদত ঈশ্বৰক এইবুলি প্ৰাৰ্থনা কৰা হৈছিল – 'আমাক পোন বাটেদি লৈ বলা।'

চক্রেটিছৰ নিচিনাকৈ তেওঁৰ প্ৰিয় শিষ্য প্লেটোৰো দৰ্শনৰ অৰ্থ আৰু উদ্দেশ্য আছিল মানুহৰ মাজত ন্যায় প্ৰতিষ্ঠা কৰা। চক্রেটিছৰ চিন্তাৰ ধাৰাটো য'ত শেষ হৈছে, প্লেটোৱে ঠিক তাৰে পৰাই আৰম্ভ কৰিছিল। বিশ্ব-ভ্ৰাতৃত্বৰ পৰা আৰম্ভ কৰি জীৱ-বিজ্ঞান, সমাজবাদলৈকে মানৱ সম্পৰ্কিত সকলো জ্ঞানেই প্লেটোৰ দ্বাৰা অন্বেষিত হৈছিল। প্লেটোৱে নিজৰ বুদ্ধিৰে, চিন্তাৰে, সাধনাৰে মানুহৰ কল্যাণৰ বাবে যিখিনি কৰিছিল তাৰ সূত্ৰ ধৰি যুগে যুগে তেওঁৰ উত্তৰসূৰীয়ে মানুহৰ বাবেই কাম কৰি গৈ আছে। মানুহৰ বাবেই কঠিন চিন্তাৰে জন্ম দিছে নতুন দৰ্শন, যাক লিপিবদ্ধ কৰিছে কিতাপ আকাৰে।


কিতাপৰ উদ্দেশ্য হ'ল মানুহৰ অগ্ৰগতিৰ পথ প্ৰশস্ত কৰাৰ আকাংক্ষা। যিদৰে প্ৰতিটো ধৰ্মৰ সাধনাৰ পথবোৰ বেলেগ বেলেগ হলেও লক্ষ্য একেটাই – ঈশ্বৰৰ সন্ধান, সত্যৰ সন্ধান, সেইদৰে প্ৰতিটো ভিন ভিন বিষয়ৰ কিতাপৰো ঘূৰাই পকাই উদ্দেশ্য একেটাই, মানুহৰ কল্যাণ। কিতাপ মানুহে মানুহৰ কল্যাণৰ বাবে গঢ়ি তোলা এক সাধনা।

মানুহৰ চৌদিশে অসংখ্য জড় পদাৰ্থৰ সমাবেশ। তাৰ অস্তিত্বওতো মানুহে জানিব লাগিব। গতিকেই আৰম্ভ হ'ল জড়জগতৰ পৰীক্ষা আৰু পৰ্যবেক্ষণ। জ্যোতিৰ্বিদ কেপ্লেৰ আৰু গেলিলিওৱে জড় জগতৰ গতিবিধি সম্পৰ্কে প্ৰথমে চিন্তা-ভাৱনা আৰম্ভ কৰিলে। এই বিষয়ে এটা মীমাংসাত উপনীত হ'ল আইজ্যাক নিউটন। নিউটনৰ বিখ্যাত গ্ৰন্থ 'প্ৰিন্সিপিয়া' - যত মহাকৰ্ষণ আৰু বলবিদ্যা সম্পৰ্কে কৰা গৱেষণাৰ ফলাফল সন্নিবিষ্ট আছে আৰু অপ্‌টিক্‌স –য'ত বৰ্ণালী সংক্ৰান্ত পৰীক্ষা আৰু প্ৰতিফলন নিৰ্ভৰ দূৰবীক্ষণ যন্ত্ৰ আৱিষ্কাৰৰ কাহিনী সন্নিবিষ্ট আছে, এই দুয়োখন কিতাপ আধুনিক পদাৰ্থবিদ্যাৰ মহীৰুহ।

নদী, সাগৰ, পাহাৰ, আকাশ, চন্দ্ৰ আদি সম্পৰ্কে মানুহৰ প্ৰাচীন ধাৰণাক বিজ্ঞানে আঘাত হানিছিল। মানুহে সাধনাৰ বলত প্ৰকৃতিৰ গোপন ৰহস্য ভেদ কৰাৰ লগতে এইবোৰৰ শক্তিও পৰীক্ষা কৰিলে। তথাপিও মানুহৰ পুৰণি ধাৰণাৰ অন্ত নপৰিল। চন্দ্ৰৰ ভৌতিক গঠনৰ কিতাপ আৰু জোনবাইৰ কাহিনী এতিয়াও সমানে মানুহৰ প্ৰিয়। ভিন ভিন কিতাপেৰে মানুহে জীৱনৰ বিভিন্ন দিশৰ উন্মোচন ঘটায়।



**কিমান যে ঠাইৰ পৰা উঠি আহে কিতাপ –মানে কিতাপৰ বিষয়বস্তু! ভাৰতীয় সংবিধানৰ উপাদান আছিল এজোপা গছৰ তলতো। এই গছজোপাৰ তলতে বহি বাল্যকালত আম্বেদকাৰে লিখাপঢ়া শিকিছিল। অনতিদূৰতে তেওঁৰ শিক্ষকে আনবোৰ ছাত্ৰক একগোট কৰিলৈ পঢ়ুৱাইছিল। নিম্ন বৰ্গৰ ল'ৰা আছিল বাবে সকলোৰে লগত একে লগে বহাৰ অধিকাৰ আম্বেদকাৰৰ নাছিল। সেই তেতিয়াই জাত-পাতৰ সমস্যাটোৱে তেওঁৰ মনত ইমান দকৈ শিপাইছিল যে পৰবৰ্তীকালত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিলেও সেই অৱজ্ঞা তেওঁ পাহৰিব পৰা নাছিল। ভাৰতীয় সংবিধানৰ পাতত তেওঁ জ্ঞাতিভাই সকলক সুৰক্ষা প্ৰদান কৰি থৈ গৈছে।**



একো একোখন কিতাপে একোজন মানুহৰ মনক পৰিচালিত কৰিব পাৰে। স্কুলীয়া জীৱনত নিৰঞ্জন নামেৰে মোৰ বন্ধু এজন আছিল। নিৰঞ্জন আছিল অত্যন্ত মেধাৱী ছাত্ৰ। মাক-দেউতাক আৰু এমাডিমা ভাই-ভনী কেইটাৰে সৈতে নিৰঞ্জনে স্কুলৰ পিছপিনৰ ঘৰ এটাত বাস কৰিছিল। নিৰঞ্জন প্ৰকৃত অৰ্থতে আছিল কিতাপৰ পোক। স্কুল ছুটীৰ পিছত সি পলকতে ঘৰ পাইছিলগৈ। ভাত কেইটামান খায়েই কিতাপ পঢ়াত লাগি গৈছিল। এবাৰ সি কৰ পৰা জানো মহাভাৰতৰ সাধু এখন যোগাৰ কৰিছিল। সেইখনত চমুকৈ কৌৰৱ-পান্ডৱৰ কাহিনী বৰ্ণনা আছিল। সেইখন পঢ়ি শেষ কৰি মূল মহাভাৰতখন পঢ়িবলৈ তাৰ বৰ মন গ'ল! ক'ত পোৱা যায়, ক'ত পোৱা যা..! সি খদম দম লগালে, মোৰ সহায় বিচাৰিলে। মই তাক পুথি ভঁৰালৈ যোৱাৰ কথা কলো। তেতিয়া কিন্তু আমি এটাইও বুজা নাছিলো যে আমাৰ ক্ষুদ্ৰ-বিদ্যা-বুদ্ধিৰে মূল মহাভাৰত পঢ়াটো অসম্ভৱ। যি নহওক –মহাভাৰতৰ সাধুখন পঢ়িয়েই কৰ্ণৰ দুখত দুখী হৈ নিৰঞ্জনে কান্দিছিল। কৰ্ণ-চৰিত্ৰৰ মাজত সি এটা ঐশ্বৰ্য বিচাৰি পাইছিল। সমাজৰ বিড়ম্বনাৰ এটা বিৰাট সম্ভাৱনাৰ অপমৃত্যু এই কৰ্ণ চৰিত্ৰ। এয়া ভাগ্য নে? এয়া দৈৱৰ অভিশাপ? সহজ সৰল ভাবে নিৰঞ্জনে তেতিয়া এইবোৰ কথাই চিন্তা কৰিছিল, সি কৰ্ণৰ প্ৰেমত পৰিছিল, কৰ্ণৰ ত্যাগী-মনোভাবে তাকো চুইছিল। তাৰ পিছত ভালেকেইটা বছৰ পাৰ হৈ গ'ল। নিৰঞ্জন এতিয়া পঁচিশ অতিক্ৰান্ত সুদৰ্শন যুৱক। এতিয়াও তাৰ জীৱনৰ আদৰ্শ পুৰুষ হ'ল কৰ্ণ। ইমান জ্ঞান, বুদ্ধি, মেধা শক্তিৰ অধিকাৰী হৈয়ো নিৰঞ্জনে সমাজত সুপ্ৰতিষ্ঠিত হোৱাৰ কোনো আশা নাই। সি ত্যাগ কৰিব শিকিছে। এখন লটাৰীৰ টিকটৰ দোকান দিছে। মানুহৰ ভাগ্যৰ খেলাত দুদোল্যমান হৈ আছে নিৰঞ্জনৰ জীৱিকা। কৰ্ণৰ দৰে নিৰঞ্জনেও নিবিড় উদাসীনতা বুকুত বান্ধি দৈৱৰ সমীপত নিজকে সঁপি দিছে – 'দৈবায়ত্তং কুলে জন্ম মদায়ত্তং তু পৌৰুষম্।' জীৱনৰ বাকী দিনবোৰত নিৰঞ্জনে কৰ্ণক পাহৰিব পাৰিবনে?

বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' আৰু বিভূতি ভূষণ বন্দ্যোপাধ্যায়ৰ 'পথেৰ পাঁচালী' উপন্যাস দুখনৰ আবেদন আৰু নান্দনিকতাৰে পাঠকৰ হৃদয় পৰিপূৰ্ণ নোহোৱাকৈ থাকিব নোৱাৰে। দুয়োখন উপন্যাসতে আছে জীৱনৰ মৌলিক স্পন্দন। সময়ৰ চাকনৈয়াত থানবান হৈ গ'ল তগৰ আৰু সৰ্বজয়াৰ সংসাৰ দুখন। এই দুৰ্বিসহ বেদনা বুকুত বান্ধি জীয়াই থকাৰ সংগ্ৰামত নামি পৰিল তেওঁলোক। পথৰ দেৱতাই প্ৰসন্ন হাঁহিৰে স্বাগতম জনালে। পথ শেষ হোৱা নাই তোমালোকৰ। ক'ত শেষ হ'ব এই পথ। আগুৱাই যাব লাগিব সমুখলৈ, কেৱল সমুখলৈ, দেশ এৰি বিদেশলৈ, সূৰ্যোদয় এৰি সূৰ্যাস্তলৈ, জনাৰ গন্ডী পাৰ হৈ অপৰিচিতৰ উদ্দেশ্যে। এই পথৰ শেষ নাই। সমগ্ৰ পৃথিৱীৰ সমস্ত জনাৰ অন্ত হলেও অজানা অপৰিচিত অন্য কোনো গ্ৰহলৈ ধাবিত হ'ব লাগিব তোমালোক। বলা আগুৱাই বলা...... কন্যা আৰু পুত্ৰৰ হাতত ধৰি তগৰ আৰু সৰ্বজয়া আগুৱাই গ'ল। বাটত কিমান বিষাদে আৱৰি ধৰিছে তেওঁলোকক। পাঠকৰ মন যাব যেন থানথিত লগাই দিওঁগৈ তেওঁলোকৰ সংসাৰ দুখন। কিন্তু উপন্যাসৰ স্বাৰ্থতেই সেইটো সম্ভৱপৰ নহয়। সেইদৰে হাৰ্ডিৰ 'ৰিটাৰ্ণ অৱ দ্য নেটিভ'ৰ চৰিত্ৰসমূহৰ চকুত আঙুলি দি দেখুৱাই দিবলৈ মন যায় – এইবোৰ তোমাৰ ভুল ক্লীম, এইবোৰ তোমালোকৰ ইউষ্টেচিয়া, ডেমন..... এই ভুল পথ এৰি অহা..... নহলে ফল হ'ব মাৰাত্মক। কিন্তু চকুত আঙুলি দি তেওঁলোকৰ ভুলবোৰ দেখুৱাব নোৱাৰি, দেখুৱাব নালাগেও। এইদৰে একো একোখন কিতাপত মানুহে নিজৰ জীৱনক লৈ হৃদয়ক লৈ পৰীক্ষা নিৰীক্ষা চলায়।

কিমান যে ঠাইৰ পৰা উঠি আহে কিতাপ – মানে কিতাপৰ বিষয়বস্তু। ভাৰতীয় সংবিধানৰ উপাদান আছিল এজোপা গছৰ তলতো। এই গছজোপাৰ তলতে বহি বাল্যকালত আম্বেদকাৰে লিখপেঢ়া শিকিছিল! অনতিদূৰতে তেওঁৰ শিক্ষকে আনবোৰ ছাত্ৰক একগোট কৰিলৈ পঢ়ুৱাইছিল। নিম্ন বৰ্গৰ ল'ৰা আছিল বাবে সকলোৰে লগত একে লগে বহাৰ অধিকাৰ আম্বেদকাৰৰ নাছিল। সেই তেতিয়াই জাত-পাতৰ সমস্যাটোৱে তেওঁৰ মনত ইমান দকৈ শিপাইছিল যে পৰবৰ্তীকালত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিলেও সেই অৱজ্ঞা তেওঁ পাহৰিব পৰা নাছিল। ভাৰতীয় সংবিধানৰ পাতত তেওঁ জ্ঞাতিভাই সকলক সুৰক্ষা প্ৰদান কৰি থৈ গৈছে।

ভেৰলিনৰ গুপ্তাংগত আছিল ৰ‍্যাঁবোৰ কাব্যৰ বীজ। অৱশ্যে ভেৰলিনৰ লগত পৰিচয় হোৱাৰ আগতেও ৰ‍্যাঁবোয়ে উৎকৃষ্ট কবিতা লিখিছে। এদিন তেওঁৰ কি মন গ'ল জানো মাথো নামেৰে চিনা ভেৰলিনৰ উদ্দেশ্যে নিজৰ কবিতা কেইটামান পঠিয়াই দিলে। কবিতা পঢ়ি ভেৰলিন ইমান চমৎকৃত হ'ল যে তেওঁ ৰ‍্যাঁবোক নিজৰ ঘৰলৈ নিমন্ত্ৰণেই কৰি পেলালে 'প্ৰিয় বন্ধু, মহাত্মা, আপোনাক স্বাগতম জনালো; পাৰীয়ে আপোনালৈ প্ৰতীক্ষা কৰিছে।' নিমন্ত্ৰণ ৰক্ষা কৰি কালব্যয় নকৰি ৰ‍্যাঁবো আহিল ভেৰলিনৰ ঘৰলৈ। ভেৰলিনে ভবাৰ দৰে কোনো বয়স্ক ব্যক্তি নহয় –জপৰা চুলি, জ্বলন্ত চকুৰ এক কিশোৰ, এক বালক সিংহ। ৰ‍্যাঁবোক দেখিয়েই উন্মত্তভাবে প্ৰেমত পৰিল ভেৰলিন। আৰম্ভ হ'ল প্ৰকাশ্য যৌন সম্পৰ্ক। ঘৰত থকা অসম্ভৱ হ'ল। ৰ‍্যাঁবোক লগত লৈ তেওঁ ঘৰ এৰিলে। এই কদৰ্যময় জীৱনৰ স্মৃতি বহণ কৰিছে ৰ‍্যাঁবোৰ নাৰকী প্ৰেমিক নামৰ কবিতাটোৱে-

'কিমান দিন ৰাতি যে এই অসুৰটোৱে মোৰ গলত টিপি ধৰিছে আৰু আমি লুটি বাগৰ খাইছো, যুদ্ধ কৰিছো পৰস্পৰে। ৰাতি ৰাতি সি প্ৰায়েই মাতাল হয় – কেতিয়াবা ৰাস্তাত, কেতিয়াবা ঘৰত খুঁটাৰ দৰে নিশ্চল হৈ বহি থাকে, ভয় দেখুৱায়, ভয় দেখুৱায় মোক মাৰি পেলাব বুলি। মোৰ কান্ধ এদিন কটা পৰিব, কি আপচু! উস্ কি যে ভয়ানক দিন, পাপৰ ক'লা মূৰ্তি হৈ ঘূৰে।

ভেৰলিনৰ লগত গঢ় লৈ উঠা ৰ‍্যাঁবোৰ অস্বাভাৱিক দৈহিক সম্পৰ্কৰ ফলস্বৰূপে সৃষ্ট কবিতা কিন্তু এটা কোঠাৰ ভিতৰতেই আৱদ্ধ হৈ নাথাকিল। ফৰাচী চ্যুৰিয়ালিষ্টিক কাব্য আন্দোলনৰ অন্যতম পথিকৃতো হৈ পৰিল।

সেইদৰে তুৰ্গেনিভৰ ৰাজহাড়ৰ মাজত আছিল এবিধ নতুন ধৰণৰ সাহিত্য সৃষ্টিৰ যন্ত্ৰণা, মাটিৰ মানৱী বিয়েট্ৰিছেই আছিল ডান্টেৰ বৰ্ণনাৰ স্বৰ্গৰ উৎস।

ৰেণ ডেকাৰ্টে অধ্যয়নক মানস যাত্ৰা বুলি কৈছে। কাৰণ এই যাত্ৰাৰ দ্বাৰা অতীতলৈ উভতি গৈ মহৎ লোকৰ সান্নিধ্য লাভ কৰিব পাৰি। তেওঁলোকৰ চিন্তাধাৰাৰ লগত পৰিচিত হ'ব পাৰি। কেতিয়াবা নিজৰ বিপদৰ মুহূৰ্তত সেই সকলক অভিভাবকৰূপে পাব পাৰি।

কিতাপ মানুহে মানুহক বুজি পোৱাৰ এটা প্ৰক্ৰিয়াও। পৃথিৱীৰ মানৱ জাতিক শৃংখলিত, নিয়ন্ত্ৰিত কৰি ৰাখিছে কিতাপে। ধৰ্মগ্ৰন্থৰ ইংগিতত পৰিচালিত হ'ব ধৰিছে একো একোটা গোটৰ জীৱন। কিতাপৰ মাজেদিয়েই মানুহে লাভ কৰে গভীৰ আনন্দ, দুঃখ, যাতনা; আৰু বিচাৰি পায় মুক্তি।

আপাত দৃষ্টিত কিতাপ মৃত, কিন্তু শক্তিশালী এখন জগৎ। আচলতে কিতাপ জীৱন্ত, প্ৰাণৱন্ত; অবিৰাম স্পন্দনৰত মহাপ্ৰাণ; মহাপৃথিৱীৰ উত্থান পতনৰ একমাত্ৰ মৃত্যুহীন প্ৰহৰী।

## কিতাপ

কিতাপ মাত্ৰেই পবিত্ৰ। বেয়া কিতাপো কিতাপ। সেই কাৰণে সিও পবিত্ৰ।

*–গুন্টাৰ গ্ৰাছ*

মানৱ জাতিৰ প্ৰকৃত অধ্যয়নৰ বিষয় হ'ল মানুহ।

*–আলেকজেন্ডাৰ পোপ*

মানৱ জাতিৰ প্ৰকৃত অধ্যয়নৰ বিষয় হ'ল কিতাপ।

*–অল্ডছ হাক্সলি*

মানুহে এতিয়ালৈকে উচ্চাৰণ কৰা মহত্তম শব্দটো হ'ল – কিতাপ।

*–বাৰ্ণাৰ্ড লেভিন*

একে আষাৰে কবলৈ গলে গোটেইবোৰ কিতাপক মাত্ৰ দুটা ভাগত ভাগ কৰিব পাৰি: যিবোৰ কিতাপ কোনেও নপঢ়ে, আৰু যিবোৰ কিতাপ কোনেও পঢ়া উচিত নহয়।

*–এইচ এল মেনকেন*

আমি সকলোৱেই জানো যে জুই লগাই দিলে কিতাপ পুৰি ছাই হয়। কিন্তু তাতোকৈ বেছিকৈ যিটো কথা সত্য বুলি জানো সেইটো হ'ল এই যে কিতাপক জুইয়ে পুৰি মাৰিব নোৱাৰে। মানুহ মৰে; কিন্তু কিতাপ কেতিয়াও নমৰে।

*–ফ্ৰেংকলিন ৰুজভেল্ট*

সংবাদপত্ৰৰ শক্তিৰ বিষয়ে নানা কথা কোৱা হয়। কিন্তু সংবাদপত্ৰৰ প্ৰভাৱ মাত্ৰ এদিনলৈ স্থায়ী হয়। আনহাতে কিতাপৰ শক্তিৰ কথা খুব কমেইহে শুনা যায়; অথচ কিতাপৰ প্ৰভাৱ যুগ যুগ ধৰি স্থায়ী হয়।

*–চাৰ ষ্টেনলি আনউইন*

সাক্ষাৎকাৰ

# কিতাপ পঢ়া মানুহৰ কথা

গ্ৰন্থজগতত বিচৰণে বিশেষ কিছুমান অনুভূতি, চিন্তা-ভাবনা, চেতনা-চৰিত্ৰৰ প্ৰতি-ফলন ঘটায়। কোনো কোনো গ্ৰন্থৰ কোনো চৰিত্ৰই মননশীলতাত আঘাতো হানিব পাৰে। উৎকৃষ্ট সাহিত্যৰ প্ৰকৃত লক্ষণ পাঠকভেদে ভিন্ন হ'ব পাৰে। সূত্ৰধাৰৰ মজিয়ালৈ এনে কিছু প্ৰশ্নৰ উত্তৰ আগবঢ়াইছে গ্ৰন্থজগতত বিচৰণ কৰা কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। শিতানটি সূত্ৰধাৰৰ পাঠকলৈ যুগুতাইছে নাজমা মুখাৰ্জীয়ে

প্ৰশ্নঃ

১। আপুনি অহৰহ গ্ৰন্থজগতত বিচৰণ কৰে। আপোনাৰ এই পাঠাভ্যাসৰ ফলত গঢ় লৈ উঠা অনুভূতিবোৰ কেনেকুৱা?

২। কোনবোৰ গ্ৰন্থৰ প্ৰতি আপোনাৰ আকৰ্ষণ?

৩। গল্প-উপন্যাসত বৰ্ণিত মানৱ চৰিত্ৰ আৰু কবিতাত বৰ্ণিত মানৱ চৰিত্ৰৰ মাজত কিছুমান পাৰ্থক্য লক্ষ্য কৰা যায়। আকৌ অনা-সাহিত্য গ্ৰন্থতো মানৱৰ চিন্তা-ভাবনা, চেতনা-চৰিত্ৰৰ প্ৰতিফলন হয়।

এই পাৰ্থক্য হেতুকে উভয় প্ৰকাৰৰ মানৱ চৰিত্ৰ আপুনি কি দৰে গ্ৰহণ কৰে? উপভোগ কৰে?

৪। যোৱা দশকটোত আপুনি পঢ়া সাহিত্য গ্ৰন্থৰাজিৰ ভিতৰত কি কি গ্ৰন্থৰ দ্বাৰা আপুনি বিশেষভাবে প্ৰভাৱান্বিত? এই গ্ৰন্থসমূহৰ কোনবোৰ চৰিত্ৰই আপোনাৰ মননশীলতাত আঘাত হানিব পাৰিছে?

৫। আপোনাৰ মতে উৎকৃষ্ট সাহিত্যৰ প্ৰকৃত লক্ষণ কি?


ড০ অনিল কুমাৰ গোস্বামী
*অধ্যক্ষঃ কটন কলেজ*
*গুৱাহাটী*




১ কৰ্মব্যস্ততাৰ মাজত যিখিনি সময় গ্ৰন্থজগতত বিচৰণ কৰাৰ সুযোগ আহে, সেই সুযোগ আমাৰ কাৰণে অতি আগ্ৰহৰ। এই পাঠাভ্যাসে ব্যক্তি আৰু সমাজৰ বৈচিত্ৰ্য আৰু প্ৰকৃতিৰ বিশ্লেষণত লেখকৰ ব্যক্তিত্ব আৰু মহত্বৰ পৰিচয় পোৱা যায় আৰু সমাজৰ গতিধাৰাৰ ক্ষেত্ৰত লেখকে কি নতুনত্ব দিব পাৰিছে এই অনুভূতিবোৰ স্বাভাৱিকতেই মনলৈ আহে।

২ যিবোৰ গ্ৰন্থই মানুহক চিন্তাজগতৰ এক উচ্চ স্তৰলৈ ধাবিত কৰিব পাৰে তেনেবোৰ গ্ৰন্থৰ প্ৰতিয়ে মই আকৰ্ষিত হওঁ।

৩ আপোনাৰ প্ৰশ্নত গল্প-উপন্যাসৰ বৰ্ণিত মানৱ চৰিত্ৰ আৰু কবিতাত বৰ্ণিত মানৱ চৰিত্ৰৰ মাজত যি পাৰ্থক্যৰ বিষয়ে উল্লেখ কৰিছে, সেই পাৰ্থক্যক মই অতি স্বাভাৱিক বুলিয়ে গ্ৰহণ কৰো। গল্প-উপন্যাসত বাস্তৱ সমাজৰ জীৱন প্ৰতিফলিত কৰে আৰু কবিতাৰ মানৱ চৰিত্ৰত আমাক কিছুমান ক্ষেত্ৰত এখন কাল্পনিক বা হয়তো অবাস্তৱ জগতলৈকেও লৈ যাব পাৰে। দুয়োটাতে সাহিত্যিকৰ সৌন্দৰ্য বোধ, চিন্তাৰ উৎকৃষ্টতা আৰু শিল্প প্ৰতিভাৰ চানেকি পোৱা যায়।

৪ সময় বৰ কম পাওঁ যদিও সাহিত্যৰ প্ৰতি মোৰ আগ্ৰহ আছে। যোৱা দশকত মই কেইবাখনো অসমীয়া কিতাপ পঢ়িছো। এইবোৰৰ ভিতৰত যি কেইখনে মনত সাঁচ বহুৱাব পাৰিছে সেইবোৰৰ ভিতৰত শ্ৰীহোমেন বৰগোহাঁঞি দেৱৰ 'পিতাপুত্ৰ', ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' অন্যতম। বৰগোহাঁঞিদেৱৰ 'পিতাপুত্ৰ'ত দুটি generationৰ যি সংঘাতৰ চিত্ৰ মই পঢ়িলো সেই সংঘাত অতিশয় মৰ্মস্পৰ্শী যেন ধাৰণা হ'ল। আনহাতে ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য দেৱৰ 'মৃত্যুঞ্জয়'ত অসমত হোৱা স্বাধীনতা আন্দোলনৰ এটি স্পষ্ট ছবি দেখা পালো। ভাৰতৰ আন আন ভাষাত স্বাধীনতা আন্দোলনক লৈ অনেক গল্প উপন্যাস লিখা হৈছে। অসমীয়া ভাষাত এই আন্দোলনৰ প্ৰতিচ্ছবি আৰু এই আন্দোলনত অসমীয়া মানুহে কৰা ত্যাগৰ এক অনন্য ছবি এই উপন্যাসত প্ৰতিফলিত হৈছে। ইয়াৰ বিশেষকৈ প্ৰধান চৰিত্ৰ মহদা গোঁসায়ে মোক বৰ আকৰ্ষণ কৰিলে। এই চৰিত্ৰটিৰ ত্যাগ আৰু dedicationৰ ছবিয়ে নিশ্চয় উঠি অহা যুৱক-যুৱতীক অনুপ্ৰাণিত কৰিব।

শ্ৰীমতী মামনি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' নামৰ উপন্যাসখনো মই পঢ়িছিলো। প্ৰাইভেট কনষ্ট্ৰাকশ্বন কোম্পানীত কাম কৰা শ্ৰমিক সকলৰ জীৱনৰ যুদ্ধৰ ছবি এই উপন্যাসত ফুটি উঠিছে। এই উপন্যাসৰ প্ৰধান চৰিত্ৰ যশোবন্ত এজন হৰিজন আছিল। উপন্যাসখনৰ কাহিনীৰ নতুনত্বই বিশেষকৈ আকৰ্ষণ কৰিছিল।

প্ৰখ্যাত লেখক ডঃ ভবেন্দ্ৰনাথ শইকীয়াদেৱৰ গল্প মই ভাল পাওঁ। তেওঁৰ গল্প সংকলন 'শৃংখল' আৰু 'সেন্দুৰ' পঢ়িছিলো। তেওঁৰ সূক্ষ্ম দৃষ্টিভংগী বৰ আকৰ্ষণীয় লাগিছিল।


মই কবিতাও পঢ়িছো। অধ্যাপক শ্ৰীনৱকান্ত বৰুৱা আৰু শ্ৰীহীৰেণ ভট্টাচাৰ্যৰ কবিতা মোৰ ভাল লাগে। হীৰেণ ভট্টাচাৰ্যৰ 'সুগন্ধি পখিলা' পঢ়ি কবিৰ হৃদয়ৰ বিষাদবোধক যেন স্পৰ্শহে কৰিছিলো।

শ্ৰীকনকসেন ডেকাৰ নতুন কিতাপ 'নতুন পুৰুষে যুক্তিৰ আধাৰত দেশ গঢ়ক' গ্ৰন্থখন পঢ়িছো। ডেকাই এই গ্ৰন্থত নিজৰ চিন্তাধাৰাৰ বৈশিষ্ট্যৰ পৰিচয় দিছে।

যোৱা দশকটোৰ ভিতৰত মই ইংৰাজী গ্ৰন্থ কেইখনমানো পঢ়িছিলো। বিক্ৰম শেঠৰ 'The Golden Gate' পঢ়ি মুগ্ধ হৈছিলো। এই গ্ৰন্থত ৰুছ দেশৰ প্ৰখ্যাত কবি পুস্কিনৰ প্ৰভাৱ থকা যেন ধাৰণা হয়। এনেধৰণৰ অপূৰ্ব ইংৰাজী ভাষা বৰ কমেহে লিখিব পাৰে বুলি ধাৰণা হয়। দেশ বিভাজনৰ ভেটিত ভাৰতীয় লেখক ভীষ্ম চাহানীয়ে লেখা 'তামস' নামৰ কিতাপখনৰ প্ৰখ্যাত অনুবাদক জয়ৰতনে কৰা অনুবাদটি মই পঢ়িছিলো। এই অনুবাদটি Penguin India'ই প্ৰকাশ কৰিছিল। দেশ বিভাজনৰ ভয়ানক দিনবোৰৰ ছবি এই উপন্যাসৰ মাজত জীৱন্ত হৈ উঠিছে। ভাৰতৰ এচাম মানুহে এই বিভাজনৰ ফলত কেনে এক নৰক যন্ত্ৰণাৰ সন্মুখীন হ'ল এই উপন্যাস পঢ়ি হৃদয়ংগম কৰিব পাৰি। এই উপন্যাসখন ভাৰতত বৰ্তমানে সৰ্বাধিক বিক্ৰী হোৱা উপন্যাসবোৰৰ ভিতৰত অন্যতম বুলি শুনিছো। এই পৃথিৱীত নিঃশেষ হ'ব ধৰা মানৱীয়তাৰ এক কৰুণ ছবি এই উপন্যাসৰ মাজত জীৱন্ত ভাবে দেখা পাইছিলো।

৫ মোৰ মতে বিশ্বজনীন গুণ থকা সাহিত্যই হৈছে উৎকৃষ্ট সাহিত্য।


ড০ গোবিন্দ প্ৰসাদ শৰ্মা
*ইংৰাজী বিভাগ*
*গুৱাহাটী বিশ্ববিদ্যালয়*

১ বিশ্বসাহিত্যৰ অলেখ কালজয়ী গ্ৰন্থৰ ভিতৰত মোৰ যি নিচেই সামান্য সংখ্যক গ্ৰন্থ এতিয়ালৈকে পঢ়া হৈছে, সেইখিনিয়েই মোৰ ভাব-অনুভূতিক এটা বেলেগ গঢ় দিছে আৰু মোৰ চিন্তা-শক্তিক প্ৰখৰ আৰু প্ৰশিক্ষিত কৰি দিশ দান কৰিছে বুলি মোৰ সদায় অনুভৱ হয়।

২ সাহিত্যৰ শাখাবোৰৰ ভিতৰত কাহিনী সাহিত্য (fiction) জীৱনী-আত্মজীৱনী আৰু সমালোচনাৰ প্ৰতি মোৰ বেছি আকৰ্ষণ। কিন্তু ইতিহাস, সমাজ তত্ত্ব আৰু দৰ্শনৰ গ্ৰন্থবিশেষৰ প্ৰতিও মই সমানে আকৰ্ষিত হওঁ, বিশেষকৈ যেতিয়া এনে গ্ৰন্থবোৰ সামাজিক নতুন ভাবনাৰ বাহক, দিকদৰ্শী আৰু সুখপাঠ্য হয়।

৩ গল্প-উপন্যাসত বৰ্ণিত মানৱ চৰিত্ৰ এখন সমাজ বা এটি পৰিস্থিতিত উপস্থাপিত আৰু তাত তেজ-মঙহৰ অৱয়বেৰে প্ৰতিফলিত। কবিতাত মানৱ চৰিত্ৰ বৰ্ণিত হয় (described) বুলি অতি সীমিত অৰ্থতহে কব পাৰি – যিহেতু এপিক্ বা মহাকাব্য আৰু ৰোমাঞ্চ পদ্যত ৰচিত হ'লেও আমি কবিতা বুলি নধৰো। কবিতাত প্ৰকাশিত (বৰ্ণিত বুলি কবলৈ সংকোচ কৰিছো) মানৱ চৰিত্ৰ পৰিস্থিতি বিশেষৰ অনুভূতি বা উপলব্ধিৰ প্ৰকাশ মাথোন। গল্প-উপন্যাসত বৰ্ণিত তেজ-মঙহৰ অৱয়বেৰে সম্পূৰ্ণ মানৱ চৰিত্ৰক মানস চক্ষুৰে হ'লেও লগ পোৱাৰ এটি ওপৰঞ্চি আনন্দ আছে, যিখিনি ওপৰঞ্চি আনন্দ কবিতাত প্ৰকাশিত অনুভূতি আৰু উপলব্ধিৰ মাথোন মানৱ চৰিত্ৰ প্ৰত্যক্ষ কৰাত নাই। অৱশ্যে শেহান্তৰত দুয়োবিধ মানৱ চৰিত্ৰই পাঠকৰ অন্তৰত পেলোৱা ছাপ বা সাঁচ সমানেই গভীৰ।

'Here I am, an old man in a dry month,
Being read to by a boy, waiting for rain'

বা

'I have measured out my life with coffee spoons'

বা

'I grow old.... I grow old.....
I shall wear the bottoms of my trousers rolled.'

বুলি উক্তি কৰা টি এছ এলিয়টৰ কবিতাৰ চৰিত্ৰবোৰ বা ইপিনে উপন্যাসত ডিকিন্সৰ মিঃ পিকউইক্, টমাচ্ হাৰ্ডিৰ টেচ্, বিমল মিত্ৰৰ 'কড়ি দিয়ে কিনলাম'ৰ দীপংকৰ আৰু বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত'খনৰ তগৰৰ চৰিত্ৰই আমাৰ অন্তৰত সমানেই মছিব নোৱৰা দাগ কাটি যায়। কিন্তু মিঃ পিকউইক্, টেচ্, দীপংকৰ আৰু তগৰক তেওঁলোকৰ দৈনন্দিন জীৱনৰ বিভিন্ন পৰিস্থিতিত প্ৰাত্যহিক অভিজ্ঞতাৰ মাজত লগ পাই যোৱাৰ আনন্দৰ এটা ওপৰঞ্চি আয়তন আছে। কবিতাৰ মানৱ চৰিত্ৰ তেওঁলোকৰ অনুভূতি উপলব্ধিৰে আমাৰ হৃদয় আৰু মগজুতহে বেছিকৈ ধৰা পৰে; উপন্যাসৰ মানৱ চৰিত্ৰ ইয়াৰ উপৰিও আকৌ মানস-চক্ষুতো তেজ-মঙহৰ মানুহ হিচাপে ধৰা পৰে।

অনা-সাহিত্য বা চিন্তামূলক গ্ৰন্থতো অৱশ্যে মানুহৰ চিন্তা-ভাবনা, চেতনা-চৰিত্ৰৰ প্ৰতিফলন হয়। কিন্তু ইয়াৰ আবেদন প্ৰধানতঃ মগজুৰ প্ৰতিহে।

তিনিওবিধ মানৱ চৰিত্ৰৰ প্ৰকাশেই মোক তিনি ধৰণে আকৰ্ষিত কৰে। কবিতাৰ মানৱ চৰিত্ৰই মোৰ হৃদয়ত ঢৌ তুলি মগজুত ভাবনাৰ উদ্ৰেক কৰে; কাহিনী-সাহিত্যৰ মানৱ চৰিত্ৰই এই কাম কৰাৰ উপৰি মোৰ দৃষ্টিতো ধৰা দি (মানস চকুৰ দৃষ্টিত হলেও) চাক্ষুষ আনন্দ, সংগসুখ আৰু বিচ্ছেদৰ বেদনাবো উদ্ৰেক কৰে। চিন্তাশীল সাহিত্যৰ মানৱ চৰিত্ৰ আনহাতে মোৰ চিন্তাৰ খোৰাক হয়।

৪ যোৱা দশকটোত মোক বিশেষভাবে প্ৰভাৱান্বিত কৰিছে বুলি দুই এখন গ্ৰন্থৰ নাম মাথোন লবলৈ মই কুণ্ঠা বোধ কৰিছো। যোৱা দশকটোত মোৰ অধ্যয়ন



সূত্ৰধাৰ □ ১-১৫ জানুৱাৰী, ১৯৯২



OKDISCD

কেন্দ্ৰীভূত হৈছিল, আধুনিকতাবাদী ভাবধাৰা আৰু এই ভাবধাৰাই পাশ্চাত্যত কেনেকৈ উপন্যাস-কবিতা-নাটকৰ প্ৰকৃতি-কেই বদলাই দিলে, সেই বিষয়টোৰ ওপৰত। আৰু লগতে এলিয়ট লীভিচৰ পৰা আৰম্ভ কৰি সমালোচনাই কেনেকৈ নতুন কবিতা আৰু নতুন সমালোচনাৰ এটা অতি বলিষ্ঠ স্কুল স্থাপন কৰিলে; সোনকালেই কেনেকৈ এই স্কুলে চিকাগো সমালোচনা স্কুলৰ প্ৰচণ্ড প্ৰত্যাহ্বানৰ সমুখীন হ'ল; তাৰ পিছত সমালোচনা সাহিত্যলৈ কেনেকৈ সংযুতিবাদ (Structuralism) আহি পৰিল আৰু সোনকালে ই উত্তৰ-সংযুতিবাদ (Post-structuralism) বা নিৰ্গঠনৰ (Deconstruction) স্কুললৈ উত্তৰণ কৰিলে – তাৰ অধ্যয়নো মোৰ বাবে মোহনীয়। লগতে মোক আকৰ্ষণ কৰিছে নাৰীবাদ আৰু নাৰীবাদী সমালোচনাই।

এই শতাব্দীৰ প্ৰথমাৰ্ধৰ আধুনিকতাবাদী ভাবধাৰা আৰু সাহিত্য আন্দোলন মোৰ বাবে যেনেকৈ এক মোহনীয় অধ্যয়নৰ বিষয়, তেনেকৈ শেহতীয়া ভাবে উত্তৰ-আধুনিকতাবাদে (Post-Modernism) আৰু উত্তৰ-আধুনিকতাবাদী ভাবে সৃষ্টি কৰা অধি-উপন্যাসেও (Meta-fiction) মোক আকৰ্ষণ কৰিছে।

৫ মোৰ মতে উৎকৃষ্ট সাহিত্য সেইবোৰ যিবোৰৰ অধ্যয়নে হৃদয় আৰু মগজুক গভীৰভাবে স্পৰ্শ কৰি তাত মছিব নোৱৰা সাঁচ বহুৱায় আৰু লগতে অনুভৱ শক্তি আৰু চিন্তাশক্তিৰ পৰিমাৰ্জন আৰু শ্ৰীবৃদ্ধি কৰে।

## মামনি ৰয়চম গোস্বামী

২ যিবোৰ গ্ৰন্থত গভীৰ মানৱীয়তাৰ পৰিচয় পোৱা যায় তেনেধৰণৰ গ্ৰন্থৰ প্ৰতি মোৰ অত্যন্ত আকৰ্ষণ। এই বাবেই কলেজত পঢ়ি থাকোতে ৰুছ লেখক টলষ্টয়, তুৰ্গেনিভ, ডষ্টয়ভস্কি, ফৰাছী লেখক ভিকটৰ হিউগো, আলেকজেণ্ডাৰ ডুমা, বৃটিছ লেখক ডিকেন্স আদি মোৰ অত্যন্ত প্ৰিয় আছিল। পিছলৈ মই যুদ্ধৰ বিভীষিকাৰ ধ্বংস স্তূপৰ ধূলি মাকতি লৈ লেখা হেমিংৱেৰ কিতাপৰ প্ৰতি অতিশয় আকৰ্ষিত হৈছিলো। শুনিছিলো পঞ্চাশ দশকত ইউৰোপৰ প্ৰায়বোৰ ঔপন্যাসিকেই হেমিংৱেৰ সাহিত্যৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। সমালোচক সকলে যেনেদৰে



তেওঁক প্ৰশংসা কৰিছিল তেনেদৰে সমালোচনাৰ বাণেৰে থকা সৰকাও কৰিছিল। কলেজত পঢ়ি থাকোতেই মই 'For whom the bell tols', আৰু 'Farewell to Arms' পঢ়িছিলো।

৩ গল্প উপন্যাসত বৰ্ণিত মানৱ চৰিত্ৰ আৰু কবিতাত বৰ্ণিত মানৱ চৰিত্ৰৰ মাজত কোনো বিশেষ গভীৰ পাৰ্থক্য আছে বুলি মই নেভাবো। কথা সাহিত্যৰ চৰিত্ৰ সৃষ্টিত স্ৰষ্টাই এক ধৰণৰ স্বাধীনতা লাভ কৰে আনহাতে কবিৰ হাতত হয়তো এই স্বাধীনতা সীমিত; অৱশ্যে সকলো নিৰ্ভৰ কৰে কবি জনাৰ সংবেদনশীলতা আৰু বুদ্ধিৰ ওপৰত। তুৰ্কিৰ নাজিম হিকমতৰ কবিতাৰ মাজত যি এক বিষাদবোধ আৰু মানৱীয়তাৰ ছবি পোৱা যায় তেনেধৰণৰ ছবি হেমিংৱেৰ চৰিত্ৰত ৰবাৰ্ট মাৰিয়া আদিৰ বুকুৰ স্পন্দনৰ মাজতো অনুভৱ কৰা যায়। কিন্তু কবিতাত বৰ্ণিত জীৱন কাহিনীক পাঠকে নিজ মতে কল্পনা কৰি লোৱাৰ অৱকাশ থাকে – এই ক্ষেত্ৰত পাঠক স্বাধীন। আনহাতে কথা সাহিত্যত বৰ্ণিত চৰিত্ৰ সমূহৰ নিৰ্দেশ লেখকে নিজেই দিয়ে বাবে এই ক্ষেত্ৰত পাঠকৰ স্বাধীনতা সীমাবদ্ধ। কেতিয়াবা ব্যতিক্ৰম হয়। গেব্ৰিয়েল মাৰ্কুইছৰ কোনো কোনো উপন্যাসত তেওঁৰ magical realism ধাৰাত লেখা চৰিত্ৰ সমূহৰ বিষয়ে পাঠকে অৱশ্যে নিজে কল্পনা কৰাৰ অনেক অৱকাশ থাকে। কবি গৰাকী বহু সময়ত নিজেই নায়ক। কোনো কোনো ক্ষেত্ৰত কথা সাহিত্যৰ নায়কতকৈ শক্তিশালী ৰূপেৰে তেওঁ পৰিস্থিতিৰ অস্থিৰতা ভয়ংকৰতা প্ৰকাশ কৰে নায়ক হৈ তেওঁ হৃদয় ফালি দেখুৱায় – উদাহৰণ স্বৰূপে মই মোৰ প্ৰিয় কবি ফাইজক আঙুলিয়াব পাৰো।

প্ৰখ্যাত অনুবাদক ভিক্টৰ কিয়েৰনানে (Victor Kiearnan)এ অনুবাদ কৰা ফাইজৰ '31 August 1952' নামৰ কবিতাটো চাওক–

'At last half promise of a
Spring has come
Some flowers tear open their green
Cloaks and bloom.
And here and there some garden
rooks begin,
Their warflings, and defy the
wintry gloom.
Night shadows hold their ground,
but some faint streaks,
Of day show, spreading each
a rosy plume:'

আকৌ বোল (speak) নামৰ কবিতাটি চাওক–

'Speak, for your two lips are free;
Speak your tongue is still your own;
This straight body still is yours
Speak, your life is still your own.
See how in the blacksmith's forge,
Flames leap high and steel glows red.
Padlocks opening wide their Jaws,
Every chair's embrace outspread.'

দ্বিধা আৰু সংঘাতে ভৰা হৃদয়েৰে এই কবিয়ে আকৌ লেখিছে তেওঁৰ 'Freedom's Dawn (August 1947)' কবিতাত

This leprous day break, dawn night's
fangs have mangled
This is not that long-looked for break
of day,
Not that clear dawn in quest of
which those, comrades
Set out, believing 'that in heaven's
wide void.'

কথা সাহিত্যৰ চৰিত্ৰৰ গভীৰতাই আৰু একো একোজন কবিৰ কন্ঠই মোক সমানেই কোনো পাৰ্থক্য নোহোৱাকৈ স্পৰ্শ কৰে। ফাইজ হিকমত, অক্টোভিয়া পাজ আদিৰ কবিতাই মোৰ বাবে গদ্য পদ্যৰ কোনো সীমা নেৰাখে। এয়া যেন চিন্তা আৰু ভাবনাৰ এক সীমাহীন দিগন্ত।



৪ এই প্ৰশ্নটোৰ উত্তৰত মই প্ৰথমেই নাম লব লাগিব পাবলো নেৰুদাৰ আত্মজীৱনীমূলক গ্ৰন্থ Memoirsৰ। পাবলো নেৰুদাৰ এই বিখ্যাত গ্ৰন্থখন কিয় মই আগেয়ে পঢ়া নাছিলো এই কথা ভাবি মোৰ কিছু আক্ষেপ হৈছিল। মই যেতিয়া 'আধালেখা দস্তাবেজ' নামৰ মোৰ আত্মজীৱনীমূলক গ্ৰন্থখনি লেখিছিলো সেই সময়ত মই পাবলো নেৰুদা পঢ়া নাছিলো। এতিয়া ভাব হয় মই যদি নেৰুদাৰ Memoirs আগেয়ে পঢ়িলোহেঁতেন নিশ্চয় মই অনুপ্ৰাণিত হৈ মোৰ কিতাপখনৰ আৰু কিছুমান দিশ মুকলি কৰিব পাৰিলোহেঁতেন। নেৰুদাই নিজে দেখা পৃথিৱীখন ইমান বেছি সজীৱ আৰু উন্মুক্ত কৰি আঁকি দেখুৱাইছে যে ভাবিলে বৰ বিস্ময় মানিব লাগে। সমালোচক সকলে সাধাৰণতে বখলিয়াই বখলিয়াই প্ৰকৃত মানুহটো চাব বিচাৰে এনে আত্মজীৱনীমূলক গ্ৰন্থ সমূহত। মানুহটোক সম্পূৰ্ণ ৰূপে নাঙঠ নকৰালৈ যেন ক্ষান্ত নেথাকে। মোৰ ধাৰণা নেৰুদাই তেনে ধৰণে নিজকে ধৰা দিয়া নাই। অথচ নিজে বিচৰণ কৰি যোৱা জগতখনৰ এক অপূৰ্ব ছবি আঁকি দেখুৱাইছে। তেওঁ বৰ্ণনা কৰা চিলিৰ অৰণ্যৰ শোভাই মোক এনেদৰে মুগ্ধ কৰে যে ভাব হয় মই নিজে যেন সেই ছাইপ্ৰাছ গছবোৰৰ তলত থিয় হৈ আছো –তেওঁৰ লগত যেন স্পেইনৰ বাটে ঘাটে বিচৰণ কৰিছো...... এই দৰদী শিল্পী গৰাকীৰ হৃদয়ৰ স্পন্দন যেন স্পষ্ট শুনা পাইছো। নেৰুদাৰ সং প্ৰকৃতি আৰু মানসিক সংঘৰ্ষৰ ছবি এই গ্ৰন্থত স্পষ্ট। সমসাময়িক ইতিহাস আৰু সংস্কৃতিৰ প্ৰতিফলনেও গ্ৰন্থখনিক এক অনন্য শোভা দান কৰিছে। নেৰুদাৰ সহকৰ্মী বন্ধু-বান্ধৱ কবি সাহিত্যিক সকলৰ বাস্তৱ ছবিও অপূৰ্ব। সুখৰ কথা এয়ে যে এই গ্ৰন্থৰ অসমীয়া অনুবাদ এটিও অলপতে প্ৰকাশ পাইছে। এই অনুবাদ কৰিছে ডঃ কমলা (গোহাঁই) সেনগুপ্তাই।

মই টকিঅ'ত দুদিনমান থকাৰ সময়তে জাপানী লেখক য়াকো মিচিমাৰ (প্ৰকৃত নাম কিমিটাকে হিৰাওকা) গ্ৰন্থৰ লগত পৰিচিত হৈছিলো। ১৯৭৬ চনতে টকিঅ'লৈ গৈছিলো। কিতাপৰ দোকানত মই অৱশ্যে হিৰোচিমাৰ বিষয়েহে কিতাপ বিচাৰি-ছিলো। কিন্তু সকলোৱেই আঙুলিয়াই দিয়ে মিছিমাৰ কিতাপ সমূহকহে। হিৰোচিমাক যেন পাহৰিব খোজে। ভাব হৈছিল য়াকো মিছিমাই জাপানৰ আটাইতকৈ প্ৰখ্যাত লেখক। হোটেলৰ লাউঞ্জতো মিছিমাৰ কিতাপ সমূহ সজাই থোৱা দেখিছিলো। সেই সময়তে মই মিছিমাৰ "The temple of the Golden Pavillion" নামৰ কিতাপখন কিনিছিলো। কিতাপখনৰ মুখ পৃষ্ঠাত লেখা আছিল –"In 1950, Kyoto's ancient Golden Pavillion was burned to the ground by a crazed zen acolyte, a stammering grotesquely ugly youth, to whom the Temple represented all the longed for unattainable beauty of his life. This is a fictionalized version of that crime, and of the depravity, the sexual impotence, and the malignant growth of obsession that lead to the shocking deed."

এই কিতাপখনৰ মাজেৰে মই এক ৰহস্যময় চৰিত্ৰৰ অভিনৱ জগতত প্ৰবেশ কৰিছিলো। এই সময়ত মোৰ অহৰহ ডষ্টয়েভস্কিলৈ মনত পৰিছিল। প্ৰকৃততে ডষ্টেয়ভস্কিৰ লেখনিতকৈও ডষ্টয়েভস্কিৰ জীৱন কাহিনীয়েহে মোক অভিভূত কৰিছিল। তেওঁৰ সৈতে মই যেন এক ৰহস্যময় জগতত বিচৰণ কৰি ফুৰিছিলো।...... কিন্তু য়াকো মিছিমা? মই যি সময়ত টকিঅ'ত আছিলো সেই সময়ত তেওঁৰ The Temple of the Golden Pavillionৰ তিনি লাখ কপি বিক্ৰী হোৱা বুলি পঢ়িছিলো। শুনিছিলো জাপানৰ লুপ্ত হোৱা 'চামুৰাই'ৰ tradition আকৌ উভতি আহিবলৈ তেওঁ কামনা কৰিছিল। কাৱা বাটাৰ দৰে তেওঁ জনসমুদায়ৰ সমুখত পেট ফালি, নিজ হাতেৰে নাড়ী-ভুৰু বাহিৰ কৰি দি আত্মহত্যা কৰিছিল। এই 'হাৰাকিৰি' চামুৰাই সকলৰ বাবে ভগৱানৰ ওচৰত আছিল এক চৰম পুষ্পাঞ্জলি। .....যোৱা দশকত মিছিমাৰ The Temple of the Golden Pavillion আকৌ পঢ়ি মই ধন্য হৈছিলো। মিছিমাক এগৰাকী প্ৰকৃত 'চামুৰাই' বুলি মই কল্পনা কৰিছিলো।

.........যোৱা দশকতেই মই কেইবাগৰাকীও বিদুষী মহিলাক লগ পাইছিলো। তেওঁলোকৰ ৰচনা ৰাজিৰ লগতো পৰিচিত হৈছিলো। এই সকলৰ ভিতৰত অনন্যা আছিল লটে নেভেলি (Lotte Nivelli)। লটে নেভেলি এগৰাকী ইহুদি (Jews) শিল্পী আছিল। দ্বিতীয় মহাযুদ্ধৰ আগেয়ে তেওঁ পিয়ানো বজাই নৃত্য কৰি জীৱিকা অৰ্জন কৰিছিল। ১৯০৬ চনত হৈছিল তেওঁৰ জন্ম। জাৰ্মেনীৰ ডৰটমাণ্ড বিশ্ববিদ্যালয়ৰ (Dortmund University) পৰা পিয়ানো আৰু কন্ঠ-সংগীতৰ স্নাতক হৈছিল। যুদ্ধৰ আগলৈকে সকলো কথা ঠিকেই আছিল। কিন্তু যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে হিটলাৰৰ আদেশ আহিল এই ইহুদি সকলে কোনো পাব্লিক function কৰিব নোৱাৰিব। লটেৰ জীৱনলৈ অন্ধকাৰ দিন নামি আহিছিল। জীৱিকাৰ সকলো উপায় বন্ধ হৈছিল। শেষত 'Concentration Camp'ৰ ভয়ানক দিনবোৰৰ কথা যেন লেখি বৰ্ণনা কৰা নেযায়। লটে নেভেলিৰ ভাষাত–

—"My husband, mother, sister, brother-in-law and nearby every relative died a brutal death. Ill clad, and bare-footed, I was forced to march through storm, and snow from Auschwitz to Bergen Belsen camp, when British troops liberated this camp I lay unconscious amidst a pile of dead bodies. With bulldozers all the bodies were being pushed into mass graves, until some kindly soldier saw that I was still breathing, I was rushed to Glyn Hughes Hospital of A/150 British Army."

জাৰ্মেনিৰ Concentration কেম্পৰ মৰাশৰ এদমৰ মাজৰ পৰা জীয়া মানুহ হৈ উভতি অহা লটে নেভেলিক ব্যক্তিগত ভাবে লগ পোৱা মোৰ জীৱনৰ এক উল্লেখযোগ্য ঘটনা আছিল। ভাৰতৰ প্ৰখ্যাত কবি স্বৰ্গীয় হৰেন্দ্ৰনাথ চট্টোপাধ্যায়ে লটেক লৈ এখন অপূৰ্ব কাব্য গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থৰ নাম দিছিল "Lotte — The Power of Love"। এই গ্ৰন্থৰ উন্মোচন উৎসৱৰ বাবে লটে নেভেলি স্বয়ং দিল্লীলৈ আহিছিল। কিতাপখনৰ প্ৰকাশক গৰাকীয়ে লটেৰ এটা সাক্ষাৎকাৰ লবৰ বাবে মোক অনুৰোধ জনাইছিল। দিল্লীৰ Imperial হোটেলত মই লটে নেভেলিৰ সাক্ষাৎকাৰ লৈছিলো। এই সাক্ষাতকাৰ লোৱাৰ আগদিনা মই হৰেন্দ্ৰনাথ চট্টোপাধ্যায়ৰ "Lotte The Power of Love" কিতাপখন ভালদৰে পঢ়ি গৈছিলো। গদ্য আৰু পদ্যই যে এনেদৰে হাতত ধৰাধৰিকৈ থাকিব পাৰে ভাবিলে মোৰ বৰ আচৰিত লাগে। লটেৰ জীৱনৰ মাৰ্মিক কাহিনী চট্টোপাধ্যায়ৰ অপূৰ্ব ভাষাত

মূৰ্তিমান হৈ উঠিছে। এই গ্ৰন্থ পঢ়ি মই নীৰৱে চকুলো মচিছিলো। যেতিয়া নায়িকাক মই লগ পাইছিলো তেওঁৰ হাতখন মই মুঠি মাৰি ধৰিছিলো। তেওঁ মোৰ হাত ওঁঠৰ ওচৰলৈ নিছিল। জীৱনৰ শেষপ্ৰান্তত উপস্থিত হোৱা এই মহিলাক মই অনেক প্ৰশ্ন সুধিছিলো। ভাব হৈছিল এতিয়া লটে নেভেলিয়ে সকলোকে ক্ষমা কৰি দিছে আনকি হিটলাৰকো।

এই দশকতে মই দুগৰাকীমান ভাৰতীয় লেখকৰ কেইখনমান অপূৰ্ব গ্ৰন্থ পঢ়িছিলো। তাৰে এখন 'আছিল যোছেফ মুণ্ড'কাশেৰি বিৰচিত মালয়ালম উপন্যাস 'প্ৰফেছৰ'। এই উপন্যাসৰ বঙালী অনুবাদটি কৰিছিল নিলীনা আব্ৰাহামে। মই এই বঙালী অনুবাদটি পঢ়িছিলো। মাত্ৰ এসত্তৰ পৃষ্ঠাৰ এই শক্তিশালী উপন্যাসখনে মোক এটা কথাই সোঁৱৰাই দিছিল যে কৃতকাৰ্যপূৰ্ণ উপন্যাস লেখিবলৈ হলে বৃহৎ আকাৰ কৰাৰ সকলো সময়তে প্ৰয়োজন নাই।

এই উপন্যাসত কেৰেলাৰ ত্ৰিচুৰৰ খৃষ্টান সম্প্ৰদায়ে চলোৱা বে-চৰকাৰী কলেজৰ ভিতৰৰ ভ্ৰষ্টাচাৰ আৰু বিভিন্ন সমস্যা উদঙাই দেখুৱাইছে। মুণ্ড'কাশেৰি নিজেই এক বে-চৰকাৰী কলেজৰ অধ্যাপক আছিল। সেয়ে কেৰেলাৰ এইবোৰ কলেজৰ সেই সময়ৰ ছবি লেখকৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ফলস্বৰূপ আছিল। এই উপন্যাসখন পঢ়ি থকাৰ সময়ত জীৱন যুদ্ধত ভাঙি পৰা অধ্যাপক লোপসৰ চৰিত্ৰটিয়ে মোৰ হৃদয় বিদীৰ্ণ কৰি পেলাইছিল। কিমান গভীৰভাবে যন্ত্ৰণা অনুভৱ কৰিলে এনে চৰিত্ৰৰ জন্ম দিব পাৰি ভাবি মই তন্ময় হৈছিলো। পিছলৈ শুনিছিলো কেৰেলাৰ পাঠকে এই উপন্যাসখনিক অভূতপূৰ্ব সমাদাৰ জনাইছিল।

যোৱা দশকত পাকিস্তানৰ প্ৰখ্যাত উপন্যাস সৌকত ছিদ্দিকীৰ 'খুদা কা বস্তি' পঢ়াৰ সুযোগ পাইছিলো। এই কিতাপখনৰ বিষয়ে পিছলৈ বিস্তাৰিত ভাবে আলোচনা কৰাৰ ইচ্ছা আছে।

যোৱা দশকত মই কেইবাখনো অসমীয়া লেখকৰ উপন্যাস পঢ়িছিলো। এইবোৰৰ ভিতৰত 'আত্মানুসন্ধান', 'অন্তৰীপ', 'বন্দুকাবেহাৰ', 'ধন্য নৰ তনু ভাল', 'সাঁচিপাতৰ পুথি', 'লোহা' ৰংমিলিৰ হাঁহি প্ৰধান আছিল।

শ্ৰীমতী নিৰুপমা বৰগোহাঁঞিৰ 'অন্যজীৱন' নামৰ উপন্যাসখন পঢ়ি মোৰ ভাল লাগিছিল। এই উপন্যাসৰ নায়িকাই যি কোনো শিক্ষিতা নাৰীকেই প্ৰেৰণা দিব পাৰিব। এই দশকত মোৰ হাতত পৰিছে তিলোত্তমা মিশ্ৰৰ 'স্বৰ্ণলতা' নামৰ ভাল উপন্যাস এখন।

যোৱা দশকত মই দুখনমান পুৰণা অসমীয়া কিতাপ পঢ়িছিলো। এই পুৰণি কিতাপবোৰৰ ভিতৰ পদ্মনাথ গোহাঞি বৰুৱাৰ 'মোৰ সোঁৱৰণ' আৰু সদৰামীনৰ আত্মজীৱনীৰ নাম উল্লেখ কৰিলো। গোহাঞি বৰুৱাৰ 'মোৰ সোঁৱৰণ'ত জোনাকী আৰু উষাৰ সম্পাদক হিচাপে কেনে এক যুদ্ধ কৰিব লগীয়া হৈছিল, বিশেষকৈ অৰ্থ কষ্টৰ বাবে কেনেকৈ কাপোৰ কানি পৰ্যন্ত ধাৰ কৰিবলগীয়া হৈছিল অথচ তেওঁৰ লক্ষ্য কেনেদৰে তেওঁ অটুট ৰাখিছিল এই চিত্ৰ মই পাইছিলো। আনহাতে হৰকান্ত সদৰামীনৰ আত্মজীৱনীখনত সেই সময়ৰ কিছুমান অত্যন্ত ৰোচক ঘটনা আৰু এইবোৰৰ লগত সদৰামীনৰ সম্বন্ধৰ কাহিনী উপভোগ কৰিছিলো। আহোম ৰজা আৰু ইংৰাজ বিষয়াৰ সৈতে সদৰামীনৰ ব্যক্তিগত সম্বন্ধৰ ছবি সঁচাকৈয়ে বৰ ৰোচক আছিল। বৃটিছ শাসকৰ পত্নী আৰু আহোম ৰাণীৰ সাক্ষাৎকাৰৰ যি চিত্ৰ তেওঁ দাঙি ধৰিছে এই চিত্ৰ উপন্যাসৰ চিত্ৰৰ দৰে মনোমোহা।

৫ মোৰ বিদেশী বন্ধু এগৰাকীয়ে এই প্ৰশ্ন সুধিছিল। তেওঁক মই তলত দিয়াৰ দৰে উত্তৰ দিছিলো–

"The literature which stimulates intellectually and at the same time penetrates the heart — এয়ে মোৰ মতে উৎকৃষ্ট সাহিত্য।

প্ৰদীপ খাটনিয়াৰ
*প্ৰবক্তাঃ দৰ্শন বিভাগ*
*কটন কলেজ*

১ মই গ্ৰন্থজগতত 'অহৰহ' বিচৰণ নকৰো, যেতিয়া সময় পাওঁ কেতিয়াহে কৰো। মোৰ ক্ষেত্ৰত এই পাঠাভ্যাসৰ ফলত বিশেষ এলানি অনুভূতিয়ে গঢ় লৈ উঠিছে বুলিও মই ক'ব নোৱাৰো। প্ৰতিখন সাৰ্থক গ্ৰন্থৰ প্ৰতিখিলা পাতেই বাক্যই উদ্ৰেক কৰিব পাৰে একোটা বা একাধিক অনুভূতি। বহুতো গ্ৰন্থৰ সাৰ্থকতা হৈছে অনুভূতিক বিশেষভাবে উদ্ৰেক নকৰি এক অৰ্থত এক স্থিৰ মননক জীপাল কৰি তোলা। অৱশ্যে সাধাৰণভাবে ইয়াকে ক'ব পাৰো যে মহৎ গ্ৰন্থৰ অধ্যয়নে প্ৰায়েই মোৰ মনত বিশালতাবোধৰ এক অনুভূতিক জাগৃত কৰে।

২ গ্ৰন্থ নামধাৰী কিছুমান অগ্ৰন্থ আছে। যেনে টেলিফ'নৰ ডাইৰেক্টৰী বা ৰেলৰ টাইমটেবুল। আৰু কিছুমান গ্ৰন্থ আছে যিবোৰ কোনো বিশেষ বিষয়ৰ ওখ-খাপৰ ছাত্ৰ বা শিক্ষক আদিৰ বাবেহে বোধগম্য। যেনে তাপগতিবিজ্ঞান বা থাৰ্মডাইনেমিক্সৰ কিতাপ। আৰু কিছুমান কিতাপ আছে যিবোৰ বহুপঠিত কিন্তু সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ দৃষ্টিকোণৰ পৰা অনাৱশ্যকীয়। যেনে সাধাৰণ ক্ৰাইম থ্ৰিলাৰ বা পৰ্ণগ্ৰাফী আদি। প্ৰথমবিধ কিতাপ প্ৰয়োজন সাপেক্ষে লুটিয়াওঁ, নিজৰ অধ্যাপনাৰ বিষয়ৰ বাহিৰৰ ক্ষেত্ৰত দ্বিতীয়বিধ কিতাপ পঢ়াৰ সামৰ্থ্য মোৰ নাই, তৃতীয়বিধ কিতাপ পঢ়াৰ প্ৰয়োজন বোধ নকৰো। ইয়াৰ বাহিৰে বাকী বিভিন্ন ধৰণৰ ভাল কিতাপবোৰে মোক আকৰ্ষিত কৰে। সাহিত্য, দৰ্শন, ইতিহাস আৰু গাণিতিক তৰ্কবিজ্ঞানৰ কিতাপৰ প্ৰতি মই সৰ্বাধিক আকৰ্ষণ অনুভৱ কৰো।

৩ 'গল্প-উপন্যাসত বৰ্ণিত মানৱ-চৰিত্ৰ' আৰু 'কবিতাত বৰ্ণিত মানৱ চৰিত্ৰ'ৰ মাজত কি মৌলিক পাৰ্থক্য আছে তাক মই ভালকৈ বুজা নাই। হোমাৰৰ মহাকাব্যত বৰ্ণিত মানৱ চৰিত্ৰৰ সৈতে টলষ্টয়ৰ 'যুদ্ধ আৰু শান্তি'ত বৰ্ণিত মানৱ চৰিত্ৰৰ কিবা মৌলিক পাৰ্থক্য আছেনে? মই ভবাত নাই। বৰং মানৱ চৰিত্ৰৰ গতিপ্ৰকৃতি সম্পৰ্কত যি মৌলিক হোমাৰীয় ধাৰণা টলষ্টয়ৰ উপন্যাসতো শুনা যায় সেই একেই ধাৰণাৰ অনুৰণন আৰু পোৱা যায় তাৰ সমতুল্য প্ৰকাশ। পুস্কিনৰ Eugen Onegin কাব্যত মানৱ চৰিত্ৰ যিদৰে বৰ্ণিত হৈছে তাৰ সৈতে উপন্যাসত বৰ্ণিত মানৱ চৰিত্ৰৰ প্ৰকৃতিক পৃথক কৰিব পৰা যাবনে? কবিতা মানে যদি অকল লিৰিককেই বুজা গৈছে তেন্তে অৱশ্যে কথাটো অলপ সুকীয়া হ'ব। কিন্তু লিৰিকৰ বাহিৰৰ কাব্যৰ বিশাল ক্ষেত্ৰখনক আমি আওহেলা কৰিম কেনেকৈ?

অনা-সাহিত্য গ্ৰন্থত মানৱৰ চিন্তা-ভাবনা, চেতনা-চৰিত্ৰৰ প্ৰতিফলনেই কেৱল নহয় – কিছুমান অনা-সাহিত্য গ্ৰন্থই মানুহৰ চিন্তাৰ ভিত্তিমূল কি তাক কোৱাৰ, সেই চিন্তাৰ প্ৰকৃতি আৰু সীমাবদ্ধতাক দাঙি ধৰাৰো প্ৰয়াস কৰে। এনে গ্ৰন্থত থাকে বৰ্গীকৰণ আৰু সৰলীকৰণ – যাৰ অবিহনে এই সম্পৰ্কীয় প্ৰণালীবদ্ধ অধ্যয়ন অসম্ভৱ।

চিন্তা-ভাবনা, মানৱ চৰিত্ৰ আদিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে মই সদায় দৰ্শন, মনোবিজ্ঞান, সমাজতত্ত্ব আদি বিষয়ৰ গ্ৰন্থৰ ওচৰ চাপো। এই বিষয়বোৰৰ বহুতো গ্ৰন্থই অৱশ্যে সাহিত্যিক গুণৰ দ্বাৰা পৰিপূৰ্ণ আৰু ফলত সেইবোৰক অনা-সাহিত্য বা সাহিত্য বহিৰ্ভূত বুলি কোৱাটো টান। মানুহৰ আভ্যন্তৰীণ অস্তিত্বগত সত্যক গল্প-উপন্যাস বা কাব্য, নাটক আদিয়ে প্ৰকাশ কৰিব পাৰিছে। এনে সত্যৰ আভাস পাবলৈ এনে গ্ৰন্থপাঠ কৰাৰ বাহিৰে অন্য উপায় মোৰ বাবে বৰ বেছি নাই।

৪ যোৱা দশকটোত ভালে সংখ্যক সাহিত্য-গ্ৰন্থ পঢ়িলো। অজিৎ বৰুৱাৰ 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য', যোছেফ ব্ৰড্স্কিৰ 'A Part of Speech' অক্টাভিও পাছৰ 'Labyrinths of Solitude' আৰু এলিয়াছ কানেত্তিৰ Crowds and Power' আদি গ্ৰন্থই মোক প্ৰভাৱান্বিত কৰিছে। প্ৰথম দুখন কাব্যগ্ৰন্থ। তৃতীয়খন প্ৰথম দৃষ্টিত মেক্সিকান মানসিকতাৰ এক অধ্যয়ন –কিন্তু গভীৰ অৰ্থত এই অধ্যয়ন সমগ্ৰ মানৱ সত্তাৰেই। চতুৰ্থখন কিতাপত পোৱা যায় এজন বিখ্যাত সাহিত্যিকে কৰা সামাজিক মনোবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ দিশৰ এক বিশ্লেষণ।

অজিৎ বৰুৱাৰ কাব্যগ্ৰন্থখনত শুনিলো আগেয়ে অসমীয়া কাব্যত নুশুনা এটা সুৰ। কবিৰ সৌজন্যত ব্ৰহ্মপুত্ৰৰ সমুদ্ৰবাহী যাত্ৰাৰ মাজত যুগপৎ প্ৰত্যক্ষ কৰিলো মানৱ সত্তাৰ এক মহান অন্তৰ্মুখী যাত্ৰা। ব্ৰড্স্কিৰ কাব্যত পালো এক সমৃদ্ধ অৰ্থঘনত্ব। পাছ আৰু কানেত্তিৰ গ্ৰন্থ পঢ়ি সভ্যতাৰ আৰু মানৱ সত্তাৰ এক আন্ধাৰ দিশৰ বিষয়ে জনাৰ সুযোগ পালো।

৫ উৎকৃষ্ট সাহিত্যৰ প্ৰকৃত লক্ষণ কি মই নাজানো। উৎকৃষ্ট সাহিত্য বুলি পণ্ডিত আৰু সমালোচক সকলে চিহ্নিত কৰি দিয়া কিতাপবোৰ পঢ়ি পঢ়ি উৎকৃষ্ট সাহিত্য সম্পৰ্কীয় এক অনিৰ্ণেয় অন্ধ ধুঁৱলি-কুঁৱলি অস্পষ্ট ধাৰণা মোৰ মনত গঢ় লৈ উঠিছে। কোনো পধ্যেই সেই ধাৰণাক মই স্পষ্ট ৰূপ দিব নোৱাৰো। কিন্তু সেই অস্পষ্ট ধাৰণাই মোক অধ্যয়নৰ নিৰ্বাচনৰ দিশত সততে পৰিচালিত কৰিছে।





# নিৰ্দিষ্ট প্ৰস্তাৱৰ ভিত্তিত আলোচনা হওক

যোগানন্দ গোস্বামী

মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই যিমানেই অসমত শান্তি প্ৰতিষ্ঠাৰ কথা নকওক লাগে, অসমলৈ সহজে শান্তি ঘূৰি অহাটো টান। পুলিচ মিলিটেৰীৰ শাসনেৰে শান্তি ঘূৰাব নোৱাৰি। বাতৰি কাকতবোৰত এহেজাৰ মানুহক কুৰি হেজাৰ বুলি দেখুওৱা ধৰণৰ অতিৰঞ্জন থাকিলেও সামৰিক বাহিনীয়ে সৃষ্টি কৰা সন্ত্ৰাসৰ বাতৰি ষোল্ল অনাই মিছা বুলি উৰাই দিব পৰা বিধৰ নহয়। অন্ততঃ ৰাজু বৰুৱাৰ ধৰ্ষণ আৰু হত্যাৰ দৰে উলংগ সত্যক এক লাখ টকা আৰু এটা চাকৰি যাচি চৰকাৰে নিজেই স্বীকাৰ কৰি লব লগা হ'ল। এতিয়া তেনে জঘন্য সত্য অধিক প্ৰকাশ পোৱাৰ আশংকা কৰিয়েই সম্ভৱতঃ সামৰিক বাহিনীয়ে দুই এক বাতৰি দিওঁতাকো এশিকনি দিয়াৰ চেষ্টা চলোৱা দেখা গৈছে। সামৰিক বাহিনীয়ে অভিযান চলাই থকাৰ সময়তে দেখোন অ'ত ত'ত হত্যাকাণ্ডও চলি লগিছে! ধন সংগ্ৰহৰ বাতৰিও পোৱা গৈছে। এনেবোৰ কাম আল্ফাৰ দ্বাৰায়েই হয় বুলি অভিযোগ আছে যেতিয়া আল্ফা সম্পূৰ্ণ সক্ৰিয় বুলি ভাবিবৰ থল আছে। আনহাতে আল্ফাই কৰা দৰে হত্যা আৰু ধন-সংগ্ৰহৰ কামত সামৰিক বাহিনীৰ লোক জড়িত থকাৰ অভিযোগ উত্থাপন হোৱাটোহে বিপদৰ কথা হৈছে। দুলীয়াজানৰ এজন ব্যৱসায়ীয়ে বলপূৰ্বক ধন সংগ্ৰহৰ অভিযোগ কৰি উচ্চ ন্যায়ালয়ত সামৰিক বিষয়াৰ বিৰুদ্ধে গোচৰো তৰিছে। আল্ফাই নকৰা নাৰী ধৰ্ষণৰ দৰে কামত সামৰিক বাহিনীৰ লোক লিপ্ত হোৱাৰ অভিযোগে অধিক গুৰুতৰ সমস্যাৰ সৃষ্টি কৰিছে। এইবোৰ কাৰণতেই নগৰে চহৰে অসমৰ ৰাইজ আতংকগ্ৰস্ত হোৱাটো স্বাভাৱিক।

আল্ফাক নিষ্ক্ৰিয় কৰি অসমত শান্তি প্ৰতিষ্ঠা কৰিবলৈকে সামৰিক বাহিনীক মাতি অনা হৈছে বুলি মুখ্য মন্ত্ৰীয়ে কৈ থৈছে। কিন্তু দেখা গৈছে সামৰিক বাহিনী এই ক্ষেত্ৰত সফল হব পৰা নাই। আনকি পণবন্দী কেইজনৰ উৱাদিহকে উলিয়াব নোৱাৰিলে। বৰঞ্চ আল্ফাই সৃষ্টি কৰা সন্ত্ৰাসৰ ওপৰতে নতুনকৈ সামৰিক বাহিনীৰ সন্ত্ৰাসো ৰাইজৰ ওপৰত জাপিহে দিয়া হ'ল। এনে কাৰ্যই এক ভয়াবহ ভৱিষ্যতৰ নিৰ্দেশ কৰিছে।

একে খিনিয়েই মানুহ, যাক লৈ আল্ফাই স্বাধীন অসমৰ পৰিকল্পনা কৰিছে– বোমা বাৰুদৰ খবৰদাৰীৰে। আনহাতে মুখ্য মন্ত্ৰী শইকীয়াই সেইখিনি মানুহৰ মাজতে সেনা বাহিনী মেলি দিছে। মানুহেনো কৰিব কি? এজিপি চৰকাৰৰ অকৰ্মণ্যতা আৰু উদ্ভণ্ডালি অসহ্য হোৱাত কংগ্ৰেছকে চৰকাৰ পাতিবলৈ দিলে যাতে সাময়িক ভাবে হ'লেও ৰাজ্যখনলৈ ৰাজনৈতিক সুস্থিৰতা আহে আৰু ভাঙি পৰা অৰ্থনীতি অলপ জীপলৈ উঠে। পিছে কি হব? চৰকাৰ পাতি কংগ্ৰেছ দলটোৱে গুৰি কথাৰ ওচৰেই নেচাপিলে। এজিপিৰ ল'ৰা কেইটিয়ে ভবাৰ দৰে অসমৰ মূল সমস্যা আই আই টি, কেন্দ্ৰীয় বিশ্ববিদ্যালয়, কাটাতাঁৰৰ বেৰ

এইবোৰৰ এটিও নহয়। অসম চুক্তি নামৰ কাকতখনত লিখা সকলো কাম কৰি পেলালেও অসমৰ সমস্যা সঁচা অৰ্থত সমস্যা হৈয়ে ৰব। আল্‌ফা সৃষ্টিৰ মূল কথাও এইখিনিতে। আল্‌ফাৰ বহু ভুল স্বীকাৰ কৰি ল'লেও ইতিবাচক এই দিশটো উলাই কৰিব নোৱাৰি। আল্‌ফা বিচ্ছিন্নতাবাদী বাৰু হয়েই; যুক্তি থাকিলে ইটো দোষণীয় হব নোৱাৰে! সন্ত্ৰাসবাদী বুলিও হয়তো প্ৰমাণ কৰিব পৰা যাব। কিন্তু সমগ্ৰ জাতিটোৰ জ্বলন্ত সমস্যা উপলব্ধি কৰা এই চাম উঠি অহা যুৱকক সামৰিক বাহিনীৰ দ্বাৰা মাৰি মোহাৰি নিঃশেষ কৰিবলৈ ওলোৱাটো ঘোৰ অপৰাধ। চৰকাৰৰ এই অপৰাধৰ ফল সুদূৰপ্ৰসাৰী হোৱাটো অস্বাভাৱিক নহয়। ৰাষ্ট্ৰ পৰিচালক সকলে ইয়াৰ দায়িত্ব লব লাগিব। হয়তো, সময়ত বহু বেছি মূল্য দিব লগাও হব পাৰে!

গুৰি কথা বুলিবৰ হ'লে অসমৰ জাতি সত্ত্বা সমূহৰ নিজস্ব অধিকাৰ। ইয়াৰ বাবেই অসমৰ মানুহৰ অন্তৰ্দহন হব লাগিছে। একে অন্তৰ্দহনৰ প্ৰতিধ্বনি ভাৰতৰ অন্যান্য প্ৰান্ততো হৈছে। যিখন সংবিধানেৰে ৰাষ্ট্ৰ পৰিচালিত হৈছে সেইখনে এই অধিকাৰ দিব পৰা নাই। সংঘাত ইয়াতে। যোৱা দশকটোত অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে হৈ-চৈ কৰা হ'ল। তেতিয়াৰ নেতা সকলে ৰাষ্ট্ৰ নেতা সকলক এইখিনিকে বুজাবলৈ সক্ষম হ'ল যে কেইটামান অনুষ্ঠান-প্ৰতিষ্ঠান পাতি দিলেই অসম শাঁন্ত হৈ যাব। জাতীয় অধিকাৰৰ মূল প্ৰশ্নটো বাদ দিলে অসম শান্ত হব জানো? অস্তিত্ব ৰক্ষা আন কোনেও কৰি দিব নোৱাৰে; অসমৰ মানুহে নিজেই কৰিব লাগিব। প্ৰয়োজনীয় কথা হৈছে জাতীয় অধিকাৰ। ভাৰতীয় সংবিধানে এই অধিকাৰ অস্বীকাৰ কৰাৰ বাবেই এচাম যুৱকে জীৱন তুচ্ছ কৰিও নিজস্ব সংবিধান ৰচনাৰ পথত আগবাঢ়িবলৈ বাধ্য হৈছে। জাতীয় অধিকাৰৰ দাবীতে বিশ্ব ৰাজনীতিৰ পট পৰিৱৰ্তন হব লগা হ'ল। ভাৰততো পৰিবৰ্তনৰ সূচনা হোৱাটো সময়ৰে আহ্বান। অৱশ্যে এইখিনিতে কোৱা ভাল হব যে আল্‌ফাই ভবাৰ দৰে সাৰ্বভৌম স্বাধীন অসমৰ পৰিকল্পনাই জাতীয় অধিকাৰ প্ৰতিষ্ঠাৰ এক মাত্ৰ পথ নহবও পাৰে। বিকল্প চিন্তাও হব পাৰে। এই ক্ষেত্ৰত আটাইতকৈ প্ৰয়োজনীয় কথা হৈছে ৰাষ্ট্ৰ নেতা সকলৰ সদিচ্ছা।

ৰাষ্ট্ৰ নেতা সকলে কিন্তু অসম, পাঞ্জাব বা জম্মু-কাশ্মীৰৰ জ্বলন্ত সমস্যা সমাধানৰ বাবে মন বান্ধিব পৰা নাই যেন বোধ হয়। অত্যন্ত ৰক্ষণশীল স্থিতিহে গ্ৰহণ কৰিছে যেন লাগে। তথাকথিত ৰাষ্ট্ৰীয় ঐক্যৰ আবেগিক ধ্বনি অৰণ্য ৰোদনত পৰিণত হৈছে। এওঁলোকে অসমৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰী শ্ৰীশইকীয়াৰ মুখেৰে এবাৰ কোৱাইছে ভাৰতীয় সংবিধান মানি নললে আল্‌ফাৰ লগত কোনো আলোচনা হব নোৱাৰে। আকৌ এবাৰ কোৱাইছে আল্‌ফাই সন্ত্ৰাস বন্ধ কৰিলেহে আলোচনা হব পাৰে। দুয়োটাতে চৰ্ত আৰোপ কৰা হৈছে। মুখ্য মন্ত্ৰিত্ব গ্ৰহণৰ পাছতে শ্ৰীশইকীয়াই কিন্তু বিনা চৰ্তে আল্‌ফাৰ বন্দী সকলক এৰি দিয়া আৰু আলোচনাৰ মেজত বহাৰ কথা কৈছিল। হয়তো সেই সময়ত শ্ৰীশইকীয়াই নিৰ্বাচনত আল্‌ফা নিৰপেক্ষ হৈ থকা আৰু অপ্ৰত্যাশিত ভাবে কংগ্ৰেছ ক্ষমতালৈ অহাৰ কথাত উৎসাহী হৈ পৰিছিল আৰু আল্‌ফাক সহজতে সৈমান কৰাব পৰা যাব বুলিও ভাবিছিল। পাছত আল্‌ফাৰ ব্যৱহাৰ আৰু কৰ্মকাণ্ডই অকল শইকীয়াকে নহয় সমগ্ৰ অসমকে স্তম্ভিত কৰিলে। সেই সময়ৰ বাতৰি কাকতৰ শিৰোনামাবোৰেও আল্‌ফাৰ কাৰ্য সমৰ্থন কৰা নাছিল। সেয়ে শ্ৰীশইকীয়া কিছু কঠোৰ হব লগা হৈছিল।

আল্‌ফা পণবন্দী কৰা, হত্যা কৰা আদি কাৰ্য সমৰ্থনযোগ্য নহলেও কব লাগিব – আল্‌ফাই নিজস্ব স্থিতিৰ পৰা সহজে আঁতৰি অহা টান। মুখ্য মন্ত্ৰীয়ে আহ্বান দিলেও আগগুৰি নোহোৱা আলোচনাত হয়তো বহিবগৈ নোৱাৰে। 'সাৰ্বভৌম স্বাধীন অসম' আল্‌ফাৰ প্ৰধান দাবী। ইয়াৰ বিপৰীতে প্ৰস্তাৱিত আলোচনাৰ ধৰণ সম্পৰ্কে চৰকাৰৰ তৰফৰ পৰা নিৰ্দিষ্ট প্ৰস্তাব উত্থাপন কৰা নাই। আল্‌ফাক আলোচনাৰ মেজলৈ আকৰ্ষণ কৰিবলৈ এনে প্ৰস্তাৱ বাঞ্ছনীয়। আল্‌ফাই ভাৰতীয় সংবিধান অস্বীকাৰ কৰিব লগা হোৱা পৰিস্থিতি সম্পৰ্কে অবগত হোৱাটোও চৰকাৰৰ দায়িত্ব। সেয়ে এক নিৰ্দিষ্ট প্ৰস্তাৱৰ ভিত্তিত আলোচনা হোৱাটো অসমৰ ৰাইজৰ বাবে মংগলজনক। ৰাষ্ট্ৰখন খণ্ড-বিখণ্ড নোহোৱাকৈ ৰাখিবলৈ হলে জাতি সত্তা সমূহে স্ব-বিকাশৰ অধিকাৰ পাব লাগিব যিটো এইখন সংবিধানে পূৰ্ণৰূপত দিয়া নাই। সেইবাবে সংবিধান পৰিবৰ্তন কৰাৰ প্ৰয়োজনীয়তা আহিব। এই কথাৰ ইংগিত চৰকাৰৰ প্ৰস্তাৱত থাকিলেও হয়তো আল্‌ফাৰ লগত আলোচনাৰ পথ মুকলি হ'ব পাৰে।

সংবিধান পৰিবৰ্তনৰ কথা কেইবাজনো শীৰ্ষস্থানীয় নেতাৰ মুখতো উচ্চাৰিত হৈছে। উৰিষ্যাৰ মুখ্য মন্ত্ৰী বিজু পট্টনায়কে নিৰ্বাচনৰ আগমুহূৰ্তত এই কথা কৈছিল। জাতিসত্তা সমূহৰ স্ব-অধিকাৰৰ দাবীক আইন-শৃংখলাৰ বিষয় বুলি ভ্ৰান্ত ধাৰণা কৰি দমন কৰিবলৈ যোৱাৰ ফলতে কেউফালে সন্ত্ৰাসবাদে গা কৰি উঠিছে। কিন্তু ৰাষ্ট্ৰৰ ঐক্যৰ স্বাৰ্থতে জাতি সত্তা সমূহৰ অধিকাৰক সমীহ কৰিব লাগিব।

অসমৰ মুখ্য মন্ত্ৰী হিচাপে, শাসক কংগ্ৰেছ দলৰ এজন অভিজ্ঞ প্ৰবীণ নেতা হিচাপে শ্ৰীহিতেশ্বৰ শইকীয়াৰ দায়িত্ব এই ক্ষেত্ৰত কম নহয়। কিন্তু তেখেতে ৰাজ্যখনৰ ভৱিষ্যতৰ কথাতকৈ নিজৰ বৰ্তমানৰ কথাতহে অধিক গুৰুত্ব দিছে যেন অনুভৱ হয়। ৰাজ্যখনত উৎপাদন নিচেই সীমিত পৰ্যায়ত। পাইকাৰী বজাৰখনৰ চাবি-কাঠি পৰ্যায়ক্ৰমে ৰাজ্যৰ বাহিৰলৈ যোৱাত বিপনি অৰ্থনীতি প্ৰায় বিধ্বস্ত অৱস্থাত। উৎপাদিত মূলধন বাহিৰলৈ ওলাই যাব লাগিছে। আনহাতে নিজৰ বা দলৰ. ভাবমূৰ্তি উজ্বলাবলৈ উৎপাদনৰ লগত সম্পৰ্ক নথকা বৃহৎ সংখ্যক চাকৰি সৃষ্টি কৰি ব্যয় বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে। চাকৰিৰ প্ৰয়োজনীয়তাতকৈ ৰাজনৈতিক প্ৰয়োজনীয়তাহে অধিক যেন দেখা গৈছে। অদূৰ ভৱিষ্যতেই এনে নিয়োগ ব্যৱস্থা ৰাজ্যৰ বোজা স্বৰূপ হৈ উঠিবগৈ। কেন্দ্ৰত নিজ দলৰ চৰকাৰ আছে বুলিয়েই হয়তো আপাততঃ চলাই নিব পাৰিব। কিন্তু ধাৰৰ বোজা দিনক দিনে বাঢ়িব। উৎপাদনৰ থলি সম্প্ৰসাৰণত গুৰুত্ব দিয়া অলপো পৰিলক্ষিত হোৱা নাই। সমৰ্থকৰ সংখ্যা বঢ়াবলৈ ভূমি বিতৰণৰ যি আঁচনি গ্ৰহণ কৰিব খোজা হৈছে, সেয়া নিতান্তই আত্মঘাতীমূলক। এই আঁচনি কাৰ্যকৰী হলে সংঘৰ্ষৰ নতুন পথহে মুকলি হোৱাৰ সম্ভাৱনা আছে।

বৰ্তমানৰ আৰ্থ-ৰাজনৈতিক পৰিবেশত জোৰা-তাপলি মাৰি চলাই নিয়াৰ পৰিবৰ্তে শ্ৰীশইকীয়াৰ দৰে এজন মুখ্য মন্ত্ৰীৰ পৰা বাস্তৱমুখী দৃষ্টিভংগীহে আশা কৰা হৈছিল। অন্ততঃ এই কথা হৃদয়ংগম কৰক যে আল্‌ফা নিজেই এক সমস্যা নহয়। অসমৰ পুঞ্জীভূত সমস্যাৰাজিৰহে সৃষ্টি। আল্‌ফা নিঃশেষ হৈছে বুলি আশ্বস্ত হলেও অসমৰ সমস্যাৰাজি কিন্তু জীয়াই থাকিব। ই আকৌ নতুন সন্তানৰ জন্ম দিব।

অসমৰ মানুহে আজি সৰ্বান্তঃকৰণে কামনা কৰিছে এক নিৰ্দিষ্ট প্ৰস্তাৱৰ ভিত্তিত আলোচনা হওক! অন্ততঃ প্ৰক্ৰিয়াটোৰ সঁচাৰ কাঠি খোল খাওক! ■






# অসমঃ বৰ্তমান আৰু ভৱিষ্যত ৩

সুজিৎ চৌধুৰী

নিজৰ সুকীয়া ভূ-খণ্ডত নিজৰ ভাষা আৰু সংস্কৃতিৰ অবাধ চৰ্চাৰ যোগেদি জাতিৰ সাংস্কৃতিক পৰিচয়ক এটা নিৰ্দিষ্ট ৰূপত গঢ়ি তোলাৰ যি আকাংক্ষা অসমীয়া সকলে শতাব্দীতকৈও অধিককাল ধৰি মনৰ মাজত লালন কৰি আহিছিল, ভূগোল আৰু বুৰঞ্জীৰ যৌথ ষড়যন্ত্ৰই সেই আকাংক্ষা চৰিতাৰ্থ কৰাৰ পথত বিস্তৰ বাধাৰ সৃষ্টি কৰিছিল। বোধহয় সেই কাৰণেই অসমীয়া জাতীয়তাবাদৰ বাহ্যিক প্ৰকাশত স্পৰ্শকাতৰতা আৰু আবেগ প্ৰৱণতাৰ মাত্ৰা অলপ বেছি যেন দেখা যায়। অসম জাতীয় মহাসভা আৰু কোনো কোনো সময়ত অসম সাহিত্য সভাৰ বক্তব্য আৰু কাৰ্যসূচীত এই বাস্তৱ পৰিস্থিতিৰ পৰা উদ্ভৱ হোৱা প্ৰতিক্ৰিয়াৰ প্ৰতিফলন দেখা যায়।

গোপীনাথ বৰদলৈৰ নেতৃত্বাধীন অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে জনপ্ৰিয়তা অৰ্জনৰ কাৰণে অসমীয়া সকলৰ জাতীয় আশা-আকাংক্ষা আৰু তাৰ লগত জড়িত আবেগ অনুভূতিকেই অৱলম্বন কৰিব লগা হৈছিল। তাকে নকৰা হলে অসমীয়া সমাজৰ অগ্ৰণী অংশটোৰ সমৰ্থনৰ পৰা কংগ্ৰেছ বঞ্চিত হ'লহেঁতেন। এই আকাংক্ষা পূৰণৰ কাৰণে সৰ্বপ্ৰথমে কৰিব লগা কাম কোনটো তাকো সেই কাৰণে ১৯৪৫-৪৬ চনৰ নিৰ্বাচনৰ আগে আগে কংগ্ৰেছে নিৰ্ণয় কৰিব লগা হৈছিল। নিৰ্বাচনী ইস্তাহাৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ঘোষণা কৰিছিলঃ

Unless the province of Assam be organised on the basis of the Assamese language and culture, the survival of the Assamese nationality and culture will become impossible. The inclusion of Bengali speaking, Sylet and Cachar (Plains portion) and the immigration or importation of lacs of Bengali settlers on wastelands has been threatening to destroy the distinctiveness of Assam. (অমলেন্দু গুহ, From Planters,- Raj to Swaraj, পৃঃ ৩০২-৩)

প্ৰদেশ কংগ্ৰেছ কমিটিৰ এই নিৰ্বাচনী প্ৰতিশ্ৰুতি আচলতে অসম জাতীয় মহাসভাৰ ১৯৪১ চনৰ ৭ আৰু ৮ ডিচেম্বৰত অনুষ্ঠিত অধিবেশনৰ ষষ্ঠ প্ৰস্তাবৰ অবিকল প্ৰতিধ্বনি মাত্ৰ। সেই প্ৰস্তাবত কোৱা হৈছিলঃ 'শ্ৰীহট্ট বাদ আৰু ইমিগ্ৰেছন বন্ধ নহয় মানে অসমীয়াৰ জাতীয় অস্তিত্ব নিৰাপদ নহয় বুলি অসম জাতীয় মহাসভাই অন্তৰেৰে বিশ্বাস কৰে আৰু এই দুটা কাম নহয় মানে আন্দোলন ক্ৰমে ক্ৰমে প্ৰবল কৰি চলাবলৈ সভাই স্থিৰ কৰে।' *(তিনিদিনীয়া অসমীয়া ২৩ ডিচেম্বৰ ১৯৪১)*

অসমীয়া জাতি সত্তাৰ বিকাশৰ প্ৰশ্নত যি দুটা লক্ষ্য অতি জৰুৰী বুলি বিবেচিত হৈছিল, তাৰে এটা সম্পূৰ্ণভাবে পূৰণ হৈ গ'ল ১৯৪৭ চনত যেতিয়া গণভোটৰ ফলত চিলেট পাকিস্তানৰ অন্তৰ্ভূক্ত হ'ল। প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰত অৱশ্যে কাছাৰ জিলাকো অসমৰ পৰা বিচ্ছিন্ন কৰাৰ কথা আছিল। কিন্তু ইয়াৰ পিছত সেই কথা সম্পূৰ্ণ তল পৰিল। কেৱল সেয়ে নহয়, স্বাধীনতা লাভৰ ঠিক পিছতেই কাছাৰৰ মধ্যবিত্ত নেতৃত্বই যেতিয়া পূৰ্বাচল প্ৰদেশ গঠনৰ দাবী তুলি কাছাৰক অসমৰ পৰা বিচ্ছিন্ন কৰাৰ দাবী তুলিছিল, তেতিয়া অসম প্ৰদেশ কংগ্ৰেছে তাৰ তীব্ৰ বিৰোধিতা কৰিছিল।

ইয়াৰ মাজত অসমীয়া অভীপ্সাৰ আন এটা দিশো প্ৰচ্ছন্ন হৈ আছে। উল্লেখ কৰিব পাৰি যে গোৱালপাৰা জিলাৰ পঞ্চাশ শতাংশতকৈও বেছি অধিবাসীয়ে ১৯৩১ চনৰ লোকপিয়লত নিজকে বাঙালী হিচাপে পৰিচয় দিছিল। তথাপিও কিন্তু এই জিলাখনক শ্ৰীহট্ট-কাছাৰৰ নিচিনাকৈ অসমীয়া অস্তিত্বৰ কাৰণে বিপজ্জনক বুলি অসমীয়া সকলে কেতিয়াও ভবা নাই। তাৰ কাৰণ হ'ল এই যে এই জিলাখনৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত এক অবিচ্ছিন্ন ধাৰাবাহিক সম্পৰ্ক আছে, আৰু সেই কাৰণে এই জিলাখন অসমীয়াকৰণ সম্ভৱ বুলি বিবেচিত হৈছিল। অসমৰ পাৰ্বত্য জিলা সমূহৰ ক্ষেত্ৰতো অসমীয়া সকলৰ একেই মনোভাব দেখা গৈছিল। অসম জাতীয় মহাসভাৰ ওপৰত উল্লেখ কৰা অধিবেশনৰ অষ্টম প্ৰস্তাৱত কোৱা হৈছিলঃ 'নাগা হিলচ্‌, মিকিৰ হিলচ্‌, গাৰোহিলচ্‌ আদিত প্ৰাথমিক শিক্ষাত ৰোমান আখৰ চলাবলৈ মিছনাৰী সকলে যি চেষ্টা কৰিছে তাক অসমীয়া জাতীয় স্বাৰ্থৰ ঘোৰ বিৰুদ্ধে বুলি এই সভাই ঘোষণা কৰে।' ইয়াৰ অৰ্থ হ'ল এয়ে যে পাহাৰী জাতি সমূহৰ মাজত অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিস্তাৰকো সেই সময়ত অসমীয়া জাতি সত্তাৰ বিকাশ-প্ৰক্ৰিয়াৰ অংগ বুলি ধৰি লোৱা হৈছিল। কাছাৰৰ ভৈয়াম অঞ্চল আৰু শ্ৰীহট্ট একেই সাংস্কৃতিক পৰিমণ্ডলৰ অন্তৰ্গত, আৰু সামগ্ৰিকভাবে এই অঞ্চলৰ অসমীয়াকৰণ অসম্ভৱ আছিল। কিন্তু শ্ৰীহট্টৰ লগত বিশেষ সংশ্ৰৱ নথকা কাছাৰৰ ভৈয়াম অঞ্চল সুকীয়াভাবে সিমান সংস্কৃতি-সচেতন নহয় আৰু সেই জিলাৰো অসমীয়াকৰণ সম্ভৱ এনেকুৱা কথাও ভবা হৈছিল। তেনেহলে দেখা গৈছে যে এই পৰ্যায়টোত যিসকল লোকে অসমীয়া জাতি সত্তা আৰু সংস্কৃতিৰ ভৱিষ্যত সম্পৰ্কে চিন্তা-ভাবনা কৰিছিল, তেওঁলোকে কেৱল সংৰক্ষণৰ কথাই ভবা নাছিল; সম্প্ৰসাৰণৰ চিন্তাও তেওঁলোকৰ মনত আছিল। এই চিন্তাৰ মাজত কোনো স্ব-বিৰোধিতা নাছিল, কাৰণ সংখ্যাৰ প্ৰশ্নত আশংকাবোধ কৰাৰ কাৰণো সেই সময়ত বিদ্যমান আছিল। ১৯৩১ চনৰ লোকপিয়লত ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষী লোকৰ সংখ্যা হৈছিল মাত্ৰ ১৯,৭৮,৮২৩ জন। বিশ লক্ষতকৈও কম মানুহ এটা জাতিসত্তাৰ স্থায়ী ভৱিষ্যতৰ কাৰণে যথেষ্ট বুলি কেতিয়াও বিবেচিত হ'ব নোৱাৰে – বিশেষকৈ যেতিয়া সংখ্যাৰ বলেৰে বিশেষ বলীয়ান প্ৰতিবেশী বংগভাষীগোষ্ঠী মানুহৰ প্ৰব্ৰজনে আগৰে পৰাই অসমীয়া সকলৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি কৰি আহিছিল।

সি যি কি নহওক, শ্ৰীহট্ট-পাকিস্তানৰ অন্তৰ্ভূক্ত হোৱাৰ ফলত জাতিসত্তাৰ প্ৰশ্নত অসমীয়া সকলৰ মনত নতুন আশাবাদৰ সঞ্চাৰ হ'ল। তাৰ প্ৰমাণ পোৱা গ'ল দেশ স্বাধীন হোৱাৰ পিছত ১৯৪৭ চনৰ ৫ নবেম্বৰত অসম বিধান সভাৰ যি অধিবেশন

বহিছিল তাত মন্ত্ৰীসভাৰ হৈ ৰাজ্যপালে দিয়া উদ্বোধনী ভাষণৰ পৰাঃ

The natives of Assam are now masters of their own house. They have a Government which is both responsible and responsive to them. They can take what steps are necessary for the encouragement and propagation of Assamese language and culture and of the languages and customs of the tribal peoples, who are their fellow citizens and who also must have a share in the formation of such politics. The Bengalee has no longer the power, even he had the will, to impose anything on the peoples of these Hills and Valleys which constitute Assam. The basis of such feelings against him as exist is fear, but there is no cause for fear. I, would, therefore, appeal to you to exert all the influence you possess to give the stranger in our midst a fair deal, provided, of course, he his turn deals loyally with us.'

বৰদলৈ মন্ত্ৰীসভাৰ তৰফৰ পৰা দিয়া এই ভাষণৰ শব্দচয়ন কংগ্ৰেছৰ সৰ্বভাৰতীয় ভাবাদৰ্শৰ লগত সম্পূৰ্ণ খাপখোৱা বিধৰ নাছিল। কিন্তু জাতিসত্তাৰ প্ৰশ্নত আৱেগত উদ্বেলিত হৈ থকা অসমীয়া সকলক আশ্বস্ত কৰিবৰ কাৰণে এই ধৰণৰ ভাষণৰ প্ৰয়োজন আছিল। ইমানৰ পিছতো কিন্তু গোপীনাথ বৰদলৈয়ে বিধান সভাৰ সেই অধিৱেশনতেই অসমৰ একভাষী চৰিত্ৰৰ কথা আৰু জোৰ দি ঘোষণা কৰিবলগীয়া হৈছিলঃ It is not the intention of the Government to make Assam a bi-lingual State ...... for the homogeneity of the province, they ( i.e. non-Assamese) should adopt the Assamese language (Assam Assembly Proceedings. 1948, P. 511)

একভাষী অসম প্ৰদেশ গঠন কৰিবলগীয়া হলে তেনে এখন প্ৰদেশত অনাঅসমীয়া অঞ্চলবোৰৰ অৱস্থান কি হ'ব সেই কথা কি তেতিয়া বিবেচনা কৰি চোৱা নহৈছিল? কৰা যে হৈছিল তাৰ ইংগিত গোপীনাথ বৰদলৈৰ বক্তৃতাৰ মাজতেই আছে। সেই ইংগিতকেই আৰু বেছি পৰিষ্কাৰ কৰি ব্যাখ্যা দাঙি ধৰিলে কংগ্ৰেছ বিধায়িনী দলৰ প্ৰবীণ সদস্য নীলমণি ফুকনেঃ

All the languages of different communities and their culture will be absorbed in Assamese culture. I speak with rather authority in this matter regarding the mind of our people.... the state cannot nowish any other language in this province.... when all state affairs will be conducted in Assamese, it will stand in good stead for the Hill people to transact their business in Assamese with their Assamese brother.

(Assembly Proceedings. 1948 pp. 581-82)

উল্লেখ কৰিব পাৰি যে পাৰ্বত্য অঞ্চলৰ অধিবাসী সকলৰ দায়িত্ব যিভাবে পোনপটীয়াকৈ নিৰূপণ কৰি দিয়া হৈছিল, কাছাৰৰ ক্ষেত্ৰত কিন্তু সেইটো কৰা হোৱা নাছিল। তাৰ কাৰণ হ'ল এই যে কাছাৰক চিধাচিধিকৈ বংগভাষী বুলি কোৱা হবনে নহয় সেই প্ৰশ্নত অসম চৰকাৰ তেতিয়াও দ্বিধাগ্ৰস্ত হৈ আছিল। ১৯৫০ চনৰ চৰকাৰী নিৰ্দেশত স্থানীয় অধিবাসীৰ (Indigenous person) যি সংজ্ঞা নিৰূপণ কৰা হৈছিল তাতেই এই দ্বিধাৰ স্বৰূপটো খুব ভালকৈ ধৰা পৰিছেঃ

Indigenous persons of Assam mean persons belonging to the state of Assam as speaking the Assamese language or any tribal dialect of Assam or in the case of Cachar, the language of the region. (Assam Gazette, September 6, 1950, p. 1464).

কাছাৰৰ ভাষাগত পৰিচয় কি হ'ব সেইটো নিৰ্দিষ্ট কৰি দিয়াৰ প্ৰশ্নত অসমীয়া সকল দ্বিধাগ্ৰস্ত হৈ থকাৰ কাৰণ আছিল এয়েই যে কাছাৰৰ ভাষাগত পৰিচয়ৰ পৰিবৰ্তন ঘটোৱাটো সম্ভৱ হ'ব পাৰে বুলি তেওঁলোকে তেতিয়াও আশা কৰি আছিল। এই আশাৰ মাজত অৱশ্যে এটা বৈপৰীত্যও আছিল, কাৰণ যিটো নিৰ্বাচনত জয়লাভ কৰি কংগ্ৰেছে অসমত চৰকাৰ গঠন কৰিছিল, সেই নিৰ্বাচনৰ ইস্তাহাৰতেই ঘোষণা কৰা হৈছিল যে কাছাৰ এখন বাংলাভাষী জিলা আৰু অসমৰ লগত সেই জিলাৰ সংশ্ৰৱ থাকিলে অসমীয়া জাতি সত্তাৰ অস্তিত্ব বিপন্ন হোৱাৰ আশংকা আছে (The survival of the Assamese nationality and culture will become impossible) কিন্তু স্বাধীনতাৰ উষালগ্নত নবসঞ্চাৰিত আশাবাদে এই বৈপৰীত্যক অগ্ৰাহ্য কৰাটোকেই উচিত বুলি বিবেচনা কৰিছিল।

দেশৰ স্বাধীনতা লাভৰ সময়ত অসমীয়া ভাষা আৰু জাতি সত্তাৰ প্ৰশ্নত অসমীয়া সকলৰ মনোভাব কেনে আছিল সেই কথা অলপ বহলাই কব লগা হ'ল এই কাৰণেই যে স্বাধীনতাৰ আগৰ অসমীয়া আশা আকাংক্ষাৰ লগত স্বাধীনতাৰ পিছৰ অসমীয়া আশা-আকাংক্ষাৰ কিঞ্চিত পাৰ্থক্য ঘটি গৈছে, আৰু সেই পাৰ্থক্যই এটা সংহত ৰূপ ধাৰণ কৰে সেই ক্ৰান্তিকালীন দশকটোৰ ভিতৰতেই। স্বাধীনতাৰ আগতে অসমীয়া সমাজে নিজৰ ভাষা আৰু সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে সংগ্ৰাম কৰিব লগা হৈছিল। সেই সংগ্ৰামৰ মাজত যদি অসহিষ্ণুতাৰ কিবা লক্ষণ দেখা গৈছিল তেন্তে সি ঘাইকৈ আছিল আত্মৰক্ষামূলক আৰু তাৰ উদ্ভৱ হৈছিল আগন্তুক বিপদৰ আশংকাৰ পৰা। স্বাধীনতাৰ পিছত সেই আশংকা বহুতখিনি কমিল; কিন্তু সেই সুযোগতে সংৰক্ষণৰ লগত সম্প্ৰসাৰণৰ এটা নতুন মাত্ৰাও যোগ হ'ল। অসমীয়া সকল সংখ্যাত তাকৰ হোৱা কাৰণে সম্প্ৰসাৰণৰ এটা প্ৰয়োজন যে আছিল সেই কথা আমি ওপৰতেই উল্লেখ কৰি আহিছো। কিন্তু সেই প্ৰয়াসক ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইতিহাস নিৰ্দিষ্ট বিচৰণভূমিৰ মাজতেই আবদ্ধ ৰাখিলে বোধহয় ভাল আছিল। কিন্তু তাকে নকৰি সেই প্ৰয়াসক পৰ্বতলৈ আৰু পৰ্বত পাৰ হৈ কাছাৰ জিলালৈ বিস্তৃত কৰা হ'ল। কিন্তু ইয়াৰ ফলত যে ইতিহাস আৰু ভূগোলক একেলগে দ্বন্দ্ব যুদ্ধলৈ আহ্বান কৰি লোৱা হ'ল সেই কথা অসমীয়া সকলে বিবেচনা কৰি নাচালে। ফলত অসমীয়া সকলৰ সাংস্কৃতিক সংৰক্ষণ আৰু সাংস্কৃতিক সম্প্ৰসাৰণ কেতিয়াবা সমাৰ্থক হিচাপে আৰু কেতিয়াবা দুয়োটাই পৰস্পৰৰ পৰিপূৰক হিচাপে অনাঅসমীয়া সকলৰ মাজত প্ৰচাৰিত হবলৈ ধৰিলে। তেনে প্ৰচাৰৰ ফলত অসমীয়া সংৰক্ষণবাদ আৰু অসমীয়া সম্প্ৰসাৰণবাদৰ যৌগিক ৰূপটোৱেই অসমীয়া সকলৰ আশা-আকাংক্ষাৰ মূল স্বৰূপ বুলি সকলোৰে মনত প্ৰতীয়মান হ'ল। অসমীয়া সকলৰ আশা-আকাংক্ষাৰ এই নৱ ৰূপায়ণৰ লগত অসমৰ আজিৰ সমস্যাৰ অতি ঘনিষ্ঠ সম্পৰ্ক আছে বুলি ক'ব পাৰি। *(আগলৈ)*





# বহিৰাগতৰ সমস্যা

হোমেন বৰগোহাঞি

## (৪)

অসমলৈ বিদেশী বহিৰাগতৰ দ্বিতীয়টো প্ৰবল সোঁত বৈ আহিছে উত্তৰৰ পৰা। তেওঁলোক নেপালী। কিন্তু বাংলাদেশী বহিৰাগত সকলৰ বিষয়ে অসমত যিমান হৈ-চৈ লাগে, এই নেপালী অনুপ্ৰবেশকাৰী সকলৰ বিষয়ে সিমান নালাগে। তাৰ কাৰণ কেইবাটাও। প্ৰথমতে, বাংলাদেশী অনুপ্ৰবেশকাৰী সকল যিবোৰ বাটেদি আহি অসমত প্ৰবেশ কৰে আৰু যিবোৰ ঠাইত আশ্ৰয় লয়, সেইবোৰ বাট আৰু সেইবোৰ ঠাইত তেওঁলোক সহজেই চকুত পৰে। আনহাতে দুৰ্গম হিমালয়ৰ ক্ৰোড়বৰ্তী নেপালৰ পৰা ততোধিক দুৰ্গম অৰণ্য পথেদি অসমত প্ৰবেশ কৰি গভীৰ অৰণ্যৰ মাজত আশ্ৰয় লোৱা নেপালীসকল সহজে কাৰো চকুত নপৰে। দ্বিতীয়তে, বাংলাদেশী অনুপ্ৰবেশকাৰী সকল বাঙালী আৰু মুছলমান দুয়োটাই হোৱাৰ কাৰণে তেওঁলোকৰ পৰা থলুৱা লোকসকলে ৰাজনৈতিক আৰু সাংস্কৃতিক দুয়োটা বিপদৰে আশংকা কৰে। আনহাতে নেপালীসকল হিন্দু হোৱাৰ কাৰণে আৰু তেওঁলোকৰ সাংস্কৃতিক উচ্চাকাংক্ষা নাই বুলি ভাবি নেপালী অনুপ্ৰবেশ সম্পৰ্কে থলুৱা লোকৰ দুশ্চিন্তা অপেক্ষাকৃত কম।

কিন্তু অলপ দকৈ ভাবি চালেই বুজিব পাৰি যে বাংলাদেশী অনুপ্ৰবেশকাৰীৰ দ্বাৰা অসমৰ ভৱিষ্যত যিমান বিপদাপন্ন হব পাৰে, নেপালী অনুপ্ৰবেশকাৰীৰ দ্বাৰা আহিব পৰা বিপদ তাতোকৈ কোনো গুণেই কম নহয়। বৰং অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা চাবলৈ গলে সেই বিপদৰ মাত্ৰা কিছু বেছিহে। কাৰণ নেপালী বহিৰাগত সকলে আহি আশ্ৰয় লয় ঘাইকৈ অৰণ্য অঞ্চলত আৰু তেওঁলোকে অসমৰ অৰণ্য-সম্পদ যিভাবে ধ্বংস কৰিছে সেই ক্ষতি সহজে পূৰণ হোৱাৰ আশা নাই। যোৱা ৪ আগষ্টৰ 'দৈনিক অসমত' এনেভাবে এটা বাতৰি ওলাইছেঃ "চাৰিআলি (দৰং)ঃ ইয়াৰ পৰা উত্তৰে অৰুণাচল প্ৰদেশত অৱস্থিত বিশ্বনাথ সংৰক্ষিত বনাঞ্চলত ব্যাপক ভাবে বেদখল চলিছে আৰু বেদখলকাৰীয়ে প্ৰায়বোৰ মূল্যবান গছ গছনি কাটি তহিলং কৰিছে বুলি জানিব পৰা গৈছে।" আচলতে এনে ঘটনা যোৱা বহু বছৰ ধৰি অব্যাহত ভাবে চলিয়ে আছে। ক্ষুধা আৰু দাৰিদ্ৰ্যৰ দ্বাৰা তাড়িত হৈ হাজাৰ হাজাৰ মানুহ বাংলাদেশৰ পৰা অসমলৈ ভাগি অহাৰ দৰে নেপালৰ পূব অঞ্চল ৰুক্ষ আৰু অনুৰ্বৰ হৈ জনবসতিৰ অনুপযোগী হৈ পৰাৰ ফলত হাজাৰ হাজাৰ নেপালী বছৰৰ পিছত বছৰ ধৰি অসমলৈ ভাগি আহিছে। পূৰ্ববংগৰ পৰা আগতে আহি অসমত থলুৱা হোৱা কোনো কোনো লোকে নতুন বাংলাদেশী অনুপ্ৰবেশকাৰী সকলক আশ্ৰয় দিছে। অসম আৰু অৰুণাচলৰ সীমান্তত লক্ষীমপুৰ আৰু দৰং জিলাৰ ভিতৰত অসমৰ যিমানবোৰ সংৰক্ষিত বনাঞ্চল আছে, সেইবোৰ আচলতে 'সংৰক্ষিতও' নহয়, 'বনাঞ্চলো' নহয়। বাহিৰৰ পৰা চালে ডাঠ অৰণ্য যেন লাগে, কাৰণ মানুহৰ চকুত ধূলি দিবলৈ বনাঞ্চলৰ চাৰিসীমাৰ গছবোৰ নকটাকৈ ৰখা হৈছে। কিন্তু অৰণ্যৰ ভিতৰলৈ সোমালেই দেখিব হাজাৰ হাজাৰ একৰ মাটিৰ হাবি-বন তহিলং কৰি তাত নেপালীয়ে গাঁও পাতিছে, খেতি কৰিছে। সোৱণশিৰি সংৰক্ষিত বনাঞ্চলত এই দৃশ্য মই নিজে দেখিছো। এই সকল লোক কোনো অসম প্ৰেমী জাতীয়তাবাদীৰ চকুত নপৰে, কাৰণ এই দুৰ্গম অৰণ্যলৈ কোনো ৰাজনৈতিক নেতা নাযায়। অসমত নেপালীৰ সংখ্যা দ্ৰুত গতিৰে বাঢ়িছে সেই কথাও সহজে জনা নাযাব কাৰণ কোনো লোক-পিয়লকাৰী এই দুৰ্গম অৰণ্যলৈ নাযায়। এইসকল বেদখলকাৰী অনুপ্ৰবেশকাৰীৰ পৰা অসমে এক পইছা ৰাজহো নেপায়, কাৰণ কোনো জমাবন্দীচিঠা বহীত এওঁলোকৰ নাম নাই। অৱশ্যে এই তথাকথিত সংৰক্ষিত বনাঞ্চলবোৰ বহুতো মন্ডল কাননগোৰ ব্যক্তিগত জমিদাৰীত পৰিণত হৈছে, কাৰণ এই নেপালী বেদখলকাৰী সকলৰ অস্তিত্ব কেৱল মন্ডল কাননগো সকলেই জানে, আৰু কেৱল তেওঁলোকেই এই বেদখলকাৰী সকলৰ ওপৰত উঠিৰজা-বহিৰজা।

কেইবা লাখো নেপালী অসমত প্ৰায় শতাধিক বছৰ ধৰি বাস কৰিছে আৰু তেওঁলোক সম্পূৰ্ণ ৰূপে অসমীয়া হৈ গৈছে। ঘাইকৈ দৰং জিলাতেই এইসকল লোকৰ বসতি ঘন। এতিয়া প্ৰশ্নটো নেপালী আৰু অসমীয়াৰ হোৱা নাই, প্ৰশ্নটো হৈছে থলুৱা আৰু বহিৰাগতৰ। আজি যিসকল লোক অসমৰ থলুৱা আৰু স্থায়ী অধিবাসী বুলি পৰিগণিত হৈছে– তেওঁলোক অসমীয়া, বাঙালী, নেপালী, চাহ-মজদুৰ, ন-অসমীয়া মুছলমান– যিয়েই নহওক কিয় তেওঁলোকৰ সকলোৰে অৰ্থনৈতিক স্বাৰ্থ একেই। অসমত এতিয়া যিখিনি বাসযোগ্য আৰু কৃষিযোগ্য মাটি আছে, সেইখিনি তেওঁলোককে ভাগ যোগ কৰি খাবলৈ নাটে। তাৰ ওপৰত যদি ভাগ বহাবলৈ দিনে দিনে বহিৰাগত আহি থাকে– তেওঁলোক বাংলাদেশী হিন্দু-মুছলমানেই হওক বা নেপালৰ হিন্দুৱেই হওক– তেন্তে তাৰ ফলত প্ৰত্যেকজন থলুৱা লোকৰে কষ্ট হব, প্ৰত্যেকৰে পাতত ভাত কমকৈ পৰিব। তদুপৰি ভৱিষ্যত বংশধৰ সকলৰ চিন্তাতো আছেই। কিন্তু বেছিভাগ মানুহৰ মনতে আদিম Tribal loyalty বা গোষ্ঠী আনুগত্যৰ প্ৰবৃত্তি এতিয়াও ইমান প্ৰবল যে নিজৰ বা পো-পোৱালিৰ অহিত চিন্তা কৰি হ'লেও থলুৱা ন-অসমীয়া মুছলমানে বাংলাদেশৰ পৰা অহা অনুপ্ৰবেশকাৰীক বা থলুৱা নেপালীয়ে



DISCARD

বিদেশী নেপালী অনুপ্ৰবেশকাৰীক আশ্ৰয় দিব খোজে। অষ্ট্ৰেলিয়াত এতিয়াও এনে কিছুমান আদিম জাতি আছে যিসকলে কেনেবাকৈ যদি খবৰ পায় যে দুহাজাৰ মাইল দূৰত দুটা আদিম জাতি ফৈদৰ মাজত যুদ্ধ লাগিছে আৰু তাৰে এটাই তেওঁলোকৰ নিচিনা একে টোটাম (Totem) বা পশু-চিহ্ন ধাঁৰণ কৰে, তেন্তে সেই ফৈদৰ পক্ষত যোগ দি যুদ্ধ কৰিবলৈ তেওঁলোকে দুহাজাৰ মাইল দীৰ্ঘ পথ খোজ কাঢ়ি যায়। ইয়াত তেওঁলোকৰ কোনো স্বাৰ্থৰ প্ৰশ্ন নাই, আছে মাত্ৰ আদিম Tribal loyalty বা গোষ্ঠী আনুগত্যৰ প্ৰশ্নঃ ঠিক একে মনোভাবৰে বশবৰ্তী হৈ থলুৱা নেপালীয়ে বিদেশী নেপালীক আশ্ৰয় দিয়ে, ন-অসমীয়া মুছলমানে 'আশ্ৰয় দিয়ে বাংলাদেশী অনুপ্ৰবেশকাৰীক। তেহেলৈ লাগে তাৰ নিজৰেই ক্ষতি হওক।

সকলো শ্ৰেণীৰ বহিৰাগতৰ লগতে নেপালী বহিৰাগতৰ প্ৰশ্নটোও গুৰুত্ব সহকাৰে বিবেচিত হোৱা উচিত, অৰ্থাৎ তেওঁলোকৰ নতুন অনুপ্ৰবেশ বন্ধ কৰিবলৈ আৰু ইতিমধ্যে অহা সকলক বিচাৰি খোচাৰি উলিয়াই ঘূৰাই পঠাবলৈ ব্যৱস্থা লোৱা উচিত। বহুতো কাৰণত নেপালী অনুপ্ৰবেশ অসমৰ কাৰণে অধিক বিপজ্জনক। প্ৰথমতে, বাংলাদেশী অনুপ্ৰবেশকাৰী সকল যিমান সহজে চকুত পৰে বা তেওঁলোকৰ আগমনৰ পথ বন্ধ কৰা যিমান সহজ, নেপালী অনুপ্ৰবেশকাৰী তেনেকৈ চকুতেই নপৰে আৰু নেপাল-ভাৰত সীমান্তত তেনেকুৱা পহৰাদাৰীও নাই। দ্বিতীয়তে, নেপালী অনুপ্ৰবেশকাৰী সকলে অসমৰ সংৰক্ষিত বনাঞ্চল যিভাৱে ধ্বংস কৰিছে, আন কোনো সম্প্ৰদায়ৰ লোকেই সিমানখিনি কৰা নাই। ইয়াৰ ফলত কেৱল যে হাজাৰ হাজাৰ বিঘা খেতিৰ মাটিহে বহিৰাগত অনুপ্ৰবেশকাৰীৰ বেদখললৈ গৈছে এনে নহয়; এই লোকসকলে অসমৰ বিস্তীৰ্ণ সংৰক্ষিত বনাঞ্চল পংগপালৰ দৰে ধ্বংস কৰি ইক'লজীৰ (ecology)ভাৰসাম্যও নষ্ট কৰি পেলাইছে। সময় থাকোতেই এই বিষয়ে সতৰ্ক নহ'লে ইয়াৰ ভয়াবহ পৰিণাম ভোগ কৰিব লাগিব আমাৰ বংশধৰসকলে।

নেপালী অনুপ্ৰবেশ অব্যাহত গতিৰে চলি থাকিলে ভৱিষ্যতে তাৰ ফলত সাংস্কৃতিক সংঘৰ্ষৰো সৃষ্টি হব পাৰে। থলুৱা অসমীয়া সকলে ভাবি আছে যে একমাত্ৰ বাঙালীসকলেই অতিমাত্ৰাই ভাষা-সচেতন জাতি, সংখ্যাৰ খেলাত ভৱিষ্যতে অসমীয়া ভাষাৰ বিপদ একমাত্ৰ বাংলা ভাষাৰ পৰাই আহিব পাৰে। কিন্তু এই বিষয়ে সচেতন হোৱা দৰকাৰ যে নেপালী সকলো অতিমাত্ৰাই ভাষা সচেতন জাতি। নেপালী ভাষাৰ কাৰণে সাংবিধানিক মৰ্যাদা আদায় কৰিবলৈ তেওঁলোকে নেৰানেপেৰাকৈ চেষ্টা কৰি আছে। (তেওঁলোকৰ দাবীৰ বিৰুদ্ধে আমাৰ কোনো আপত্তি নাই) সংখ্যাৰ হিচাপত বাঙালীসকলৰ পিছতেই তেওঁলোক অসমত তৃতীয় বৃহত্তম ভাষিক গোট হব। এনে স্থলত যদি এখন বিদেশী ৰাষ্ট্ৰ নেপালৰ পৰা অবাধে অসমলৈ নেপালী অনুপ্ৰবেশকাৰীৰ সোঁত বৈ থাকে, আৰু বছৰ দিয়েকৰ পিছত যদি ন-পুৰণি সকলো নেপালীয়ে নিজকে নেপালী-ভাষী বুলি পৰিচয় দি দাৰ্জিলিঙত বিচৰাৰ নিচিনাকৈ অসমতো নেপালী ভাষাৰ সুকীয়া মৰ্যাদা আৰু অধিকাৰ বিচাৰে তেন্তে অসমৰ জটিল পৰিস্থিতি জটিলতৰ কৰি তুলিবলৈ আৰু এটা নতুন উপাদান যোগ হব। এই ক্ষেত্ৰত ভাৰতীয় নাগৰিক বাঙালীসকল আৰু স্বাধীন সাৰ্বভৌম বিদেশী ৰাষ্ট্ৰৰ পৰা অহা অনুপ্ৰবেশকাৰী সকলক একে শাৰীতে পেলাব নোৱাৰি। অতীতত অহা কেইবালাখো নেপালী হাড়ে হিমজুৱে অসমীয়া হৈ গৈছিল। মজলীয়া স্কুলত মই নিজে শুধ্ আৰু সুৱদী অসমীয়া শিকিছিলো শ্ৰীযুত চন্দ্ৰলাল জৈশী নামৰ এজন অসমীয়া-নেপালী শিক্ষকৰ পদ প্ৰান্তত। তেখেত বিহালী অঞ্চলৰ লোক, এতিয়াও জীৱিত আছে, মই নিজে অৱশ্যে যোৱা ৩৫ বছৰ কাল তেখেতক দেখা নাই। কিন্তু তেখেতে শিকোৱা অসমীয়া এতিয়াও মোৰ প্ৰধান মূলধন। কিন্তু যি স্বাভাৱিক প্ৰক্ৰিয়াত এইসকল লোক এদিন অসমীয়া সমাজৰ লগত সম্পূৰ্ণ ৰূপে একাত্ম হৈ গৈছিল, এতিয়া নানা জটিল ৰাজনীতিৰ পাকচক্ৰই সেই প্ৰক্ৰিয়াত আউল লগোৱাৰ উপক্ৰম কৰিছে। নেপালী সকলক অসমতো এটা সুকীয়া ভাষিক গোট ৰূপে থিয় কৰাবলৈ নতুনকৈ চেষ্টা চলিছে। এনে অৱস্থাত নেপালী অনুপ্ৰবেশকাৰীৰ সোঁত অবিৰাম ভাবে বৈ থাকিলে সি অসমৰ অৰ্থনৈতিক পৰিস্থিতি জটিল কৰি তোলাৰ লগে লগে কালক্ৰমত সাংস্কৃতিক সংঘৰ্ষতো নতুন ইন্ধন যোগাব। অতএব, বাংলাদেশ আৰু নেপাল এই দুয়োখন বিদেশী ৰাষ্ট্ৰৰ পৰা হোৱা অনুপ্ৰবেশৰ প্ৰতি সমান পৰিমাণৰ কঠোৰ মনোভাব লোৱাৰ প্ৰয়োজন আছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে বাংলাদেশী অনুপ্ৰবেশৰ প্ৰতি অসমৰ জনমত যিমান সজাগ আৰু স্পৰ্শকাতৰ, নেপালী অনুপ্ৰবেশৰ প্ৰতি সি ঠিক সিমানখিনি নহয়। কিয়?

## (৫)

অসমৰ ভৱিষ্যত বিপদাপন্ন কৰি তোলা দ্বিতীয় শ্ৰেণীৰ বহিৰাগত নেপাল আৰু বাংলাদেশৰ নিচিনা কোনো বিদেশী ৰাষ্ট্ৰৰ নাগৰিক নহয়। তেওঁলোক ভাৰতৰেই নাগৰিক। কিন্তু অৱস্থা বৈগুণ্যত পৰি এইসকল লোকো আজি অসমৰ কাৰণে আতংকৰ কাৰণ হৈ পৰিছে। প্ৰকৃত পক্ষে ভাৰতীয় বহিৰাগত সকলে সৃষ্টি কৰিব পৰা বিপদৰ মাত্ৰা অধিক, কাৰণ অন্ততঃ তত্ত্বগত ভাবে বিদেশী বহিৰাগত সকলক বহিষ্কাৰ কৰিব পাৰি, কিন্তু ভাৰতীয় সকলক নোৱাৰি। গোঁজেই গছ হৈ তেওঁলোকে এদিন থলুৱা মানুহক গ্ৰাস কৰি পেলাব।

এই বিষয়ে অধিক আলোচনালৈ যোৱাৰ আগতে এটা মৌলিক প্ৰশ্নৰ সমাধান কৰি লোৱা উচিত হব। 'বহিৰাগত'ৰ সংজ্ঞা কি? মুখ্য মন্ত্ৰী গোলাপ বৰবৰাই বোলে অলপতে লামডিঙৰ এখন ৰাজহুৱা সভাত এই অভিমত প্ৰকাশ কৰিছে যে যিসকল লোকে বাহিৰৰ পৰা আহি অসমত স্থায়ীভাবে বসতি কৰিছে, তেওঁলোকেই থলুৱা লোক। এই সংজ্ঞা অনুসৰি পৰ্যটক, তীৰ্থযাত্ৰী আৰু ভ্ৰাম্যমান ব্যৱসায়ীৰ বাহিৰে আন কোনো মানুহেই বহিৰাগত বুলি পৰিগণিত নহব; ঘৰ এটা ভাড়া কৰি বা আনৰ আশ্ৰয়ত কেই বছৰমান অসমত থাকিলেই প্ৰত্যেকেই থলুৱা লোক হৈ যাব। আৰু যিহেতু ভাৰতীয় নাগৰিকৰ কাৰণে দেশৰ যি কোনো অঞ্চলতে (দুখনমান ৰাজ্য বাদ দি) মাটিবাৰী কিনা বা বসবাস কৰাৰ আইনগত কোনো বাধা নাই, গতিকে ১৯৯০ বা ২০২৫ চনতো যদি ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা হাজাৰ হাজাৰ মানুহ আহি অসমত স্থায়ী ভাবে বাস কৰিবলৈ লয়, তেন্তে তেওঁলোক আৰু বহিৰাগত হৈ নাথাকিব; মুখ্য মন্ত্ৰী বৰবৰাৰ সংজ্ঞা অনুসৰি তেওঁলোক থলুৱা হৈ পৰিব।

স্পষ্টতঃ 'থলুৱা'ৰ এনে সংজ্ঞা কোনোপধ্যেই গ্ৰহণীয় হব নোৱাৰে। সেয়ে হবলৈ হলে বহিৰাগতৰ সমস্যাক লৈ ইমান হৈ-চৈ কৰাৰেই কোনো প্ৰয়োজন নাই।

যিসকল মাৰোৱাৰী ব্যৱসায়ীয়ে অসমত শতাধিক বছৰ ধৰি ব্যৱসায় কৰিছে আৰু মাটি-বাৰী ঘৰ-দুৱাৰ কৰি স্থায়ী ভাবে বসবাস কৰিছে, তেওঁলোক থলুৱা নে বহিৰাগত? পূৰ্ববংগৰ পৰা অহা যিসকল শৰণাৰ্থীক চৰকাৰী নীতি আৰু সিদ্ধান্ত অনুসৰি





১৯৭০ চনলৈকে অসমৰ মাটিত সংস্থাপিত কৰা হৈছে, তেওঁলোক থলুৱা নে বহিৰাগত? কেৰালা বা মহাৰাষ্ট্ৰৰ যিজন ভদ্ৰলোকে ১৯৬৮ চনত গুৱাহাটীত মাটি কিনি স্থায়ী ভাবে বাস কৰিবলৈ আৰম্ভ কৰিছে, তেওঁ থলুৱা নে বহিৰাগত? যিসকল বিহাৰী ভাইয়ে যোৱা বিশ বছৰ ধৰি অসমৰ নগৰ-চহৰত ৰিক্সা চলাইছে, তেওঁলোক থলুৱা নে বহিৰাগত?

বহিৰাগতৰ সংজ্ঞা নিৰূপণ কৰাৰ এটা নীতি এই হব পাৰে যে যিসকল লোকে জীৱিকা নিৰ্বাহ বা অৰ্থোপাৰ্জনৰ কাৰণে অসমলৈ আহি ইয়াত স্থায়ী বা আধা স্থায়ী ভাবে বাস কৰিলেও ইয়াত উপাৰ্জন কৰা ধন অসমৰ বাহিৰলৈ পঠায়, তেওঁলোকক কোনোপধ্যেই থলুৱা বুলি গ্ৰহণ কৰিব নোৱাৰি। ঔপনিবেশিক অৰ্থনীতিৰ সূত্ৰ অনুসৰি তেওঁলোকেই প্ৰকৃত অৰ্থত বহিৰাগত। অসমত পঞ্চাশ বা এশ বছৰ বাস কৰিলেও কোনোবাই তেওঁৰ সমস্ত উপাৰ্জিত ধন ৰাজস্থান, গুজৰাট বা পাঞ্জাৱলৈ পঠাই থাকিব পাৰে; অসমত উপাৰ্জিত ধনেৰে ফৰিদাবাদত ন ন উদ্যোগ বা ৰাজস্থানৰ কোনোবা গাঁৱত মন্দিৰ বা স্কুল-কলেজ প্ৰতিষ্ঠিত হব পাৰে; এনে স্থলত এইসকল লোক অসমত এশ বছৰ বাস কৰিলে বুলিয়েই তেওঁলোক কেতিয়াও থলুৱা বুলি গণ্য হব নোৱাৰে। প্ৰকৃত অৰ্থতেই তেওঁলোক পমুৱা, প্ৰবাসী, উপনিবেশকাৰী।

যি কোনো যুক্তিপূৰ্ণ আলোচনাৰ প্ৰথম আৰু প্ৰধান পূৰ্বচৰ্ত হৈছে এই যে সৰ্বপ্ৰথমে আলোচ্য বিষয়বোৰৰ সংজ্ঞা নিৰূপণ কৰি লব লাগিব। First define your premise.। বিদেশী ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ পৰা অহা সকলো লোকেই সম্পূৰ্ণ আৰু সমগ্ৰ অৰ্থত বহিৰাগত। অথচ তাৰ ভিতৰতে বাংলাদেশৰ (আগৰ পূৰ্ব-পাকিস্তানৰ) পৰা অহা হিন্দুসকলক শৰণাৰ্থী বুলি ইয়াত আশ্ৰয় দিয়া হ'ল, মুছলমানসকলক বিতাড়ন কৰা হ'ল অনুপ্ৰবেশকাৰী বুলি। নেপালৰ পৰা অহা লোকসকলোকতো এতিয়ালৈকে বহিৰাগত বা অনুপ্ৰবেশকাৰী একো আখ্যা দিয়া হোৱা নাই। ইয়াৰ অৰ্থ হ'ল ইয়েই যে অন্যান্য সকলো অভিধাৰ দৰেই বহিৰাগতৰো কোনো পৰম সংজ্ঞা নাই, সময় আৰু অৱস্থা ভেদে ইয়াৰ অৰ্থ আপেক্ষিক। ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অহা কেইবালাখো লোকে বহু বছৰ ধৰি অসমত অৰ্ধস্থায়ী হৈ বসবাস কৰি আছে, অৰ্থাৎ তেওঁলোকে নিজ নিজ ৰাজ্যত এখন আৰু অসমত এখন– এই দুখন ঘৰ চলাই আছে। মাৰোৱাৰী, গুজৰাটী, পাঞ্জাৱীকে ধৰি সমগ্ৰ উত্তৰ ভাৰতীয় বণিয়া আৰু কাৰিগৰ শ্ৰেণীৰ লোকসকল এই শ্ৰেণীত পৰে। থলুৱা অসমীয়া সকলে এই সকল লোকক মনে প্ৰাণে আপোন বুলি গ্ৰহণ নকৰিলেও তেওঁলোকৰ বিৰুদ্ধে উগ্ৰ বৈৰিতাৰ মনোভাবো কেতিয়াও প্ৰকাশ কৰা নাই; (১৯৬৮ চনৰ ২৬ জানুৱাৰীৰ ৰহস্যময় ঘটনাটো একমাত্ৰ ব্যতিক্ৰম)। আনহাতে পশ্চিমবংগ বা বাংলাদেশৰ পৰা অহা বাঙালীৰ কথা দূৰতেই থাওক, অসমৰেই এখন জিলা কাছাৰৰ বাঙালীসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ বেছিভাগ মানুহৰ চকুত 'বহিৰাগত'। ভৌগোলিক মানচিত্ৰত কাছাৰো অসমৰেই অংশ বিশেষ হ'লেও ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া সকলৰ মানসিক মানচিত্ৰত কাছাৰৰ কোনো অস্তিত্ব নাই। কাছাৰবাসীৰ মানসিক মানচিত্ৰত অসমীয়া অধ্যুষিত ব্ৰহ্মপুত্ৰ উপত্যকাৰ অস্তিত্বৰ বিষয়েই হয়তো সেই একে কথাই ক'ব পাৰি। কিন্তু এইবোৰ সূক্ষ্ম মনস্তত্ত্ব বা অনুভূতিৰ ওপৰত ভিত্তি কৰি বহিৰাগতৰ সংজ্ঞা নিৰূপণ কৰিব নোৱাৰি; তাত কেতবোৰ কাৰ্যকৰ আৰু আইনসম্মত বাস্তৱ ভিত্তি থাকিবই লাগিব। লগতে এই কথাও মানি লব লাগিব যে বহিৰাগত সংজ্ঞা নিৰূপণ নকৰাকৈ, অৰ্থাৎ কোনবোৰ লোকক বহিৰাগত বুলি অভিহিত কৰা হব সেই কথা দ্ব্যৰ্থহীনভাবে ঠিৰাং নকৰাকৈ এই সমস্যাৰ সমাধানৰ কথা ভাবিব নোৱাৰি।

বহিৰাগতৰ সংজ্ঞা নিৰূপণ কৰাৰ এটা নীতি এই হব পাৰে যে যিসকল লোকে জীৱিকা নিৰ্বাহ বা অৰ্থোপাৰ্জনৰ কাৰণে অসমলৈ আহি ইয়াত স্থায়ী বা আধা স্থায়ী ভাবে বাস কৰিলেও ইয়াত উপাৰ্জন কৰা ধন অসমৰ বাহিৰলৈ পঠায়, তেওঁলোকক কোনোপধ্যেই থলুৱা বুলি গ্ৰহণ কৰিব নোৱাৰি। ঔপনিবেশিক অৰ্থনীতিৰ সূত্ৰ অনুসৰি তেওঁলোকেই প্ৰকৃত অৰ্থত বহিৰাগত। অসমত পঞ্চাশ বা এশ বছৰ বাস কৰিলেও কোনোবাই তেওঁৰ সমস্ত উপাৰ্জিত ধন ৰাজস্থান, গুজৰাট ৱা পাঞ্জাৱলৈ পঠাই থাকিব পাৰে; অসমত উপাৰ্জিত ধনেৰে ফৰিদাবাদত ন ন উদ্যোগ বা ৰাজস্থানৰ কোনোবা গাঁৱত মন্দিৰ বা স্কুল-কলেজ প্ৰতিষ্ঠিত হব পাৰে; এনে স্থলত এইসকল লোক অসমত এশ বছৰ বাস কৰিলে বুলিয়েই তেওঁলোক কেতিয়াও থলুৱা বুলি গণ্য হব নোৱাৰে। প্ৰকৃত অৰ্থতেই তেওঁলোক পমুৱা, প্ৰবাসী, উপনিবেশকাৰী। আনহাতে চৰকাৰী নীতি আৰু সিদ্ধান্ত অনুসৰিয়েই যিসকল লোকক যথাবিহিত ভাবে ইয়াত পুনৰ সংস্থাপিত কৰা হৈছে, ওপজা মাটিৰ লগত যিসকলৰ নাড়ীৰ বন্ধন চিৰকালৰ কাৰণে ছিন্ন হৈছে, যিসকল লোকে এটা ফুটাকড়িও 'দেশৰ ঘৰলৈ' পঠাবলগীয়া নহয়, সেই সকল লোকক সম্পূৰ্ণভাবে থলুৱা বুলি গ্ৰহণ কৰিব লাগিব। তেওঁলোকক মনে প্ৰাণে থলুৱা বুলি গ্ৰহণ নকৰাৰ বা তেওঁলোকৰ লগত এটা উদ্দেশ্যপ্ৰণোদিত মনস্তাত্ত্বিক দূৰত্ব ৰক্ষা কৰি চলাৰ একমাত্ৰ অৰ্থ হব বিভেদ, অশান্তি আৰু উত্তেজনাৰ পৰিবেশ জীয়াই ৰখা। তাৰ দ্বাৰা কেতিয়াও কাৰো লাভ নহয়, কিন্তু কম বেছি পৰিমাণে সকলোৰেই ক্ষতি হয়। তদুপৰি এনে এটা পৰিবেশ সদায় ধ্বংসকাৰী সমাজ বিৰোধী লোক আৰু সুবিধাবাদী ৰাজনীতিকৰ বংশবৰ্ধক। লগতে এই কথাও স্মৰ্তব্য যে ধৰ্ষকামী সমাজ বিৰোধী লোক আৰু স্বাৰ্থপৰ সুবিধাবাদী ৰাজনীতিকৰ কোনো জাতি, ধৰ্ম বা ভাষা নাই; তেওঁলোক নিজেই এটা সুকীয়া সম্প্ৰদায়।

কিন্তু তাৰ অৰ্থ এই নহয় যে অসমৰ বাহিৰৰ যি কোনো মানুহে ওপজা মাটিৰ লগত চিৰকালৰ কাৰণে নাড়ীৰ বন্ধন ছিন্ন কৰি অসমত স্থায়ীভাৱে বাস কৰিবলৈ আহিলেই তেওঁলোকক অনিৰ্দিষ্টকালৰ কাৰণে অসমলৈ আহিবলৈ দি থাকিব লাগিব বা থলুৱা হোৱাৰ অধিকাৰ দিব লাগিব। তেতিয়া হ'লেতো দণ্ডকাৰণ্যৰ হিঁন্দু শৰণাৰ্থী বা বাংলাদেশৰ মুছলমান অন্নাৰ্থীৰ কাৰণে অসমেই হৈ পৰিব Promised land; ভাৰতৰো সকলো প্ৰান্তৰ পৰা All roads will lead to Assam. ইতিমধ্যেই সেই প্ৰক্ৰিয়া আৰম্ভ হৈছে। বায়ুমণ্ডলৰ যি কোনো এটা অংশ উত্তপ্ত হৈ তাত শূন্যতাৰ সৃষ্টি হ'লে চাৰিওফালৰ পৰা বতাহ বলাৰ দৰে অসমলৈকো ভাৰতৰ সকলো প্ৰান্তৰ পৰা মানুহৰ সোঁত বলিবলৈ আৰম্ভ কৰিছে। সেই প্ৰবল সোঁতত অসমৰ থলুৱা মানুহ, থলুৱা ভাষা-সংস্কৃতি, থলুৱা অৰ্থনীতি– সকলো উটি-ভাহি নিশ্চিহ্ন হোৱাৰ উপক্ৰম হৈছে। সেই ভয়ানক সম্ভাৱনাক কেনেকৈ ৰোধ কৰা যায়, সেইটোৱেই হৈছে এতিয়া প্ৰধান সমস্যা।

বহুতো চিন্তা কৰি দেখা গৈছে যে অসমৰ কাৰণে যদি কিছু সুকীয়া আৰু আছুতীয়া ৰক্ষণাবেক্ষণমূলক ব্যৱস্থা লোৱা নহয়, তেন্তে বহিৰাগতৰ অবিৰাম আৰু ক্ৰমবৰ্ধমান প্ৰব্ৰজনে সৃষ্টি কৰা সমস্যাৰ কোনো স্থায়ী সমাধান নহয়। কিন্তু যিহেতু ওপৰে ওপৰে চালে পশ্চিমবংগ, বিহাৰ বা মহাৰাষ্ট্ৰৰ নিচিনাকৈ অসমো ভাৰতৰ এখন প্ৰধান ৰাজ্য, গতিকে এনে সুকীয়া ব্যৱস্থাৰ নাম ললেই কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰম্ভ কৰি আন বহুতেই চক্ খাই উঠিব; এনে এটা প্ৰস্তাৱ বিবেচনাৰেই যোগ্য নহয় বুলি তেওঁলোকে ক'বলৈ প্ৰয়াস পাব। কিন্তু যিসকল লোকে ইতিহাসৰ গতি-প্ৰকৃতি সূক্ষ্মভাৱে অনুধাবন কৰিবলৈ চেষ্টা কৰে আৰু ঐতিহাসিক অভি পোহৰত দূৰদৰ্শী হবলৈ চেষ্টা কৰে, তেওঁলোকে নিশ্চয় এই প্ৰস্তাৱৰ সপক্ষে থকা যুক্তিবোৰ গহীনভাৱে আৰু গুৰুত্ব সহকাৰে পৰীক্ষা কৰি চাব।

অসমলৈ বহিৰাগতৰ প্ৰব্ৰজন আৰু অনুপ্ৰবেশ বাধাহীন ভাৱে চলি থাকিলেও ই কালক্ৰমত দুটা অসুবিধাৰ সৃষ্টি কৰিব। এটা সাংস্কৃতিক আনটো অৰ্থনৈতিক। দুয়োটা সমস্যাই অন্তহীন সামাজিক উত্তেজনা আৰু সংঘৰ্ষৰ বীজ বহণ কৰিছে।

প্ৰথমে সাংস্কৃতিক সমস্যাৰ কথাই ধৰা যাওক। ৰাষ্ট্ৰীয় নীতি হিচাপে যেতিয়া ভাষাৰ ভিত্তিত ৰাজ্যবোৰৰ পুনৰ্গঠন কৰা হ'ল, যেতিয়া ভাৰতৰ প্ৰত্যেকটো প্ৰধান ভাষাৰ কাৰণে একোখনকৈ Home-land বা গৃহ-ভূমি ধাৰ্য কৰা হ'ল। (হিন্দীৰ কাৰণে একাধিক গৃহ ভূমি, সমগ্ৰ উত্তৰ আৰু মধ্যভাৰত) অসমীয়া ভাষাৰ গৃহ-ভূমি হ'ল অসম। আধুনিক কালত অসমীয়া ভাষাৰ সাহিত্য-কৃতি ভাৰতৰ দুটা বা তিনিটা ভাষাৰ তুলনাত কিছু নিষ্প্ৰভ হ'লেও মধ্যযুগৰ অসমীয়া সাহিত্যৰ গৰিমা ভাৰতৰ ভিতৰতে তুলনাহীন। নিজৰ ভাষা সম্পৰ্কে অসমীয়া সকলৰ স্পৰ্শকাতৰতা আৰু গৌৰৱ বোধৰ কথা সম্প্ৰতি ভাৰত বিদিত। কিন্তু অসমীয়া ভাষাৰ প্ৰধান সমস্যা হ'ল এই যে আধুনিক কালত অসমৰ ৰাজনৈতিক মানচিত্ৰ এই নতুন ৰূপ লোৱাৰ ফলত আৰু বৃটিছ শাসনৰ আৰম্ভণিৰ পৰা এতিয়ালৈকে বহু লক্ষ অনা অসমীয়া মানুহ বাহিৰৰ পৰা আহি অসমত স্থায়ীভাৱে বসতি কৰিব লোৱাৰ ফলত অসমতেই অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা তুলনামূলক ভাৱে কম। পাহাৰীয়া জিলা কেইখন অসমৰ পৰা আঁতৰি যোৱাৰ পিছত এতিয়া অসমত অসমীয়া ভাষী মানুহৰ সংখ্যা মোটামুটি শতকৰা ৬০ ভাগ মান হব। কিন্তু উত্তৰ-দক্ষিণ-পশ্চিম সকলো ফালৰ পৰাই বহিৰাগতৰ সোঁত বৰ্তমানৰ গতিৰে বৈ থাকিলে ভৱিষ্যতে এনেঁ এটি দিন নাহিবনে– যেতিয়া অসমীয়া-ভাষী মানুহৰ সংখ্যা শতকৰা ৫০ ভাগতকৈয়ো কম হৈ অসমীয়া ভাষা নিজৰ গৃহ-ভূমি অসমতেই সংখ্যালঘুৰ ভাষাত পৰিণত হব।

(আগলৈ)


সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

জেউতি ছেক্স ক্লিনিক
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

ডাঃ এ, নেছাৰ
এম, বি, বি, এছ, এম, ডি (গৌ)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)


## প্ৰেমৰো আছে এটা অন্ধকাৰ দিশ

কবীন ফুকন

প্ৰেমৰ গোপনত পোহৰ নালাগে!
স্নেহৰ বন্ধন কি জানানে?
এন্ধাৰৰ পৰা আগবাঢ়ি যোৱা
অপৰূপ আলোক সন্ধান!
ৰজনজনাই যায় শিহৰণৰ সমলয়,
আলোক বিচৰা হৃদয়ে পিন্ধে
এন্ধাৰ দেহৰ পৰিধান!

তথাপি কি জানা,
প্ৰেমৰো আছে এটা অন্ধকাৰ দিশ,
জীৱন নহয় মৃত্যু সদৃশ!
সদায় সাৰে থকা কণমান বিষ!

প্ৰেমৰো আছে এটা অন্ধকাৰ দিশ।
প্ৰেমৰ ৰ'দত পৰে
নিস্তৰংগ সময়ৰ নৃত্যৰত ছাঁ।
আছে সঁচা ওঁঠ আখি আঙুলিত
আঁকলুৱা অপাৰ বৈভৱ,
কিন্তু আৰু যে ক'ত কি!
প্ৰতিদানৰ ওভাচালি,
হেঁপাহৰ ওভতনি,
অহেতুক ঈৰ্ষাৰ গুপুত হেতালি,
প্ৰতীতিৰ নিষ্কাৰণ হানি।
ইন্দ্ৰিয়ৰ জ্ঞান, বাসনাৰ বিজ্ঞান,
দেহ হৃদয়ৰ একান্ত অভিযান!

সেই তাহানিতে কৃপাবৰে ক'বৰ দৰে
প্ৰেমৰো আছে এটা অন্ধকাৰ দিশ,
বুকুত সাৰে থকা অবুজ বিষ!
মৃত্যুৰ সদৃশ!

মনত আছে?
কবি নীলমণি ফুকনে যে কৈছিল–
"প্ৰেমৰ চৰম দুৰ্দশাগ্ৰস্ততা
হুৰহুৰাই হাইঠাবোৰ উৰি যোৱা"–
সঁচা!



কি জানা,
বিচাৰি পোৱা নহয় বিচাৰি থকা,
তেওঁ তোমাক তুমি তেওঁক–
বিচাৰি থকাৰ সহজ ধাৰাবাহিকতা–
সেয়েহে প্ৰেমৰ পৰম পূৰ্ণতা!
বিৰহীৰ বুকুতে জকেমকাই থাকে
আলিংগনৰ অবিনশ্বৰতা!

প্ৰেমৰো আছে এটা অন্ধকাৰ দিশ,
হেঁপাহৰ উন্মাদনা, তৃপ্তিৰ বিষ,
নোপোৱাৰ স্বাদ, পোৱাৰ বিষাদ;
বুকুত বাজি থকা
আছে এটা সপ্তম স্বৰ,
উচুপি হহাঁৰ
হাঁহি উচুপাৰ
অনন্ত গভীৰ বিষাদ! □

## ছাঁয়া

কাব্যশ্ৰী মহন্ত

তোমাৰ বুকুৰ আধাগঢ়া অৰণ্যত ওঁঠ থৈ
মই এক সনাতন প্ৰশান্তিৰ বিমল ছাঁয়াত
প্ৰয়োজন আছে যদি খুজি নিবা মোৰ পৰা
বহুতো বসন্তৰ মৰ্মন্তুদ নিৰ্বিকল্পতা;
মই মোৰ সতে কথা পাতো
এচোতাল দুপৰীয়া ৰ'দৰ কৰুণ কণ্ঠ শুনি,
চকুৰ পতাৰে মই তিমিৰৰ উপাসনা কৰো,
প্ৰতি ৰাতি জুলীয়া হেঁপাহৰ ৰূপ লৈ
শৰীৰ কাষলে আহে
ওঁঠত আঙুলি থৈ কয়
'মনে মনে ৰোৱা,
তোমাৰ প্ৰতীক্ষাৰ কথা মই জানো"
আঙুলি তিয়াই বৈ যায় আকলুৱা পনীয়া আন্ধাৰ
তথাপিতো মাজে মাজে কিবা এক নিৰ্বিকাৰ
আনন্দেৰে ভৰি উঠে মন,
এতিয়াযে মই শস্যভূমিক সম্বোধি ক'ব পাৰো
"ময়োতো তোমাৰ দৰে পূৰ্ণগৰ্ভা, পুৰাতন! □

OKDISCT

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিয়ম আৰু অনীতিৰ ৰাজত্ব চলিছে

স্বপ্না বেজবৰুৱা

কোনো এটা ৰাজহুৱা অনুষ্ঠানৰ ঋণাত্মক দিশ সমূহ আঙুলিয়াই দিয়াটোৱে এইটো নুবুজায় যে অনুষ্ঠানটোৰ প্ৰতি কাৰোবাৰ ঈৰ্ষাৰ ভাব আছে বা এনে কথা প্ৰচাৰ কৰি অনুষ্ঠানটোৰ ধ্বংস কামনা কৰা হৈছে। ঋণাত্মক দিশবোৰ এই কাৰণেই আঙুলিয়াই দিয়া হয় যাতে সেইবোৰ দিশত অধিক সততা আৰু ক্ষিপ্ৰতাৰে আগবাঢ়িবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো সেয়ে কৰ্তৃপক্ষক দৃষ্টি আকৰ্ষণ কৰিবৰ বাবে কিছুমান বিতৰ্কিত দিশ এই আলোচনীৰ পাতত প্ৰকাশ কৰা হৈছিল। যিহেতু বিশ্ববিদ্যালয় এখনৰ লগত জনসাধাৰণৰ প্ৰতিটো অন্ন, তেজৰ প্ৰতিটো কণা আৰু কষ্টৰ প্ৰতি টোপল ঘামৰ সম্বন্ধ আছে গতিকে বিশ্ববিদ্যালয়খনৰ প্ৰতিটো ধূলিকণাৰ খবৰ লোৱা আৰু এটা ৰঙা পইছালৈকে হিচাপ লোৱাৰ অধিকাৰো ৰাইজৰ আছে।

এজন সাংবাদিকক তেওঁৰ কৰ্তব্যৰ বিষয়ে বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে বা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ সংস্থাই সোঁৱৰাই দিব নালাগে। কোনো সাংবাদিকে গুৱাহাটীত থাকি ডিব্ৰুগড়ৰ বাতৰি পৰিবেশ নকৰে। সূত্ৰধাৰৰ ১-১৫ নবেম্বৰ সংখ্যাত প্ৰকাশিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাতৰিও গুৱাহাটীত বহি প্ৰস্তুত কৰা হোৱা নাছিল! সোঁশৰীৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গৈ ছাত্ৰ-শিক্ষক আৰু কৰ্মচাৰী সকলৰ মনৰ খবৰ লৈহে সেইবোৰ বাতৰি প্ৰকাশ কৰা হৈছিল। বাতৰিবোৰ আছিল তথ্যৰ ভিত্তিত প্ৰতিষ্ঠিত। ইয়াৰ পাছতো কিন্তু পঞ্জীয়কৰ পৰা প্ৰতিটো দিশতেই চালেবেৰে কোবোৱা যুক্তিৰে স্পষ্টীকৰণ দিয়া হ'ল আৰু দুৰ্নীতি, অনিয়ম স্বজনপ্ৰীতি একোৱেই বিশ্ব-বিদ্যালয়ত নাই বুলি জনসাধাৰণক পতিয়ন নিয়াবলৈ যত্ন কৰা হ'ল; লগতে লেখিকাক আক্ৰোশমূলক ভাবে ব্যক্তিগত আক্ৰমণ কৰি নিজে দোষ সাৰিবলৈ যত্ন কৰা হ'ল। এখন বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্পষ্টীকৰণৰ মানদণ্ড নিশ্চয় ইমান নিম্ন স্তৰৰ হোৱা উচিত নাছিল।

ব্যক্তিগত দিশটো বাদ দি জনসাধাৰণৰ স্বাৰ্থতেই পঞ্জীয়কৰ স্পষ্টীকৰণৰ সত্যাসত্য নিৰ্ণয় কৰিবৰ বাবে পুনৰবাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ অনুসন্ধান কৰিবলৈ গৈ যিবোৰ তথ্য সংগ্ৰহ কৰা হ'ল তাৰ ভিত্তিতেই বিশ্ববিদ্যালয়খনৰ প্ৰশাসনৰ বিৰুদ্ধে কেইটামান অভিযোগ অসমৰ ৰাইজৰ আদালতত বিচাৰৰ বাবে উত্থাপন কৰা হ'ল। লগতে স্নাতকোত্তৰ ছাত্ৰ-সংস্থাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি আৰু কিছু তথ্য প্ৰকাশ কৰা হ'ল।

## ডিগ্ৰীৰ দৰ দাম

এখন মহাবিদ্যালয়ৰ ইৰা শৰ্মা নামৰ এগৰাকী শিক্ষয়িত্ৰীক এটা বিভাগত এম ফিল্ পাঠ্যক্ৰমত ভৰ্তি কৰোৱা হয়। কিন্তু জানিব পৰা মতে তেওঁ বিশ্ববিদ্যালয়ৰ শ্ৰেণীত উপস্থিত থকা নাছিল। (যদিও M. Phil নিয়মীয়া পাঠ্যক্ৰম) তেওঁৰ পৰীক্ষাৰ আবেদন পত্ৰত মুৰব্বী অধ্যাপকৰ চহীও নাছিল। বিভাগত তেওঁৰ পৰীক্ষা সংক্ৰান্তীয় কোনো কাম হোৱা নাই। আনকি তেওঁৰ Dissertationত বিভাগীয় মুৰব্বীৰ চহীও নাছিল। মৌখিক পৰীক্ষাতো বিভাগীয় কোনো শিক্ষক উপস্থিত নাছিল। মুঠতে পৰীক্ষা সম্পৰ্কে বিভাগ সম্পূৰ্ণ অজ্ঞ। অথচ তেওঁ বিশ্ববিদ্যালয়ৰ পৰা M. Phil ডিগ্ৰী লৈ ওলাই গ'ল! যদি এই ডিগ্ৰী বেচা বা কিনা হোৱা নাই তেন্তে তেওঁ পালে ক'ৰ পৰা? এইখিনিতে নিজে কাৰ্যবাহী পৰিষদ আৰু কৰ্ট সভাৰ সদস্য হৈ নিজকে সন্মানিত ডক্টৰেট উপাধি প্ৰদান কৰাৰ কথাও মন কৰিবলগীয়া বিষয়। আকৌ কাৰ্যালয়ৰ পৰা অলপতে চাৰিখন চাৰ্টিফিকেট হেৰোৱাৰ কথাও পঞ্জীয়কে স্বীকাৰ কৰিছে। এইবোৰ বিশ্ববিদ্যালয়ত কেনেকৈ সম্ভৱ হৈছে?

এয়া মাত্ৰ এটা উদাহৰণহে। এনেকুৱা একাধিক বিভাগৰ একাধিক উদাহৰণ

## নাম ভৰ্তিকৰণত কৰ্তৃপক্ষৰ হস্তক্ষেপ

ৰাজনীতি বিজ্ঞান বিভাগৰ পৰা যোৱা বছৰ স্নাতকোত্তৰ ডিগ্ৰী লৈ ওলাই যোৱা বি. শইকীয়া নামৰ এজন ছাত্ৰৰ নাম ভৰ্তিকৰণৰ আবেদন পত্ৰত বিভাগীয় মুৰব্বীৰ স্বাক্ষৰ নাছিল অৰ্থাৎ বিভাগ তেওঁৰ ভৰ্তিকৰণ সম্পৰ্কে অবগত নহয়। স্নাতক পৰ্যায়ৰ মেজৰ বিষয়ত ৪0% তকৈ বহুতো কম নম্বৰ পায়ো নামভৰ্তি কৰি স্নাতকোত্তৰ ছাত্ৰ সংস্থাৰ সম্পাদক হৈ শেষত ৫৫%তকৈ অধিক নম্বৰ পাই ডিগ্ৰী লৈ ওলাই গ'ল। জানিব পৰা মতে চূড়ান্ত বছৰত তেওঁ ৬৯% নম্বৰ পোৱা কথা লৈ যথেষ্ট বু-বু, বা-বা ৰো সৃষ্টি হৈছিল। ছাত্ৰ আৰু শিক্ষকে কৰ্তৃপক্ষক মৌখিকভাবে প্ৰত্যাহ্বানো জনাইছিল। বিতৰ্কিত এই ছাত্ৰজনক প্ৰশাসনীয় হস্তক্ষেপত নামভৰ্তি কৰোৱা হৈছিল। এইবছৰৰ নাম ভৰ্তিকৰণতো প্ৰশাসনে হস্তক্ষেপ কৰি অযোগ্য ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰিছে। অসমীয়া বিভাগৰ অধ্যাপক কেশৱা নন্দদেৱ গোস্বামীয়ে আমাক জানিবলৈ দিয়া মতে উপাচাৰ্যই অধিক মেধাবী ছাত্ৰ-ছাত্ৰী থাকোতেও ৪১% পোৱা প্ৰাৰ্থীক নাম ভৰ্তিৰ বাবে পঠাইছে। যি লৈ বিভাগে প্ৰতিবাদও সাব্যস্ত কৰিছে। কিন্তু এনে বহু প্ৰতিবাদ বহু বিভাগৰ পৰা হৈ আহিছে যদিও হস্তক্ষেপ চলিয়েই আছে। ইয়াৰ পাছতো পঞ্জীয়কৰ স্পষ্টীকৰণ সত্য নে?





### শিক্ষক নিযুক্তি আৰু প্ৰমোচনৰ অনিয়মঃ

(ক) পদাৰ্থ বিজ্ঞান বিভাগত এটা ৰীডাৰ পদৰ বিপৰীতে দুজন ব্যক্তিক কাৰ স্বাৰ্থত নিযুক্তি দিয়া হৈছে? ড০ পি কে ভূঞা নামৰ দেৰগাওঁ কমল দুৱৰা কলেজৰ অধ্যাপক এজনক বিশ্ববিদ্যালয়ত প্ৰথমে Ad-hocত নিযুক্তি দিয়া হয়। তাৰ পাছত সেই বিভাগৰে ড০ কুঞ্জ দেউৰীক অধিক অৰ্হতা সত্ত্বেও বঞ্চিত কৰি ড০ ভূঞাক ৰীডাৰ হিচাপে নিযুক্তি দিয়া হয়। কিন্তু পাছত অৰ্হতা আৰু বিশেষ জনগোষ্ঠীৰ ফালৰ পৰা ড০ দেউৰীকো নিদিলে কথা বিষম হোৱাৰ সম্ভাৱনা দেখি একেটা পদতে Ad-hocত তেওঁকো নিযুক্তি দিলে। এবছৰৰ পাছত একেটা পদতে দুয়োৰো নিযুক্তি স্থায়ী কৰা হয়। এইটো নিয়মৰ ভিতৰত পৰিল নে?

(খ) পেট্ৰ'লিয়াম টেকন'লজিত ডিগবৈ তেল শোধনাগাৰৰ অৱসৰ প্ৰাপ্ত বিষয়া — এজনক — ৰীডাৰ পদত নিযুক্তি দিয়া হৈছে। অথচ ৰীডাৰ হ'বৰ বাবে যাবতীয় অৰ্হতা তেওঁৰ নাই! এই বিষয়ে আগতে 'সূত্ৰধাৰ'ৰ পাতত আলোচনা হৈছিল। ইয়াৰ উপৰিও তেওঁৰ বছৰৰ পাছত বছৰ চাকৰিৰ ম্যাদ বৃদ্ধি কৰি থকা হৈছে। তেওঁৰ বয়স বৰ্তমান প্ৰায় ৬৩ বছৰ ৬ মাহ। সেইদৰে কলেজ উন্নয়ন পৰিষদৰ সঞ্চালক মোহিনী শইকীয়া, বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ, চিকিৎসালয়ৰ চিকিৎসক আদিক অৱসৰৰ বয়স পাৰ হৈ যোৱাৰ পাছতো ম্যাদ বঢ়াই থকা হৈছে। এয়া কিহৰ নিয়ম কিহৰ প্ৰীতি? এইদৰে কাৰ্যকাল বঢ়াই থকাত কাৰো আপত্তি নাথাকিলেহেঁতেন যদিহে সকলোৰে ক্ষেত্ৰত সেইটো প্ৰযোজ্য হ'লহেঁতেন। কিন্তু Service conduct ruleত সুবিধা থকা সত্ত্বেও পদাৰ্থ বিজ্ঞান বিভাগৰ ড০ ৰামপ্ৰসাদ দেউৰী, অসমীয়া বিভাগৰ দুগৰাকী খ্যাতনামা শিক্ষক ড০ মহেন্দ্ৰ বৰা আৰু ড০ লীলা গগৈক এটা দিনৰ বাবেও চাকৰিৰ ম্যাদ বঢ়াই দিয়া নহ'ল। অথচ তেওঁলোকে সুদীৰ্ঘকাল বিশ্ববিদ্যালয়তে অধ্যাপনা কৰি আহিছে। শিক্ষাবছৰৰ মাজ ভাগতে তেওঁলোকক অৱসৰ দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীৰো যথেষ্ট ক্ষতি হৈছিল।

(গ) অষ্টম পৰিকল্পনাৰ কোনো কাম হাতত লোৱা হোৱা নাই যদিও প্ৰফেচাৰৰ বিশেষ দুটা পদৰ বাবে আগতীয়াকৈ সাক্ষাৎ লৈ বাছনি কৰা হৈছে। এটা পদৰ বাবে বৰ্তমান ৰাজ্যসভাৰ সদস্য ড০ নগেন শইকীয়াক বাছনি কৰা হৈছে। কিন্তু কিয় এনে বৈষম্যমূলক কাম কৰা হৈছে?

(ঘ) এগৰাকী শিক্ষকৰ চাকৰি চূড়ান্ত কৰাৰ আগতে দিয়া গোপনীয় তথ্য (Confidential report) সন্তোষজনক নথকা সত্ত্বেও উপাচাৰ্যই তেওঁৰ চাকৰি চূড়ান্ত কৰিছে। ইতিমধ্যে কাৰ্যবাহী পৰিষদে সেই পদৰ নিয়োগ সম্পৰ্কে তদন্ত হ'ব লাগে বুলিও উল্লেখ কৰিছে।

(ঙ) পঞ্জীয়ক ডাঙৰীয়াই শিক্ষক নিযুক্তিৰ

## ডিঃ বিঃ শিক্ষক আন্দোলনৰ শেহতীয়া খবৰ

'সূত্ৰধাৰ'ৰ ১-১৫ ডিচেম্বৰ সংখ্যাত প্ৰকাশিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্পষ্টীকৰণৰ একাংশত পাঁচজন শিক্ষকৰ সম্পৰ্কত লিখা কথাৰ প্ৰত্যুত্তৰ হিচাপে লিখি পঠোৱা চিঠি 'সূত্ৰধাৰ'ৰ এই সংখ্যাত প্ৰকাশ কৰাৰ লগতে আমি পোৱা শেহতীয়া বাতৰি পঢ়ুৱৈৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰিছো। পঞ্জীয়ক গৰাকীৰ স্পষ্টীকৰণত ভুল তথ্য প্ৰকাশ কৰাৰ প্ৰতিবাদ জনাই আৰু ইয়াৰ শুধৰণি দাবী কৰাৰ লগতে ন্যায়াধীশ ভোলানাথ শৰ্মাৰ অধ্যাপক কামিনী মোহন ডেকাৰ সম্পৰ্কত কৰা তদন্তৰ প্ৰতিবেদনৰ ওপৰত যথাযোগ্য কাৰ্যপন্থা নোলোৱাৰ প্ৰতিবাদত বিশ্ববিদ্যালয়ৰ চাৰিজন শিক্ষকে যোৱা ১৭ ডিচেম্বৰত উপাচাৰ্যৰ কাৰ্যালয়ৰ সন্মুখত আমৰণ অনশন আৰম্ভ কৰে। উল্লেখযোগ্য যে সেই দিনা বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সভা বহিছিল। পৰিষদৰ সদস্য সকলে শিক্ষক সকলৰ অনশনৰ কাৰণ আলোচনা কৰে আৰু অনশনকাৰী শিক্ষক সকলৰ লগত কথা বতৰা পাতি তেওঁলোকৰ দাবী অনুযায়ী নিম্ন লিখিত সিদ্ধান্ত গ্ৰহণ কৰেঃ

"In view of various High Court orders regarding cases about seven University teachers namely — Prof. K. M. Deka, Prof. K. N. Phukan, Prof. B. Baishya, Dr. M. N. Das, Dr. ANS Ahmed, Sri R. S. Ladia and Dr. D. Purkasthya, this meeting of the Executive Council resolves to approve the Acting Vice-Chancellor's order of 14.3.91 unconditionally withdrawing the disciplinary proceedings against seven teachers and dropping the whole matter arising out of Executive Council's Resolution dated 6.4.88 and 28.10.88.

This meeting further noted that the four teachers who were under suspension have already been treated on duty during the entire period of their suspension.

The University authority has appreciated the teachers gesture to withdraw their case.

Resolved that the B. N. Sarma (Retd. Judge) inquiry report concerning Prof. K. M. Deka will be placed in the next meeting of the Executive Council for discussion and decision."

কাৰ্যবাহী পৰিষদৰ উপৰোক্ত সিদ্ধান্ত শিক্ষক সকলৰ গ্ৰহণযোগ্য হোৱাৰ কাৰণে তেওঁলোকৰ অনশন ভংগ কৰে। মন কৰিব লগীয়া যে উপৰোক্ত কথাখিনিয়ে শিক্ষক সকলে 'সূত্ৰধাৰ'ত প্ৰকাশৰ বাবে পঠোৱা চিঠিৰ মৰ্মকথাকে সমৰ্থন কৰিছে। আৰু উচ্চ ন্যায়ালয়ে শিক্ষক সকলৰ সপক্ষে ৰায় দান কৰা নাছিল বুলি পঞ্জীয়কে লিখা কথাষাৰ যে ভিত্তিহীন আছিল তাকে প্ৰমাণ কৰিছে। তাৰ উপৰি কাৰ্যবাহী পৰিষদৰ আগন্তুক সভাত ন্যায়াধীশ ভোলানাথ শৰ্মাৰ প্ৰতিবেদন আলোচিত হলে আৰু তাৰ ওপৰত সিদ্ধান্ত হলে এই দিশত বহু কথাই ওলাই পৰিব। প্ৰতিবেদনত যদি অধ্যাপক ডেকাক দোষী সাব্যস্ত কৰিছে তেনেহলে তেওঁ আগতে ৰাজহুৱা ভাবে ঘোষণা কৰাৰ দৰে নিজ পদবীৰ পৰা পদত্যাগ কৰিব। কিন্তু যদি তেওঁ সম্পূৰ্ণ নিৰ্দোষি বুলি প্ৰমাণিত হৈছে তেনেহলে মিছা অভিযোগ আনি এগৰাকী জ্যেষ্ঠ, নিষ্ঠাবান, নিৰ্দোষি অধ্যাপকক হাৰাশাস্তি কৰা সকলৰ বিৰুদ্ধে বিশ্ববিদ্যালয়খনে কি ব্যৱস্থা ল'ব তাকে আগ্ৰহেৰে সকলোৱে বাট চাই আছে।

স্বপ্না বেজবৰুৱা





OKDISCD

ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ আইনৰ ২৯ নং ধাৰাটোৰ কথা উল্লেখ কৰিছে। সেই ধাৰা মতে শিক্ষক বাছনিৰ কাৰণে এখন বাছনি সমিতি থাকিব। তাত চাৰি ধৰণৰ সদস্য থাকিব।

১। উপাচাৰ্য থাকিব সভাপতি হিচাপে।

২। তিনিজন স্থায়ী সদস্য থাকিব – এজনক চৰকাৰে, এজনক আচাৰ্যই আৰু এজনক কাৰ্যবাহী পৰিষদে নিৰ্বাচন কৰিব।

৩। পঞ্জীয়ক থাকিব সদন সচিব হিচাপে।

৪। যিটো বিষয়ত শিক্ষক নিযুক্তি দিয়া হয় সেই বিষয়ত বাহিৰৰ বিশেষজ্ঞ থাকিব। তেওঁলোকৰ নাম থকা তালিকা 'panel' একাডেমিক কাউন্সিলে অনুমোদন জনাব। তাৰপাছত কাৰ্যবাহী পৰিষদে অনুমোদন জনাব।

কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এই ধাৰা দেখ দেখকৈ উলংঘা কৰা হয়। তাৰ প্ৰমাণৰ বাবে বেছি দূৰলৈ নগৈ সৌ-সিদিনা অৰ্থাৎ ২৭-১১-৯১ তাৰিখে অনুষ্ঠিত হোৱা ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক পদৰ বাবে হোৱা সাক্ষাৎকাৰৰ কথাকে উদাহৰণ হিচাপে ফট্‌ফটীয়া হৈ আছে। সেইদিনাৰ সাক্ষাৎকাৰত বাছনি কমিটিৰ স্থায়ী সদস্যৰ এজনো উপস্থিত নাছিল। ইয়াৰ উপৰিও বিশেষজ্ঞ দুজন একাডেমিক কাউন্সিলৰ দ্বাৰা মনোনীত আৰু কাৰ্যবাহী পৰিষদৰ দ্বাৰা অনুমোদিত নহয়। বিশেষজ্ঞ কেইজনৰ এজনো Commonwelth University Calenderত অন্তৰ্ভুক্ত নহয়। (১৯৯০ চনৰ মতে) এজন বিশেষজ্ঞ পাটনা বিশ্ববিদ্যালয়ৰ ৰীডাৰ আৰু আনজন এখন মহাবিদ্যালয়ৰ প্ৰবক্তাহে আছিল। এজন প্ৰফেচাৰৰ সাক্ষাৎ ৰীডাৰ আৰু প্ৰবক্তাই কেনেকৈ লব পাৰিলে? আনহাতে অনিয়মৰ স্পষ্টীকৰণত পঞ্জীয়ক মহোদয়ে কৈছিল প্ৰফেচাৰৰ বাছনিত তিনিজন অধ্যাপক (প্ৰফেচাৰ) বিশেষজ্ঞ হিচাপে উপস্থিত থাকে। কিন্তু ওপৰোক্ত সাক্ষাৎগ্ৰহণৰ সমগ্ৰ পদ্ধতিটোৱে কি সূচালে? [শিক্ষক বাছনিত কৰা অনিয়ম আৰু স্বজনপ্ৰীতিৰ বিষয়ে শেষলৈ প্ৰকাশিত এজন শিক্ষক সাক্ষাৎকাৰত অধিক স্পষ্ট হৈ পৰিছে।] ঠিক সেইদৰে অলপতে বুৰঞ্জী বিভাগৰ অধ্যাপক পদৰ পদোন্নতিৰ বাবেও 'Panel'ৰ বাহিৰৰ এজন ৰীডাৰ হিচাপে অৱসৰ লোৱা ব্যক্তিয়েহে সাক্ষাৎ গ্ৰহণ কৰিছিল। এইবিলাক নিয়মমতেই কৰা হৈছিল বুলি পঞ্জীয়কে দাবী কৰিব পাৰিবনে? *(আগলৈ)*

# ডিব্ৰু : বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্পষ্টীকৰণৰ প্ৰতিবাদত

'সূত্ৰধাৰ'ৰ ঊনবিংশ সংখ্যাত প্ৰকাশিত শ্ৰীমতী স্বপ্না বেজবৰুৱাৰ 'ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ইয়াৰ ভিতৰ চৰা' শীৰ্ষক নিবন্ধ আৰু একবিংশ সংখ্যাত প্ৰকাশিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্পষ্টীকৰণ আমি পঢ়িছো। বিশ্ববিদ্যালয়ৰ 'পাঁচজন শিক্ষকৰ' বিষয়টোৰ সংক্ৰান্তত পঞ্জীয়কে মিথ্যা আৰু আত্মপ্ৰৱঞ্চনাৰ আশ্ৰয় লৈছে। সেয়েহে এই প্ৰতিবাদ টোকাৰ যোগেদি প্ৰকৃত সত্য উদঙাই দিছো।

পঞ্জীয়কে তেওঁৰ স্পষ্টীকৰণত কোৱাৰ দৰে 'বিশ্ববিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থত.... আপোচ কৰি' নহয়, উচ্চ ন্যায়ালয় আৰু জিলা আদালতৰ আটাইবোৰ ৰায় সম্পূৰ্ণভাৱে আমাৰ সপক্ষে আৰু বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে যোৱাত নিৰুপায় হৈ আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীকমলেশ্বৰ বৰাক অৱশ্যম্ভাৱী মানহানি তথা ক্ষতিপূৰণৰ মোকৰ্দমাৰ পৰা বচাবলৈহে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই *বিনাচৰ্তে* ন্যায়ৰ স্বাৰ্থত আমাৰ বিৰুদ্ধে ফেচীবাদী কৌশলৰে উত্থাপিত হোৱা অভিযোগনামা প্ৰত্যাহাৰ কৰিবলগীয়া হৈছিল। কৰ্তৃপক্ষই মিছা অভিযোগনামা যে *বিনাচৰ্তে* প্ৰত্যাহাৰ কৰিছিল, সেই কথা ভাৰপ্ৰাপ্ত উপাচাৰ্যই ১৪ মাৰ্চ ১৯৯১ তাৰিখে জাৰি কৰা আদেশৰ পৰা স্পষ্ট হৈ পৰিব। উক্ত আদেশৰ হুবহু পাঠ তলত উদ্ধৃতি কৰা হ'ল:

"All disciplinary proceedings against Dr. K. M. Deka, Professor of Political Science, Dibrugarh University, drawn in pursuance of the Resolutions of the Executive Council dated 6th April, 1988 and 28th October, 1988 are hereby withdrawn and the whole matter arising out of the said resolutions is dropped."

(বিঃদ্ৰঃ অনুৰূপ আদেশ নিম্ন স্বাক্ষৰকাৰী সকলক ধৰি মুঠ সাতজন শিক্ষকৰ ক্ষেত্ৰত একে তাৰিখত জাৰি কৰা হৈছিল। উল্লেখযোগ্য যে আমি আটাইকেইজনেই ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ বিষয়ববীয়া আছিলো।)

পঞ্জীয়কে আৰু দাবী কৰিছে যে বিষয়টোৰ 'সন্মানজনক ভাৱে' ওৰ পেলোৱা হৈছে। বিষয়টোৰ সামৰণি সঁচাকৈ বিশ্ববিদ্যালয়ৰ বাবে সন্মানজনক আছিল নে? উপাচাৰ্য শ্ৰীকমলেশ্বৰ বৰাই বিচৰামতে ভাৰপ্ৰাপ্ত উপাচাৰ্যই আমাক অনুৰোধ জনাইছিল যাতে আমি বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে মান হানি তথা ক্ষতিপূৰণৰ মোকৰ্দমা নতৰো। উপাচাৰ্য শ্ৰীবৰাক প্ৰহাৰ কৰা বুলি অতি গুৰুতৰ অভিযোগ আমাৰ বিৰুদ্ধে অনা হৈছিল আৰু সেই মিছা অভিযোগ বিভিন্ন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ছপা হৈছিল। প্ৰত্যুত্তৰত আমি উপাচাৰ্য শ্ৰীকমলেশ্বৰ বৰা ডাঙৰীয়াক মিথ্যাবাদী বুলি অভিহিত কৰিছিলো। উপাচাৰ্যই আমাৰ বিৰুদ্ধে অনা অভিযোগ যদি সঁচা আছিল তেনেহলে মানহানি তথা ক্ষতিপূৰণৰ মোকৰ্দমালৈ আমিহে ভয় কৰিব লাগিছিল। পিছে, কথা দেখোন বিপৰীতহে হ'ল। উপাচাৰ্য শ্ৰীবৰাদেৱে যদি আমাৰ বিৰুদ্ধে মানহানিকৰ কাৰ্যত লিপ্ত হোৱা নাছিল, তেনেহলে মানহানি তথা ক্ষতিপূৰণৰ মোকৰ্দমালৈ তেখেতৰ ইমান ভীতি কিয়? কিয় তেখেতে কাৰ্যবাহী পৰিষদৰ ৫-২-১৯৯১ তাৰিখৰ সভাত ক'বলগীয়া হ'ল যে অভিযোগনামা প্ৰত্যাহাৰ কৰাত তেখেতৰ আপত্তি নাই 'provided they (the teachers) come forward with open heart and would not file a damage suit'? অভিযুক্ত শিক্ষক সকলৰ পৰা মানহানি তথা ক্ষতিপূৰণৰ মোকৰ্দমা নকৰাৰ পূৰ্ব-আশ্বাস বিচাৰি নিজকে পুতৌৰ পাত্ৰ কৰাৰ পিছতো তেখেতে কেনেকৈ ভাবিব পাৰিলে যে বিষয়টো বিশ্ববিদ্যালয়ৰ বাবে সন্মানজনকভাৱে ওৰ পৰিল?

পুতলা কাৰিকৰী বিশ্ববিদ্যালয়খনৰ এটা বিভাগ




কটা নাক ঢাকিবলৈ 'বিশ্ববিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থ' নামৰ হলো বোৰ্খাটি পৰিধান কৰিলেই লাজ ঢাক নাখায়। বিশ্ববিদ্যালয়ৰ কোনটো বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মহামান্য উপাচাৰ্যদেৱে গুৱাহাটী উচ্চ ন্যায়ালয়ত গোকাট মিথ্যাৰ আশ্ৰয় লৈছিল, আৰু পিছত ন্যায়ালয়ৰ ৰায় অমান্য কৰি দুই বছৰৰ অধিককাল চাৰিজন জ্যেষ্ঠ শিক্ষকক শ্ৰেণীত পাঠদানৰ পৰা বিৰত কৰি ৰাখিছিল? বিশ্ববিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থতে নেকি তেখেতে আমাৰ মাজৰ এজনে ন্যায়ালয়ৰ ৰায় মানি শ্ৰেণীত পাঠদান কৰি কৰা *অপৰাধৰ* বাবে তেওঁৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত গোচৰ তৰিছিল? (এই গোচৰতো উচ্চ ন্যায়ালয়ে বিশ্ববিদ্যালয়ৰ সপক্ষে ৰায় দিয়া নাছিল।) কোনটো বৃহত্তৰ স্বাৰ্থত ন্যায়াধীশ ভোলানাথ শৰ্মা তদন্ত কমিটিৰ (আচাৰ্যই গঠন কৰা) প্ৰতিবেদন বিধি সংগত ভাৱে বিশ্ববিদ্যালয়ৰ আচাৰ্যই গ্ৰহণ কৰাৰ পিছতো, উপাচাৰ্যই কাৰ্যবাহী পৰিষদৰ সভাত সেই প্ৰতিবেদন অবৈধভাৱে আৰু অসৎ উদ্দেশ্যৰে অগ্ৰাহ্য কৰাৰ দিহা কৰিছিল? 'বিশ্ববিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থত' আইন বিধি ভৰিৰে মোহাৰি উপাচাৰ্যদেৱে অনুৰূপ আৰু ভালেমান মহৎ কাম কৰিছে, যিবোৰৰ তালিকা আমাৰ হাতত আছে। পৰিতাপৰ কথা যে বৰ্তমানৰ উপাচাৰ্যগৰাকী সত্য আৰু ন্যায়ৰ প্ৰতিমূৰ্তি হ'ব নোৱাৰিলে!

ফেচীবাদী কৌশলেৰে আৰু অভিযোগৰ কোনো তদন্ত নকৰাকৈ উপাচাৰ্য শ্ৰীবৰাদেৱে ১৬-৯-৮৮ তাৰিখৰ কাৰ্যবাহী পৰিষদৰ সভাত আমাৰ ওপৰত শীৰ্ষ পদৰ পৰা অৱনমনকে ধৰি বিভিন্ন গুৰু শাস্তি বিহাৰ ব্যৱস্থা কৰিছিল আৰু সেই শাস্তি বিধানৰ বিৰুদ্ধে কোনো আপীলৰ ব্যৱস্থা নাৰাখি তৎকালীনভাৱে তাক বলবৎ কৰিছিল। সেই অবৈধ আৰু অন্যায় শাস্তি বিধানৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই আমি গুৱাহাটী উচ্চন্যায়ালয়ত ৰীট আবেদন দাখিল কৰিছিলো। আমাৰ ৰীট আবেদনৰ উত্তৰত উপাচাৰ্যই *'তদন্ত কৰিহে'* শাস্তি বিহা হৈছিল বুলি গোকাট মিছা মাতি ন্যায়ালয়ক বিপথে পৰিচালিত কৰিবলৈ জঘন্য নীচ কৌশল অৱলম্বন কৰিছিল। (উচ্চন্যায়ালয়ৰ ৰায়ত এই মিছা কথাষাৰ লিপিবদ্ধ হৈছে।) ন্যায়ালয়ে এই কথাত পতিয়ন নগৈ ২২-৯-৮৮ তাৰিখে আমাৰ ওপৰত অবৈধভাৱে বিহা সকলো শাস্তি ৰদ কৰি বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে ৰুল জাৰি কৰে। এই ৰায়ৰ পৰিপ্ৰেক্ষিতত উপায়ান্তৰ হৈ কাৰ্যবাহী পৰিষদে ২৮-১০-৮৮ তাৰিখে শাস্তি বিধানৰ পূৰ্বৰ সিদ্ধান্ত উঠাই লয়। যোৱা বছৰ জুলাই মাহত উচ্চন্যায়ালয়ে আমাৰ ৰীট আবেদনৰ ওপৰত চূড়ান্ত ৰায়ত ন্যায়ালয়ৰ পূৰ্বৰ ৰায় সম্পূৰ্ণ বাহাল ৰাখিছে। অতি পৰিতাপৰ কথা যে উচ্চন্যায়ালয়ৰ সেই চূড়ান্ত ৰায় উপাচাৰ্যই পোনতে পূৰাকৈ মানি লবলৈ অস্বীকাৰ কৰিছিল। আমি আমৰণ অনশনত বহাৰ দুদিনৰ মূৰত তেখেতে সেই ৰায় মানিবলৈ বাধ্য হৈছিল। কোৱা নিষ্প্ৰয়োজন যে 'উচ্চন্যায়ালয়ে শিক্ষক সকলৰ সপক্ষে ৰায় দিয়া নাই' বোলা পঞ্জীয়কৰ কথাষাৰ সম্পূৰ্ণ মিছা।

পঞ্জীয়কৰ স্পষ্টীকৰণত আৰু কোৱা হৈছে যে উচ্চ ন্যায়ালয়ে তদন্ত চলি থাকিব বুলি নিৰ্দেশ দিছে! উচ্চন্যায়ালয়ে তেনে কোনো নিৰ্দেশ দিয়া নাছিল; দিয়া হলে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই তদন্তৰ ব্যৱস্থা নকৰি আমাৰ বিৰুদ্ধে অনা অভিযোগ বিনা চৰ্তে উঠাই লব নোৱাৰিলেহেঁতেন, যিহেতু ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপন্থী এই কাৰ্যক 'ন্যায়ালয়ক অৱমাননা কৰা (contempt of court) বুলি গণ্য হ'লহেঁতেন। প্ৰকৃত সত্যটো হ'ল যে বিশ্ববিদ্যালয়ে এই বিষয়ত কৰা প্ৰাৰ্থনা নামাঞ্জুৰ কৰি তথাকথিত তদন্ত সংক্ৰান্তত জিলা আদালতত আমি তৰা T.S. 7/89 নম্বৰ গোচৰটোৰ ওপৰত হস্তক্ষেপ কৰাৰ পৰা উচ্চ ন্যায়ালয় বিৰত আছিল। প্ৰসংগক্ৰমে উল্লেখনীয় যে *'প্ৰথমে ফাঁচি, বিচাৰ পিছত'* নীতি অনুসৰণ কৰি উপাচাৰ্য আৰু কাৰ্যবাহী পৰিষদে প্ৰথমে মিছা অভিযোগত বিনা বিচাৰে আমাৰ ওপৰত বিভিন্ন ধৰণৰ গুৰু শাস্তি বিহে আৰু এই দুষ্কাৰ্য উচ্চন্যায়ালয়ত সদৰি হ'লত, উপাচাৰ্যৰ মুখ বচাবলৈ অবৈধভাৱে শাস্তি বিহাৰ দুমাহ পিছত শিক্ষকৰ সেৱা বিধি উলংঘা কৰি আৰু পক্ষপাতদুষ্ট লোকক লৈ পৰিষদে এখন 'তদন্ত কমিটি' গঠনৰ সিদ্ধান্ত লয়। কাৰ্যবাহী পৰিষদৰ সেই অবৈধ সিদ্ধান্তৰ বিৰুদ্ধে আমি জিলা আদালতৰ কাষ চাপো। জিলা আদালতে বিষয়টোৰ বিভিন্ন দিশ চালিজাৰি চাই উক্ত তদন্ত কমিটিখন আপাতদৃষ্টিত অবৈধ বুলি ঘোষণা কৰি নিষেধাজ্ঞা (Injunction) জাৰি কৰে। ফলত তদন্ত বন্ধ হৈ যায়। (শাস্তি বিহাৰ পিছৰ তদন্ত!) বিদ্বেষ আৰু আখেজৰ বশৱৰ্তী হৈ উপাচাৰ্য শ্ৰীবৰাই আমাৰ বিৰুদ্ধে ৰাজহুৱাভাৱে জঘন্য মিছা অভিযোগ আনি কৰা মানহানিৰ বাবে আমি তেখেতৰ ওপৰত মানহানি তথা ক্ষতিপূৰণৰ মোকৰ্দমা ৰজু কৰিবলৈও সিদ্ধান্ত লওঁ আৰু সেই মৰ্মে আমাৰ উকিলক বিহিত ব্যৱস্থা লবলৈ নিৰ্দেশ দিওঁ। ইতিমধ্যে আমাৰ মাজৰ এজনে (ডঃ ডেকাই) আন এটা মিছা অভিযোগৰ সংক্ৰান্তত বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে আদালতত মানহানিৰ গোচৰ তৰিছে। আমাৰ অৱশ্যম্ভাৱী মানহানি তথা ক্ষতিপূৰণৰ মোকৰ্দমাৰ প্ৰতি লক্ষ্য ৰাখি জিলা আদালতত মূল বিষয়টোৰ ওপৰত তৰা আমাৰ T.S. 7/89 নম্বৰ গোচৰটো বিচাৰাধীন হৈ থকা অৱস্থাতে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ বিৰুদ্ধে অনা মিছা অভিযোগ *বিনাচৰ্তে* ন্যায়ৰ স্বাৰ্থত প্ৰত্যাহাৰ কৰে আৰু সমগ্ৰ বিষয়টো উঠাই লয়।

সামৰণিত আমি ন-যদি কওঁ যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ স্পষ্টীকৰণত আমাৰ সম্পৰ্কে কোৱা কথাখিনি সম্পূৰ্ণ মিছা আৰু ই বিশ্ববিদ্যালয়খনৰ বৰমূৰীয়াজনৰ আত্ম-প্ৰৱঞ্চনাৰ সাক্ষ্যহে মাথোন। ৰাজহুৱা স্বাৰ্থৰ খাতিৰত এষাৰ কথা নক'লে অন্যায় হ'ব। সত্য আৰু ন্যায়ৰ প্ৰতিমূৰ্তিস্বৰূপ বৰেণ্য ব্যক্তিয়েহে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদ শুৱাব লাগে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য গৰাকীয়ে নিজকে প্ৰশ্ন কৰা উচিতঃ উপাচাৰ্যৰ পদত অধিষ্ঠিত হৈ থকাৰ নৈতিক অধিকাৰ তেখেতৰ আছে নে?

কামিনী মোহন ডেকা
ৰামস্বৰূপ লাডিয়া
দীপংকৰ পুৰকায়স্থ
আবু নাছাৰ চাইদ আহমদ
বনমালী বৈশ্য
*ডিব্ৰুগড় বিশ্ববিদ্যালয়*

চিন্তা

# ছেক্সপীয়েৰৰ হেমলেটঃ মনোবৈজ্ঞানিক বিশ্লেষণ

ডাঃ বিজয় প্ৰসাদ বৰা

ছেক্সপীয়েৰৰ চাৰিখন বিখ্যাত 'ট্ৰেজেদী' নাটক হৈছে 'কিং লিয়েৰ', 'অথেলো', 'মেকবেথ' আৰু 'হেমলেট'। প্ৰত্যেকখন নাটকত মানুহৰ আবেগ আৰু সূক্ষ্ম অনুভূতিবোৰৰ নিজা ষ্টাইলেৰে চৰিত্ৰবোৰৰ এক নিখুঁত অংকন কৰা হৈছে। মনঃস্তত্ত্বৰ বিশ্লেষণেৰে অংকিত চৰিত্ৰবোৰে মানুহৰ মনত যুগে যুগে গভীৰ ভাবে ৰেখাপাত কৰি আহিছে। ছেক্সপীয়েৰে হেমলেটৰ চৰিত্ৰ অংকনতো মানুহৰ আবেগবোৰ অতি হৃদয়গ্ৰাহী আৰু চিন্তাকৰ্ষক কৰি তুলিবলৈ সক্ষম হৈছে। এনে বিশ্লেষণে হেমলেটক কেৱল ষোল্লশ শতাব্দীতেই আৱদ্ধ কৰি ৰখা নাই, এই চৰিত্ৰই যুগে যুগে মানুহক আকৰ্ষণ কৰি আহিছে, আৰু আহিব। হেমলেট চৰিত্ৰ বিশ্ব সাহিত্যৰে এটা অভিনৱ সৃষ্টি। নাটকখনত মানুহৰ ঘৃণা, হতাশা, ক্ৰোধ, লোভ, হিংসা, স্বাৰ্থপৰতা, প্ৰতিশোধ পৰায়ণতা আদি আবেগবোৰ অতি সুন্দৰ ভাবে প্ৰকাশ পাইছে।

ডেনমাৰ্কৰ ৰাজকুমাৰ হেমলেটে দেউতাকৰ আকস্মিক মৃত্যুৰ বাতৰি পাই ঘৰলৈ আহি শুনে যে তেওঁৰ খুৰাক ক্লডিয়াছে সিংহাসন দখল কৰিছে আৰু অতি খৰতকীয়াকৈ হেমলেটৰ মাকক বিবাহ কৰিছে। এফালে দেউতাকৰ মৃত্যু আৰু আনহাতে মাকৰ খুৰাকৰ লগত বিবাহ – এনে অৱস্থাত হেমলেট ভাগি পৰাটো স্বাভাৱিক।

হেমলেটৰ মানুহৰ প্ৰতি অগাধ বিশ্বাস আৰু শ্ৰদ্ধা আছিল। তেওঁ ভগৱানৰ সৃষ্টি মানুহৰ বিষয়ে মন্তব্য দিছিল – 'What a piece of work is man! how noble is reason! how infinite is faculty...... the beauty of the world.' কিন্তু মানুহৰ প্ৰতি সেই অগাধ বিশ্বাস থকা হেমলেটে কৈছে 'মানুহে মোক আনন্দ নিদিয়ে। আনকি তিৰোতা সকলেও।' তেওঁৰ নাৰীৰ প্ৰতি থকা ধাৰণা অতি উচ্চ আছিল। কিন্তু মাকৰ খৰখেদাকৈ বিবাহ সম্পন্ন হোৱাত নাৰীৰ প্ৰতি তেওঁৰ ঘৃণা ভাব আহি পৰিল। সেই কাৰণে তেওঁ চিঞৰি উঠিছে – 'Let me not think on't — Frailty! thy name is woman!' মাকৰ এনে বিবাহক 'অসভ্যালি' আৰু 'খৰখেদাকৈ দুষ্টামি' (Wicked speed) আৱদ্ধ হোৱা বুলি অভিহিত কৰিছে। তেওঁৰ বন্ধুক সুধিছে 'কি সেই বিবাহত মৃতকৰ মাংস ৰন্ধন কৰিছিল নে (Funeral baked meal; did coldly furnish forth the marriage tables) তেওঁ মাকৰ এই বিবাহৰ কাৰণে তেওঁক নানা কথা কৈ কৰ্কথনা কৰিছে – 'তুমি মোৰ পিতৃক অৱমাননা কৰিছা আৰু এতিয়া তোমাৰ বদমাছি মুখেৰে কথা কৈছা। (With a wicked tongue) তোমাৰ লাজ নাই নেকি? তোমাৰ সেই লজ্জা ক'ত! (O shame! where is thy blash!) যৌন উদ্ৰেকৰ বিষয়ে তেওঁ মাকক ভৰ্ৎসনা কৰিছে 'তুমি তোমাৰ সেই যৌৱনৰ শিখা সাধু ভাবেৰে নিজৰ মাজতেই নুমাই যাবলৈ নিদিলা কিয়' (To flaming youth let virtue be a wax, and melt in her won flame) তেওঁ আনকি যৌন সংগমৰ বিষয়ে অতি নিলাজ ভাবে কৈছেঃ–

'Let the bloat king tempt you again to bed; pineh wanton on your check call you his mouse'.

হেমলেটৰ নিচিনা উচ্চ-কল্পনা শক্তি সম্পন্ন চিন্তাশীল, কোমল অন্তৰৰ মানুহে নিজৰ মাতৃক এনে নিৰ্লজ্জ ভাবে বাক্যবাণ কৰিব পাৰেনে? ডেনমাৰ্কৰ যুৱৰাজৰ কাৰণে ই শোভা পাইনে? হেমলেটৰ এনে ব্যৱহাৰ প্ৰকৃতিস্থ মনৰ মানুহৰ পৰা হ'ব নোৱাৰে।

সেই যুগত ভূত প্ৰেত-যখিনী, প্ৰেতাত্মা আদিৰ প্ৰতি মানুহৰ অগাধ বিশ্বাস আছিল। ছেক্সপীয়েৰেও এই বিশ্বাসৰ ভিত্তিত হেমলেটৰ প্ৰেতাত্মা দৰ্শন কৰোৱাইছে। প্ৰেতাত্মাই হেমলেটৰ লগত কথা পাতিছে আৰু নিৰ্দেশ দিছে। ছেক্সপীয়েৰৰ এই প্ৰেতাত্মা দৰ্শন আধুনিক



মনোবিদৰ Hallucination সদৃশ। এই প্ৰেতাত্মাৰ কাৰ্যাৱলীয়ে গোটেই নাটকখনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। হেমলেটে প্ৰেতাত্মাৰ ওচৰত নিজকে আত্ম সম্বৰণ কৰিছে। (Sublimation) প্ৰেতাত্মাৰ নিৰ্দেশত প্ৰতিশোধ লবলৈ পৰিকল্পনা কৰিছে (Passivity phenomena) সেই প্ৰতিশোধ লবলৈ অপাৰগ হৈ তেওঁ বিষাদগ্ৰস্ত হৈ পৰিছে। সেই বিষাদে তেওঁৰ অনুভূতিবোৰ জগাই তুলিছে। তেওঁ খঙ, বিষাদ, ঘৃণা, হতাশা আদি আবেগবোৰ লৈ ধৰফৰাই ফুৰিছে।

এই প্ৰেতাত্মা দৰ্শন Hallucination নে বাস্তৱ? এই প্ৰেতাত্মা কেইবা ৰাতিও বিভিন্ন পহৰীয়াই দেখিছে। সেই কাৰণে ছেক্সপীয়েৰে এই দৰ্শনক বাস্তৱত ৰূপ দিবলৈ চেষ্টা কৰিছে। কিন্তু আধুনিক মনোবিদ সকলে একেলগে কেইবাজনৰো একে ভ্ৰান্তিমূলক ধাৰণা হ'ব পাৰে বুলি কয়। ছেক্সপীয়েৰেও এই ধাৰণাক বাস্তৱ ৰূপে সজাবলৈ চেষ্টা কৰিছে। সেই প্ৰেতাত্মাৰ পৰা তেওঁ জানিব পাৰিলে যে –তেওঁৰ পিতাকক হত্যা কৰা হৈছে। তেওঁৰ মৃত্যু সৰ্প দংশন নহয়। সেয়ে প্ৰেতাত্মাই খুৰাকৰ ওপৰত প্ৰতিশোধ লবলৈ নিৰ্দেশ দিছে; কিন্তু মাকৰ ওপৰত নহয়। প্ৰেতাত্মাৰ সেই কথাই হেমলেটক উত্তেজিত কৰি তুলিছে! তেওঁ চিঞৰি উঠিছেঃ– 'My fate cries out: And makes each petty artery in this body as the nemeans lions nerve.' তেওঁ খুৰাকক কৈছে – 'খুৰা তুমিয়েই তেনেহলে সকলো বদমাছিৰ মূল। মই তোমাক বিদায় দিম বুলি প্ৰতিজ্ঞা কৰিলো।'

তেওঁ যদিও বুজি পালে যে এই অন্যায়ৰ প্ৰতিবাদ কৰা উচিত কিন্তু তাৰ বিৰুদ্ধে যুঁজিবলৈ তেওঁ যে কিমান অসহায় সেয়া ফুটি উঠিছে হেমলেটৰ বিভিন্ন উক্তিবোৰত। তেওঁ কৈছে যে সময় ঠিকমতে যোৱা নাই। সেইবোৰ শুধৰাবলৈ তেওঁৰ পুনৰ জন্মৰ প্ৰয়োজন। (That ever I was born to sel it right) তেওঁৰ মনলৈ বিদ্বেষ, ঘৃণা ভাব আহিছে আৰু লগতে জাগি উঠিছে প্ৰতিশোধৰ তীব্ৰ বাসনা। তেওঁ যে কিমান অসহায় আৰু কিমান যে মানসিক সংঘাতত ভূগিছে সেয়া ফুটি উঠিছে তলৰ স্বগতোক্তিত –

'হ'ব নে নহ'ব সেইটো এটা প্ৰশ্ন
সাধু হৈ চিৰ জীৱন বেদনাত থাকিমনে
. . . . . . . . . . . . . . . . . . . . . .
সাগৰ সদৃশ শক্তিৰ বিৰুদ্ধে যুদ্ধ দিম'

এফালে ক্ষমতাশীল ৰজা আনহাতে তেওঁ অকলে। এনে অৱস্থাত তেওঁৰ মনলৈ বিষণ্ণতা আহিছে। তেওঁ মৃত্যুৰ কথাও ভাবিছে। হত্যাৰ নিচিনা জঘন্য কাম কৰিবলৈ তেওঁৰ মনে মানিব পৰা নাই। কিন্তু তেওঁক লাগে পিতৃ হত্যাৰ প্ৰতিশোধ! প্ৰেতাত্মাই তেওঁক পৰিচালিত কৰি আহিছে প্ৰতিশোধ লবলৈ আনহাতে তেওঁৰ বিবেকে কয় হত্যাৰ পৰা আঁতৰি থাকিবলৈ, আকৌ আবেগেও কয় – প্ৰতিশোধ লবলৈ। এনে বিবেক আৰু আবেগৰ সংঘাতত তেওঁ আক্ষেপ কৰি কৈছে – 'বিবেকে মানুহক কাপুৰুষ কৰি তোলে' (conscience does make coward at us all)

তেওঁ স্বাৰ্থপৰতা, দুষ্কৃতি, লজ্জা-হীনতালৈ লক্ষ্য কৰি বিষাদত ভূগিছে। তেওঁৰ মনৰ যন্ত্ৰণাত চিঞৰি উঠিছে – 'মোৰ দুৰ্বলতা আৰু মোৰ বিষাদতা ই হেঙাৰ হৈ পৰিছে।'

হেমলেট বিষাদগ্ৰস্ত হোৱাৰ কাৰণ কেইবাটাও। প্ৰথমতে পিতাকৰ মৃত্যুৱে বিষাদ আনে। মনৰ দুখৰ মাজতেই মাকৰ খৰতকীয়াকৈ হোৱা বিয়াই তেওঁৰ মন ভাঙি পেলায়। আনহাতে খুৰাকে অবৈধভাবে সিংহাসন আৰোহন কৰে আৰু যেতিয়া পিতাকৰ প্ৰেতাত্মাৰ পৰা জানিব পাৰিলে যে দেউতাকৰ মৃত্যু আকস্মিক নাছিল; হত্যাহে কৰা হৈছিল তেতিয়া মৰ্মাহত হৈ জ্বলিপূৰি মৰিছিল। এফালে তেওঁক লাগে এই অন্যায়ৰ বিচাৰ আনহাতে তেওঁ অকলশৰীয়া আৰু সাগৰ সদৃশ বাধা। এনে অৱস্থাত তেওঁৰ মনৰ ভাৰসাম্য নাহোৱাটোৱেই স্বাভাৱিক। ইয়াৰ উপৰিও তেওঁৰ প্ৰেমিকা অফেলিয়াই পিতাকৰ উচটনিত হেমলেটৰ পৰা আঁতৰি আহে। ফলত হেমলেটৰ দুখ আৰু হতাশা বাঢ়ি যায়। এনে অৱস্থাত তেওঁ কল্পনা আৰু চিন্তাৰ মাজত ডুব যায়। তেওঁ ঠিক কৰিলে যে তেওঁ খুৰাকক হত্যা কৰিব। সেই কাৰণে তেওঁ উন্মাদৰ ভাও ললে। যদিও হেমলেটে উন্মাদৰ ভাও লগে তথাপি খুৰাকক হত্যা কৰিবলৈ একো বিশেষ পৰিকল্পনা কৰা নাছিল। তেওঁ ভাবিছিল যে খুৰাক যেতিয়া মাতাল হৈ শুই থাকিব বা খঙত ক'ব নোৱৰা হৈ থাকিব বা খেলত নাইবা কোনো কামত ব্যস্ত হৈ থাকিব তেতিয়া চল চাই খুৰাকক হত্যা কৰিব। এনে এটা সুযোগ লবলৈ তেওঁ উন্মাদৰ ভাও লোৱাটো কোনো পৰিকল্পনাই নহয়। তেওঁৰ এই ভাবধাৰা আৰু প্ৰতিশোধৰ পৰিকল্পনাবোৰ 'autistic thinking' বুলিহে ক'ব পাৰি। এনে ভাবধাৰা কাৰ্যত পৰিণত কৰিব নোৱৰা কিছুমান কল্পনাহে – যাক আমি ক'ব পাৰো 'আকাশত চাং পতা' বুলি।

উন্মাদৰ ভাও লৈ প্ৰতিশোধ লবলৈ কল্পনা কৰাটো প্ৰকৃতিস্থ মনৰ পৰিচয় নহয়। উন্মাদক সকলোৱে ঘৃণা কৰে, আশংকা কৰে, সন্দেহ কৰে। ষোল্লশ শতিকাত উন্মাদ সকলৰ প্ৰতি অমানুষিক ব্যৱহাৰ কৰিছিল। তেনে অৱস্থাত হেমলেটে উন্মাদৰ ভাও লবলৈ যোৱা কথাটো সুস্থিৰ মনৰ পৰিচয় নহয়। ইফালে ৰজায়ো অনুভৱ কৰিছিল যে হেমলেট প্ৰকৃত উন্মাদ নহয়। তেওঁ কৈছিল–

'was not like a madness
......and I do doubt the hatch
and the disclose will be some danger.'

হেমলেটে ৰজাক হত্যা কৰিবলৈ সুযোগ নোপোৱা নহয়। মাকক লগ ধৰিবলৈ যাওঁতে খুৰাকে প্ৰাৰ্থনা কৰি আছিল। তেওঁক হত্যা কৰিবলৈ সেইটোৱেই সোণালী সুযোগ আছিল। কিন্তু সেই সুবিধা হেমলেটে নললে কাৰণ প্ৰাৰ্থনাৰত অৱস্থাত হত্যা কৰিলে আত্মাৰ মুক্তিহে হ'ব। সমালোচক গ্ৰেনতাৰ আৰু বেকাৰে কয় যে হেমলেটৰ স্বভাৱ নীচ নহয়। সেই কাৰণে প্ৰাৰ্থনা কৰি থকা অৱস্থাত আত্মাক কলুষিত কৰিবলৈ বিচৰা নাছিল। যদি সেইটোৱেই হয় তেনেহলে হেমলেটৰ প্ৰতিশোধ ভাবটো autistic thinking বুলিহে ক'ব পাৰি। আমি আনহাতেক'ব পাৰো যে হেমলেটৰ হত্যা কৰিবলৈ সাহ নাছিল, কাৰণে 'শিয়ালে আঙুৰ টেঙা' বুলি এৰি অহাৰ নিচিনাকৈ হেমলেটেও 'সেই কাৰ্য পিছত বিচাৰ কৰা হ'ব' বুলি ফালৰি কাটি আহিল।

হেমলেটৰ বিষাদগ্ৰস্ত, দ্বিধাগ্ৰস্ত আৰু চিন্তাগ্ৰস্ত মনে সদায় এটা tension লৈ থাকে। এনে অৱস্থাত তেওঁ হঠাৎ impulsive হৈ কাম কৰাটো স্বাভাৱিক। মাকৰ লগত যেতিয়া অতি গভীৰ ভাবে আলোচনা কৰিবলৈ গৈছিল; তেতিয়া ভয়ত মাকে চিঞৰি দিলে। তেনে সময়তে পৰ্দাৰ আঁৰত লুকাই থকা পলিনিয়াচৰ খৰমৰ শব্দ শুনি বাছবিচাৰ নকৰাকৈ তেওঁক হেমলেটে হত্যা কৰি পেলালে। হত্যা কৰিও তেওঁৰ

মনত বিশেষ দুখৰ উদ্ৰেক নহ'ল। তেওঁৰ উক্তি 'I must be cruel only to be kind' হেমলেটৰ এনে impulsive ব্যৱহাৰ দেখা দিছিল অফেলিয়াৰ সমাধিস্থলত। অফেলিয়াৰ মৃত্যুত ব্যাকুল হৈ তেওঁৰ ককায়েক লৰেটিছে ভনীয়েকৰ সমাধিস্থলত জঁপিয়াই পৰি দুখত কান্দি থকাৰ সময়ত হেমলেটে লৰেটিছৰ লগত দবৰাদবৰি লাগে। তেওঁলোক দুয়োজনক তেনে অৱস্থাৰ পৰা আঁতৰাই অনাৰ পাছত হেমলেটে চিঞৰিবলৈ ধৰিলে। ৪0 হেজাৰ ককাই-ভাইৰ ভালপোৱা গোটালেও অফেলিয়াৰ প্ৰতি মোৰ ভাল পোৱাৰ সমান হ'ব নোৱাৰে।' হেমলেটৰ এনে আচৰণ নিশ্চয় সুস্থিৰ মনৰ পৰিচায়ক নহয়।

১৬শ শতিকাতেই ছেক্সপীয়েৰে আধুনিক মনোবিশ্লেষণৰ ধাৰা ফুটাই তুলিবলৈ সমৰ্থ হৈছিল। আধুনিক মনোবিদে psychodramaৰ জৰিয়তে আত্ম-উপলব্ধি আৰু মনৰ গতি অধ্যয়ন কৰে। ছেক্সপীয়েৰে সেই পদ্ধতিকেই অৱলম্বন কৰিছিল হেমলেটৰ জৰিয়তে। হেমলেটে খুৰাকৰ মনৰ গতিৰ অৱস্থা বুজিবলৈ এখন নাটৰ আয়োজন কৰিলে। নাটকৰ মূল কথা হ'ল 'ভায়েকে ককায়েকক হত্যা কৰি সিংহাসন লাভ কৰি বৌয়েকক বিয়া কৰায়।' নাটকৰ কাহিনী দেখি খুৰায়েকে নাটক শেষ হবলৈ নৌ পাওঁতেই নাটঘৰ ত্যাগ কৰে। তেওঁৰ এনে কাৰ্যই হেমলেটক সন্দেহ মুক্ত কৰিলে। তেওঁ বুজিলে যে প্ৰেতাত্মাৰ কথা সঁচা। হেমলেটে এনে psychodrama কৰিবলৈ কিয় ললে! প্ৰেতাত্মাৰ কথাত তেওঁ পতিয়ন নগৈছিল নেকি? নাইবা তেওঁৰ ওপৰত বিশ্বাস নাছিল নেকি? হয়তো তেওঁ ঘটনাটোত নিশ্চিত হৈ প্ৰতিশোধ লোৱাৰ কথা ভাবিছিল।

হেমলেটে প্ৰতিশোধ লবলৈ গৈ উন্মাদৰ ভাও লৈ একো লাভ হোৱা নাছিল। ৰজাই হেমলেটক ইংলেন্ডলৈ পঠাই হত্যা কৰাৰ কথাহে ভাবিছিল। সেই কাৰণে ৰজাই তেওঁক ইংলেন্ডলৈ যাবলৈ আদেশ দিলে। হেমলেট ইমানেই দুৰ্বল আছিল যে তেওঁ ইয়াৰ প্ৰতিবাদ কৰিব নোৱাৰিলে। তেনে অৱস্থাত উন্মাদৰ ভাও লৈ প্ৰতিশোধ লোৱাৰ একো ফল নধৰিল। উন্মাদৰ ভাও লোৱাটো বিভ্ৰান্ত মনৰ পৰিচায়ক নহয় জানো! কিন্তু হেমলেটৰ ভাগ্য ভাল। ইংলেন্ড যাত্ৰাত জলদস্যুৰ হাতত পৰি পুনৰাই নিজৰ দেশলৈ উভতি আহে। পিছে ৰজাই হেমলেটক হত্যা কৰাৰ ষড়যন্ত্ৰ বাদ নিদিলে। তেওঁ লৰেটিছৰ লগত হেমলেটৰ এখন বন্ধুত্বপূৰ্ণ তৰোৱাল যুদ্ধ বন্দৱস্ত কৰিলে। ৰজাই লৰেটিছৰ তৰোৱালত বিহ লগোৱাই দিয়ালে। কেনেবাকৈ তৰোৱালৰ বিহত মৃত্যু নহ'ব পাৰে বুলি হেমলেটলৈ যুগুতাই থোৱা পানীয়ত বিহ মিহলাই থোৱালে। যুদ্ধ আৰম্ভ হোৱাৰ আগতে হেমলেটে আকৌ ৰজাৰ পৰা ক্ষমাহে মাগিছে 'Give me your pardon, sir: I have done you wrong'.

যুদ্ধত লৰেটিছে হেমলেটক বিহ লগা তৰোৱালেৰে আঘাত কৰাত দুয়োৰে মাজত দবৰা-দবৰি লাগে। দুয়োৰে তৰোৱাল সলনি হ'ল। ইতিমধ্যে মাকে হেমলেটলৈ বুলি থোৱা বিহ পানীয় পান কৰি মৃত্যুৰ মুখত পৰে। তেতিয়াহে লৰেটিছে ৰজাৰ ষড়যন্ত্ৰৰ কথা হেমলেটক জনায়। সেই কথা শুনি হেমলেটে হঠাৎ ৰজাক আক্ৰমণ কৰি হত্যা কৰে। লৰেটিছে সেই কথা হেমলেটক নজনোৱা হলে হেমলেটে ৰজাক হত্যা নকৰিলেহেঁতেন. কাৰণ হেমলেটে সেই সময়ত খুৰাকক হত্যা কৰাৰ কথা ভবা নাছিল। লৰেটিছৰ কথাত তেওঁৰ হুচ আহিল আৰু ৰজাক impulsively হত্যা কৰিলে। তেওঁৰ খুৰাকৰ ওপৰত ইমান ঘৃণা আছিল যে খুৰাকৰ মৃত্যুৰ আগ মুহূৰ্তত কৈছে 'অবৈধ যৌনৰত ৰসাতললৈ যোৱা ভেন! এই বিহবোৰ পান কৰ আৰু মোৰ মাৰ পশ্চাদগামী হ' এই বুলি ৰজাৰ মুখত সেই বিহ পানীয় ঢালি দিয়ে। তেওঁ মাকক অন্তিম সময়তো ক্ষমা নকৰি চিঞৰি চিঞৰি কৈ গৈছে – 'Wretched Qeen! Adieu'

হেমলেটৰ মনৰ অৱস্থা দেখিলে দুখ লাগে। তেওঁ মনৰ বেজাৰত হাহাকাৰ কৰি ফুৰিছে অথচ কাকো মনৰ অৱস্থা ব্যক্ত কৰিব পৰা নাই। তেওঁৰ এনে মনৰ অৱস্থাই তেওঁৰ ব্যক্তিত্বটো জটিল কৰি তুলিছে। এনে অৱস্থাত খঙাল সাহিয়াল জনে হয়তো লগে লগেই প্ৰতিশোধ ল'ব। নিৰ্জ্জু, ভীৰু সকলে মনে মনে থাকিব; কিন্তু হেমলেটৰ ভাবধাৰা বেলেগ আছিল। তেওঁ বিষাদত ভুগিছিল। তেওঁৰ নৈতিকতাই তেওঁক প্ৰতিশোধ লোৱাৰ পৰা বিৰত ৰাখিছিল। কবলৈ গলে তেওঁৰ প্ৰতিশোধ লবলৈ যোৱা পৰিকল্পনাটো 'autistic thinking'ৰ পৰা হোৱা। ফলত তেওঁৰ ভাবধাৰাবোৰ কাৰ্যত পৰিণত কৰিব নোৱাৰিছিল। 'খুৰাকক হত্যা কৰিব লাগে' এই ভাবটো obscessionৰ দৰে হৈছে। তেওঁৰ ভাব আহিছে; কিন্তু কাৰ্যত পৰিণত কৰিব পৰা নাই। তেওঁ এজন উচ্চ নৈতিক সম্পন্ন ব্যক্তি। নৈতিকতাৰ কাৰণে তেওঁ হত্যাৰ নিচিনা জঘন্য কাম এটা কৰিব পৰা নাছিল। তেওঁৰ 'ইদ' আৰু 'ইগো'ৰ মাজত হোৱা সংঘাত সমাধান কৰিব পৰা নাছিল। তেওঁৰ 'চুপাৰ ইগো' সদায় 'ইগো' ফাললৈ ঢাল লয়। ফলত তেওঁৰ 'ইদ' নিষ্কৰ্মা হৈ পৰে আৰু প্ৰতিশোধৰ পৰা বিৰত থাকে। তেওঁৰ চিন্তা প্ৰৱণতা autistic thinking. obscessive ভাবধাৰা তেওঁ প্ৰতিশোধ লোৱাৰ কাৰণে অন্তৰায় স্বৰূপ হৈ পৰিছে। যদিও সকলো সমালোচকে তেওঁৰ চৰিত্ৰটো জটিল বুলি কৈছে, তথাপি তেওঁক এজন সাধাৰণ মনৰ মানুহ যেনহে লাগে। তেওঁ চিন্তা প্ৰৱণ, চৰিত্ৰবান আৰু নৈতিক পৰায়ণ এজন মানুহ। যিটো তেওঁৰ কাৰণে অসম্ভৱ কাম তাক সমাধান কৰিবলৈ ভাবি চিন্তি থকাটো তেওঁৰ কাৰণে 'অৱচেতন' হৈ পৰিছিল। ফলত তেওঁ একোতেই কৃতকাৰ্য হ'ব পৰা নাছিল। মাত্ৰ ঘটনাক্ৰমেহে খুৰাকক হত্যা কৰিবলৈ সমৰ্থ হৈছিল। এনে ধৰণৰ হত্যাত 'ক্ৰেডিট' নাছিল। লৰেটিছে তেওঁ জিংঘাসাৰ ভাব জগাই তোলাতহে খুৰাকক হত্যা কৰিব পাৰিছিল।

ৰিনাইচেন্স যুগৰ হেমলেটে সেই যুগৰ লগত নিজকে খাপ খুৱাই ল'ব পৰা নাছিল। পুৰণি নীতিক নেওচি নতুনক গ্ৰহণ কৰিবলৈ হেমলেট অপাৰগ হৈ পৰিছে। তেওঁ দেখিছে সমাজৰ চাৰিওফালে আছে হিংসা, স্বাৰ্থপৰতা, নীচতা আদি। কিন্তু তেওঁৰ জগতখন একেবাৰে বিভিন্ন। গতিকে এনে অৱস্থাত তেওঁৰ মনত জটিলতাই দেখা দিছে। সাহিত্যৰ ছাত্ৰৰ কাৰণে এই জটিলতা বিশ্লেষণ কৰি তেওঁৰ প্ৰকৃত চৰিত্ৰটো দাঙি ধৰিব পাৰিলে আনন্দ পোৱা যাব। যুগে যুগে বিশাৰদ সকলে হেমলেটৰ চৰিত্ৰ অংকন কৰি আহিছে – যেন তেওঁৰ চৰিত্ৰ অংকন কৰাটো এটা চেলেঞ্জহে।

অসমৰো সমালোচক সকলে তেনে সমালোচনাত ভাগ লৈছে যদিও সেই গতানুগতিক আলোচনা – হেমলেট উন্মাদ আছিল নে, প্ৰতিশোধ লোৱাত কিয় বিলম্ব কৰিছিল ইত্যাদি। বৰ্তমান সাহিত্য প্ৰেমীয়ে এক নতুন চিন্তাত ছেক্সপীয়েৰৰ মনঃস্তত্ত্ব বিশ্লেষণ আৰু হেমলেটৰ মনটোৰ বিষয়ে আলোচনা কৰিবলৈ ললে এটা নতুন চিন্তাধাৰাৰ উদ্ৰেক হ'ব।



## গ্ৰন্থজগত

নলিনীধৰ ভট্টাচাৰ্য

# কবিতাৰ পৰম্পৰা আৰু ভৱিষ্যত

কবিতাৰ ভৱিষ্যতঃ পঞ্চ দশকৰ সাহিত্যৰ পৰম্পৰা, ড০ দিলীপ বৰুৱা
*প্ৰকাশক – ষ্টুডেন্টচ ষ্ট'ৰ*
*কলেজ হোষ্টেল ৰোড*
*গুৱাহাটী-১*

'কবিতাৰ ভৱিষ্যতঃ পঞ্চ দশকৰ সাহিত্যৰ পৰম্পৰা' নামৰ কিতাপখন ড০ দিলীপ বৰুৱাৰ শেহতীয়া ৰচনা। কিতাপখনৰ নামকৰণৰ পৰাই প্ৰতিপাদ্য বিষয়ৰ কিছু আভাস পাব পাৰি। ইয়াৰ বেছিভাগ প্ৰবন্ধ আলোচনীত সিঁচৰতি হৈ আছিলঃ সেইবোৰকে গোটাই আনি পুথি আকাৰে তেওঁ প্ৰকাশ কৰি অসমীয়া আলোচনা সাহিত্যলৈ এটি উল্লেখযোগ্য অৱদান আগবঢ়াইছে। পুথিখনিৰ কেন্দ্ৰীয় বিষয় হ'ল আমাৰ ৰামধেনু- যুগৰ সাহিত্য-তাৰ আলমতে তেওঁ বিশ্ব সাহিত্যৰো "যৎকিঞ্চিত আভাস" দিবলৈ যত্ন কৰিছে। সেইবাবে প্ৰবন্ধবোৰৰ মাজত এটা ভাবগত যোগসূত্ৰও আছে। পুথিখন স্বতন্ত্ৰ জিজ্ঞাসাৰ ওপৰত প্ৰতিষ্ঠিত হৈছে বুলি কোৱা টান যদিও লেখকৰ বিস্তৃত অধ্যয়ন, বিদেশী সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ সম্পৰ্কৰ বিষয়ে তেওঁৰ ধাৰণা, আধুনিকতা সম্বন্ধে তেওঁৰ উপলব্ধি -এনেবোৰ কথাই পুথিখনৰ মূল্য বঢ়াইছে আৰু আগ্ৰহী পাঠক, ছাত্ৰ-ছাত্ৰীৰ বাবেও উপযুক্ত কৰি তুলিছে। অৱশ্যে, সাহিত্যৰ সকলো সংৰূপ (Genre)ৰ কথা দুই-এঠাইত ক'লেও, মূলতঃ তেওঁ কবিতাৰহে আলোচনা কৰিছে আৰু তাৰ পটভূমি ফঁহিয়াই আধুনিক সাহিত্য আৰু সমালোচনা সম্পৰ্কে তেওঁ দুই-এটা সিদ্ধান্ত দাঙি ধৰিছে।

প্ৰথম তিনিটা প্ৰবন্ধত, ইউৰোপীয় কবিতাত প্ৰতীকবাদ, এলিয়টৰ 'ৱেষ্ট-লেন্ড'ৰ প্ৰসংগ আৰু ইংলন্ডত ত্ৰিশৰ দশকৰ কবিতাত মাৰ্ক্সীয় প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। বোডলেয়াৰ, মালাৰ্মে প্ৰভৃতি প্ৰতীকবাদী কবিৰ কবিতাৰ উদাহৰণ দি তেওঁ প্ৰতীকবাদৰ ব্যাখ্যা দাঙি ধৰিছে আৰু লগতে এই পৰম্পৰা আন ঠাইলৈ কেনেকৈ বিয়পিছিল তাৰো আলোচনা কৰি দেখুৱাইছে। অৰবিন্দৰ কাব্যিক মতবাদৰ লগত মালাৰ্মে, ৰোঁব্যা প্ৰভৃতি প্ৰতীকবাদী সকলৰ চিন্তাধাৰাৰ সাদৃশ্যও তেওঁ দেখুৱাইছে যদিও অৰবিন্দৰ অধ্যাত্মবাদী সংজ্ঞাৰ লগত প্ৰতীকবাদী আধ্যাত্মিকতাৰ অমিলো আছে। তথাপিও বৰুৱাৰ এই ধৰণৰ অধ্যয়ন প্ৰণিধানযোগ্য। এলিয়টৰ কবিতাৰ আলোচনা প্ৰসংগত চিত্ৰকল্পবাদ (imagism) অতিবাস্তৱবাদ (surrealism) অভিব্যক্তিবাদ (expres-sionism), দাদাবাদ (dadaism) প্ৰভৃতি কাব্য-দৰ্শনৰ মূল কথাবোৰলৈ আঙুলিয়াই দি 'ৱেষ্টলেন্ড'ৰ প্ৰসংগৰ এটি সূক্ষ্ম সমীক্ষা আগবঢ়াইছে। সমসাময়িক নিৰাশাবাদৰ প্ৰতীক, 'ৱেষ্টলেন্ড কবিতাত ধৰ্ম-বিশ্বাসৰ আধাৰৰ কথাও তেওঁ উল্লেখ কৰিছে। O Lord thou pluckesh me out' বুলি আত্মিক উদ্ধাৰৰ যি বাণী কবিয়ে উচ্চাৰণ কৰিছে তাতে লেখকে দেখিছে আধুনিক জগতৰ নানা ব্যভিচাৰত ক্লিষ্ট এক সুকুমাৰ চেতনাৰ নিভৃত উৎকন্ঠা। তেওঁ অৱশ্যে এলিয়টৰ ৰক্ষণশীলতা সমৰ্থন কৰা নাই। ইংলন্ডৰ ত্ৰিশৰ দশকৰ কবিসকলে (স্পেন্ডাৰ, লুইমেকনিচ আদি) প্ৰথমতে যিদৰে মাৰ্ক্সীয় চেতনাৰে উদ্বুদ্ধ হৈ Lea ning towerৰ সম্ভেদ দিছিল, পিছলৈ সেই উৎসাহ তেওঁবিলাকৰ নেথাকিল। তেওঁবিলাক আকৌ আত্মমুখী হৈ পৰিল। লেখকে এই পৰিবৰ্তনৰ কথা আৰু পটভূমি বিশ্লেষণ কৰি দেখুৱাইছে আৰু ত্ৰিশৰ দশকৰ কবি সকলৰ পাছৰ কবি সকলৰো ভাব-চিন্তাৰ আভাস দিছে। 'ফৰাচী কবিতাৰ আভাস' আৰু 'সাম্প্ৰতিক ফৰাচী কবিতা' নামৰ প্ৰবন্ধত নানা ভাবে সমৃদ্ধ আৰু বৈচিত্ৰ্যপূৰ্ণ ফৰাচী কবিতাৰ বিবৰ্তনৰ ইতিহাস আছে। পাঠকে এই দুয়োটা প্ৰবন্ধৰ পৰা ফৰাচী কবিতাৰ কথা জানিব পাৰিব। 'অস্কাৰ ৱাইল্ড': অৱক্ষয়ী সাহিত্যৰ পৰিপ্ৰেক্ষিতত' নামৰ প্ৰবন্ধত ৱাইল্ডৰ কবিতা আৰু নাটকৰ কুলা-ৰীতিৰ চিনাকি আছে। আত্মমুখী হলেও ৱাইল্ডে পটুতা অৰ্জনৰ বাবে যি সাধনা কৰিছিল, তাৰ পৰা আমাৰ লেখকেও শিকিব পাৰিব – এনে এক ধাৰণা লৈয়ে লেখকে ৱাইল্ডৰ সাহিত্য নিৰ্মাণৰ আভাস দিছে। মানৱতাবাদী মনোবৈজ্ঞানিক এৰিক ফ্ৰমৰ বিষয়েও লেখকে এটি প্ৰবন্ধ লিখি ফ্ৰয়েড আৰু ফ্ৰমৰ চিন্তাৰ পাৰ্থক্যসমূহ ফঁহিয়াই চাইছে।

অন্যান্য প্ৰবন্ধৰ ভিতৰত 'সাহিত্য আৰু নৈৰ্ব্যক্তিকতা' 'সমসাময়িক সাহিত্য আৰু জীৱনবোধ', 'আধুনিক সাহিত্যৰ স্বৰূপ' আদি উল্লেখযোগ্য। প্ৰথমটোত এলিয়টী নৈৰ্ব্যক্তিকতাৰ কথা আলোচনা কৰা হৈছে। দ্বিতীয় নিবন্ধত অৱস্থিতিবাদ, চাৰ্ত্ৰে, গীনচ্‌বাৰ্গৰ ৰচনাৰ আভাস দিবলৈ লেখকে যত্ন কৰিছে। ক্ৰমাৎ নিস্তেজ হৈ অহা ইংৰাজী কবিতাক টম গান আৰু টেড হিউজে কেনেকৈ নতুন প্ৰতীকবোৰ জীৱন্ত কৰি তুলিছে তাৰো আভাস এই প্ৰবন্ধটোত পোৱা যায়। শেহৰটো প্ৰবন্ধত লেখকে আধুনিকতাৰ স্বৰূপ কি তাক দেখুৱাইছে আৰু বোডলেয়াৰ, ৰোঁব্যা প্ৰভৃতিয়ে আত্ম-সচেতনতাৰে কেনেকৈ আধুনিক কবিতাৰ জন্ম দিলে তাৰ কথা কৈছে। ইয়াৰ পিছত সমগ্ৰ ইউৰোপতে, ৰচনাশৈলী, অবয়ব, ভাষাৰ পৱিত্ৰতা, জ্ঞান-অনুভূতিৰ ঐক্যবোধ – আদি সম্পৰ্কে চিন্তা-চৰ্চা হোৱাৰ ইংগিতো তেওঁ দিছে। বিভিন্ন সাহিত্য দৰ্শনৰ (বাস্তৱবাদৰ পৰা এব্‌চাৰ্ড তত্ত্বলৈকে) চমু আলোচনা কৰি তেওঁ এই বুলি এটা সিদ্ধান্তলৈ আহিছে যে সামাজিক অভিজ্ঞতা বাদ দি Esoteric সাহিত্য সৃষ্টি কৰা শৈলীৰ উৎকৰ্ষ সাধন সম্ভৱ নহয়।

পুথিখনত পঞ্চাশৰ দশকৰ অসমীয়া কবিতা সম্পৰ্কেও কেইবাটাও নিবন্ধ আছে। তাৰ ভিতৰত 'নৱকান্ত বৰুৱাৰ কবিতাঃ এটি সমীক্ষা', 'পঞ্চ দশকৰ অসমীয়া কবিতা' 'আধুনিক অসমীয়া কবিতা' আদি প্ৰবন্ধ উল্লেখ কৰিব পাৰি। নৱকান্ত বৰুৱাৰ কবিতা আলোচনা কৰি তেওঁ কৈছে যে নৱকান্তৰ কবিতাই অসমীয়া মানসত এক জটিল সম্ভ্ৰমতা (Sophistication) উন্মোচন কৰিলে। কথাষাৰ মন কৰিবলগীয়া – সম্ভৱতঃ নৱকান্তৰ ভাল কবিতাবোৰত অনুভূতি আৰু বৌদ্ধিক সততাৰ সাৰ্থক ৰসায়ন হোৱালৈকে লেখকে আঙুলিয়াইছে। দ্বিতীয় প্ৰবন্ধত হেম বৰুৱাৰ গদ্য-গন্ধী কবিতাৰ আলোচনাৰ লগতে প্ৰসংগৰো বিশ্লেষণ দিয়া হৈছে। ৰামধেনু যুগত সৃষ্টি হোৱা উদ্দীপনাৰ উৎস, আধুনিক কবিতাৰ আন্দোলন বুলিও লেখকে মন্তব্য দিছে। এই কথা বহু পৰিমাণে সঁচা।

তৃতীয় প্ৰবন্ধত অসমীয়া কবিতাৰ কলেৱৰটো চাই-চিন্তি লেখকে আশা কৰিছে যে অদূৰ ভৱিষ্যতে আমাৰ সাহিত্যত এক সুস্থ সাৰ্বজনীন কাব্যিক মানদণ্ডই গঢ় ল'ব।

এইবোৰৰ উপৰিও 'সমালোচক বাণীকান্ত কাকতি' নামৰ নিবন্ধত সমালোচক হিচাপে কাকতিৰ কৃতিত্ব আৰু সীমাবদ্ধতা সম্পৰ্কে আলোচনা কৰা হৈছে। সাহিত্য-বিচাৰ সম্পৰ্কেও তেওঁৰ বক্তব্য আছে। ভাষা-বিজ্ঞান আৰু সাহিত্য-বিচাৰ' বা সমালোচনা আৰু জীৱনবোধ – এইবোৰ প্ৰবন্ধত শব্দৰ চৰিত্ৰ আৰু সমালোচনাৰ গঠনমূলক আৰু সৃষ্টিশীল ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে। পাঠকে সেইবোৰ পঢ়ি নিশ্চয় উপকৃত হ'ব।

'ৰামধেনু' যুগৰ অন্যান্য সমালোচক সকলৰ (ভবানন্দ দত্ত, জ্ঞানানন্দ শৰ্মা পাঠক আদি) দিগ্-দৰ্শনত সন্তুষ্ট হ'ব নোৱাৰি লেখা এই প্ৰবন্ধবোৰ আমি উপেক্ষা কৰিব নোৱাৰো এইবাবেই যে লেখক অসমীয়া সাহিত্য আৰু অসমীয়া জাতিৰ বিকাশ সম্বন্ধে সততে উদ্বিগ্ন। তেওঁৰ এই পাৰশ্ৰম সফল হব – যদিহে কিতাপখনৰ ঘাই গুণ সমূহ (বিশেষকৈ পঞ্চাশ দশকৰ কাব্যিক প্ৰচেষ্টাৰ লগত জড়িত দেশী-বিদেশী কাব্যদৰ্শনবোৰৰ সম্যক আলোচনা) পাঠকে সহানুভূতিৰে অধ্যয়ন কৰে। ইউৰোপীয় সাহিত্যৰ পৰম্পৰাৰ লগত ৰামধেনু যুগৰ পৰম্পৰাও আমাৰ কবিতা তথা সাহিত্যৰ ভৱিষ্যতৰ বাবে নিতান্ত অপৰিহাৰ্য। লেখকৰ প্ৰতিপাদ্য বোধহয় এয়ে। এই যুগটোত কি ধৰণৰ কবিতা লিখা হৈছিল? কোন কোন লেখক অধিক গুৰুত্বপূৰ্ণ! বা যুগটোৰ ঘাই শক্তি ক'ত? –এনেবোৰ প্ৰশ্নৰ সম্পূৰ্ণ উত্তৰ নেপালেও আংশিকভাবে হ'লেও পোৱা যাব এই প্ৰবন্ধবোৰত। আমি ভাবো, কিতাপখন অসমীয়া সাহিত্যলৈ এটি মূল্যবান সংযোজন।

পুথিখনত দুটা এটা ভুল আছে। এটা প্ৰবন্ধৰ শিৰোনামা দিয়া হৈছে –সমসাময়িক সাহিত্য ও জীৱনবোধ'। 'ও'ৰ ঠাইত 'আৰু' হোৱা উচিত। 'সিঁচৰিত' শব্দটো শুদ্ধ নহয় – সিঁচৰতিহে শুদ্ধ। ই ছপাৰ ভুলো হ'ব পাৰে। ভৱিষ্যতে এনে আসোঁৱাহ নথকাটোকে আমি কামনা কৰো।

কিতাপখনৰ ছপা-বন্ধা ভাল। প্ৰকাশক বিজয় দত্ত এই বাবে ধন্যবাদৰ পাত্ৰ। পাঠক সকলে আশাকৰো সহানুভূতিৰে কিতাপখন হাতত ল'ব।

# নীলিম কুমাৰৰ কবিতা

**পানীত ঢৌ, ঢৌবোৰ মাছ**
**নীলিম কুমাৰ**
*প্ৰকাশকঃ খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা*
*গুৱাহাটী*

'শবাসৰুদ্ধ প্ৰেম আৰু আন্ধাৰৰ শুঙৰ দৰে ভাঁজটোত মই মূৰ্চ্ছা গৈছিলো/তথাপি মই কাটি উলিয়াইছিলো আত্মমগ্ন এটা বাট।' – নীলিম কুমাৰে জীৱনৰ কল্লোল আৰু গতি দেখা পায়ো এটা আত্মমগ্ন বাটৰ সন্ধান কৰাৰ ইংগিত এই স্তৱকটোত ফুটি ওলাইছে। এই বাটৰ সংগীও বন্ধ্যা; হৰ্ষ-বিষাদ সম্বন্ধে তেওঁৰ কোনো মায়া নাই। তেন্তে, নীলিম কুমাৰৰ প্ৰত্যয় কি? তেওঁ কি বিচাৰে? এনেবোৰ প্ৰশ্ন কৰিবৰ মন যায়। তেওঁৰ ব্যক্তিগত সত্তাৰ আৱিষ্কাৰৰ আগ্ৰহ থকা হলে তেওঁ বোধহয় এনেকৈ নক'লেহেঁতেনঃ

'পৃথিৱীতকৈ বেছি ভাল পাওঁ তোমাক, তোমাৰ শৰীৰ শিল্প, এই পাপে মোক আগুৱাই নিব।'

নাৰী-পুৰুষৰ স্বাভাৱিক আকৰ্ষণৰ এটা সৌন্দৰ্য আছে সঁচা, কিন্তু সি যদি আন্ধাৰ-পোহৰৰ দ্বন্দ্ব আৰু তাৰ পৰা উত্তৰণৰ বাবে লগা ধী-শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত নহয়, তেন্তে নাৰী-পুৰুষৰ আকৰ্ষণৰ স্বাভাৱিকতা বিকাৰগ্ৰস্ত হ'ব। নীলিম কুমাৰে হয়তো সেই দিশলৈ মন কৰা নাই, মাত্ৰ তেওঁৰ প্ৰতীকী ভাষাই ইন্দ্ৰিয় ঘন যৌন-আবেগকহে মূৰ্ত কৰি তুলিছে। তলৰ বিভিন্ন কবিতাৰ পংক্তিবোৰে এই কথাকে সোঁৱৰাই দিয়ে।

১। বুকুত লাগোতে বুকু
তাইৰ স্তন দুটাৰ পৰা ওলাই আহিল
নিজৰা দুটা
২। জোনটোও নামি আহে
কামুৰি ধৰে শামুকৰ ওঁঠ।
৩। পানীয়ে দুয়োটা স্তন গুজি দিয়ে তাৰ ওঁঠত
পানী যেন তাৰ মাক
৪। মোৰ টোপনি নাহে
আকাশত বহি আছে
বেশ্যা জোন
৫। তোমাৰ নগ্ন নাভিকুণ্ডত কতবাৰ তুলিলো পানী

ইয়াৰ ৩ নং শাৰীটোৱে অৱশ্যে মাতৃ-মূৰ্তিৰ ব্যঞ্জনা কৰিছে। বাকীবিলাক পংক্তিত উৎকট যৌনতাৰ ইংগিত লক্ষ্য কৰিব-লগীয়া। 'চিলং, ১৬ এপ্ৰিল '৮৯' নামৰ কবিতাটোত ভীৰু কামনাৰ বিকাৰগ্ৰস্ততাৰ আভাস আছে আৰু আনহাতে নাৰী-পুৰুষৰ স্বাভাৱিক মানৱীয় আকৰ্ষণৰ মধুৰতাৰো ব্যঞ্জনা কৰা হৈছে। অতীতৰ দ্ৰাক্ষাকুঞ্জৰ ছাঁত হোৱা সুৰতিবিলাসৰ স্মৃতিৰে নীলিম কুমাৰৰ মন ভৰপূৰ, কিন্তু কালৰ তাৎপৰ্য অবিহনে তাৰ মূল্য কিমান?

অৱশ্যে, নীলিম কুমাৰ আত্ম-মগ্ন বাটৰ সন্ধানী হলেও মাজে মাজে কালৰ তাৎপৰ্য বিচাৰিবলৈ যত্ন নকৰা নহয়। অন্তৰ্জীৱনৰ বৃত্তত থাকি তেওঁ দুখৰ বতাহৰ স্পৰ্শ অনুভৱ কৰিছে নাইবা সৰ্বত্ৰ শ্মশানৰ গোন্ধ পাইছে। অৱশ্যে তেওঁৰ ভাষাৰ প্ৰতীকতাই কেতিয়াবা উপলব্ধিক – অস্পষ্ট নকৰাকৈও থকা নাই। আনহাতে, 'জলকুঁৱৰী' কবিতাত 'মাটিকুঁৱৰীৰ কল্পনা মনোৰম। তাত এটা পাৰ্থিৱ গোন্ধ অনুভৱ কৰিব পাৰি। আন এটি কবিতা 'ধান' পঢ়ি ভাল লাগিছে। 'খেলা' শিৰোনামাৰ কবিতাসমূহ দুৰ্বোধ্য নহ'লেও আমাৰ বাবে দুৰূহ। সংকলনখনৰ আটাইতকৈ ভাল কবিতা বোধহয় 'গুৱা-হাটী'। এই কবিতাটোত কবিৰ ভিতৰ-বাহিৰ একাকাৰ হৈছে; ব্যক্তিগত অভিজ্ঞ-তাক কাব্যিক পৰ্যায়লৈ নিয়াত কবি সফল হৈছে। প্ৰথম কবিতাটোও উল্লেখযোগ্য; 'সৌন্দৰ্যৰ বিষাদ প্ৰান্তৰ'ৰ নিৰ্মাতা যে মানুহেই তাৰ এটা ইংগিত দিবলৈ তাত যত্ন কৰা হৈছে যেন লাগে। অন্যান্য কবিতাৰ লোকায়তিক অৱয়ব চমকপ্ৰদ, কিন্তু তাৰ প্ৰতীকী ব্যঞ্জনা স্পষ্ট হোৱা নাই। যৌৱনক বিদ্ৰূপ কৰিব পৰা বাৰ্ধক্যৰ বাবে কবিৰ প্ৰাৰ্থনা থকা কবিতাটো সুখপাঠ্য। কিন্তু 'যদিও মই ভৱিষ্যতৰ দিনবোৰ যাপন কৰিব নিবিচাৰো/তথাপি এবাৰ বৃদ্ধ হোৱাৰ মোৰ বৰ হেঁপাহ' এই পংক্তিটো ভাল নেলাগিল। জীৱনৰ অৰ্থহীনতা, বা ভৱিষ্যতহীন শৰীৰৰ গান ৰচনা কৰা আৰু এজন মৃতৰ দৰে নৈঃশব্দৰ মাজত কাল কটোৱাৰ পৰিকল্পনা নীলিম কুমাৰে এৰিব লাগিব। তেতিয়াহে তেওঁৰ ৰচনা, ড০ হীৰেন গোঁহায়ে ক'বৰ দৰে 'প্ৰত্যয়বান আৰু পৰিষ্কাৰ' হ'ব।

সি যি কি নহওক, নীলিম কুমাৰৰ কবিতাৰ ভৱিষ্যত আছে। অসমৰ লোক যান, প্ৰকৃতি আৰু মানুহ তেওঁৰ কবিতাত ওত-প্ৰোত হৈ আছে। সেইবোৰৰ সহায়ত বিস্ময়কৰভাবে তেওঁ প্ৰাণবান অসমীয়া ভাষা এটিৰ স্ৰষ্টাও হ'ব পাৰিছে। তেওঁক মাত্ৰ কালৰ তাৎপৰ্যৰ অনুসন্ধানৰ ব্ৰত লাগে। সমসময়ক বাদ দি কবি-জীৱন সম্পূৰ্ণ নহয়। তেওঁৰ কবিতাৰ মাজত আগ্ৰহী পাঠকে ভাষাৰ কালিকা বিচাৰি পাব।





# নতুন সমাজ

অৰুণ চন্দ্ৰ গোস্বামী



মানুহ অভয়াৰণ্যৰ মাজৰ এই চাঙ-বাঙলাটো খুউব কম মানুহেহে চিনি পায়। চাৰিওফালে ডাঠ হাবিৰে আগুৰা এই চাঙ-বাঙলাৰ সমুখতে এজোপা বটগছ। দিগন্ত ৰেখাৰ ভিতৰতে হিমালয়ৰ নামনি অংশ। সন্ধিয়া হৈ অহাৰ লগে লগে আকাশৰ চাৰিওফালে ক'লা মেঘে আগুৰি ধৰিছে। হিমালয়ৰ ফালৰ পৰা এজাক চেঁচা বতাহ বলিবলৈ আৰম্ভ কৰিছে। ক'লা দৈত্যৰ দৰে আগবাঢ়ি অহা মেঘজাক পাহাৰৰ ভিতৰৰ পৰা ওলাই অহা যেন লাগিছে। ৰঞ্জিতে চাঙ-বাঙলাৰ বাৰান্দাৰ চকি খনত বহি প্ৰকৃতিৰ এই ৰূপ চাই এক অনাবিল আনন্দ অনুভৱ কৰিছে। জীৱন যুদ্ধত সি নিঠৰুৱা হলেও প্ৰকৃতি কিন্তু তাৰ ভাল বন্ধু। সি প্ৰায়েই এই বাৰান্দাত বহি প্ৰকৃতিৰ নানান ৰূপ চাই নিজৰ দুখৰ কথা পাহৰিবলৈ চেষ্টা কৰে। বনৰীয়া জন্তুৰ অবাধ প্ৰব্ৰজন এই ঠাইলৈ মানুহ দিনতে আহিবলৈ ভয় কৰে, কিন্তু এই ঠাইডোখৰতে থাকি তাৰ ভাল লাগে; কিয়নো এই ঠাইত নাই সমাজৰ কঠোৰ বান্ধোন, হিংসা খিয়াল আৰু অসূয়া অপ্ৰীতি। বনৰীয়া জন্তুৰ দৰে সি মুক্ত।

ৰঞ্জিত ফৰেষ্টাৰৰ ট্ৰেইনিঙৰ পৰা উভতি আহি এদিন বন সংৰক্ষকক লগ ধৰি হাবি জংঘলৰ মাজৰ এটুকুৰা নিৰ্জন ঠাইত নিযুক্তি দিবলৈ অনুৰোধ কৰে। বন সংৰক্ষক হাজৰিকাই ৰঞ্জিতৰ কথাত আচৰিত হৈ সোধে, 'তুমি কি ধৰণৰ ল'ৰাহে? অইনে মানুহৰ মাজত থাকিব বিচাৰে আৰু তুমি মানুহৰ পৰা আঁতৰত থাকিব বিচৰা।'

'হয় ছাৰ। মোৰ হাবি জংঘলহে ভাল লাগে।' সি চমুকৈ উত্তৰ দিয়ে।

হাজৰিকাই তাৰ মুখলৈ চাই অন্তৰৰ কথা হৃদয়ংগম কৰিবলৈ চেষ্টা কৰে। অলপ সময় ৰৈ তেওঁ কয়, 'হ'ব বাৰু।'

পূৰণি স্মৃতিয়ে ৰঞ্জিতৰ মন গহীন কৰি পেলায়। মানুহক ফাকি দি ফুৰিলেও সি জানো সমাজ নিবিচাৰে? বিচাৰে; কিন্তু সি সমাজৰ পৰা পালে কি? সি পালে অন্ধ ৰীতিনীতি আৰু কু-সংস্কাৰ।

ৰঞ্জিতৰ মনত পৰে প্ৰমিলীৰ মুখ মণ্ডললৈ। প্ৰমিলীক হস্পিটেলত ৰখা এমাহৰো বেছি হ'ল, কিন্তু বেমাৰ ভাল হোৱা নাই। প্ৰমিলীয়ে সকলো সময়তে কিবা এটা চিন্তা কৰি থাকে। তাৰ সমাজৰ প্ৰতি বিতৃষ্ণাৰ গুৰি তাই বুলি নিজকে দোষাৰোপ কৰিব বিচাৰে। মংগলুৰ জীয়েকক প্ৰমিলীৰ লগত ৰখা হৈছে। সি সময় উলিয়াই দিনটোত এপাক মাৰে। মংগলুৱে চাহ জলপান বনাই তাৰ হাতত দি পঠায়। সন্ধিয়াৰ আগে আগে ৰঞ্জিত চাঙ-বাঙলা পায়হি। মংগলুৰ ঘৰত কোনোবা ল'ৰা এটাৰ অসুখ। সি ৰঞ্জিতক চাহ একাপ দি ঘৰত খবৰ লৈ আহিবলৈ যায়। সি যোৱা কাৰণে ৰঞ্জিতে বেয়া পোৱা নাই। হস্পিটেলৰ পৰা অহাৰ সময়ৰ পৰা তাৰ মন ভাল নহয়। প্ৰমিলীয়ে আজি তাক কৈছে, 'ৰঞ্জিত! মই বোধহয় নেবাচিম। তুমি অকলশৰে কেনেকৈ থাকিবা? তোমাৰ নিজ জাতিৰ এজনী ছোৱালী বিয়া কৰাই গাঁৱৰ ঘৰখন ভাল কৰিবা আৰু ৰাইজৰ লগত লগ হ'বা। তেতিয়াহে মা আৰু মোৰ আত্মাই শান্তি পাব।'

ৰঞ্জিতে প্ৰমিলীৰ কথা শুনি চিঞৰি দিয়ে, 'তুমি এনেধৰণৰ বেয়া কথা নকবা। আমি ইমান সোনকালে হাৰ মনা উচিত নহয়। আমি দেখুৱাব লাগিব যে গাঁৱৰ মানুহে অসমীয়া জাতিৰ অৰ্থটো বুজি পোৱা নাই।'

'মই কিন্তু আশাবাদী নহয়। তোমাৰ গোড়া সমাজখনে ইমান সোনকালে অসমীয়া জাতি মানে দি বুজি পাবলৈ বহুত দিন লাগিব।'

ৰঞ্জিতে প্ৰমিলীক আশ্বাস দিয়ে যে অতি সোনকালে সেইদিন আহি আছে; কিন্তু সি নিজেই নিশ্চিত নহয় সেইদিন কেতিয়া আহিব।

ৰঞ্জিতে অসমীয়া অনাৰ্চৰ ক্লাছতে লগ পাইছিল প্ৰমিলী সিঙক। মেখেলা চাদৰ পিন্ধা প্ৰমিলীক এজনী পাঞ্জাবী ছোৱালী বুলি ধৰিবই পৰা নাছিল। নিজৰ চিনাকি দিওঁতে যেতিয়া তাই প্ৰমিলী সিঙ বুলি কয় তেতিয়া তাৰ সন্দেহ হৈ আকৌ সোধে তাইৰ নামটো। ৰঞ্জিতে আচৰিত হৈ প্ৰশ্ন কৰে, 'উজনি অসমৰ মানুহেতো সিঙ উপাধি নিলিখে? তোমাৰ সিঙ উপাধি কেনেকৈ হ'ল?' প্ৰমিলীয়ে হাঁহি হাঁহি উত্তৰ দিয়ে 'উপাধিৰ দ্বাৰা মানুহ অসমীয়া নহয়। অসমীয়া কলা-সংস্কৃতিক যিবিলাক মানুহে আদৰি লয়, তেওঁলোকহে অসমীয়া। মই কনভৰ্ভাৰটেড আচামিজ।' প্ৰমিলীৰ দৰে ভাষা আৰু সংস্কৃতিৰে সমৃদ্ধ ছোৱালীক অসমীয়া নহয় বুলি কোনো মতে ক'ব নোৱাৰি। তাইৰ নিভাঁজ অসমীয়া উচ্চাৰণ অমায়িক ব্যৱহাৰ আৰু আচৰণ দেখি ৰঞ্জিত বলিয়া হৈ পৰে –তাইক পাবলৈ। নানা অজুহাত দেখুৱাই ৰঞ্জিতে তাইক লগ ধৰিবলৈ আৰম্ভ কৰে। লাহে লাহে প্ৰমিলী আৰু ৰঞ্জিতৰ মাজত ঘনিষ্ঠতা বাঢ়িবলৈ ধৰে। এটা সময়ত এজনে আনজনক নেদেখিলে থাকিব নোৱৰা হল।

এদিন কথাৰ মাজতে প্ৰমিলীৰ দেউতাকৰ কথা ওলায়। তাইৰ দেউতাক হৰভজন সিঙ বৃটিছৰ সৈন্য বাহিনীৰ কেপ্তেইন হিচাপে বহুত বছৰ গোলাঘাটত আছিল। তেওঁৰ কিবা কাৰণত অসমখন বৰ ভাল লাগি যায়। তেওঁ এজন শিক্ষক ৰাখি অসমীয়া ভাষা শিকে। এদিন তেওঁৰ ৰায়চাহাব আনন্দ বেজবৰুৱাৰ লগত চিনাকি হয়। ৰায় চাহাবে ইংৰাজীত কথা আৰম্ভ কৰে, কিন্তু তাইৰ দেউতাকে অসমীয়াত উত্তৰ দিয়ে। প্ৰমিলীৰ দেউতাকৰ মুখত শুদ্ধ অসমীয়া উচ্চাৰণ শুনি ৰায়চাহাব মুগ্ধ হয়। ৰায় চাহাবে তেওঁক ঘৰলৈ নিমন্ত্ৰণ কৰে। এইদৰে কিছুদিন অহা-যোৱা কৰি দুয়ো অন্তৰংগ বন্ধু হৈ পৰে। হৰভজন সিঙৰ অৱসৰ হোৱাত তেওঁ পাঞ্জাবলৈ যাবৰ কাৰণে সাজু হয় আৰু ৰায় চাহাবক মাত লগাবলৈ যায়। ৰায় চাহাবে তেওঁক অসমতে থাকি যাবলৈ অনুৰোধ কৰে। প্ৰমিলীৰ দেউতাকেও অসমত থকাৰ ইচ্ছা প্ৰকাশ কৰাত ৰায় চাহাবে গোলাঘাট টাউনৰ তিনি বিঘা মাটি হৰভজন সিঙৰ নামত লিখি দিয়ে। তেওঁ এই মাটিৰে এবিঘাত এখন প্ৰাইমেৰী স্কুল পাতি দুজন শিক্ষক নিয়োগ কৰে। তেওঁৰ পেঞ্চনৰ টকাৰ পৰা মাষ্টৰৰ দৰমহা বহণ কৰে। কেইবছৰমান পাছত স্কুলখন চৰকাৰে লোৱাত মাষ্টৰ দুজনে চৰকাৰৰ পৰা দৰমহা পায়। কিছুদিন পাছতে টাউনৰ ওচৰত এখন হাইস্কুল স্হাপন কৰি তেওঁ তাৰ প্ৰধান শিক্ষক হয়। হাইস্কুলখন এখন উন্নত পৰ্যায়ৰ স্কুল হিচাপে প্ৰতিষ্ঠা কৰি চৰকাৰী কৰে। এইদৰে তেওঁ এটাৰ পাছত এটাকৈ সামাজিক কামত লিপ্ত হৈ তেওঁ অঞ্চলটোৰে এজন সন্মানীয় ব্যক্তি হৈ পৰে।

হৰভজন সিঙৰ পত্নী সৈন্যবাহিনীত থাকোতেই মৃত্যু হয়। প্ৰমিলীয়েই তেওঁৰ একমাত্ৰ ছোৱালী।

পৰীক্ষা শেষ হোৱাৰ পাছত যেতিয়া দুয়ো ঘৰলৈ উভতি যাব লগা হয় তেতিয়া ৰঞ্জিতে প্ৰমিলীক হেৰুৱাৰ ভয়ত ভিতৰি ভিতৰি কান্দি উঠে। প্ৰমিলীৰ সান্নিধ্যই তাক বহুত কথা শিকায়। তাইৰ পৰা সি লাভ কৰে উচ্চাকাংক্ষা, অধ্যৱসায় আৰু জ্ঞানৰ প্ৰতি আগ্ৰহ। সি বুকুত এক অসহ্য যন্ত্ৰণা অনুভৱ কৰে। বিদায় মুহূৰ্তত সি তাইক কয়, 'তোমাৰ অবিহনে মই কেনেকৈ জীয়াই থাকিম? তুমি কিবা এটা কোৱা।' প্ৰমিলীয়ে ৰঞ্জিতে কোৱা কথাৰ অৰ্থ বুজি পাই উত্তৰ দিয়ে, 'এদিন যাবাচোন আমাৰ তালৈ। দেউতাৰ লগত কথা পাতি চাম। মই দেউতাৰ ইচ্ছাৰ বিৰুদ্ধে যাবলৈ অপাৰগ।'

ৰঞ্জিত প্ৰমিলীহঁতৰ ঘৰলৈ যোৱা নহ'ল। এদিন হঠাৎ প্ৰমিলীৰ পৰা এখন চিঠি পাই স্ফূৰ্তিত তৎ নাইকিয়া হৈ সি পঢ়িবলৈ আৰম্ভ কৰে; কিন্তু এটা দুঃসংবাদে তাৰ মনত বেজাৰ আৰু উগুল থুগুল লগালে। প্ৰমিলীৰ দেউতাকৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হ'ল; তাক কাজলৈ নিমন্ত্ৰণ জনাইছে।

ৰঞ্জিতৰো সংসাৰত মাকৰ বাদে কোনো নাই। একমাত্ৰ ল'ৰা ৰঞ্জিত কেইদিনমান ঘৰলৈ নাহিলেই মাক গৈ গুৱাহাটী ওলায়। তাৰ এজনী মাহীয়েক গুৱাহাটীত থাকে। তাৰ মাক মাহীয়েকৰ ঘৰতে থাকি ৰঞ্জিতক মাতি নিয়ে। মাহীয়েকৰ লগত প্ৰমিলীৰো বৰ আত্মীয়। মাজে মাজে তাই তাৰ মাহীয়েকৰ ঘৰলৈ যায়। এদিন মাক থাকোতেই প্ৰমিলী মাহীয়েকৰ ঘৰ ওলায়। প্ৰমিলীয়ে ৰঞ্জিতৰ মাক বুলি জানিব পাৰি ভৰি চুই প্ৰণাম কৰে। পাটৰ মেখেলা চাদৰ পিন্ধি যোৱা প্ৰমিলীক মাকৰ খুউব ভাল লাগি যায়। তেওঁ প্ৰমিলীক বোৱাৰী কৰিবলৈ মন কৰি ঘৰৰ পৰিচয় লয়। পাঞ্জাবী ছোৱালী বুলি জানি মাকে ক'লে, 'এইজনী ছোৱালীকনো পাঞ্জাবী ছোৱালী বুলি কোনে ক'ব? আমাৰ আধুনিক অসমীয়া ছোৱালীতকৈ তুমিহে দেখিছো বেছি অসমীয়া।'

ৰঞ্জিতে প্ৰমিলীক অকলশৰে থাকিবলৈ দিব মন নগ'ল। সি মাকক প্ৰমিলীৰ দেউতাকৰ মৃত্যুৰ কথা কয়। মাকৰ পৰা প্ৰমিলীক বিয়া কৰাবলৈ অনুমতি দিবলৈ অনুৰোধ কৰে। মাকে দুখ মনেৰে ক'লে, 'প্ৰমিলীৰ দৰে ছোৱালী এজনী মোৰ বোৱাৰী হিচাপে পালে মই ধন্য মানিম; কিন্তু পাঞ্জাবী ছোৱালী এজনী বিয়া পাতিলে সমাজে জানো গ্ৰহণ কৰিব?'

'তই যদি বেয়া নেপাৱ মই ৰাইজলৈ ভয় নকৰো; কিন্তু এজনী ভাল ছোৱালী নিঠৰুৱা হবলৈ দিব নোৱাৰো।' ৰঞ্জিতে ক'লে। মাকে একো নেমাতিলে। সি বুজিব পাৰিলে যে সমাজৰ ভয়তহে মাকে অনুমতি দিয়া নাই; কিন্তু প্ৰমিলীক বোৱাৰী হিচাপে পালে কোনো আপত্তি নাই।

ৰায় চাহাব আনন্দ বেজবৰুৱাই হৰভজন সিঙৰ কাজকৰ্মৰ দায়িত্ব গ্ৰহণ কৰে। ৰঞ্জিতে গোলাঘাট পাইহে বুজিব পাৰিলে হৰভজন সিঙৰ জনপ্ৰিয়তা। তেওঁৰ কাজত গোটেই টাউনৰ মানুহে ভাগ লয়। সি তেতিয়াহে উপলব্ধি কৰে যে হৰভজন সিঙ অসমীয়া মানুহৰ কিমান অন্তৰৰ।

কাজ শেষ হৈ যোৱাৰ পাছত ৰায় চাহাবক প্ৰমিলীৰ লগত বিয়াৰ প্ৰস্তাৱ দিয়ে। তেওঁ শুনি আনন্দত তাৰ পিঠিত থপৰিয়াই কয়, 'তোমাৰ সাহসক মই অভিনন্দন জনাইছো। বিয়া কেতিয়া পাতিবা?' ৰঞ্জিতে 'কোৰ্ট মেৰেজ' কৰাৰ কথা কলে। ৰায় চাহাবৰ আনন্দত কিছু চেঁচা পানী পৰিল। তেওঁক সকলো কথা ভাঙি কোৱাত তেওঁ কলে, 'মই বিয়া পাতি নিয়াহেঁতেন বেছি ভাল পালোহেঁতেন। মানুহক ক'ব পাৰিলোহেঁতেন অসমীয়া মানুহ ঠেক মনোভাবৰ নহয়। তেওঁলোকে জাতপাত. বিচাৰ নকৰে। অসমীয়া সংস্কৃতিক আদৰি লোৱা মানুহৰ মাজতহে বিয়া হয়।'

ৰঞ্জিতে যেতিয়া প্ৰমিলীক লৈ গাওঁ পালেহি গাঁৱৰ মানুহে নানা কথা কবলৈ আৰম্ভ কৰিলে। তাৰ মাকে প্ৰমিলীক মৰম চেনেহ কৰি ভিতৰলৈ নিলে। মূৰত হাত বুলাই ক'লে, 'মূৰত তেল হালধি সানি বিয়াখন পতা হলে মোৰ আৰু অকণো দুখ নেথাকিলেহেঁতন।'

ৰঞ্জিতে এটা দুখৰ হুমুনিয়াহ পেলায়। প্ৰমিলীয়ে দুই-এদিনৰ ভিতৰতে ঘৰৰ সকলো কাম চম্ভালিব পৰা হয়। তাৰ মাকক যিদৰে সেৱা শুশ্ৰুষা কৰিবলৈ ধৰে যে মাকে এদিন আনন্দত আত্মহাৰা হৈ যায়, 'বোৱাৰী! তোৰ দৰে এজনী লক্ষ্মী বোৱাৰী পাই মই জীৱনটোকে ধন্য হৈছে বুলি ভাবিছো; কিন্তু সমাজখনে যদি বুজি পাই......।' মাকে কথা খিনি শেষ কৰিব নোৱাৰিলে।

গাঁৱৰ মানুহে ৰঞ্জিতক লৈ মিটিঙ গোটালে। সভাত সিদ্ধান্ত হ'ল যে সিহঁতৰ ঘৰলৈ কোনো মানুহ আহিব নোৱাৰিব। যদি কোনো মানুহ সিহঁতৰ ঘৰলৈ আহে তেওঁৰ লগতো জুই পানী নিষেধ হ'ব। এজনী পাঞ্জাবী ছোৱালীক কেতিয়াও অসমীয়া ছোৱালী বুলি স্বীকৃতি দিব নোৱাৰে বুলি সভাই মত প্ৰকাশ কৰিলে। ৰঞ্জিতে ৰাইজক বুজাবলৈ চেষ্টা কৰি বিফল হ'ল। শেষত সি তাৰ দোষৰ বাবে দণ্ড লৈ সমাজৰ লগত মিলিজুলি থাকিবলৈ সুবিধা দিব লাগে বুলি অনুৰোধ জনালে। গাঁৱৰ ৰাইজে তাক জনাই দিলে যে পাঞ্জাবী ছোৱালীজনী ঘৰত থাকে মানে তাৰ লগত সমাজ পাতি খোৱা নহ'ব।

ৰঞ্জিতৰ ঘৰলৈ গাঁৱৰ মানুহেই নহয় মিতিৰ কুটুমো নহা হ'ল। তাৰ মাকে মনে মনে দুখ পালেও এই কথা প্ৰকাশ নকৰিলে। প্ৰমিলীৰ প্ৰতি মৰম আৰু আদৰ কিন্তু আগৰ দৰেই থাকিল। মাকে এই বিপদৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় চিন্তা কৰি মোমায়েকহঁতৰ ঘৰলৈ গ'ল। সৰু মোমায়েক ঘৰত নাছিল। ডাঙৰ মোমায়েকে তাৰ বিষয়ে উলিয়াবই নোখোজে। মাকে প্ৰমিলীৰ বিষয়ে সকলো কথা কৈ গলে, 'তাই পাঞ্জাবী ছোৱালী হলে কি হ'ব? গোসাঁই গুৰুজন চিনি পায়, চুৱা ধুতি জানে, মানুহক কেনেকৈ সন্মান কৰিব লাগে বুজি পায়। তেনে এজনী ছোৱালী নিজৰ জাতৰ নহ'ল বুলিয়েই বেয়া হ'ব নোৱাৰে। কিবা এটা কৰি সমাজখনৰ লগত মিলাই দিব লাগে। তহঁতো নো বোৱাৰী জনীক বুদ্ধি-ভৰষা এটা দিব লাগে।' মাকৰ কথা শুনি ডাঙৰ মোমায়েকে দপদপাই আহিল 'তাইক তই কিয় ঘৰত সোমাবলৈ দিছিলি? পাঞ্জাবী ছোৱালী এজনী কেতিয়াও অসমীয়া হ'ব নোৱাৰে। পাঞ্জাবীৰ তেজ পাঞ্জাবীয়েই; কেতিয়াও অসমীয়া তেজ হ'ব নোৱাৰে।' মাকে মোমায়েকক বহুত যত্ন কৰিও বুজাব নোৱাৰিলে যে তাই হাড়ে-হিমজুৱে অসমীয়া। তেওঁ মাকক শুনাই দিলে যে যেতিয়ালৈকে পাঞ্জাবীজনী ঘৰত থাকিব তেতিয়ালৈকে ভনীয়েকৰ ঘৰৰ লগত আহ-যাহ নচলিব। ৰঞ্জিতৰ মাক নিৰাশ মনেৰে উভতি আহিল। তাৰ মাকে আগৰ দৰে কথাবতৰা আৰু ৰঙ-তামাচা কৰিবলৈ এৰি দিলে। সদায় মন মাৰি কিবা ভাবি চিন্তি থাকিবলৈ ললে। লাহে লাহে তাৰ মাক শুকাই ক্ষীণাই যাবলৈ ধৰিলে।

ৰাইজে তাক এঘৰীয়া কৰিয়েই ক্ষান্ত নহ'ল। তেওঁলোকে তাৰ ৰোৱনী মাটিলৈ যোৱা ৰাস্তাও বন্ধ কৰি দিলে। এদিন ভোলোকাৰ মাটিৰ ওপৰেদি গৰুহাল লই হাল বাবলৈ যাওঁতে সি তৰ্জন গৰ্জন কৰি কলে, 'মোৰ মাটিৰ ওপৰেদি কিয় হাল নিছ? আগলৈ যদি যাৱ জেওঁৰা খৰি ফালিম। শিক্ষিত হৈ অজাতিৰ ছোৱালী আনি এইটোকে আদৰ্শ দেখুৱালি?' ৰঞ্জিতে গোটেই দিনটো মন মাৰি কটালে।

ভোলোকাৰ দ্বাৰা ৰঞ্জিত অপমানিত হোৱাত তাৰ মাকৰ দুখ আৰু বেছি হ'ল। দুদিনমান বেছিকৈ চিন্তা কৰাত এদিত মূৰ ঘূৰাই বাৰান্দাতে বহি পৰিল। প্ৰমিলীয়ে ভিতৰলৈ নি বিছনাত শুৱালে। মূৰত ঠাণ্ডা পানী লগালে। ভৰিটোও মালিচ কৰি দিলে; কিন্তু মাকৰ বেমাৰ ভাল নহ'ল। ৰঞ্জিতে ডাক্তৰ কাকতিক গৈ মাতি আনিলে। কাকতিয়ে প্ৰেচাৰৰ দৰব দিয়াত দুদিনমান পাছত মাকৰ কিছু উন্নতি হ'ল; কিন্তু ডাক্তৰ কাকতিৰহে বিপৰ্যয় নামি আহিল। গাঁৱৰ ৰাইজে তেওঁকো এঘৰীয়া কৰিলে। গাঁৱৰ ৰাইজে ঠিক কৰিলে যে তেওঁলোকে ডাক্তৰ কাকতিৰ ওচৰলৈ চিকিৎসাৰ বাবে নাযায়। কঠিয়াতলি হস্পিটেলৰ ডাক্তৰৰ দ্বাৰাহে চিকিৎসা কৰাব। ডাক্তৰ কাকতিৰ উপাৰ্জন বন্ধ হোৱাৰ উপক্ৰম হ'ল। তেওঁ ৰাইজৰ ওচৰত দণ্ড দি আগলৈ ৰঞ্জিহঁতৰ ঘৰলৈ নাযাও বুলি কোৱাতহে তেওঁ ৰক্ষা পালে। এদিন ডাক্তৰ কাকতিয়ে ৰাস্তাত লগ পাই ক'লে 'ৰঞ্জিত! তুমি একো বেয়া কাম কৰা নাই। প্ৰমিলী এজনী আদৰ্শ অসমীয়া গৃহিণী। আগতে তেওঁ কি আছিল আমি জনাৰ প্ৰয়োজন নাই? কিন্তু কি কৰিবা? নিৰক্ষৰ সমাজখনক কেনেকৈ বুজাবা? মোৰ কেতিয়াবা যুঁজ কৰিবৰ মন যায়; কিন্তু সাত-আঠটা পৰিয়ালৰ সংসাৰখন টকা-পইছা নহলে কেনেকৈ চলাবা। পৰিয়ালৰ লেঠাত পৰিয়েই মই তোমাৰ তালৈ নাযাওঁ বুলি ৰাইজৰ ওচৰত ক'ব লগা হ'ল।'

পৰীক্ষাৰ ৰিজাল্ট ওলাল। প্ৰমিলী দ্বিতীয় শ্ৰেণীৰ প্ৰথম আৰু সি তৃতীয় হ'ল; কিন্তু তাৰ ফলাফলৰ বাবে আনন্দ কৰিবলৈ তাৰ কোনো শুভাকাংক্ষী নোলাল। ৰিজাল্টৰ পাছত ওচৰৰ স্কুলখনত মাষ্টৰৰ কাৰণে আবেদন কৰিলে। মেনেজিং কমিটীৰ মিটিঙত তাৰ নাম অনুমোদন কৰা নহ'ল। সকলো প্ৰাৰ্থীতকৈ তাৰ শিক্ষাগত অৰ্হতা বহুত ভাল আছিল। সৰহ সংখ্যক সদস্যাই তাৰ নাম অনুমোদনৰ বিৰুদ্ধে থিয় দিলে। তেওঁলোকে যুক্তি দেখুৱালে যে এজন চৰিত্ৰহীন ল'ৰাক মাষ্টৰত নিযুক্তি দিলে ল'ৰা-ছোৱালীৰ চৰিত্ৰও নষ্ট কৰিব। প্ৰধান শিক্ষকে বহুত বুজাই বঢ়াইয়ো সদস্য সকলক মান্তি কৰিব নোৱাৰিলে। শেষত এজন সাধাৰণ ভাবে পাছ কৰা ল'ৰাৰ নাম নিযুক্তিৰ বাবে অনুমোদন কৰা হ'ল।

চিন্তা-ভাৱনা কৰি ৰঞ্জিতৰ মাকৰ আকৌ ৰক্তচাপ বৃদ্ধি হ'ল। দুদিনমান পাছত হৃদৰোগত আক্ৰান্ত হৈ তাৰ মাকেও এই সংসাৰৰ পৰা বিদায় ললে। মাকৰ সংকাৰ কৰিবলৈ গাওঁৰ কোনো মানুহ নাহিল। সি ঘৰে ঘৰে গৈ কাবৌ কাকূতি কৰি মাতিলে; কিন্তু কাৰো পৰা সঁহাৰি নেপালে। মানুহ ইমান নিদাৰুণ হ'ব পাৰে বুলি সি কোনো দিন ভবা নাছিল। উপায়ান্তৰ হৈ কঠিয়াতলিৰ পৰা ঠেলা এখন আনি মাকৰ মৃতদেহ শ্মশানলৈ নিব লগা হয়। খবৰ পাই শ্মশানত ডাক্তৰ কাকতি, প্ৰধান শিক্ষক আৰু সমাজসেৱী নবীন হাজৰিকাই তাক মাকৰ সংকাৰত সহায় কৰে। মাকৰ কাজকামত সহযোগ কৰিবলৈ এই তিনিজন মানুহে ৰাইজক বহুত বুজালে; কিন্তু ৰাইজ অলৰ-অচৰ। সমাজে ৰঞ্জিতৰ এই ব্যভিচাৰ বোলে সহ্য কৰিব নোৱাৰে। শেষত সি গুৱাহাটীৰ কামাখ্যা মন্দিৰলৈ গৈ মাকৰ শেষ কৃত্য সমাপন কৰে।

মাকৰ মৃত্যুৰ পিছত প্ৰমিলীয়েও মন মাৰি থাকিবলৈ আৰম্ভ কৰে। কন্দাকাটি কৰিলে ৰঞ্জিতে কষ্ট পাই বুলি মনৰ দুখ চেপা দি ৰখাত তাইৰো স্বাস্থ্য ভাঙি শুকান খৰিৰ দৰে হয়গৈ। গাঁৱৰ মানুহৰ ঠট্টা মস্কৰা আৰু হেঁচাত বিব্ৰত হৈ এদিন পথৰুৱা মাটি গোটেইখিনি বিক্ৰী কৰি গুৱাহাটীলৈ গুচি আহে। ঘৰৰ মাটি বিক্ৰী কৰিবলৈ তাৰ মন নগ'ল। ঘৰটো তলা লগাই থলে – যাতে কেতিয়াবা মন গলে দুই-এদিনৰ কাৰণে পিতৃ গৃহলৈ আহিব পাৰে।

ৰাঞ্জতে এটি সংস্হানৰ পয়োজন বাৰুকৈয়ে অনুভৱ কৰে। সম্পত্তি বিক্ৰী কৰা টকাৰে সি চলিলে আগলৈ এখন সংসাৰ চলোৱা টান হৈ পৰিব। সি যি কোনো এটা চাকৰি লৈ জীৱিকা উলিওৱাৰ চিন্তা কৰে। সেই সময়তে ফৰেষ্টাৰৰ চাকৰিৰ বাবে বিজ্ঞাপন পাই সি আবেদন কৰে। ইন্টাৰভিউত বন সংৰক্ষকে সোধে, 'ইমান ভাল অৰ্হতা থাকোতে কিয় ফৰেষ্টাৰৰ কাৰণে আবেদন কৰিলা'? ৰঞ্জিতে এটা হুমুনিয়াহ পেলাই তাৰ অতীতৰ কথাখিনি চমুকৈ কয়। প্ৰমিলী সিঙৰ নাম কওঁতে বন সংৰক্ষকে প্ৰশ্ন কৰিলে, 'প্ৰমিলী সিঙৰ ঘৰ গোলাঘাটতনে কি'? সি হয় বুলি কোৱাত তেওঁ খেদ কৰি ক'লে, 'হৰভজন সিঙৰ ছোৱালী যদি অসমীয়া নহয় তেন্তে কোন অসমীয়া হ'ব?' অলপ সময় ৰৈ তেওঁ আকৌ আৰম্ভ কৰে, 'তোমাৰ কথা মই বুজি পাইছো। তুমি নিৰাশ নহবা। তুমি এদিন ৰাইজক বুজাব লাগিব যে অসমীয়া মানুহ কাক বোলে।' ইন্টাৰভিউত তাক একো সোধা নহ'ল। ৰঞ্জিতে ভাবিলে সি চাকৰিটো নেপায়; কিন্তু তাক আচৰিত কৰিবলৈকে এদিন তাৰ নিযুক্তি পত্ৰ আহিল। সি ট্ৰেইনিঙৰ বাবে গ'ল। প্ৰমিলীকো লগত নি ঘৰ ভাৰা কৰি ৰাখিব লগা হ'ল।

মানুহৰ পৰা আঁতৰত থাকিবলৈকে সি মানস অভয়াৰণ্যত নিযুক্তি ললে।

ৰঞ্জিতে অতীতৰ কথা ভাবি থাকোতে কিমান সময় পাৰ হৈ গ'ল ক'ব পৰা নাই। বতাহৰ তীব্ৰ গতিত বাঙলাৰ দৰজাখন হঠাৎ বন্ধ হৈ এটা ডাঙৰ শব্দ হোৱাতহে সি সম্বিত ঘূৰাই পায়। মেঘৰ গুৰুম্ গুৰুম্ শব্দলৈয়ো ৰঞ্জিতে কাণ কৰা নাই; কিন্তু এজাক ডাঙৰ বৰষুণ আহি তাৰ গাত পৰাত সি ভিতৰলৈ যাবলৈ থিয় হ'ল। বিজুলীৰ তীব্ৰ ৰশ্মিয়ে আন্ধাৰ ঘৰটো পোহৰ কৰি পেলায়। সি চকিখন উঠাই লৈ ভিতৰ সোমাব খোজোতেই বটগছ জোপাৰ কাষত কোনোবা তিৰোতা মানুহে কথা কোৱা যেন পাই সি মনোযোগ দি শুনে। মানুহ জনীয়ে কৰুণ ভাবে কোৱা শুনিবলৈ পায়–

'উঃ! ঠান্ডাত হাত ভৰি শিল হৈ গৈছে। এই বতাহ বৰষুণত এতিয়া কলৈ যাম? কোনে আমাক আশ্ৰয় দিব?'

'নতুন সমাজ এখন গঢ়িবৰ বাবে যদি আমাৰ মৃত্যুও হয় তথাপি নতুন পুৰুষক এই মৃত্যুৱে দিব নতুন উৎসাহ।' এজন মানুহৰ গহীন মাত সি শুনিবলৈ পায়।

'মৃত্যু মোৰ কিন্তু আকাংক্ষা নহয়। মই নতুন সমাজ এখন চাইহে মৰিব বিচাৰো; কিন্তু মই যে নিৰাশ হৈ পৰিছো। এই বতাহ বৰষুণত কলৈ যাবা? ক'ত আশ্ৰয় লবা? কোনে আমাক সহায় কৰিব?'

ৰঞ্জিতে লগে লগে কৈ পেলায়, 'মই সহায় কৰিম। মই আপোনালোকক আশ্ৰয় দিম।' কথাখিনি কৈ সি গছজোপাৰ ফালে চায়। গছজোপাৰ ফালৰ পৰা এহাল দম্পতি আগবাঢ়ি আহে। তেওঁলোকৰ অন্তৰত ভয়, নৈৰাশ্য আৰু অবিশ্বাস।

'কোনে সহায় কৰিম বুলি কলে?' মানুহজনীয়ে ভয়ে ভয়ে প্ৰশ্ন কৰে।

'ময়ে সহায় কৰিম। আহক। এই বতাহ বৰষুণত আপোনালোকে ইয়ালৈ কিয় আহিছিল?' ৰঞ্জিতে প্ৰশ্ন কৰে।

'সমাজৰ পৰা আঁতৰত থাকিবলৈ।'

'কিয়?'

'আমাক সমাজে যে স্বীকৃতি নিদিয়ে।' মানুহজনে উত্তৰ দিয়ে।

'আপোনালোকৰ পৰিচয়?'

'মোৰ নাম অঞ্জনা বৰদলৈ আৰু এখেতৰ নাম ললিত বসুমতাৰী। এওঁক বিয়া কৰোৱাৰ কাৰণে মোক ঘৰৰ পৰা বাহিৰ কৰি দিছে।'

'মোৰ মা-দেউতাই এওঁক বিয়া কৰাৰ কাৰণে ত্যাজ্য পুত্ৰ কৰিছে।' ললিত বসুমতাৰীয়ে উত্তৰ দিয়ে।

'আপোনালোকে এই হাবিখনত কি কৰিবলৈ আহিলে?' আচৰিত হৈ ৰঞ্জিতে প্ৰশ্ন কৰে।

মানুহে ঠট্টা মস্কৰা কৰিব নোৱাৰা এটুকুৰা নিৰ্জন ঠাই বিচাৰি – য'ত শান্তিৰে থাকিব পাৰো।'

'আহক! ভিতৰলৈকে আহক।' তেওঁলোক দুয়োকো মাতি নি বহিবলৈ দিলে। মংগলুৱে সকুকৈ জ্বলাই থৈ যোৱা লেম্পটো আনি ৰুমটোত থলে। দুয়োজনক আনন্দত উৎফুল্ল হৈ এবাৰ ভালকৈ চাই লৈ কলে, 'আজি মই বহুত দিনৰ সপোন বাস্তৱত পৰিণত হোৱা দেখিবলৈ পাইছো। নতুন সমাজ গঢ়াত মই আপোনালোকক সকলো সাহায্য দিবলৈ প্ৰস্তুত।'

লগে লগে ৰঞ্জিতৰ প্ৰমিলীলৈ মনত পৰে। প্ৰমিলীক দিয়া আশ্বাস ইমান সোনকালে কাৰ্যত পৰিণত হ'ব বুলি কল্পনা কৰিব পৰা নাছিল। সি আনন্দত আত্মহাৰা হৈ পৰে। □





# বিজ্ঞানৰ পৰিধি

ড০ পবিত্ৰ বৰগোহাঞি

বিজ্ঞান চৰ্চাৰ বিষয়বস্তু, অধ্যয়নৰ প্ৰকৃতি আৰু লব্ধ ফলাফলবোৰ বিশ্লেষণ কৰি চালে আমাৰ ধাৰণা হয় যে বিজ্ঞান সাধনালব্ধ জ্ঞানৰ বিৰাট ভঁৰালটো কিছুমান কাৰ্য আৰু কাৰণৰ বৰ্ণনাৰে ঠাহ খাই আছে। এই ভঁৰাল ঘৰটোত প্ৰবেশ কৰিলেই আমাৰ চকুত পৰে এই বৈচিত্ৰ্যপূৰ্ণ জগতখনত অহৰহ ঘটি থকা বিভিন্ন ঘটনা সমূহৰ নিখুঁত চিত্ৰৰূপ আৰু এই ঘটনা সমূহৰ সংঘটনৰ সম্ভাৱ্য কাৰণৰ যুক্তিপূৰ্ণ ব্যাখ্যা। বিজ্ঞানে আমাক কৈছে যে পৃথিৱীয়ে নিজ মেৰুদণ্ডক কেন্দ্ৰ কৰি প্ৰতি ২৪ ঘন্টাত এবাৰকৈ ঘূৰি থকাৰ কাৰণে দিন আৰু ৰাতি হয়। দিনৰ পোহৰ আৰু পৃথিৱীত থকা সকলোবোৰ উদ্ভিদ আৰু প্ৰাণীৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় শক্তি আমি সূৰ্যৰ পৰাই পাওঁ। সূৰ্যই এই অফুৰন্ত শক্তি আৰু পোহৰ ক'ৰপৰা পালে? তাৰ কাৰণো আধুনিক বিজ্ঞানে আমাক দিছে। সেইটো বুজিবৰ কাৰণে সূৰ্যৰ দৰে নক্ষত্ৰ এটাৰ সৃষ্টি আৰু ক্ৰমবিবৰ্তন কেনেদৰে হয় সেই বিষয়ে কিছু কথা জনা দৰকাৰ। আধুনিক বিশ্বতত্ত্ব মতে বিশ্ব ব্ৰহ্মাণ্ডত তাৰকাবোৰ অনন্তকালৰ বাবে নেথাকে। সময়ৰ অগ্ৰগতিৰ লগে লগে নক্ষত্ৰ একোটাৰ সৃষ্টি, বিবৰ্তন আৰু বিলুপ্তি হৈ থাকে। বিশ্ব ব্ৰহ্মাণ্ডত থকা সহস্ৰকোটি নক্ষত্ৰৰ মাজৰ শূন্য ঠাইবোৰ পাতল হাইড্ৰজেন গেচ আৰু অন্যান্য গেচীয় পদাৰ্থ আৰু ধূলিকণাৰে পূৰ্ণ হৈ থাকে। কেতিয়াবা কোনো কাৰণবশতঃ একোটা নক্ষত্ৰ বিস্ফোৰিত হৈ নোহোৱা হৈ গলে তাৰ কাষৰ এই গেচীয় পদাৰ্থৰ মাধ্যমটোৰ মাজেদি এক প্ৰবল শক্তিশালী তৰংগ (ইংৰাজীত যাক Shock wave বুলি কোৱা হয়) পাৰ হৈ যায়। এই তৰংগই গেচীয় পদাৰ্থৰ পাতল ডাৱৰৰ একোটা খণ্ড প্ৰবলভাবে আলোড়িত কৰি একোটা গোলাকাৰ গেচীয় পদাৰ্থ পিণ্ডৰ সৃষ্টি কৰে। এই পদাৰ্থ পিণ্ডটোত থকা হাইড্ৰজেন প্ৰমুখ্যে পদাৰ্থৰ পৰমাণুবোৰৰ মাজৰ দূৰত্ব আপেক্ষিকভাবে কম হোৱাৰ বাবে সিহঁতৰ মাজৰ মহাকৰ্ষণ বল ক্ৰমে বৃদ্ধি পাই যায় আৰু পৰমাণুবোৰ ক্ৰমে পৰস্পৰৰ কাষ চাপি আহে। ফলত গোলাকাৰ বস্তুপিণ্ডটোৰ আকাৰ ক্ৰমে হ্ৰাস পাই আহে। মহাকৰ্ষণ বলৰ ধৰ্ম এনে ধৰণৰ যে দুটা বস্তুৰ মাজৰ দূৰত্ব যিমানেই কমি আহে সিহঁতৰ মাজৰ মহাকৰ্ষণ বলৰ মানো সিমানেই বাঢ়ি যায়। গতিকে গেচীয় পদাৰ্থৰ পৰমাণুবোৰ যিমানেই পৰস্পৰৰ ওচৰ চাপি আহে সিমানেই সিহঁতৰ মাজৰ আকৰ্ষণ বাঢ়ি যোৱাৰ ফলত গেচীয় পদাৰ্থৰ গোলকটো অতি দ্ৰুত বেগেৰে সংকুচিত হবলৈ ধৰে। এই সংকোচনৰ ফলত গোলকটোৰ কেন্দ্ৰভাগ অতি উত্তপ্ত হৈ পৰে: এই উত্তপ্ত পৰিৱেশত এটা নতুন ধৰণৰ পৰিঘটনা ঘটিবলৈ ধৰে। এই পৰিঘটনাটোৰ নাম হ'ল পাৰমাণৱিক সংযোজন। ইয়েই সূৰ্যৰ সকলো পোহৰ, তাপ আৰু অন্যান্য শক্তিৰ মূল কাৰণ। সূৰ্যৰ সাম্প্ৰতিক আয়তন আৰু অৱস্থিতিৰ মূল কাৰণো এই পৰিঘটনাটোৱেই। এই পৰিঘটনাটোনো কি?

পদাৰ্থৰ পাৰমাণৱিক গঠন সম্পৰ্কে কম বেছি পৰিমাণে আমি আটায়ে জানো। পৰমাণুটোৰ কেন্দ্ৰভাগত প্ৰ'টন আৰু নিউট্ৰন কণিকাৰ দ্বাৰা গঠিত নিউক্লিয়াচ বা পৰমাণু গৰ্ভটো থাকে। ইয়াৰ চাৰিওফালে ইলেকট্ৰন নামৰ পাতল, ঋণাত্মক আধানযুক্ত কণিকাবোৰ ঘূৰি থাকে। নিউক্লিয়াচত থকা প্ৰ'টনবোৰ ধনাত্মক আধানযুক্ত আৰু নিউট্ৰনবোৰ বৈদ্যুতিক আধানহীন, সেই বাবে পৰমাণু গৰ্ভটো সামগ্ৰিকভাবে ধনাত্মকভাবে আহিত। পৰমাণুগৰ্ভত থকা প্ৰ'টন আৰু নিউট্ৰন কণিকাবোৰৰ মাজত অনবৰত এক বিশেষ ধৰণৰ ক্ৰিয়া হৈ থাকে। এই ক্ৰিয়াক সবল ক্ৰিয়া (Strong interaction) বুলি কোৱা হয়। এই ক্ৰিয়াৰ বাবেই পৰমাণু গৰ্ভত প্ৰ'টন আৰু নিউট্ৰনবোৰ অতি দৃঢ়ভাবে বান্ধ খাই থাকে আৰু সেইবোৰক সহজে পৰমাণু গৰ্ভৰ পৰা পৃথক কৰি আনিব নোৱাৰি। আনহাতে ইলেকট্ৰনবোৰ পৰমাণু গৰ্ভৰ চাৰিওফালে ঘূৰি ফুৰাৰ কাৰণ হ'ল ইলেকট্ৰন আৰু পৰমাণু গৰ্ভৰ মাজত থকা বৈদ্যুতিক বল। যি বিক্ৰিয়াৰ বাবে এই বলৰ সৃষ্টি হয় তাক সাধাৰণতে বিদ্যুৎ চুম্বকীয় বিক্ৰিয়া (electromagnetic interaction) বোলে। এই বিক্ৰিয়া আপেক্ষিকভাবে দুৰ্বল বাবে তুলনামূলকভাবে কম শক্তি প্ৰয়োগ কৰিয়েই এই ইলেকট্ৰনবোৰক পৰমাণু গৰ্ভৰ পৰা বিচ্ছিন্ন কৰি আনিব পাৰি। তাকে কৰিলে পৰমাণুটোৰ অৱশিষ্ট হিচাপে কেৱল পৰমাণু গৰ্ভটোহে থাকেগৈ। তাপশক্তি প্ৰয়োগ কৰি পৰমাণুৰ উষ্ণতা বঢ়াই এনেধৰণেৰে ইলেকট্ৰন বিচ্ছেদ ঘটাব পাৰি। নক্ষত্ৰবোৰৰ কেন্দ্ৰভাগৰ উষ্ণতা অতি বেছি। সেইবাবে তাত থকা পৰমাণুবোৰ আমি সাধাৰণ অৱস্থাত পোৱা পৰমাণুৰ দৰে হৈ নেথাকে। তাত কেৱল পৰমাণুৰ পৰমাণু গৰ্ভবোৰহে থাকে। সূৰ্যৰ কেন্দ্ৰভাগতো সেয়েহে আমি কেৱল হাইড্ৰজেনৰ পৰমাণু গৰ্ভবোৰহে পাওঁ। এই পৰমাণু গৰ্ভবোৰ ধনাত্মক আধানযুক্ত। সেই বাবে সাধাৰণ অৱস্থাত সিহঁত লগ লাগি গধুৰতৰ পৰমাণু গৰ্ভলৈ ৰূপান্তৰিত হ'ব নোৱাৰে। কিন্তু সূৰ্যৰ কেন্দ্ৰভাগত থকা উষ্ণতাত এই পৰমাণু গৰ্ভবোৰৰ মাজত এনেধৰণৰ প্ৰবল সংঘাত হয় যে সিহঁতৰ মাজত এক বিশেষ বলে ক্ৰিয়া কৰি হাইড্ৰ'জেনৰ পৰমাণু গৰ্ভবোৰ লগ লগাই হিলিয়ামৰ পৰমাণু গৰ্ভলৈ ৰূপান্তৰিত কৰে। এই প্ৰক্ৰিয়াটোৱেই হ'ল পাৰমাণৱিক সংযোজন। এই বিক্ৰিয়াৰ ফলস্বৰূপে প্ৰচুৰ তাপ আৰু পোহৰৰ সৃষ্টি হয়। এই তাপ আৰু পোহৰে এক বহিৰ্মুখী চাপৰ সৃষ্টি কৰে আৰু এই চাপেই নক্ষত্ৰটোৰ কেন্দ্ৰৰ ফালে থকা মহাকৰ্ষণ বলক প্ৰতিৰোধ কৰি নক্ষত্ৰটোৰ সংকোচন বন্ধ কৰি ৰাখে। সেই বাবেই নক্ষত্ৰটোৰ আকাৰ আৰু আয়তন স্হিৰ হৈ থাকে। অৱশ্যে ইয়াৰ পাছতো নক্ষত্ৰটোৰ বিবৰ্তন প্ৰক্ৰিয়া চলি থাকে। সেই বিষয়ে আলোচনা কৰা বৰ্তমান আমাৰ উদ্দেশ্য নহয়। এতিয়া আমাৰ প্ৰশ্ন হ'ল পাৰমাণৱিক সংযোজনত সৃষ্টি হোৱা এই প্ৰভূত পৰিমাণৰ তাপ আৰু পোহৰ ক'ৰ পৰা আহিল? তাৰ কাৰণ আধুনিক বিজ্ঞানে এনেদৰে দিছেঃ হাইড্ৰ'জেনৰ পৰমাণু গৰ্ভত মাত্ৰ এটা প্ৰ'টন থাকে। ইয়াত নিউট্ৰন বা অন্য কোনো কণিকা নেথাকে। আনহাতে হিলিয়ামৰ পৰমাণু

গৰ্ভত দুটা প্ৰ'টন আৰু দুটা নিউট্ৰন থাকে। গতিকে স্বাভাৱিকতে দুটা হাইড্ৰ'জেনৰ পৰমাণু গৰ্ভ পোনপটীয়াকৈ লগ লাগি একোটা হিলিয়ামৰ পৰমাণু গৰ্ভ সৃষ্টি কৰিব নোৱাৰে। হাইড্ৰ'জেনৰ পৰমাণু গৰ্ভ হিলিয়ামৰ পৰমাণু গৰ্ভলৈ ৰূপান্তৰিত হওঁতে কেইবাটাও বিক্ৰিয়া ঘটে আৰু এটা হিলিয়ামৰ পৰমাণু গৰ্ভ সৃষ্টি হওঁতে কেইবাটাও হাউড্ৰ'জেনৰ পৰমাণু গৰ্ভই অংশগ্ৰহণ কৰে। কিন্তু এই বিক্ৰিয়াবোৰত অংশগ্ৰহণ কৰা কণিকাবোৰত থকা মুঠ পদাৰ্থ বা ভৰৰ পৰিমাণ হিচাপ কৰিলে দেখা যায় যে বিক্ৰিয়াটো সংঘটন হবৰ সময়ত পৰমাণু গৰ্ভবোৰত থকা ভৰতকৈ বিক্ৰিয়াৰ ফলত সৃষ্টি হোৱা পৰমাণু গৰ্ভবোৰৰ আৰু অন্যান্য কণিকাবোৰৰ মুঠ ভৰ সদায় কম হয়। অৰ্থাৎ পাৰমাণৱিক সংযোজনৰ সময়ত্ব সদায় কিছু পদাৰ্থ নোহোৱা হয়। এই অন্তৰ্ধান হোৱা পদাৰ্থখিনি ক'লৈ গ'ল? তাৰো উত্তৰ আধুনিক বিজ্ঞানে দিছে।

আইনষ্টাইনে তেওঁৰ বিখ্যাত আপেক্ষিকতাবাদ তত্ত্বৰ যোগেদি প্ৰমাণ কৰি দেখুৱাইছে যে ভৰ আৰু শক্তি একেটা মূল বস্তুৰে দুটা ভিন্ন ৰূপহে মাথোন। গতিকে কেতিয়াবা পদাৰ্থই শক্তিৰ ৰূপ ধাৰণ কৰিব পাৰে আৰু শক্তিয়েও কেতিয়াবা পদাৰ্থৰ ৰূপত আত্মপ্ৰকাশ কৰিব পাৰে। ইয়াৰ কোনো এটা ৰূপেই আনটোতকৈ অধিক মৌলিক বা বাস্তৱ নহয়। গতিকে আমি কব পাৰো যে হাইড্ৰজেনৰ পৰমাণু গৰ্ভবোৰ লগ লাগি হিলিয়ামৰ পৰমাণু গৰ্ভলৈ ৰূপান্তৰিত হবৰ সময়ত যিখিনি পদাৰ্থ নোহোৱা হ'ল সেইখিনি পদাৰ্থই শক্তিৰ ৰূপ ধাৰণ কৰিলে। সেই শক্তিৰ এটা অংশ হিলিয়ামৰ পৰমাণু গৰ্ভটো সৃষ্টি হওঁতে বন্ধন শক্তি ৰূপে ব্যৱহৃত হ'ল আৰু আনটো অংশ নক্ষত্ৰটোৰ পৰা তাপ, পোহৰ আদি বিভিন্ন শক্তিৰ ৰূপত বিকিৰিত হ'ল। আমি সূৰ্যৰ পৰা পোৱা সকলো তাপ আৰু পোহৰৰ মূল উৎস এইটোৱেই। বিজ্ঞানী সকলে কৰা হিচাপমতে সূৰ্যৰ কেন্দ্ৰত প্ৰতি ছেকেণ্ডত প্ৰায় ৬৫০ নিযুত টন হাইড্ৰজেনৰ পাৰমাণৱিক সংযোজন হৈ ৬৪৫.৪ নিযুত টন হিলিয়াম প্ৰস্তুত হৈ আছে আৰু বাকী ৪.৬ নিযুত টন পদাৰ্থ শক্তিলৈ ৰূপান্তৰিত হৈ আছে। এই শক্তিৰ পৰিমাণ অতি বৃহৎ। এটা উদাহৰণ দিলে এই শক্তিৰ পৰিমাণৰ কথা বুজিবলৈ সহজ হ'ব। যদি একগ্ৰাম পদাৰ্থ শক্তিলৈ ৰূপান্তৰিত কৰা হয় সেই শক্তিৰে (=৯×১০১৩ জুল) প্ৰায় ১০০০০০০০০০ লিটাৰ পানীৰ উষ্ণতা ০°ৰ পৰা ১০০° ছেলছিয়াচলৈ বৃদ্ধি কৰিব পৰা যাব।

এনেদৰে আমি দেখুৱাব পাৰো যে প্ৰতিটো প্ৰাকৃতিক পৰিঘটনাৰ বৈজ্ঞানিক বিশ্লেষণ কিছুমান কাৰ্য আৰু কাৰণৰ সমষ্টি মাথোন। বিজ্ঞানে প্ৰতিটো পৰিঘটনাৰ কাৰণ যথাসম্ভৱ গ্ৰহণযোগ্য ৰূপত দাঙি ধৰে। কিন্তু এইদৰে কাৰ্য আৰু কাৰণৰ পম খেদি গৈ থাকিলে আমি এনে এটা অৱস্থাত উপনীত হওঁহি য'ৰ পৰা আৰু আগবাঢ়িব নোৱাৰি। বিজ্ঞান চৰ্চাৰ অগ্ৰগতিৰ লগে লগে এই সীমাৰ পৰিধি বৃদ্ধি পাইছে যদিও এই পৰিধি অসীম নহয়। আধুনিক বিজ্ঞান ইয়াৰ সীমিত পৰিসৰ সম্পৰ্কে সম্পূৰ্ণ সচেতন। উদাহৰণ স্বৰূপে ওপৰত পদাৰ্থ শক্তিলৈ ৰূপান্তৰিত হোৱা কথাটো আমি সহজভাৱে মানি লৈছো। ইয়াৰ কাৰণো আছে। বৈজ্ঞানিক পৰীক্ষা নিৰীক্ষাত ভৰ আৰু শক্তিৰ ৰূপান্তৰৰ সন্দেহাতীত প্ৰমাণ পোৱা গৈছে। কিন্তু কথাটো যদি আমি এবাৰ দকৈ ভাবি চাওঁ গোটেই ঘটনাটো আমাৰ কাৰণে সম্পূৰ্ণ দুৰ্বোধ্য হৈ পৰে। শক্তি অদৃশ্য ইয়াৰ কোনো আকাৰ বা ৰূপ নাই আৰু আমি ইয়াক চকুৰেও নেদেখো। আমি মাত্ৰ শক্তিৰ ক্ৰিয়াহে দেখিবলৈ পাওঁ। আনহাতে পদাৰ্থৰ আকাৰ আৰু আয়তন আছে – আমি তাক চকুৰে দেখিবলৈ পাওঁ। আমি জানো যে পদাৰ্থ প্ৰ'টন, নিউট্ৰন আৰু ইলেকট্ৰন নামৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ কিছুমান কণিকাৰ সমষ্টি। যিহেতু আমি দেখা বৃহৎ বৃহৎ পদাৰ্থবোৰ এই কণিকাবোৰৰ দ্বাৰাই গঠিত, যিমানেই সামান্য নহওক কিয় – এই কণিকাবোৰৰো নিশ্চয় ভৰ আছে। এতিয়া এই কণিকাবোৰ শক্তিলৈ ৰূপান্তৰিত হওঁতে এই ভৰখিনি ক'লৈ গ'ল? তাৰ সঠিক উত্তৰ আধুনিক বিজ্ঞানী সকলৰ হাতত নাই। এইখিনিতে এটা কথা মনত ৰখা উচিত হ'ব যে যদিও এই মৌলিক কণিকা সমূহৰ অস্তিত্ব বৈজ্ঞানিক পৰীক্ষা নিৰীক্ষাৰ সহায়ত নিৰ্ভৰযোগ্য ভাবে প্ৰমাণিত হৈছে চকুৰে দেখাৰ কথাহে নেলাগে আধুনিক কাৰিকৰী বিশেষজ্ঞ সকলে প্ৰস্তুত কৰা অতি উন্নত যন্ত্ৰপাতিৰ সহায়তো বিজ্ঞানীসকলে সেইবোৰ প্ৰত্যক্ষ কৰিবলৈ সক্ষম হোৱা নাই। ইলেকট্ৰনটো গোলাকাৰ নে চুঙাকৃতিৰ নে ঘনক এটাৰ দৰে সেই কথা নদি কোনেও কব নোৱাৰে। ইয়াৰ ৰূপ সম্পূৰ্ণ কাল্পনিক। একাৰ্থত ইয়াক বিজ্ঞানী সকলৰ মানসপুত্ৰ বুলিও কব পাৰি। সেইদৰে কোনো মৌলিক কণিকাৰে আকাৰ বা ৰূপ সম্পৰ্কে আমাৰ কোনো জ্ঞান নাই। এই কণিকাবোৰৰ ভিতৰত কি আছে আমি নেজানো। এইবিষয়ত বিজ্ঞানীসকলে সমুদ্ৰৰ মাজৰ দিশহাৰা নাবিকৰ দৰে বিভিন্ন দিশত জ্ঞানৰ আলোক সন্ধান কৰিছে। কিন্তু সাম্প্ৰতিক জ্ঞানৰ পোহৰে কোনো দিশৰে সন্ধান দিব পৰা নাই। এইখিনিতেই এই বিষয়ত আধুনিক বিজ্ঞানৰ সীমাৰেখা ডাল অংকিত হৈছে। ■

সূত্ৰধাৰ
ডা যোগেও আপুনি পাব
বছৰেকীয়া বৰঙণিঃ ১৪৪ টকা
ছমহীয়া বৰঙণিঃ ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমাণ্ড ড্ৰাফট অথবা চেক যোগে পূৰ্ব্বী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওকঃ
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১






# চকোলেট আৰু বনস্পতিৰ পৰা হ'ব পৰা ৰোগ

ডাঃ ৰমানন্দ শইকীয়া

প্ৰচলিত ধাৰণা অনুসৰি আমি জানো যে চকোলেট্ খালে দাঁতৰ কেৰিজ নামৰ ৰোগ হয়। এই ৰোগক সাধাৰণতে দাঁত পোকে খোৱা বুলিয়েই জনা যায়। কিন্তু বৰ্তমান বৈজ্ঞানিক সকলে গৱেষণা কৰি চকোলেট্ আৰু হাইড্ৰোজেনেটেড ভিজিটেবল অইল (যেনেঃ বনস্পতি) অত অত্যাধিক মাত্ৰাত নিকেল পাইছে। লগতে বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাত এইটোও সাব্যস্ত হৈছে যে অধিক মাত্ৰাৰ নিকেল অকালতে চুলি পকা আৰু বিভিন্ন অংগৰ কৰ্কট ৰোগৰ কাৰণে দায়ী।

লক্ষ্ণৌত অৱস্থিত Environmental Research Laboratoryয়ে কৰা গৱেষণাত প্ৰমাণিত হৈছে যে পকা আৰু আধা পকা চুলিত থকা নিকেলৰ পৰিমাণ ক'লা চুলিত থকা নিকেলৰ পৰিমাণতকৈ বেছি। চুলিত থকা নিকেলৰ পৰিমাণ নিৰ্ধাৰণ কৰোতে Atomic — Absorption Spectro-photometer নামৰ যন্ত্ৰৰ সহায় লোৱা হৈছিল। এই পৰীক্ষাত পোৱা বিভিন্ন ধৰণৰ চুলিত পোৱা নিকেলৰ পৰিমাণ তলত দিয়া হ'লঃ-

১। সম্পূৰ্ণ পকা বা ৰূপালী চুলিত নিকেলৰ পৰিমাণ ২.৭৩ + ১.১৫ অংশ প্ৰতি মিলিয়নত।

২। আধা পকা চুলিত নিকেলৰ পৰিমাণ ০.৮৮ + ১.০১ অংশ প্ৰতি মিলিয়নত।

৩। ক'লা চুলিত নিকেলৰ পৰিমাণ ০.৫৯ + ০.৬৫ অংশ প্ৰতি মিলিয়নত।

উক্ত পৰীক্ষাত এইটোও প্ৰমাণিত হৈছে যে তামৰ পৰিমাণ বিভিন্ন ধৰণৰ চুলিত থকা নিকেলৰ পৰিমাণৰ ঠিক বিপৰীত। অৰ্থাৎ সম্পূৰ্ণ পকা চুলিত তাম কমকৈ থাকে আৰু ক'লা চুলিত বেছিকৈ থাকে। এই গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ডাঃ এম চি চাক্সেনাৰ মতে চুলিৰ ক'লা বৰণ চুলিত থকা মেলানিন্ (Melanin) নামৰ ৰঞ্জক পদাৰ্থৰ বাবে হয়। মেলানিনৰ সংশ্লেষণ (Synthesis) হয় মেলান'ব্লাষ্ট্ (Melano-blast) নামৰ কোষত। মেলানিন্ সংশ্লেষণৰ বাবে তামৰ দৰকাৰ। নিকেলৰ বিদ্যুৎ ঋণাত্মকতা (Electronegativity) বেছি হোৱা বাবে ই তামক মেলান'ব্লাষ্ট্ নামৰ কোষৰ বাহিৰলৈ উলিয়াই পঠিয়ায় আৰু ফলত মেলানিন্ সংশ্লেষণত ব্যাঘাত জন্মে। সেই কাৰণেই পকা চুলিত নিকেলৰ পৰিমাণ অধিক আৰু তামৰ পৰিমাণ কম। ক'লা চুলিত ঠিক তাৰ বিপৰীত মাত্ৰাত নিকেল আৰু তাম পোৱা যায়।

এই গৱেষণাত এইটোও প্ৰতিপন্ন হৈছে যে হাইড্ৰোজেনেটেড ভিজিটেবল অইল আৰু ভাৰতীয় চকোলেটত নিকেল বেছি পৰিমাণে থাকে। বিভিন্ন ভিজিটেবল অইল বা উদ্ভিদজাত তেল (যেনেঃ বাদাম তেল, নাৰিকল তেল, সৰিয়হ তেল, সূৰ্যমুখী তেল)ক নিৰ্দিষ্ট তাপ আৰু চাপ প্ৰয়োগৰ দ্বাৰা অনুঘটকৰ সহায়ত Hydrogenation প্ৰক্ৰিয়াৰে গোটা ঘিউ সদৃশ পদাৰ্থলৈ পৰিবৰ্তিত কৰিব পাৰি আৰু এই গোটা ঘিউ সদৃশ পদাৰ্থকে হাইড্ৰোজেনেটেড ভিজিটেবল অইল (Hydrogenated Vegetable Oil) বোলে। এনে তেলত পোৱা নিকেলৰ পৰিমাণ ২১ৰ পৰা ২৮ অংশ প্ৰতি মিলিয়নত। আমাৰ দেশত প্ৰতি বছৰে প্ৰায় ১০ লাখ টন এনে তেল ব্যৱহৃত হয় আৰু ইয়াৰে সৰহ ভাগ ব্যৱহাৰ কৰা হয় উত্তৰ ভাৰতত।

কিশোৰ-কিশোৰীৰ অকালতে চুলি পকাৰ কাৰণ অধিক পৰিমাণৰ নিকেল বুলি সাব্যস্ত কৰাৰ পিছত Environmental Research Laboratoryয়ে ভাৰতত প্ৰচলিত জনপ্ৰিয় চকোলেটবোৰত থকা নিকেলৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলৈ সিদ্ধান্ত লয়। আটাইবোৰ জনপ্ৰিয় চকোলেটতে নিকেলৰ পৰিমাণ বেছিকৈ পোৱা হয় আৰু ইয়াৰ পৰিসৰ ১৫ৰ পৰা ৪১.৫ অংশ প্ৰতি মিলিয়নত। এইমাত্ৰাত এজন শিশুৱে মাত্ৰ এটা চকোলেটৰ পৰা ৬০০ৰ পৰা ১৩৮০ মাইক্ৰগ্ৰাম বিষাক্ত নিকেল সেৱন কৰে।

আমাৰ শৰীৰত নিকেল RNA (ৰাইব'নিউক্লিক্ এছিড)ৰ লগত যুক্ত হৈ থাকে। আমাৰ তেজত নিকেল যুক্ত L-macroglobulin (যাক Nickeloplasmin বুলি কোৱা হয়) থাকে কিন্তু ইয়াৰ প্ৰকৃত কাম কি বৰ্তমানলৈকে জনা নাযায়। Carbon mono-oxideৰ লগ লাগি Nickelএ Nickel Carbonyl নামৰ এবিধ অত্যন্ত বিষাক্ত পদাৰ্থৰ সৃষ্টি কৰে। Nickel Carbonylএ হাওঁফাওঁ আৰু যকৃতৰ কোষবোৰৰ ওপৰত বিৰূপ ভাবে ক্ৰিয়া কৰে। ই যকৃতৰ কোষবোৰৰ ৰাসায়নিক মৃত্যু ঘটায়। আৰু হাওঁফাওঁৰ প্ৰদাহ (Inflamation)ৰ সৃষ্টি কৰে। নিকেলে আমাৰ শৰীৰৰ Messenger RNA নামৰ জিন (GENE)ৰ এবিধ নিউক্লিক্ এছিডক বাধা দিব পাৰে আৰু দেহৰ সংক্ৰামক ব্যাধি ৰোধ কৰিব পৰা ক্ষমতা হ্ৰাস কৰে। শৰীৰৰ ওপৰত নিকেলৰ বহুদিনীয়া প্ৰভাৱৰ ফলত হাওঁফাওঁৰ আৰু নাকৰ ভিতৰৰ শ্লৈষ্মিক আৱৰণীৰ (Mucous membrane) কৰ্কট ৰোগৰ সৃষ্টি হ'ব পাৰে।

বিশ্ব স্বাস্থ্য সংস্থা আৰু খাদ্য বস্তুৰ প্ৰদূষণ (contamination) প্ৰতিৰোধৰ লগত জড়িত কেতবোৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাই নিকেলক কৰ্কটৰোগ সৃষ্টি কৰাত সক্ষম ধাতু বুলি চিহ্নিত কৰিছে। কিন্তু বৰ্তমানলৈকে Indian Standard




OKDISCD

Institutionয়ে (বৰ্তমান Bureau of Indian Standards বুজি জনাজাত) সৰ্বোচ্চ কিমান পৰিমাণৰ নিকেল স্বাস্থ্যৰ বাবে ক্ষতিকাৰক নহয় তাক নিৰ্ধাৰণ কৰা নাই।

ভাৰতীয় মানদণ্ড অনুসৰি চকোলেটত 'ককোৱা মাখন' (Cocoa Butter)ৰ পৰিৱৰ্তে Lecithin (লেচিথিন্) নামৰ পদাৰ্থ ব্যৱহাৰ কৰিব দিয়া হয় যিহেতু 'ককোৱা মাখন' আমাৰ দেশৰ গৰম আৰু আৰ্দ্ৰ জলবায়ুৰ উপযোগী নহয়। কিন্তু চকোলেট উৎপাদন কৰা ব্যৱসায়ী গোষ্ঠীয়ে লেচিথিনৰ পৰিবৰ্তে কম খৰচতে পোৱা অথচ শৰীৰৰ বাবে ক্ষতিকাৰক অধিক নিকেলযুক্ত Hydrogenated Vegetable Oil ব্যৱহাৰ কৰে। International Registry of Potentially Toxic Chemicals of United Nations Environmental Programme অনুসৰি দুগ্ধজাত সামগ্ৰীত নিকেলৰ সৰ্বোচ্চ অনুমোদিত নিৰাপদ পৰিমাণ ১00 মাইক্ৰ'গ্ৰাম প্ৰতি কিলোগ্ৰামত। কিন্তু ভাৰতীয় শিশুৱে চকোলেটৰ জৰিয়তে সৰ্বোচ্চ অনুমোদিত নিৰাপদ পৰিমাণৰ ১00ৰ পৰা ৪00 গুণ বেছি নিকেল সেৱন কৰে।

সংসদৰ মজিয়াত উত্থাপিত হোৱাৰ পিছতো ভাৰত চৰকাৰে বিষয়টোৰ ওপৰত কোনো শুধৰণি মূলক পদক্ষেপ লোৱা নাই। Environmental Research Laboratoryৰ সঞ্চালক ডঃ চাক্সেনাৰ মতে আমাৰ দেশলৈ নিকেল আমদানি কৰোতে প্ৰচুৰ বিদেশী মুদ্ৰা ব্যয় কৰিব লগা হয়। তেওঁ আৰু কয় যে নিকেলক Prevention of Food Adulteration Actৰ অন্তৰ্ভুক্ত বিষাক্ত ধাতুৰ তালিকাত সংযোজিত কৰিব লাগে। আচৰিত ভাবে নিকেলতকৈ কম বিষাক্ত বহু পদাৰ্থৰ নাম এই তালিকাত আছে যদিও নিকেলৰ নাম এতিয়ালৈকে এই তালিকাত সন্নিবিষ্ট কৰা হোৱা নাই।

আমি আন্তৰিকতাৰে আশা ৰাখিছো যে আমাৰ দেশত অনতিপলমে নিকেল আৰু নিকেল অধিক মাত্ৰাত থকা চকোলেট আৰু Hydrogenated Vegetable Oilৰ বিৰুদ্ধে এটি প্ৰবল জনমত গঢ়ি উঠিব।


সহায় লোৱা হৈছেঃ–

1. The Hindustan Times.
2. Harrison's Principles of Internal Medicine 9th Edition.
3. A Text Book of Preventive & Social Medicine 7th Edition.






# বাঘটোলৈ মনত পৰিছে

গৰিমা হাজৰিকা



চিৰিয়াখানালৈ প্ৰায়েই মই যাওঁ। গৈ ভাল লাগে। এদিন দেখিলো দলঙৰ তলত থকা প্ৰকাণ্ড মানুহ খোৱা বাঘটো দেখোন একমনে কি ভাবি বহি আছে। মইতো আচৰিত। যিটো বাঘে সৰু গড়ালটোৰ ভিতৰত গুজৰি গুমৰি তৰণি নোহোৱাকৈ ঘূৰি থাকে, তাৰ আজি কি হ'ল। ওচৰলৈ গৈ সুধিলো – 'আজি দেখোন ভাবত বিভোৰ, কি হ'ল?' – 'তোমালোকৰ কথা ভাবি ভাবি পাৰ পোৱা নাই।' 'আমাৰ কথা! মানে মানুহৰ কথা!' – 'ওঁ' – 'কি কোৱা হে জন্তুৱে আকৌ মানুহৰ কথা কেনেকৈ ভাবিবা।' বাঘটো কিছু পৰ নিমাত হৈ আকৌ মাত মাতিলে, 'বাৰু কোৱাচোন আমি জন্তুবোৰ কেই প্ৰকাৰ?' 'তোমালোক, তোমালোক দুই প্ৰকাৰ, এবিধ চাৰি ঠেঙীয়া আৰু এবিধ দুই ঠেঙীয়া। – এবিধে মাংস খোৱা আৰু এবিধে ঘাঁহ খোৱা।' 'উত্তৰটো ঠিকেই দিলা, বাৰু কোৱাচোন তোমালোক মানুহবোৰ কেই প্ৰকাৰ?' কি কয় এই বুঢ়া বাঘটোৱে – মানুহ আৰু কেই প্ৰকাৰ হ'ব –মানুহ মানুহেই; পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ জীৱ। 'উত্তৰ তোমাৰ ঠিক নহ'ল। মানুহ চাৰি প্ৰকাৰৰ।' বাঘৰ কথাত এনে খং উঠিল যে, উফাল মাৰি তৎক্ষণাৎ সেই ঠাই এৰি গুচি আহিলো। কটা নিধক বাঘ, কাম নাই আৰু জন্তুৱে আকৌ মানুহৰ কথা ভাবে। খঙৰ ভমকত কিমান দূৰ পালোহি ততকে ধৰিবলৈ নোৱাৰিলো। ভৰিত কিবা এটা কোমল বস্তু লগাত চক্ খাই তললৈ চাই দেখো – ভৰিৰ কাষতে চাৰি মাহ পাঁচ মাহ মানৰ মানুহৰ কেঁচুৱা এটা, লেতেৰা থৈলা কাপোৰৰে মেৰাই ফুটপাথত শুৱাই থৈছে। ওচৰতে আৰু দুটা। সিহঁতৰ চেহেৰাৰ পৰা কিমান বয়স হৈছে অনুমান কৰিব নোৱাৰি। একেবাৰে নিশকতীয়া, কুকুৰ মেকুৰীৰ পোৱালিৰ দৰে। সিহঁতৰ গাঁত কাপোৰ বুলিবলৈ একোৱেই নাই। মানুহে খাই পেলাই থৈ যোৱা নাৰিকল এটা লৈ দবৰাদবৰি কৰি আছে। সিহঁতৰ ওচৰতে এজনী কুটুলা কুটুল চুলিৰ নিশকতীয়া তিৰোতা মানুহ। তাইৰো গাত এখন ফটা থৈলা। বোধহয় সেই মানুহ নামৰ পোৱালি কেইটাৰ মাক। মই তাইক ল'ৰা-ছোৱালী কেইটা এনেকৈ ফুট পাথৰ মাজত থোৱাৰ বাবে ধমক দিলো। তাইৰ কোনো উত্তৰ নাই। কেৱল মোৰ মুখৰ ফালে একেথৰে চাই ৰ'ল। মই একো নকৈ আগবাঢ়িলো।

ঠাণ্ডা লাগিছে। তামোল এখন খাই গাটো গৰম কৰো বুলি ভাবি পাণ দোকান এখনৰ ওচৰ চাপিলো। দোকানীয়ে দুজনমান গ্ৰাহকক লেকচাৰ মাৰি আছে। 'বুজিছে আজি ৰাতি পুৱাই দোকান খুলিবলৈ আহোতে এটা নাপিত দেখিলো – আৰু তেতিয়াই ধৰি ললো আজি আৰু দোকানৰ বিক্ৰী নহয়। সঁচাকৈয়ে জানে এই তিনি বজালৈকে আপোনালোকেই প্ৰথম গ্ৰাহক। ভাগ্যে আপোনালোক আহিল নহ'লেতো আজি দিনটো এক পইছা বিক্ৰী নোহোৱাকৈ পাৰ হ'লহেঁতেন।' – গ্ৰাহক এজনে মাত দিলে, 'ভাগ্য বৰ ডাঙৰ কথা বুজিছে। কপালত থাকিলে সকলো আপোনা আপুনি হৈ যায়। মোলৈকে চাওক – গুৱাহাটীলৈ আহোতে হাতত এটা কড়িও নাছিল। শুদা মানুহটো। সদায় গণেশ মন্দিৰত ফুল এপাহ দি ভাবো, হে হৰি কিবা এটা কৰা। ভগৱানে চকু মেলি চালে: এখন গেলামালৰ দোকান হ'ল। ঘৰ গৃহস্থী হ'ল। কৈছো নহয় সকলো ভাগ্যৰ কথা।' মোৰ তাহাঁতৰ কথা শুনি থাকিবলৈ মন নগ'ল। কিমান নো ভাগ্যক ধিয়াই ধিয়াই কথা কয়। নাম ঘোষাৰ পদ এফাকি মনত পৰিল, 'কৰ্মত বিশ্বাস যাৰ হিয়াত থাকন্ত হৰি, অতিশয় দূৰ হন্ত তাৰ.....।' লৰালৰিকৈ তামোল এখন মুখত ভৰাই ৰিক্সা পোৱাৰ আশাত ফুটপাথেৰে যাবলৈ ধৰিলো। হঠাতে তামোলখনে মূৰত ধৰিলে। পানী এগিলাচ খালেই ভাল হ'ব বুলি ভাবি বাটৰ কাষতে থকা মজলীয়া ধৰণৰ হোটেল এখনত সোমালো। 'অ হোটেলৰ মালিক দেখোন মোৰ চিনাকি। 'বৰা নহয়নে – কি হ'ল?' 'নকব আৰু তামোলে মূৰত ধৰিছে।' 'বব বব বহকচোন। এই ল'ৰা, পানীত চেনি অলপ গুলিলৈ আহ। সোনকালে।' চেনি পানীখিনি খাইহে ত'ত পালো। – 'আপোনাৰ হোটেলখনটো বেছ ভাল হৈছে।' 'আপুনিহে ভাল দেখিছে, ৱাইফ আৰু ল'ৰা-ছোৱালীৰ মতে তো এইখন আওপুৰণি। সেই কাৰণে অহা মাহত এইখন ভাঙি ল'ৰাটোৱে হোটেলখন নতুন ধৰণেৰে সজাবলৈ ঠিক কৰিছে। সি যোৱাবাৰ বি কম পাছ কৰি, সৰুসুৰা বিজিনেচ কৰে।

সি হেনো এই হোটেলখন এয়াৰকণ্ডিচন কৰিবই বোলে। যোৱা বছৰত বেলতলাত মাটি এডোখৰ লৈ থৈছিলো। ৱাইফৰ আকৌ আমাৰ ঘৰৰ ওচৰৰ চৌধুৰীৰ ঘৰটো বৰ পছন্দৰ। তেওঁৰ বৰ হেঁপাহ, তেনেকুৱা এটা ঘৰ সজাবৰ কাৰণে।' হোটেলৰ মালিকৰ লগত কথা পাতি থাকোতে এজন মানুহ সোমাই আহিল। মানুহজন মোৰ বৰ চিনাকি চিনাকি লাগিল। মানুহজনেও মোৰ ফালে বাৰে বাৰে চাই আছে। আৰু ময়ো এবাৰ চাওঁ এবাৰ ভাবো, এবাৰ চাওঁ এবাৰ ভাবো। – আৰে এয়াচোন ৰথীন। ৰথীনৰো বোধহয় প্ৰায় একে সময়তে মোৰ নামটো মনত পৰি গ'ল। সি প্ৰায় দৌৰি অহাৰ দৰে আহি মোক টানি লৈ গ'ল তাৰ টেবুলখনলৈ। 'ইমান বছৰৰ মূৰত তোল লগ পালো।' – তাৰ পিছত একে উশাহে, কফিৰ অৰ্ডাৰ আমলেটৰ অৰ্ডাৰ। মই আমলেট খাই ভাল পাওঁ বুলি এতিয়াও তাৰ মনত আছে। বহুবছৰৰ মূৰত ৰথীনক লগ পালো। তাৰ কথা-বতৰা কোনো সলনি হোৱা নাই। আগৰ দৰেই সি পিঠিত এটা ঢকা মাৰি মোক সুধিলে, 'ক, তোৰ খবৰ।' 'মোৰ আৰু কি খবৰ থাকিব পাৰে। আগৰ কামটোতেই আছো। চলি আছো। তোৰ খবৰ কচোন?' ৰথীনে তাৰ কথা কৈ গ'ল – ল'ৰা দুটা, ছোৱালী এজনী। ছোৱালীজনী ডাঙৰ। হায়াৰ চেকেণ্ডাৰী স্কুল এখনৰ চাবজেক্ট টিচাৰ। ডাঙৰ ল'ৰাটোৱে ইঞ্জিনিয়াৰিং পাছ কৰিলে। এম বি এ পঢ়াৰ ইচ্ছা। ছিট এটা পাবৰ বাবে ওপৰ মহলাত চেষ্টা চলাই আছে।' ৰথীনৰ হিচাপত, ওপৰলৈ উঠিবৰ হলে আজিকালি বহুবিধ চেষ্টা কৰিব লাগিব। সেই চেষ্টা বিধবোৰ সি কৰি আছে। পৰিবাৰক এখন বুটিক খুলি দিছে। তেওঁ বুটিকখন লৈয়েই ব্যস্ত হৈ থাকে। সৰু ল'ৰাটোৱে ডাক্তৰী পঢ়ি আছে। ডাক্তৰী পাছ কৰিলেই তাক বিদেশলৈ পঠিয়াই দিব। ৰথীনে তাৰ পৰিয়ালটোৰ কথা বৰ গৰ্বেৰে কৈ গ'ল। তাৰ কথাত মই এনে বিভোৰ হলো যে সি নো কি কৰে সুধিবলৈ পাহৰি গলো।

ৰথীন গলগৈ। ময়ো ওলাই আহি দেখো, বতৰ ওন্দোলাই আনিছে। বেগাবেগিকৈ খোজ পেলাই গৈ আছো। ইচ্ বৰষুণ দিলেই। কি যে বিপদ। ওচৰত সৰুসুৰা দোকান এখনো নাই সোমাবলৈ। প্ৰকাণ্ড দোকানখন চকুত পৰিল। এই দোকানখনৰ কথা শুনিছোহে। ভিতৰত সোমাই পোৱা নাই। বস্তু বাহানিৰ গলা কটা দাম। আমাৰ দৰে মানুহে এই হেন দোকানৰ বস্তু কিনা সম্ভৱ নহয়। কিন্তু উপায় নাই। বৰষুণ দপদপীয়া হ'ল। প্ৰকাণ্ড আয়নাৰ দুৱাৰখন ঠেলি সোমাই পৰিলো – গাটো চেঁচা লাগি গ'ল। গহীনকৈ মানুহ এজনে মাত লগালে, 'কিবা লাগিব নেকি?' কি কওঁ কি নকওঁ বুলি ভাবি থাকোতেই দোকানলৈ এগৰাকী মানুহ বৰ ব্যস্ত হৈ সোমাই আহিল।' মানুহ গৰাকীক দেখি গহীন দোকানীজনৰ মুখত বেলেগ এটা হাঁহি বিৰিঙি উঠিল। মোক তাতে এৰি, মানুহ গৰাকীক সোধপোচ কৰাত ব্যস্ত হৈ পৰিল। মানুহ গৰাকীয়ে মোৰ চকুৰ আগতে প্ৰায় তিনি হেজাৰ মান টকাৰ বস্তু কিনিলে। যাবৰ সময়ত দোকানীয়ে হাঁহি এটা মাৰি কলে, 'মেদাম আপোনাৰ হীৰাৰ চেটটো কালিৰ ভিতৰত পাবহি। মই তৎক্ষণাৎ ফোনত আপোনাক জনাই দিম।' বাহিৰত বৰষুণ কমা যেন পালো। লাহেকৈ দুৱাৰখন খুলি বাটলৈ ওলাই পৰিলো। আলিবাটটো কোনোমতে পাৰ হৈ, আনটো ফুটপাথত ঠিয় দি, কিছু সময় ৰলো। প্ৰকাণ্ড দোকানখন আকৌ চকুত পৰিল। ইখনৰ পাছত সিখন মাৰুতি গাড়ী আহি সেই দোকানৰ আগত ৰৈছে, ধুনীয়াকৈ সাজপাৰ পিন্ধা মহিলা ল'ৰা-ছোৱালী নামি দোকানত সোমাইছে – হাত ভৰাই বস্তু কিনিছে, ওলাইছে। বস্তু কিনাৰ বাহিৰে এই মানুহবোৰৰ ভাবিবলৈ নাই নেকি? মানুহৰনো ইমান পইছা নে? এইবোৰ মানুহে খোৱা-বোৱাৰ কথা নিশ্চয় চিন্তা কৰিব নালাগে।

মোৰ চকুৰ আগত কেইবাখনো ছবি মন্টাজ হ'ল – সেই কুটুলা কুটুল চুলিৰ তিৰোতা মানুহজনী, নিশকতীয়া মানুহ নামৰ পোৱালি কেইটাৰ মাক। পাণ দোকানীজন। হোটেলৰ মালিক। ৰথীন আৰু প্ৰকাণ্ড দোকানখনৰ পৰা ওলাই অহা মানুহখিনি। বুঢ়া বাঘে কোৱা কথাখিনি মনত পৰিল। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ জীৱ মানুহ যে চাৰি প্ৰকাৰ। সৰ্বহাৰা, নিম্নমধ্যবিত্ত, মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত। কিন্তু মোৰ হিচাপত মধ্যবিত্ত শ্ৰেণীৰ আৰু ভাগ আছে। ময়ো তাৰ এটা ভাগত পৰো। চিৰিয়াখানাৰ বুঢ়া বাঘটোৰ কথা আকৌ মনত পৰিল। মগজ নোহোৱা জন্তুৱেও মানুহৰ কথা ভাবে। কিন্তু মানুহৰ মগজ থাকিও নাভাবে, ভাবিবলৈ ইচ্ছা নকৰে। মানুহে মানুহৰ কথা ভবা হলে মানুহৰ ইমানবোৰ ভাগ হ'লহেঁতেন নে?

বিতৰ্ক

# মাননীয় শ্ৰীযুত ৰাজীৱ বৰমুদৈদেৱলৈ মুকলি চিঠি

**মাননীয় বৰমুদৈ ডাঙৰীয়া,**

যোৱা ১৬-৩০ নবেম্বৰ সংখ্যা 'সূত্ৰধাৰ'ত আপোনাৰ মতামতটি পঢ়ি দু-আষাৰ নিলিখি নোৱাৰিলো।

প্ৰথমতেই আপুনি সমূহ হত্যাকাণ্ডৰ বাবে আল্‌ফাকেই জগৰীয়া কৰিব বিচাৰিছে। 'মানুহৰ ভিতৰত প্ৰকৃত প্ৰেম আৰু প্ৰকৃত মিলন প্ৰতিষ্ঠাৰ দিন আগুৱাই আনিবলৈ কেতিয়াবা মানুহকো ঘিণ কৰিব লগা হয়। আৰু কোনোবাই যদি মানুহৰ প্ৰগতিৰ পথত হেঙাৰ হৈ থিয় দিয়ে, নিজৰ মান ইজ্জত আৰু নিৰাপত্তাৰ উদ্দেশ্যে মানুহক বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰে, তাক নিশ্চয় আমি ধ্বংস কৰিম।' এইষাৰ কথা আমাৰ নহয়। ছোভিয়েত দেশৰ বিপ্লৱী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত এগৰাকী বিশ্ববিশ্ৰুত ঔপন্যাসিকৰ কথা। গতিকে অন্ধভাবে আল্‌ফাক সমৰ্থন কৰিবলৈ নগৈ সকলোবোৰ হত্যাকাণ্ডৰ বিৰোধিতা নকৰিলেও ওপৰোক্ত উক্তিৰ আধাৰতেই নিৰপৰাধী লোকক হত্যা কৰা কাৰ্যৰ আমিও তীব্ৰ বিৰোধিতা কৰো।

আপুনি দুজনমান সাংবাদিক বুদ্ধিজীৱীক 'পাগল' 'চেৰাবলিয়া' আদি উৎকৃষ্ট সম্বোধনেৰে সংবাদ পত্ৰৰ ভূমিকা যি হ'ব লাগে বুলি কবলৈ গৈছে, তাৰ অৰ্থ এনেকুৱাই নহয়নে বাৰু –

১। অসমত বজৰং অপাৰেশ্যন চলি থকাৰ সময়ছোৱাতে ৰাজ্যপাল শ্ৰীলোকনাথ মিশ্ৰৰ ওচৰত (ফুলবাৰিত) যিকেইজন দুৰ্ধৰ্ষ আল্‌ফাই আত্মসমৰ্পণ কৰিছে বুলি চৰকাৰী মাধ্যম যোগে ঘোষণা কৰা হৈছিল সি আছিল প্ৰকৃত সত্য ঘটনা। তাৰ বিপৰীতে ইয়াক 'নাটকীয়' বুলি সংবাদ পত্ৰ সমূহে তথ্য সহকাৰে ভুৱাকৈহে প্ৰচাৰ কৰিলে।

২। সাধাৰণ ক্ষমাদানৰ ক্ষেত্ৰত চৰকাৰী প্ৰচাৰ মাধ্যম যোগে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰা 'মই ক্ষমাদান দিছো' বোলা কথাষাৰ আছিল নিভাঁজ সত্য। আনহাতে সাধাৰণ ক্ষমাদান যে মুখ্য মন্ত্ৰীয়ে দিব নোৱাৰে তাক উদঙাই দি মুখ্য মন্ত্ৰীদেৱৰ ঘোষণাক এটা ৰাজনৈতিক লাভালাভৰ কৌশল বুলি সংবাদপত্ৰ সমূহে কৰা প্ৰচাৰটো আছিল সম্পূৰ্ণ ভুৱা প্ৰচাৰ।

৩। আল্‌ফাৰ হাতত পণবন্দী হৈ থকা শ্ৰীবাস্তবৰ মৃত্যু আল্‌ফাৰ হাতত হোৱা বুলি চৰকাৰী মাধ্যম সমূহে কৰা প্ৰচাৰৰ বিপৰীতে সংবাদ পত্ৰ সমূহে ভুৱা তথ্যপাতি দাঙি ধৰি মিছাকৈয়ে চিঞৰ-বাখৰ লগালে যে শ্ৰীবাস্তবৰ মৃত্যু প্ৰকৃততে সেনাবাহিনীৰ গুলিতহে হৈছিল।

৪। চৰকাৰী প্ৰচাৰ মাধ্যম যোগে মুখ্য মন্ত্ৰী ডাঙৰীয়াই 'সেনাবাহিনী মই আনিছো, ইয়াৰ সকলো দায়িত্ব মোৰ' বুলি কৰা ঘোষণাক আচলতে জনসাধাৰণে বেদৰ বাক্য বুলি মানি লব লাগিছিল। কিন্তু ইয়াৰ বিপৰীতে সংবাদ পত্ৰ সমূহে ইয়াৰ প্ৰকৃত স্বৰূপ উদঙাই দিয়াৰ কাৰণেহে নিজ মুখে 'পণবন্দী ৰখা ঠাই মই জানো' বুলি কোৱা মুখ্য মন্ত্ৰী জনাই ভেৰোণীয়া গুণ্ডাৰ হতুৱাই পণবন্দী বিচৰালে নিতু ৰাজবংশীৰ দৰে নিৰীহ যুৱকৰ আৰু ৰাঙু বৰুৱা আৰু ভনীমাই দত্তৰ দৰে অসমীয়া সতী গাভৰুৰ কোমল দেহত।

৫। ৰাষ্ট্ৰ সন্ত্ৰাসৰ প্ৰতিবাদত ৰাজপথলৈ ওলাই অহা নিৰস্ত্ৰ জনগণৰ ওপৰত ৰাষ্ট্ৰীয় গুণ্ডাবাহিনী মেলি দি হাড়মূৰ ভাঙি দিয়া, পিঠি ফালি দিয়া, আঠুৰ ঘিলা এৰুৱাই দিয়াৰ দৰে অমানৱীয় অত্যাচাৰ, ন্যায়ালয়ৰ চৌহদত নাৰীৰ ওপৰত গৰু-গাহৰিৰ দৰে ব্যৱহাৰ আদি বাতৰি সমূহ সংবাদ পত্ৰ সমূহে মনে সাজিহে প্ৰচাৰ কৰি আহিছে। চৰকাৰী প্ৰচাৰেই প্ৰকৃত সত্য যে নিৰস্ত্ৰ জনগণৰ ওপৰত লাঠি চালনা কৰা হোৱা নাই।

সেয়েহে হয়তো আপুনি দিল্লীৰ আজ্ঞাবাহী দিছপুৰীয়া ভৃত্য সকলৰ ওপৰত বিবেক বন্ধকত থবলৈ অমান্তি হোৱা এই সাংবাদিক বুদ্ধিজীৱী সকলক 'পাগল' বুলি গণ্য কৰিছে। চৰকাৰী মাধ্যমকে বেদৰ বাণী বুলি মানি লবলৈ জনসাধাৰণক বুজনি দিছে। আমি আশা ৰাখিছো আপুনি উল্লেখ কৰা এই সংবাদ পত্ৰ সমূহে কিমান ভুৱা প্ৰচাৰ চলাই আহিছে তাক প্ৰমাণ সহকাৰে আপুনি ৰাইজৰ আগত দাঙি ধৰিব আৰু ইয়াৰ বিপৰীতে উক্ত সাংবাদিক বুদ্ধিজীৱী সকলেও প্ৰকৃততে পাগল কোন তাক প্ৰমাণ কৰি দেখুৱাব।

বৰমুদৈ ডাঙৰীয়া, আপুনি অসমে স্বাধীনতা পোৱাটো অসম্ভৱ বুলি পোনচাতেই যি ভৱিষ্যৎবাণী কৰিছে তাৰ উত্তৰ ভৱিষ্যতে দিব। কিন্তু মুক্তিকামী জনগণৰ মাজৰে পৰাই কম যে স্বাধীনতা বিচাৰি এমুঠিমান পুঁজিবাদী প্ৰতিক্ৰিয়াশীল গোষ্ঠীৰ বিৰুদ্ধে যুঁজি যুঁজি যদি স্বাধীনতা নোপোৱাকৈয়ে মুক্তিকামী এটা জাতি পৃথিৱীৰ পৰা নিঃশেষ হৈ যাবলগা হয় তেন্তে সিও হব পৰাধীনতাৰ শিকলি ডালতকৈ বহু গুণে শ্ৰেয়। তদুপৰি ই হৈ ৰব আপোনাৰ দৰে লোকৰ বাবে পুঁজিবাদী প্ৰতিক্ৰিয়াশীল বুৰ্জোৱা গণতন্ত্ৰৰ সপক্ষে এক প্ৰবল যুক্তি।

আপুনি আজিজুল হক দেৱক যি ভাষাৰে গালি পাৰিছে তালৈ লক্ষ্য কৰিলে দুদিনমান আগতে হক ডাঙৰীয়াৰ সম্পৰ্কে বিৰূপ মন্তব্য দিয়া ডঃ হীৰেণ গোহাঁই দেৱৰ (যি জনক আমি অতি শ্ৰদ্ধেয় পুৰুষ হিচাপেই মানি আহিছো) সম্পৰ্কে হক ডাঙৰীয়াই দিয়া 'তেখেতৰ (গোহাঁই) দৰে পণ্ডিত এজন থাকোতেও কিয় যে আজিজুল হকৰ দৰে মূৰ্খ এজনক এইদৰে গুৰুত্ব দি আমন্ত্ৰিত কৰি অনা হৈছে' – উক্ত কথা ফাকি আপোনাৰ ক্ষেত্ৰতো প্ৰযোজ্য হোৱা যেন লাগে। চৰকাৰী ভাষ্যকে শিলৰ খুঁটি যেন দেখা উগ্ৰজাত্যভিমানী আপোনাৰ দৰে এজন লোকে এজন বিপ্লৱীৰ গাত একো নেদেখাটোৱেই স্বাভাৱিক। সেয়ে আদৰ্শগত শত্ৰু হৈ আপুনি হক ডাঙৰীয়াক যি ভাষাৰেই গালি নাপাৰক কিয়, মুক্তিকামী পুৰুষ হিচাপেই হক ডাঙৰীয়াৰ সপক্ষে আমি বিখ্যাত ঔপন্যাসিক মেক্সিম গৰ্কীৰ ভাষাৰেই কব খোজো যে 'যি তোমাৰ তেজ শুহি খায় তেওঁলোকে তোমাৰ মূল্য যি বুলি ভাবে সেইকথা তুমি মানি লবা কিয়? নিজৰ মূল্য নিজেই ঠিক কৰা উচিত। মূল্য নিৰ্ণয় হ'ব তোমাৰ নিজৰ শক্তিৰ ওপৰত। কিয়নো তোমাৰ দামটো শত্ৰুৱে নিদিয়ে, দিব বন্ধুৱে।' লগতে ইয়াকো কব বিচাৰো যে এমুঠিমান পুঁজিবাদী প্ৰতিক্ৰিয়াশীল শোষকৰ স্বাৰ্থৰ বাবে গঢ়ি তোলা আসুৰিক শক্তিত বলীয়ান ৰাষ্ট্ৰীয় ভেৰোণীয়া গুণ্ডাৰ হাতত মুক্তিকামী জনগণৰ যিকোনো এটা বিপ্লৱ ধ্বংস হ'ব পাৰে। কিন্তু প্ৰকৃত বিপ্লৱীৰ কণ্ঠ যে কোনেও কেতিয়াও ৰুদ্ধ কৰিব নোৱাৰে আজিজুল হক তাৰ জ্বলন্ত উদাহৰণ।

মৃণাল গগৈ, অনিৰুদ্ধ হাজৰিকা





ঘৰ জেউতি

# কমলা টেঙাৰ সদ্ব্যৱহাৰ

নিজৰা ভৰালী

সকলোৱে খাই ভাল পোৱা এবিধ ফল হৈছে কমলা টেঙা। কমলা বা সুমথিৰা টেঙাটো যি দৰে দেখাত ধুনীয়া, সেইদৰে উপকাৰীও। কমলা টেঙা বহুতো ধৰণৰ আছে। কিছুমানৰ বাকলিখন ডাঠ, কিছুমানৰ টান আৰু কিছুমান ঢিলা বাকলিৰ। আমাৰ অসম, মেঘালয়ৰ গাৰোপাহাৰ আদিৰ কমলাবোৰৰ বাকলি ঢিলা, ৰসেৰে ভৰা আৰু খাবলৈ সোৱাদ।

কমলা টেঙাৰ পৰা আমি খাদ্যত পাবলগীয়া বহুতো উপাদান পাওঁ। তাৰ ভিতৰত ভিটামিন এ, বি, চি আৰু কেলচিয়াম প্ৰধান। ইয়াৰ বাহিৰেও কিছু পৰিমাণৰ প্ৰটিন, শ্বেতসাৰ, সামান্য চৰ্বি কেইবাবিধো খনিজ লোণ পাওঁ। কমলা টেঙাৰ পৰা আমি শতকৰা ৮৭.৬ পানী পাব পাৰো। কমলাৰ পৰা অইন সকলো ফলতকৈ উৎকৃষ্ট গুণৰ কেলচিয়াম পোৱা যায়। ইয়াৰ চি ভিটামিনে আহাৰত থকা কেলচিয়াম গ্ৰহণ কৰাত আমাৰ শৰীৰক সহায় কৰে।

নিয়মিত ভাবে কমলা খাই থাকিলে বহুতো সৰু সুৰা বেমাৰৰ পৰা হাত সাৰিব পাৰি। তাৰ ভিতৰত যেনে – ঘনে ঘনে পানীলগা, ইনফ্লুয়েঞ্জা, নাকেৰে তেজ যোৱা আদি। কমলা টেঙাৰ ৰসো অতি উপকাৰী আৰু সকলো বয়সৰ মানুহকে বহুতো বেমাৰত খাবলৈ দিব পাৰি। বেমাৰ আদি হলে সাধাৰণতে মানুহৰ হজমী শক্তি নাইকিয়া হয় বা ৰোগীয়ে একোৱেই খাব নোৱৰা হয় তেতিয়া অকণমান কমলাৰ ৰস মুখত দিব পাৰিলেও বহুতো কামত আহে।

হাৰ্টৰ অসুখ থকা সকলে কমলাৰ ৰস মৌৰ লগত মিলাই খালে উপকাৰ পাব পাৰে। মৌৰ লগত কমলাৰ ৰস মিলাই খুওৱাটো হেনো নিৰাপদ শক্তিকাৰক জুলীয়া আহাৰ।

একেবাৰে কেঁচুৱা ল'ৰা-ছোৱালীৰ বাবেও কমলাৰ ৰস এবিধ উত্তম খাদ্য। যিবিলাক কেঁচুৱাই মাকৰ গাখীৰ খাবলৈ নাপায়, তেওঁলোকৰ বাবে কমলাৰ ৰস অতি উপকাৰী। ই ভিটামিনৰ যোগান ধৰে। ল'ৰা-ছোৱালীক এইবিধ ফলৰ ৰস সৰুৰে পৰা খুৱালে শৰীৰক নানা বেমাৰৰ পৰা ৰক্ষা কৰি শৰীৰ গঠনত সহায় কৰে। তাৰ উপৰি বাঢ়ি অহা ল'ৰা-ছোৱালীৰ শৰীৰ গঠন সন্তোষজনক যেন নালাগিলে কমলা খুৱালে যথেষ্ট উপকাৰ পোৱা যায়। ইয়াত কেলচিয়াম আৰু চি ভিটামিন থকা বাবে হাড়ৰ বেমাৰ আৰু দাঁতৰ বেমাৰ ভাল কৰাত যথেষ্ট সহায় কৰে।

আমাৰ অসমখন এসময়ত কমলাৰ বাবে বিখ্যাত আছিল। গুৱাহাটীৰ আশেপাশেও যে কিমান কমলাৰ বাগান আছিল! অসমত টকা এটা দিলেই ১৫/১৬ট কমলা পোৱা গৈছিল। কিন্তু এতিয়া ভাবিলে আচৰিত লাগে যে এটা কমলাৰ দামেই দুটকা হৈছেগৈ। এসময়ত প্ৰায় সকলো ল'ৰাৰ পিকনিক খোৱা ঠাই আছিল সোণাপুৰ ঘঘুৱা আদিৰ কমলাৰ বাগানবোৰ। পিকনিক খোৱাৰ লগতে জধেমধে কমলা ছিঙি গছবোৰ নষ্ট কৰাতেই তেওঁলোকৰ স্ফূৰ্তি। চকিদাৰে হকাবধা কৰিলেই উত্তম-মধ্যম পায়। ইয়াৰ ফলত লাহে লাহে কমলাৰ বাগানবোৰ আমাৰ চকুৰ আগতে প্ৰায় শেষ হৈ গ'ল। মালিক সকলেও গতিবিধি দেখি কমলাখেতি কৰাৰ প্ৰতি উদাসীন হৈ পৰিল। চাওঁতে চাওঁতে ইমান উত্তম এবিধ ফলৰ প্ৰায় বিলুপ্তি ঘটিল। কমলাৰ দাম অতিপাত ধৰণেৰে বঢ়াৰ ইয়ো এটা কাৰণ নিশ্চয়। যি কি নহওক আমি কমলা পাওঁতেই তাৰ সদ্ব্যৱহাৰ কৰা উচিত। কমলাৰ ৰস ৰুগীয়াৰ পথ্য আৰু সৰু ল'ৰা-ছোৱালীৰ আহাৰ বুলি আগতেই কৈ আহিছো। আমাৰো ভোকে পিয়াহে থাকিলে কমলা এটা খাই দিলে দুইটা কামেই নহয় জানো? ৰেলে মটৰেৰে গলে বা পিকনিকলৈ গলে কমলা টেঙাই আমাৰ পানীৰ কাম কৰে।

সুবিধা মতে কমলা টেঙা অলপ গোটাই আপুনি চৰবত, জেলী মাৰ্মালেড আদি কৰি জহকালি ভাল কামত লগাব পাৰে। এটা কমলাৰ চৰবতৰ বটল কিনিবলৈ হলে ১৬ টকা মানৰ কম নল'ব বোধকৰো। আপুনি নিজে যদি চৰবত বনাই থব পাৰে, তেতিয়া তাৰ আধা দামো নপৰিব। আজিকালি বহুতো ঠাইত চৰকাৰৰ উদ্যোগত ফল-মূল সংৰক্ষণৰ প্ৰতিষ্ঠান পতা হৈছে আৰু এই বিষয়ে বহুতো মহিলাই প্ৰশিক্ষণ লৈছে। ঘৰত তৈয়াৰ কৰাৰ সুবিধা নহলে এনেকুৱা কেন্দ্ৰলৈ গৈ কেইবটলমান চৰবত কৰি থলে জহকালি আলহী অতিথি বা ল'ৰা-ছোৱালীক দি নিজৰে ভাল লাগিব। কমলা টেঙাৰ জেলীও অতি সহজে কৰিবপৰা এবিধ উত্তম জেলী। খাবলৈয়ো অইন ফলৰ জেলীতকৈ বেছি ভাল। কমলাৰ জেলী কৰিবলৈ হলে কমলাৰ ৰস উলিয়াই পাতল কাপোৰেৰে চাকি লব লাগে। এক লিটাৰ ৰস হলে প্ৰায় এক কেজি চেনি দিব লাগে। কমলাৰ ৰসখিনি ১০ মিনিটমান উতলোৱাৰ পিছত চেনি দি ১৫ মিনিটমান উতলাব লাগে। তাৰ পিছত ২ চাহ চামুচ চাইট্ৰিক এচিড বা নেমুৰ ৰস দিব লাগে। অলপ ডাঠ হোৱা যেন লাগিলে নমাই গৰম থাকোতেই বটলত ভৰাব লাগে।

কমলাৰ মাৰ্মালেড – এইবিধ কৰিবলৈ হলে কমলাৰ ৰস ১ লিটাৰ, চেনি ১ কেজি, চাইট্ৰিক এচিড ২ চাহ চামুচ, পেক্‌টিন ২ চামুচ, কমলাৰ বাকলি ২৫০ গ্ৰাম, কমলা এসেন্স কেইফোটামান, কমলাৰ ৰঙ থাকিলে দিব পাৰি। কমলা টেঙাৰবোৰ বাকলি গুচাই বাকলিৰ ভিতৰৰ বগা অংশটো ছুৰিৰে চাফা কৰি লব লাগে। বাকলিবিলাক সৰু সৰু টুকুৰা কৰি কাটি পানীত সিজাই পানীখিনি পেলাই দিয়ক। ইয়াৰ পিছত বাকলিখিনি অলপ চেনিৰ ৰসত সিজাই লওক যাতে বাকলিখিনি শুকান হয়। কমলাৰ ৰসত বাকী চেনিখিনি মিহলাই উতলাওক। কিছু উতলাৰ পিছত দুচামুচমান ৰস কাপত উলিয়াই পেক্‌টিন মিহলাই পুনৰ ৰসত ঢালি দিয়ক। ঘন হৈ আহিলে চাইট্ৰিক এচিড দি বাকলি আৰু এসেন্স দি দিয়ক। গৰমে গৰমে বটলত ভৰাওক।

কমলা টেঙাৰ ফুট সৰু সৰুকৈ কাটি বা কমলাৰ ৰস কাষ্টাৰ্ড পুডিং আদিত দিলেও ভাল লাগে। কমলা টেঙাৰ বাকলি শুকাই থৈ বহুতো কামত লগাব পাৰি আৰু পিঠা আদি তৈয়াৰ কৰোতে কমলাৰ বাকলি মিহি মিহিকৈ কুটি দিলে ভাল গোন্ধায়।


মুখত ব্ৰুণ শাল-মইনা আদি ওলালে কমলাৰ বাকলি দৰব হিচাপে ব্যৱহাৰ কৰিও উপকাৰ পোৱা যায়। বাকলি বৰষুণৰ পানী দি বাটি মুখৰ দাগবোৰত লগালে বেছি ভাল ফল পোৱা যায়।





ভাৰতৰ নং 1 চিলাই মে

# GUESS OUR SHARE IN THE NATIONAL REVENUE



80% well, that's the extent of this department's contribution to the Central revenue of Rs. 66,217.73 crores.
The revenue that makes progress possible...
For social welfare, rural development and environmental care.
For funding premium institutions like AIIMS,NDA,and IMA...
For defence, communication and a lot more.
Now, don't you think that it's your national duty to pay Customs and Central Excise levies?
Otherwise how can our country progress!



DIRECTORATE OF PUBLICATIONS
Customs & Central Excise

The Nation's Life Line.

davp 91/565




# ডিকচৈন

দীপক কুমাৰ বৰকাকতী



অংকন : চন্দ্ৰক বৰুৱা

খমীৰ ঘৰত থাকিবলৈ লোৱা দুসপ্তাহ হ'ল কি নহ'ল এদিনৰ অগা-পিছাকৈ ৰেমাই দুটা খবৰ পালে। প্ৰথমটো হ'ল সিহঁতৰ বহু আকাংক্ষিত এম এন এফ চৰকাৰৰ পতন আৰু দ্বিতীয়টো পু-থানয'মাৰ মৃত্যু।

বিধান সভাৰ সদস্য সকলৰ মন্ত্ৰী সভাৰ ওপৰত আস্থা নথকাৰ বাবে চৰকাৰ ভংগ কৰি দিয়া হ'ল। পিছদিনা পুৱা দুৰ্ঘটনাত পতিত মাৰুতি কাৰ এখনৰ পৰা থানয'মাৰ মৃতদেহটো জ'মাবকৰ ওচৰত মানুহে উদ্ধাৰ কৰিলে। কাৰখনত আন কোনো মানুহ

নাছিল। কোনোবা এটাই ৰেমাক আহি কলেহি – নিশা বেছি মদ খাই গাড়ী চলোৱাৰ বাবেই এক্‌চিডেন্ট হৈ থানয'মাৰ মৃত্যু হ'ল।

তাৰ দেহা যথেষ্ট দুৰ্বল হৈ আছিল যদিও ৰেমা থানয'মাৰ ফিউনাৰেললৈ নোযোৱাকৈ থাকিব নোৱাৰিলে। সি যেতিয়া থানয'মাৰ চৰকাৰী কোৱাৰ্টাৰটো পালেগৈ স্থানীয় ৱাই, এম এ-ৰ সদস্যবোৰে পাৰি দিয়া বেঞ্চত মানুহবোৰ পাতলকৈ বহি আছিল। ভিতৰৰ কোঠাত মৃতদেহৰ কাষত মানুহবোৰে সৰু ঢোলটো বজাই গা-দোলাই দোলাই ভগৱানৰ প্ৰশস্তি গীত গাই ইন্‌খম্ কৰিছিল। ৰেমা তাৰ লগৰ কেইটামানৰ লগত থানয'মাৰ মৃতদেহটোৰ কাষতে বহিল। সি থানয'মাৰ স্থিৰ শান্ত মুখখনলৈ বহুত সময় চাই ৰ'ল। মুখখন তাৰ যেন তেনেই অচিনাকি। থানয'মাৰ চকু মুখ জপোৱা। চকু যুৰিৰ তিৰবিৰণি আৰু সোণৰ দাঁতৰ চিক্‌মিকনিটো মুখখনত আৰু নাই।

বহুত পৰৰ মূৰত বাহিৰলৈ আহি ৰেমাই দেখিলে ফিউনাৰেলৰ বাবে মানুহবোৰ গোট খাবলৈ আৰম্ভ কৰিছে। এতিয়াও প্ৰায় ডেৰ ঘন্টা সময় বাকী আছেই। ৰেমাই মন কৰিলে এখন বেঞ্চত ল'মাই বয়সীয়া মানুহ এজনৰ লগত মুখামুখিকৈ বহি কিবা কথা পাতি আছে। ৰেমাৰ চকুৱে চকুৱে পৰাত ল'মাই তাক তাৰ কাষলৈ মাতিলে।

ল'মাৰ কাষত বহিহে ৰেমাই বুজিলে বয়সীয়া মানুহজন আন কোনো নহয় পু-লম্‌কিমাহে। নিৰ্বাচন প্ৰচাৰৰ সময়ত না-থীয়ালত এম্ এন্ এফ-ক কটু সমালোচনা কৰাৰ বাবে সাবধান কৰি দিয়াৰ পাছত সি লম্‌কিমাক লগ পোৱাই নাছিল। সি মুহূৰ্তৰ বাবে অপ্ৰস্তুত হ'ল, কিন্তু বাহিৰত নেদেখুৱালে। সি মন কৰিলে লম্‌কিমাৰ শকত দেহাটোৰ উজ্জ্বলতা অলপ কমিছে। গাৰ ছালবোৰত আগৰ মসৃণতা আৰু নাই। ডিঙিৰ আৰু হাত দুটাৰ ঠায়ে ঠায়ে সৰু দুটামান কোঁচ। সাজ-পোছাক আগৰ দৰেই পৰিষ্কাৰ। তাৰ মাজত মানুহটোৰ চকু দুটা আৰু মুখখন শেঁতা পৰা যেন দেখা গ'ল।

– অ'  তই আহিছ'। – লম্‌কিমাই ৰেমাক দেখি মাতিলে। তেওঁ অভিজ্ঞ ৰাজনীতিজ্ঞ। তেওঁৰ মুখত কোনো অপ্ৰস্তুতিৰ চিন নাই। মানুহটোৰ মাতত মাত্ৰ বিষাদৰ প্ৰলেপ।

ৰেমাই কথাষাৰ শলাগিলে। তাৰ সেই তাহানিতে গাঁৱৰ লুংলুঙীয়া বাটেৰে স্কুললৈ যাওঁতে লম্‌কিমা আৰু থানয'মাক লগ পোৱাৰ কথা মনত পৰিল। তাৰ পাছৰ পৰা দুয়োটা মানুহকে লম্‌কিমাই আত্মসমৰ্পণ কৰাৰ আগলৈকে প্ৰায় একেলগেই দেখিছিল। আত্মসমৰ্পণৰ পাছৰে পৰা ৰেমাও লাহে লাহে থানয'মাৰ কাষ চাপি গৈছিল। সি থানয'মাৰ মৃত্যুত বুকুৰ কোণত যিটো বিষাদ অনুভৱ কৰিছে লম্‌কিমায়ো নিশ্চয় সেই একেই বিষাদ আৰু অভাৱ অনুভৱ কৰিছে।

লম্‌কিমাই ক'লে – পু-থানয'ম বৰ কামৰ মানুহ আছিল দে।

ৰেমাই কথাষাৰত মানুহটোৰ মনটো যেন বুজিব পাৰিলে। সি কথাষাৰ শলাগিলে।

– মানুহটোৱে জীৱনত নিজৰ বাবে একো নকৰিলে। – ল'মাই ক'লে।

– এৰা, আজিকালি এনে মানুহ পাবলৈ বৰ টান। – লম্‌কিমাই ক'লে।

ৰেমা মনে মনে থাকিল। অৱাঙীৰ প্ৰতি কৰা অৱজ্ঞা আৰু অৱাঙাহঁতৰ কামবোৰ কৰি দিব নোৱৰাৰ বাবে ৰেমাৰ থানয'মাৰ প্ৰতি আস্থা কমিছিল। তথাপি সি থানয'মাৰ কুৰি-বাইশ বছৰীয়া কৰ্তব্য-নিষ্ঠাৰ কথা পাহৰিব নোৱাৰে।

লম্‌কিমাই কৈ গ'ল – ক্ষমতাত থাকিও নিজৰ বাবে একো নকৰাতো আজিকালি তেনেই বিৰল। মানুহে মোক কৰাপ্ত বুলি কয়, কিন্তু নিজৰ কথা বাদ দি আজিকালি কেইটা মানুহে কাম কৰে? মই ৰাজনীতিৰ দ্বাৰা যদি এভাগ মোৰ নিজৰ বাবে কৰিছো নিৰানব্বৈ ভাগ ৰাইজৰ বাবে কৰিছো।

লম্‌কিমাৰ দৰে চতুৰ ৰাজনীতিজ্ঞই সাধাৰণতে এনেধৰণৰ কথা নকয়। তাকো ল'মা আৰু ৰেমাহঁতৰ দৰে আন ৰাজনৈতিক কৰ্মীৰ আগত। কিন্তু মানুহটো বৰ্তমান সক্ৰিয় ৰাজনীতিত নাই। তাৰ উপৰি বয়স হৈ অহাৰ বাবেই নেকি স্থান-কাল-পাত্ৰৰ গুৰুত্বটো মাজে সময়ে পাহৰি যায়।

লমকিমাই পুনৰ কলে – এনেদৰেও যদি কোনোবা স্বাৱলম্বী হয় মানুহে সমালোচনা কৰাটো উচিত নহয়। কাৰণ তেওঁতো নিৰানব্বৈ ভাগটোৰ খুদকণো নিজলৈ নাৰাখি আনৰ মাজত অন্ততঃ ভগাই দিয়ে।

আগৰ কথাষাৰ শুনি আচহুৱা লাগিছিল যদিও এতিয়া ল'মাই বুজি পালে পু-লম্‌কিমাই সম্পূৰ্ণ সজাগতা হেৰুৱাই পেলোৱা নাই। মানুহটোৱে যি কৈছে সুদীৰ্ঘ অভিজ্ঞতাৰ পৰাই কৈছে।

মানুহটোৱে পুনৰ কলে – চা, আজিকালিৰ চামৰ সামাজিক দায়িত্ববোধৰ অনুপাত প্ৰায় ওলোটা নহ'লেও বৰ আচহুৱা।

ল'মা শিক্ষিত। তাৰ উপৰি সি নতুন চামৰ লগত নিবিড় ভাবে জড়িত। সি লম্‌কিমাই কওঁতেহে নতুন চামৰ এই গূঢ় সত্যটো উপলব্ধি কৰিলে। সি মানুহটোলৈ শ্ৰদ্ধাৰে চাই ৰ'ল।

পাষ্টৰ এজন থিয় হৈ ৱাই, এম, এ-য়ে সাজু কৰি থোৱা মাইকটোত কিবা কৈ ফিউনাৰেলৰ কাম আৰম্ভ কৰিলে। সিহঁত মনে মনে থাকিল।

ফিউনাৰেল হৈ যোৱাৰ পাছত লম্‌কিমা অকলশৰে নিজৰ ঘৰলৈ উলটিল। চকুত লগা তিনিমহলীয়া ঘৰটোলৈ তেওঁ সোমাই যাওঁতে দুটা চেঙেলীয়া ডেকা মটৰ-বাইক এখন জোৰেৰে চলাই ঘৰটোৰ চৌহদৰ পৰা তেওঁৰ কাষেৰে ওলাই গ'ল। তাৰে এটা তেওঁৰ ল'ৰা, আনটো ৰ'থানপুইয়াৰ।

লম্‌কিমাৰ দুমহলাৰ বাৰান্দাত অকলে বহিবলৈ মন গ'ল। বহিল গৈয়ো। তেওঁ নীলা আকাশখনলৈ চালে। কাষৰ ওখ ওখ ঘৰবোৰৰ বাবে আকাশখনৰ এটা ক্ষুদ্ৰ অংশহে তেওঁৰ চকুত পৰিল। এসময়ৰ ঘনিষ্ঠ সহচৰ থানয'মাৰ মৃত্যুৰ বাবেই নেকি তেওঁৰ শৈশৱৰ থিন্‌চেন্ গাঁৱৰ কথা মনত পৰিল। সৰুতে আধা নাঙঠ হৈ বনে-জংঘলে, পাহাৰে-পৰ্বতে, জুৰিয়ে নদীয়ে থিন্‌চেন্ গাঁৱৰ আশে-পাশে ঘূৰি ফুৰোতে গাঁৱৰ গভীৰ নীলা আকাশখন দেখাৰ কথা মনত পৰিল। তেনে উন্মুক্ত গভীৰ আকাশ তেওঁ বহুদিন দেখা নাই। সেই উন্মুক্ত আকাশৰ তলতে লগৰ সমনীয়াৰ লগত ডাঙৰ-দীঘল হৈ বয়োবৃদ্ধ, সকলে একো উপদেশ নিদিয়াকৈ ব্যক্তিগত আৰু সামাজিক দায়িত্বৰ কথা উপলব্ধি কৰিব পাৰিছিল। সেয়েহে লম্‌কিমাই পুতেকহঁত ডাঙৰ হৈ অহাতো একো উপদেশ দিয়া নাছিল, একো কামতে হকা-বাধাও কৰা নাছিল। তেওঁ ভাবিছিল তেওঁৰ দৰে সিহঁতেও নিজে নিজেই দায়িত্বশীল হৈ উঠিব। কিন্তু যোৱা এবছৰৰ পৰা তেওঁৰ দেহা দুৰ্বল হৈ অহাৰে পৰা নিজৰ চাৰিটা ল'ৰাৰ কামবনবোৰ অলপ মনোযোগেৰে লক্ষ্য কৰিছে। ডাঙৰ দুটাই কলেজৰ দেওনা পালে যদিও বিশেষ একো ডিগ্ৰী নল'লে। ডাঙৰটোৱে যোৱা পাঁচ বছৰৰ পৰা কামৰ নামত একো কৰাতো নায়েই কিন্তু যিহকে



কৰে সেইটোৱেই একোটা ডাঙৰ কান্ড হৈ পৰে! তেওঁৰ গাড়ীখন সিয়েই চলাই ফুৰে। সি এতিয়ালৈকে সাতোটামান এক্‌চিডেন্ট কৰিছে। তাৰ বিনিময়ত তেওঁ গাড়ীখনৰ মূল্যৰো বেছি মেৰামতিৰ বাবদ খৰচ কৰিছে। এতিয়া সি চহৰখনৰ লেখৰ মদপীৰ এটা। যিটো বয়সত তেওঁ নিজে বিয়া কৰাই সংসাৰৰ দায়িত্ব গ্ৰহণ কৰিছিল, সেই বয়সতে সি চহৰখনৰ অ'ত ত'ত মদ খাই জুপুকা মাৰি বহি থাকে। কেতিয়াবা মুখৰ অ'ত ত'ত তেজৰ চেঁকুৰাও দুই এটা বিৰিঙি থাকে।

লম্‌কিমাই হুমুনিয়াহ কাঢ়িলে। তেওঁৰ দ্বিতীয় ল'ৰাটো গ্ৰেজুৱেটেই হ'ব নোৱাৰিলে। সি সাধাৰণ চাকৰি এটা কৰে। তথাপিও তেওঁ সিমান বেয়া নাপালেহেঁতেন যদিহে বিয়া কৰাই ছমাহৰ ভিতৰতে গৰ্ভৱতী গাভৰু ঘৈণীয়েকক ঘৰৰ পৰা খেদি নপঠালেহেঁতেন। তাৰ মনত কি আছে, কি ভাবিছে, কি আশা কৰে লম্‌কিমাই নাজানে।

তৃতীয় ল'ৰাটোৱেই তেওঁৰ একমাত্ৰ আশাৰ স্থল। সি এতিয়া শিৱপুৰত ইঞ্জিনিয়াৰিং পঢ়ি আছে।

লম্‌কিমাৰ সৰুটো ল'ৰা ওঠৰ বছৰীয়া। সি উতনুৱা হবলৈ আৰম্ভ কৰিছে। ৰ'থানপুইয়াৰ সৰুটো ল'ৰাৰ লগত সি বাইকত তীব্ৰ বেগেৰে অলপ আগতে চৌহদৰ পৰা ওলাই গৈছে। লম্‌কিমাৰ ভয় হয় জানোছা সিহঁতো ৰ'থানপুইয়াৰ ডাঙৰ ল'ৰা ছাংথাঙাৰ দৰেই ড্ৰাগছৰ ভক্ত হয়। কথাটো লম্‌কিমাই বহুদিন ভাবিছে। বহুদিন সিহঁতক মাতি ভালদৰে কথাবোৰ বুজাই কোৱাৰ প্ৰয়োজন অনুভৱ কৰিছে। কিন্তু কব পৰা নাই।

বাৰান্দাত বহি বহি চিন্তা কৰি থাকোতে লম্‌কিমাই উপলব্ধি কৰিলে যে সময় সলনি হৈছে, সিহঁতক হয়তো উপদেশ দিয়াৰ প্ৰয়োজন আহি পৰিছে। কিন্তু তাকে তেওঁ কৰিব পৰা নাই। শিক্ষা-দীক্ষা লৈ, ৰাজনীতি-অৰ্থনীতিৰ চিন্তা কৰি মন্ত্ৰী হোৱাৰ অভিজ্ঞতা থাকিলেও ঘৰখন পৰিচালনাৰ ক্ষেত্ৰত বাপেক-ককাকহঁতৰ উৰ্দ্ধত তেওঁ উঠিব পৰা নাই, তেওঁ হৈ আছে সিহঁতৰ দৰেই অতীজৰ মিজো।

ছা-ঙীয়ে ৰেমাক দেখি বৰ বেজাৰ পালে। তাই ৰিনঅ'মাৰ খবৰ লবলৈ আহিছিল। ৰেমাৰ বতৰা পাই তাই খুমীৰ ঘৰলৈ গ'ল আৰু তাক লগ পালেহি। ৰেমাক দেখি তাইৰ গ্ৰুপচেন্টাৰত দেখা ৰেমাটো যেন নালাগিল। খীণ গালমুখত দাড়ি-গোঁফ আৰু কটা দাগটোৱে তাক বৰ আপচু যেন লাগিল।

ছা-ঙীয়ে বেজাৰ মনেৰে ক'লে – অ' তোৰ এই গতিহে হ'ল।

তাইৰ ৰেমাৰ মাক বিয়াকভেলীলৈ মনত পৰিল। বিয়াকভেলী তাইতকৈ যথেষ্ট ডাঙৰ যদিও বিয়া হোৱাৰে পৰা পথাৰ-সমাৰ একেলগেই কৰা। ৰেমাকো তাই হাফ্‌পেন্ট পিন্ধি ধিতিঙালী কৰি ফুৰাৰ পৰা দেখা। বুঢ়ী এতিয়া আৰু জীয়াই নাই। বুঢ়ীৰ কথা মনত পৰি ছা-ঙীয়ে মনটো বান্ধিব নোৱাৰি ক'লে – মাৰে তোক দেখা পোৱাহেঁতেন বৰ বেজাৰ পালেহেঁতেন অ'–

খুমী লৰালৰিকৈ কাষৰ কোঠাটোৰ পৰা ওলাই আহি ক'লেহি – উ ছাঙ! ইয়াৰ অৱস্থা একো বেয়া হোৱা নাই। এতিয়াও সি বাহিৰ ভিতৰ কৰিব পৰা হৈয়ে আছে। তিনিদিনমান বজাৰ সমাৰো ঘূৰি আহিছে। কিন্তু ৰ'থানপুইয়াৰ ল'ৰা ছাংথাঙাক চাবিচোন, সি ৰুমৰ ভিতৰতে চলা-ফিৰা কৰিব নোৱাৰে।

খুমীয়ে বহুত দিনৰ পৰা ৰেমাক ছাংথাঙাক দেখুৱাব নিবলৈ মনতে পাঙি আছিল। এতিয়া ভাবিলে ছা-ঙীৰ লগতে তাক নিব পাৰিলে বৰ ভাল হয়। খুমীয়ে সুবিধাটো বুজি ক'লে – ব'ল নহলে, তহঁতক লৈ যাওঁ পু-ৰ'থানপুইয়াৰ ঘৰলৈ। তাৰপৰা মই হচ্‌পিটেললৈ যাব পাৰিম।

ছা-ঙীয়ে ৰ'থানপুইয়াৰ পেৰালাইছিছ হোৱা আৰু ছাংথাঙাৰ অৱস্থাৰ কথা শুনি তালৈ যোৱাৰ কথা ভাবিয়েই আছিল। খুমীয়ে কোৱাত তাই ৰেমাকো যাবলৈ ৰাজি কৰালে।

ৰ'থানপুইয়াই ছা-ঙীহঁতক দেখি ভাল পালে। নিজৰ মানুহবোৰ আজিকালি কিবা দেখিবলৈকে নোহোৱা হ'ল। অলপ পাছত তেওঁ মনৰ দুখৰ কথা সিহঁতৰ আগত উজাৰিবলৈ ধৰিলে।

– চা, মই সকলো পালো। কিন্তু এই বয়সত মনৰ সুখ হেৰুৱালো। খুমীয়ে ছাংথাঙাৰ কোঠাৰ সমুখৰ পৰা ছা-ঙীক ক'লে – উ ছা-ঙ! আহ, ইয়াক লগ পাই যাহি–

ৰ'থানপুইয়াই আগতে মানুহ দুনুহ ছাংথাঙাৰ কাষলৈ যোৱাটো ভাল নাপাইছিল। কথাবোৰ তেওঁ লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছিল। কিন্তু এতিয়া মানুহবোৰে তাৰ কথা গম পাইছে। দুটামান অনুষ্ঠানেও তাক লগ পাই কথাবাৰ্তা পাতিছে। ল'মাও এদিন আহি গৈছিলহি। খুমীয়ে মতা দেখি তেওঁ কলে – যা দুয়োটাই এবাৰ তাক চাই আহগৈ। তাৰ জঁকাটোহে আছে।

ৰ'থানপুইয়াৰ কথাই সঁচা। ছাংথাঙা যেন মানুহ নহয়, এটা জঁকাহে। সি পিন্ধি থকা হাফ-হাৱাইন চাৰ্টটোৰ হাত দুটাৰ পৰা জেংখৰিৰ দৰে শুকান হাতৰ ঠাৰি দুটা ওলাই আছে। খীণ ডিঙিটোৰ ওপৰত যেন লাওখোলা এটাহে। নিস্তেজ চকু দুটা গহ্বৰত। গাল দুখন সোমাই পৰা। হনু দুটা ওলোৱা। মুখখনৰ আকৃতিৰ বাবে ভোতা নাকটোৱো জিলিকি পৰা। হঠাতে চালে তাৰ মূৰটোত কাণ দুখন স্পষ্টকৈ চকুত পৰা।

ছাংথাঙা বিছনাখনতে বহি আছে। সি বুকুখন দু-হাতেৰে হেঁচা মাৰি ধৰিছে। খুমীয়ে তাক সুধিলে – হাড়ৰ বিষটো আছেই নেকি? ছাংথাঙাই তাইৰ ফালে মূৰ দাঙি চাই কলে –অ'। কামি হাড়বোৰ বিষত কটকটাই আছে।

সি হঠাতে পেটটো খামুচি ধৰিলে। পেটৰ গোটেই নাড়ী-ভুৰু যেন কোঁচ খাই আহিছে। সি পেটটোত খামুচিয়েই বিছনাত বাগৰি পৰিল। অসহ্য যন্ত্ৰণাত কেঁকাবলৈ ধৰিলে। খুমীয়ে তাক শান্ত কৰিবলৈ চেষ্টা কৰিলে। তাই লৰালৰিকৈ টেবলেট এটা আনি তাক খুৱাই দিলে। সি দহ-মিনিটমানৰ পাছত অলপ শান্ত হ'ল। বুকুখন দুহাতেৰে হেঁচি পুনৰ বহি পৰিল।

খুমীয়ে পুনৰ তাক শান্ত কৰিবলৈ চেষ্টা কৰিলে। কিন্তু যি বাৰে বাৰে বিছনাৰ পৰা নামিবলৈ উদ্যত হ'ল। – মই বাথৰুমলৈ যাম।

খুমীয়ে কাষৰ বেৰত আউজাই থোৱা পেং দুডাল ওচৰলৈ আনি দিলে। সি তাৰ দুৰ্বল দেহাটোৰ ভৰ কোনো মতে পেংদুডালত দি বাথৰুমৰ ফালে গ'ল। খুমীও তাৰ লগে লগে গ'ল। তাই ক'লে –দৰজাখন জপাই ল'। বন্ধ নকৰিবি।

ৰেমাই বুজিলে ছাংথাঙাৰ দেহাত খোজ দিব পৰাকৈ জোৰেই নাই। তাৰ গোটেই দৃশ্যটো বৰ অস্বস্তিকৰ লাগিল। সি বাথৰুমৰ কাষত থিয় হৈ থকা খুমীক কলে –আমি বাহিৰলৈকে যাওঁ দে।



ৰ'থানপুইয়াৰ কাষত ৰিণঅম্মা বহি আছিল। ৰেমা আৰু মাকক দেখি সি ক'লে –অ', তহঁতো ইয়াতে আছ।

সি ৰ'থানপুইয়াৰ ফালে চাই ক'লে– মই দিল্লী আৰু বম্বে দুয়ো ঠাইলৈকে লিখিছো। য'তে ছিট পোৱা যায় তালৈকে ইয়াক নিব লাগিব। ইয়াক ইমানদিনে ইয়াত ৰাখিবই নালাগিছিল!

– মোৰ গাতহে দোষ। ৰ'থানপুইয়াই ক'লে – তাক দিল্লীৰ পৰা অনাৰ'পাছত মইহে ঘৰতে ৰখাটো ঠিক কৰিলো। ইয়াত কোনোবাই কোনোবাই কৈছিলেই।

খুমী কোঠাটোৰ পৰা ওলাই আহি কাম কৰা তিৰোতাজনীক ক'লে – ইয়াৰ ফালে মন কৰিবি।

ছাংথাঙাক প্ৰায় চব্বিশ ঘন্টা চকু দি থকাৰ দৰকাৰ। কেতিয়া কি অঘটন হয় বা ঘটায় ঠিক নাহ।

খুমী ৰ'থানপুইয়াহঁতৰ কাষলৈ আহি হাঙীহঁতৰ ফালে চাই কলে – তহঁত বহ। ডিউটি আছে, মই যাওঁ।

খুমী ওলাই গ'ল। সিহঁতে ছাংথাঙাৰ বিষয়েই কথা পাতিবলৈ ধৰিলে।

আবেলি ৰেমা ল'মাৰ ঘৰ ওলালহি। ছাংথাঙাক দেখি অহাৰে পৰা ৰেমা কোঠা এটাত অকলে বহি কথা কিছুমান চিন্তা কৰি আছিল। ৰ'থানপুইয়াৰ ঘৰৰ পৰা ওলাই আহোতে উ-ছাঙে তাক কৈছিল– বুজিছ ৰেমা! তোৰ একোৱেই হোৱা নাই। তই এই দুটা ভৰিৰে খোজ দি ৰাস্তাই ঘাটে ঘূৰি ফুৰিব পাৰিছ!

ৰেমাই তেতিয়াৰে পৰা নিজকে বেছ সক্ষম অনুভৱ কৰিবলৈ ধৰিছে। ঘৰ পাই সি আন কথা কিছুমান ভাবিবলৈ ধৰিলে। ৰ'থানপুইয়াৰ একোৰে অভাৱ নাই। ছাংথাঙায়েও কোনোদিনে অভাৱৰ ভূ পোৱা নাই। 'তেন্তে তাৰ অৱস্থা কিয় এনেকুৱা হ'ল? সি নিজে সিদিনালৈকে ভাবি আছিল ৰ'থানপুইয়াহঁতে এম এন এফ-ৰ আন্দোলনৰ নামত একো নকৰাকৈ সিহঁতে জংঘলত থাকোতে কল্পনা কৰা সুখ-সুবিধাবোৰ উপভোগ কৰি আছে বুলি। এবেলাপৰ কথাবোৰ পাকঘূৰণি খাই থকাৰ পাছত সি বুজি পালে যে তাৰ ধাৰণা সম্পূৰ্ণ সত্য নহয়। ৰ'থানপুইয়াই নিজেই ছা-ঙীক কোৱা কথা তাৰ মনত পৰিল – চা, মই সকলো পালো। কিন্তু এই বয়সত মনৰ সুখ হেৰুৱালো।

ৰেমাৰ এইবোৰ কথাকে কাৰোবাৰ লগত পাতিবলৈ মন গ'ল। ল'মাৰ কথা তাৰ মনত পৰিল। তাৰ ঘৰলৈ খোজকাঢ়ি আহিবলৈকো ৰেমাই দুৰ্বল অনুভৱ নকৰিলে।

ল'মাক লগ পাই ৰেমাই ক'লে – আজি ছাংথাঙাক চাবলৈ গৈছিলো। তাৰ অৱস্থা দেখি বৰ বেয়া লাগি আহিছে।

ল'মাই ৰেমালৈ উৎসুকতাৰে চালে। সি ক'লে – এৰা, তাৰ অৱস্থা বৰ বেয়া বুলি শুনিছো।

– তই তাক লগ পোৱা নাই নেকি? – ৰেমাই সুধিলে।

– পাইছো। কিন্তু ছমাহমানৰ আগতে।

– এতিয়া লগ পাবিচোন। তাৰ অৱস্থা সম্ভৱ আৰু বেয়া হৈছে।

দুয়োটা অলপ সময় মনে মনে থাকিল। ৰেমাই ছাংথাঙাৰ প্ৰতি আগ্ৰহ দেখুওৱা বাবে ল'মাই ভাল পালে। সি ক'লে – তই বাৰু ছাংথাঙাৰ এই অৱস্থা কিয় হৈছে বুজি পাইছনে?

ৰেমাই ল'মাৰ চকুলৈ চালে। সি ক'লে –তাকেইতো! এবেলাপৰ মই তাকেই ভাবি আছো। ছাংথাঙাই কি পোৱা নাই জীৱনত। টকা-পইছাৰ সুখ, ডাঙৰ চহৰত পঢ়াৰ সুবিধা। তেন্তে কিয় এনেকুৱা হ'ল?

ল'মাই বুজি পালে ৰেমাই বহুত দিনৰ মূৰত আনৰ কথা চিন্তা কৰিছে। যোৱা কেইবামাহো সি এনে সুবিধাৰ আশাতে আছিল। খুমীকো সি ছাংথাঙাৰ ওচৰলৈ ৰেমাক পাৰিলে এবাৰ নিবলৈ কৈছিল। তাৰ বুদ্ধিয়ে কাম কৰা দেখি সি পেটে-পেটে ভাল পালে। সি ক'লে – বুজিছ ৰেমা! এইটো বৰ গুৰুতৰ বিষয়। মানুহৰ ঘৰুৱা আৰু সামাজিক দায়িত্বটো বৰ ডাঙৰ কথা। তাৰ উপৰি জীৱনত কিবা এটা কৰাৰ উদ্দেশ্য থাকিব লাগে। এতিয়া তোৰ আৰু মোৰ কথাই ধৰ।

ল'মাই লক্ষ্য কৰিলে ৰেমাই তাৰ কথা মনপুতি শুনিছে। সি কৈ গ'ল – আমাৰ গাঁৱৰ জীৱনত আমাৰ দায়িত্ব আছিল যথেষ্ট। আমি বুজন হোৱাৰে পৰা কিবা নহয় কিবা ঘৰুৱা দায়িত্ব লৈয়ে আছো। জুম খেতিৰ পথাৰত জুই দিলে ল'ৰা-ছোৱালীবোৰ একাষে চপাই ৰৈ থকা, বাই-ভনীহঁতক পানী অনাত সহায় কৰি দিয়া, খৰি গোটোৱা, পথাৰত কাম কৰা, বৰাখানাত লাগি-ভাগি দিয়া আদি কামবোৰ আমি ৰংমনেৰে কৰিছিলো। এইবোৰ কৰিছিলো আমি ঘৰখন বা গাওঁখনৰ বাবে। ইয়াৰ উপৰি আমাৰ গোটেই জাতিটোৰ প্ৰতি কিবা এটা কৰাৰ ইচ্ছা আছিল প্ৰবল। সেই বাবেই আমি এম এন এফ আন্দোলনৰ আহ্বান শুনি জাকে জাকে যোগ দিছিলো। আমাৰ তেতিয়া আন্দোলনৰ ভাল বেয়াৰ দিশটো বাছ-বিচাৰ কৰিবলৈ সময়েই নাছিল। আমাৰ মাত্ৰ মানুহখিনিৰ বাবে কিবা এটা কৰাৰ ইচ্ছা। কিন্তু এই ছাংথাঙাৰ দৰে ডেকাবোৰে সৰুৰে পৰা ডেকা হোৱা বয়সলৈকে আমাৰ দৰে কিবা দায়িত্ব পালন কৰিছিলনে?

ৰেমাই ল'মাৰ মুখলৈ ৰ' লাগি চাই ৰ'ল। ল'মাৰ ৰেমাক কলেজত পঢ়োৱা ছাত্ৰৰ দৰেই লাগিল। সি ক্লাছৰ দৰেই ৰেমাৰ আগত কথাবোৰ ব্যাখ্যা কৰিবলৈ ধৰিলে –চা –আমি প্ৰতিবছৰে শস্য যোগানৰ বাবে আগৰ বছৰৰ প্ৰায় আঠ-ন মাহ কাল ঢেগাচোৰোকাকৈ কাম কৰিব লাগিছিল। এতিয়াও গাওঁবোৰত মানুহবোৰে তেনেদৰেই কাম কৰি আছে। পিছৰ বছৰ পেটপুৰাই খাবৰ বাবে এই যুঁজ আমাৰ অহৰহ চলি আছে। কিন্তু এই ছাংথাঙাহঁতে এই যুঁজৰ কথা নাজানেই। পু-ৰ'থানপুইয়াই যিখিনি সম্পত্তি ইতিমধ্যে কৰিছে ছাংথাঙাহঁতে ভগাই ললেও জীৱনকালত একো নকৰাকৈ নিজৰ ল'ৰা-ছোৱালীহঁতক খুৱাই-পিন্ধাই ৰাখিব পাৰিব। গতিকে ইহঁতৰ ঘৰুৱা দায়িত্ব তেনেই কম! ইহঁতৰ সামাজিক দায়িত্বও দান-বৰঙণি দিয়াতেই সীমাবদ্ধ। আমাৰ দৰে একেলগে কাম কৰি আনন্দ উপভোগ কৰাৰ অভিজ্ঞতা ইহঁতৰ নাই।

ৰেমাই যেন কিবা কিছুমান কথা বুজি উঠিল। তাৰ উপৰি কথাবোৰ শুনি সি ভাল পালে। ল'মাই যেন ক'ব বিচাৰিছে সিহঁতৰ গাঁৱৰ জীৱনটো ছাংথাঙাহঁতৰ চহৰৰ জীৱনতকৈ সুন্দৰ।

ল'মাই কৈ গ'ল – ইহঁতে যদি ঘৰুৱা আৰু সামাজিক দায়িত্বই বহণ কৰিব নালাগে জাতিটোৰ প্ৰতি থকা দায়িত্ব কেনেকৈ বুজি উঠিব? এইটো এটা ডাঙৰ প্ৰশ্ন। এই বিষয়ে মই চিন্তা কৰি আছো।

অলপ ৰৈ ল'মাই ক'লে – আমি সকলোৱে কিন্তু এই বিষয়ে কিবা একোটা কৰিব পাৰো। অন্ততঃ এই ডেকাবোৰক এনেদৰে ধ্বংস হৈ যোৱাৰ পৰা ৰক্ষা কৰিব পাৰো!

– মই? কেনেকৈ ক'চোন? – ৰেমাই আগ্ৰহেৰে সুধিলে।

– চা, এই ডেকাবোৰৰো কিবা এটা কৰাৰ মন নথকা নহয়। সিহঁতে হয়তো সুযোগ সুবিধা পোৱা নাই। মই কলেজত আৰু মেলে মিটিঙে সুবিধা পালেই এইবোৰ কথা কৈ আছো। কিন্তু তই যিটো কৰিব পাৰ সেইটোহে আচল।

ৰেমাই ল'মালৈ একেথৰে চাই থাকিল।

– আমি এম এন এফ-ত যোগ দিছিলো নেতাবোৰৰ আহ্বানত। তেতিয়া আমাৰ তেজত আমাৰ জাতিটোৰ বাবে কিবা কৰাৰ প্ৰবল ইচ্ছা। কিন্তু শয়ে শয়ে ডেকা মৰিল, শয়ে শয়ে ডেকাই জীৱনৰ বহু বছৰ অপচয় কৰিলে, কিন্তু কিহৰ বাবে? আমি কিবা পালোনে? তয়েই বা তোৰ লগৰ কিমানে কি পাইছে? তই জানি আচৰিত হবি এই আন্দোলনৰ গুৰি হ'ল দুজনমান মানুহৰ ব্যক্তিগত মতানৈক্য! মই ইলেক্‌চনৰ পাছৰ পৰা আন্দোলনটোৰ ওপৰত ৰিচাৰ্চ কৰিবলৈ লৈছো। তাৰ প্ৰিলিমিনাৰী ষ্টাডিৰ পৰা মই এই কথা জানিব পাৰিছো। এই ব্যক্তিগত মতানৈক্য কথাটো অৱশ্যে মোৰ শেষ মন্তব্য নহয়। যিয়েই নহওক এই ব্যক্তিগত মতানৈক্যৰ বাবেই এজনে মাউতামটোৰ সম্পূৰ্ণ সুযোগ ল'লে। তেওঁ তাৰ ওপৰত ভিত্তি কৰিয়েই এই আন্দোলনটো গঢ়ি তুলিলে।

ল'মাই গৱেষণা কৰিবলৈ লোৱাৰে পৰা সুযোগ সুবিধা পালেই নিজৰ ব্যাখ্যা আনৰ আগত ব্যক্ত কৰে। সুবিধা পাই ৰেমাৰ আগতো সি কথাবোৰ কবলৈ ধৰিলে। কিন্তু সি বুদ্ধিমান! সি অচিৰেই বুজি পালে ৰেমাৰ আগত ইমানবোৰ কথা কোৱাৰ কোনো অৰ্থ নাই। সি কলে – তই মই মানুহবোৰ এই আন্দোলনটোৰ একো একোটা অস্ত্ৰ হৈ পৰিলো। এতিয়া আন্দোলনটোৰ সামৰণি পৰিল। তই আৰু তোৰ লগৰবোৰে কি পালি, এতিয়া বাছ-বিচাৰ কৰিবৰ সময় হ'ল। তয়েই ক'চোন তই কিবা পালিনে?

ৰেমা নিমাত হৈ ৰ'ল! ল'মাৰ প্ৰশ্নৰ উত্তৰত সি একো ক'ব নোৱাৰিলে।

ল'মাই কলে – জানো, ইয়াৰ উত্তৰ তোৰ ওচৰত নাই। আৰু ইয়াৰ বাবে যি নেতাবোৰক তই অন্ধভাবে অনুসৰণ কৰিছিলি সিহঁতেই দায়ী।

ৰেমাই একো নক'লে! ল'মাৰ কথাবোৰ তাৰ একেবাৰে মিছা যেন নালাগিল। ল'মাই পুনৰ কৈ গ'ল – এতিয়া তয়ো এটা আন্দোলন গঢ়ি তুলিব পাৰ।

ল'মাৰ চকুলৈ ৰেমাই আগ্ৰহেৰে চাই ৰ'ল।

– কিন্তু আন্দোলনটো তোৰ নিজা হ'ব লাগিব। তই নিজে ইয়াৰ নেতা হবি। তোৰ নিজা সাধ্য অনুসৰি ডেকা কেইটামান যোগাৰ কৰিবি। সিহঁতক তহঁতৰ নেতাবোৰে তহঁতক দিশহাৰা কৰি দলনিত পোনা মেলাদি মেলি দিয়াৰ দৰে মেলি নিদি সংস্থাপন দিব পাৰিবি। সিহঁতক দায়িত্বশীল কৰি তুলিবি। ছাংথাঙাহঁতৰ দৰে সিহঁতক নষ্ট হৈ যোৱাৰ পৰা বচাব পাৰিবি। সেইটো কৰিব পাৰিলেই তই তহঁতৰ আন্দোলনৰ নেতাবোৰতকৈ মহান হৈ পৰিবি।

অলপ ৰৈ ল'মাই ক'লে মই জানো, তই এইটো কৰিব পাৰিবি।

ল'মাই ইতিমধ্যে কিমিৰ লগত ৰেমাৰ সম্পৰ্কত কথা পাতিছে। সি গম পাইছে ৰেমাই গ্ৰান্টৰ চেকেন্ড ইন্‌ষ্টল্‌মেন্টটো এতিয়াও অনা নাই। থাৰ্ড ইন্‌ষ্টলমেন্টটোও অলপতে দিব বোলে। তাৰ উপৰি তাই পু-ভটৰ লগত কথা পাতি ইন্ডাষ্ট্ৰীয়েল ল'ন এটাৰ ৰেমাৰ বাবে ব্যৱস্থা কৰিব পাৰিব। গতিকে ৰেমাৰ কিবা এটা খোলাৰ অসুবিধা হয়তো নহ'ব।

ৰেমাই প্ৰশ্নবোধক দৃষ্টিৰে ল'মালৈ চাই আছিল। ল'মাই কলে – তই, ফাৰ্ণিচাৰ ৱৰ্কশ্বপৰ দোকান এখন খোল। অনাই বনাই ঘূৰি ফুৰা ডেকা কেইটামান গোটাই ল'। সিহঁতক নিজৰ ভৰিত থিয় দিবলৈ সক্ষম কৰি তোল। এয়েই হ'ব তোৰ আন্দোলন।

ৰেমাই একো নামাতিলে। সি ল'মাৰ কথাটো চিন্তা কৰিবলৈ ধৰিলে।

(ক্ৰমশঃ)



সূত্ৰধাৰ – ১-১৫ জানুৱাৰী, ১৯৯২

# বন্ধু বিদায়


উৎপল দত্ত

When life is woe,
And hope is dumb,
The world says 'Go!'
The grave says 'Come!'
*Arthur Guiterman*

পাৰভেজৰ জীৱন শোকৰ সমুদ্ৰ নাছিল, তেওঁৰ আশাবোৰো মূক হৈ যোৱা নাছিল, কোনেও তেওঁক যাবলৈ কোৱা নাছিল, শীতল কবৰেও তেওঁক আমন্ত্ৰণ জনোৱা নাছিল। তথাপিতো মাত্ৰ দুকুৰি দুটা বসন্তৰ ৰূপ উপভোগ কৰিয়েই পাৰভেজ গুচি গ'ল।

পাৰভেজ। পাৰভেজ মেৰৱানজী। এখন মাত্ৰ ছবিৰেই ইতিহাসৰ পৃষ্ঠা আৰু দৰ্শকৰ মনত স্থায়ী আসন অধিকাৰ কৰা আৰু অকালতে গুচি যোৱা অৱতাৰ কউল (২৭ ডাউন), উমা চেগাল (চেল্টাৰ), ৰবীন্দ্ৰ ধৰ্মৰাজ (চক্ৰ) আদিৰ পিছত শেহতীয়া ভাবে যোগ হোৱা নাম পাৰভেজ মেৰৱানজী। ছবিৰ নাম 'পাৰ্চি'।

'৮৯ চনৰ ইণ্ডিয়ান পেনোৰামাৰ ছবিবোৰৰ অন্যতম বিচাৰক ড: ভবেন্দ্ৰনাথ শইকীয়াৰ মুখত প্ৰথম শুনিছিলো 'পাৰ্চি' ছবিৰ কথা। শইকীয়া ছাৰৰ আন্তৰিক প্ৰশংসাই ছবিখনৰ বিষয়ে আগ্ৰহ জন্মাই তুলিছিল। তাৰ পিছত তৰুণ পৰিচালক হেমন্ত দাসৰ উচ্ছ্বসিত প্ৰশংসা। আৰু শেষত এদিন দূৰদৰ্শনৰ পৰ্দাত 'পাৰ্চি'ৰ দৰ্শন। '৯০ৰ মাজভাগত গুৱাহাটীত অনুষ্ঠিত হৈ যোৱা চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত পাৰ্চিয়ে তৰুণ চিত্ৰামোদী সকলৰ হৃদয় স্পৰ্শ, চিত্তজয় আৰু মস্তিষ্ক আলোড়িত কৰি থৈ গ'ল। '৮৫ৰ পৰা '৯০ –এই কালছোৱাত যি দুখন ভাৰতীয় ছবিয়ে তৰুণ চিত্ৰামোদী সকলক অবিস্মৰণীয় অভিজ্ঞতাৰ মুখামুখি কৰাই দিছিল তাৰে এখন আছিল 'পাৰ্চি' আৰু আনখন আছিল আদুৰ গোপালকৃষ্ণনৰ 'এলিপাটায়াম'। এনেদৰেই হৃদয়ৰ অংশ অধিকাৰ কৰি এক অচিন ব্যক্তি পাৰভেজ মেৰৱানজীয়ে বন্ধুৰ আসন অধিকাৰ কৰিছিলহি। পাৰভেজৰ



*পাৰভেজ মেৰৱানজী*

অকাল বিয়োগৰ মৰ্মান্তিক সংবাদে আজি প্ৰিয় বন্ধুৰ বিয়োগৰ যন্ত্ৰণা কঢ়িয়াই অনাটো অতি স্বাভাৱিক।

কি আছিল পাৰ্চিত? এজন দুৰ্বল পাৰ্চি যুৱকৰ দৈনন্দিন জীৱনৰ আশা-আকাংক্ষা দুখ কষ্ট আৰু মনোজগতৰ স্বপ্ন আৰু স্বপ্নভংগৰ বেদনাৰ তীব্ৰ সংবেদনশীল ছবি পাৰ্চি। মানৱ জীৱনক নতুন সংকটৰ মুখামুখি কৰাই দিব পৰা বা মানৱ ইতিহাসক নতুনপথ প্ৰদৰ্শন কৰিব পৰা উপাদান পাৰ্চিত নাছিল। আছিল – এজন যুৱকৰ জীৱনৰ নানান আন্তৰিক ছবি যিবোৰৰ মাজত প্ৰতিজন যুৱক দৰ্শকে একোবাৰকৈ হলেও নিজৰ প্ৰতিচ্ছবি দেখিবলৈ পাইছিল। এয়াই আছিল পাৰ্চিৰ সন্মোহনী শক্তিৰ গুপুত ৰহস্য। দক্ষ হাতৰ কাৰিকৰী কামবোৰ আছিল পাৰ্চিৰ দেহৰ অলংকাৰ। যি সময়ত অধিকাংশ পৰিচালকেই চলচ্চিত্ৰ মহোৎসৱৰ কৰ্মকৰ্তাৰ মস্তিষ্কত প্ৰবেশ কৰা পথৰ সন্ধানত ব্ৰতী আছিল সেই সময়তেই পাৰভেজ মেৰৱানজীয়ে যাত্ৰা কৰিছিল দৰ্শকৰ হৃদয়ৰ প্ৰবেশ পথেৰে। পাৰ্চিক লগত লৈ পাৰভেজে কৰা যাত্ৰাৰ ফল আছিল ধনাত্মক। শিল্পকৰ্মই যে আত্মিক বন্ধুত্বৰ সৃষ্টি কৰিব পাৰে – পাৰ্চি আছিল তাৰ উজ্জ্বল প্ৰমাণ। এইবাবেই পাৰভেজৰ বিদায় সংবাদে আমাৰ দৰে বহুতৰেই চকুলৈ পানী কঢ়িয়াই আনিছে।

পাৰভেজ মেৰৱানজীয়ে পুনাৰ ফিল্ম এণ্ড টি ভি ইন্সটিটিউটৰ পৰা সম্পাদনা বিভাগত ডিপ্ল'মা লৈছিল। কৰ্মজীৱনত স্থিৰচিত্ৰ গ্ৰহণকাৰী, সম্পাদক, ভিডিঅ' ছবি নিৰ্মাতা আদি বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিলেও পাৰভেজৰ মূল লক্ষ্য আছিল চলচ্চিত্ৰ নিৰ্মাতা হোৱা। জনপ্ৰিয় বিজ্ঞানৰ বিষয়ে তথ্যচিত্ৰ, পৰিবেশ সংৰক্ষণৰ বিষয়ে দূৰদৰ্শন ধাৰাবাহিক আদি নিৰ্মাণ কৰা পাৰভেজৰ ব্যতিক্ৰমী তথ্যচিত্ৰখন হ'ল কেৰেলাৰ মাৰ্চিয়েল আৰ্টৰ বিষয়ে কৰা 'দা ৰে অব দা মালাবাৰ ৱাৰিয়ৰ।' দীৰ্ঘদিনৰ সংগ্ৰামৰ অন্তত এন এফ ডি চি-ৰ প্ৰযোজনাত নিৰ্মাণ কৰিছিল প্ৰথমখন কাহিনী চিত্ৰ 'পাৰ্চি'।

ভাৰতৰ দৰে দেশত বহু যোগ্য লোকেই প্ৰাপ্য সন্মান আৰু স্বীকৃতিৰ পৰা বঞ্চিত হৈ অহাটো অতি সাধাৰণ কথা। পাৰভেজৰ ভাগ্যতো তাৰেই পুনৰাবৃত্তি ঘটিছিল। উপযুক্ত স্বীকৃতি নোপোৱাকৈয়ে 'পাৰ্চি' বৈ গ'ল আৰু সেই দুখ লৈয়েই পাৰ্চিৰ পিতৃ আঁতৰি গ'ল। সূ







# ফিৰিঙতি: সামাজিক দায়বদ্ধতাৰ ছবি

জাহ্নু বৰুৱাৰ 'ফিৰিঙতি' চালো। অভিনয় যথাযথ, সংগীত সুন্দৰ, কেমেৰা উন্নত কৰাৰ থল আছিল – আদি গতানুগতিক ধৰণে ফিৰিঙতিৰ কথা লিখিব নোৱাৰি। কাৰণ ফিৰিঙতি এনেকুৱা বিষয় বস্তুৰ ওপৰত নিৰ্মিত এখন ছবি য'ত প্ৰতিবিম্বিত হৈছে এটা গুৰুত্বপূৰ্ণ সামাজিক সমস্যা। বৰ্তমানৰ ব্যৱসায়িক প্ৰতি-যোগিতাৰ ছবি জগতত এনে বিষয় বস্তুক লৈ ছবি কৰাৰ বাবে সাহসৰ প্ৰয়োজন। জাহ্নু বৰুৱাই পুনৰ প্ৰমাণ কৰিলে – তেওঁ এজন সামাজিক দায়বদ্ধ পৰিচালক। নিৰক্ষৰতাৰ সমস্যা প্ৰাথমিক শিক্ষাৰ গুৰুত্ব আৰু প্ৰাপ্ত বয়স্ক শিক্ষাৰ প্ৰয়োজনীয়তাক পৰিচালকে ছবিখনৰ যোগেদি সবল, সুন্দৰভাবে (অৱশ্যেই শিল্প সম্মতভাবে; কোনো অৱস্থাতে ই শ্লোগান ধৰ্মী হোৱা নাই) দাঙি ধৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ এই যুগতো আমাৰ গাওঁবোৰ কেনেকৈ অশিক্ষাৰ অন্ধকাৰত নিমজ্জিত হৈ আছে, নগৰীয়া সভ্যতাৰ পৰা কেনেদৰে বিচ্ছিন্ন হৈ আছে – তাৰ স্পষ্ট ছবি এখন দেখা পালো 'ফিৰিঙতি'ত। ইউনেস্কোৰ ডিৰেক্টৰ জেনেৰেল ফেদেৰিকো মেয়ৰে কৈছে – 'বিশ্বৰ অন্ততঃ দহ কোটি শিশুৱে স্কুল কি বস্তু নাজানে। সিহঁতে শিক্ষাৰ বিন্দুমাত্ৰ সুযোগো লাভ নকৰে।' সেই দহকোটি শিশুকেই প্ৰতিনিধিত্বমূলকভাবে জাহ্নু বৰুৱাই 'ফিৰিঙতি'ত দাঙি ধৰিছে। শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত অভিভাৱকে সন্তানৰ শিক্ষাৰ প্ৰয়োজনীয়তা সঠিককৈ উপলব্ধি কৰিব নোৱাৰে। অদৃষ্টবাদ আৰু কুসংস্কাৰো অশিক্ষাৰে ফল। আনহাতে গ্ৰাম্যজীৱনৰ দাৰিদ্ৰ্যও যে নিৰক্ষৰতাৰ এটা প্ৰধান কাৰণ তাকো পৰিচালকে ঘটনা প্ৰবাহৰ মাজেৰে দেখুৱাইছে। প্ৰাপ্তবয়স্ক শিক্ষাৰ চৰকাৰী আঁচনিবোৰো কাগজ-কলমতে বৈ থাকিল। এইক্ষেত্ৰত জাহ্নু বৰুৱাৰ 'ফিৰিঙতি' এক আন্দোলন।

ছবিখনত আপাতঃ দৃষ্টিত তেনে কোনো মন চুই যোৱা কাহিনী নাই। কিন্তু কেমেৰাৰ সূক্ষ্ম আৰু সুন্দৰ ব্যৱহাৰ আৰু সবল সংলাপৰ বাবেই কোনো অৱস্থাতে ছবিখন অস্বস্তিকৰ হৈ উঠা নাই। এগৰাকী সদ্যবিধৱা মহিলাই স্কুলৰ শিক্ষয়িত্ৰীৰ চাকৰি পাই একেবাৰে যোগাযোগ বিচ্ছিন্ন ভিতৰুৱা গাওঁ এখনলৈ যায় – য'ত কোনো স্কুল নাছিল (আচলতে এবাৰ স্কুল ঘৰটো জ্বলি যোৱাৰ পিছত তাৰ কোনো অস্তিত্বই নাছিল)। শিক্ষয়িত্ৰী গৰাকীয়ে গাওঁৰ গাওঁবুঢ়া আৰু ৰাইজৰ সহযোগত স্কুল গঢ়ি তোলে। প্ৰথমতে মুক্ত আকাশৰ তলতেই গছৰ ছাঁত স্কুল আৰম্ভ হয়। লাহে লাহে স্কুল ঘৰ সাজে। চন্দ্ৰ নামৰ অশিক্ষিত অদূৰদৰ্শী, নষ্টচৰিত্ৰৰ এজন যুৱকে গাওঁৰে এগৰাকী যুৱতীক জোৰকৈ বিয়া কৰাব খোজাত শিক্ষয়িত্ৰী গৰাকীয়ে বাধা দিছিল। সেয়ে চন্দ্ৰই বিভিন্ন ধৰণে তেওঁৰ বিৰোধিতা কৰে আৰু শেষত স্কুল ঘৰটো জ্বলাই দিয়ে। ইমানৰ পিছতো শিক্ষয়িত্ৰী গৰাকীৰ মনোবল কিন্তু ভাঙি নপৰিল। গাওঁৰ ৰাইজো তেওঁৰ পক্ষত থিয় হ'ল। স্কুল গঢ়াৰ ক্ষেত্ৰত শিক্ষয়িত্ৰী গৰাকীয়ে সমুখীন হোৱা বিভিন্ন বাধা-বিপত্তি আৰু অৱশেষত তেওঁৰ সফলতাই ছবিৰ ঘটনাপ্ৰবাহ।

ছবিখনৰ এটা ৰাজনৈতিক বক্তব্যও আমাৰ চকুত পৰিছে। তৃতীয় বিশ্বযুদ্ধৰ প্ৰস্তুতিৰ ভয়াবহতা, সাম্ৰাজ্যবাদী আক্ৰোশ – যাৰ বিৰুদ্ধে বিশ্বব্যাপী প্ৰতিবাদৰ কন্ঠ সোচ্চাৰ হৈছে তাক পৰিচালকে গাওঁৰ বৃদ্ধ এজনৰ মুখৰ সংলাপ এটাৰে মন চুই যোৱাকৈ প্ৰতিপন্ন কৰিছে (বুৰ্বক, সিহঁতে নেজানে নেকি, এনেকুৱা বোমা মাৰিলে নিজেও যে শেষ হৈ যাব।) সাম্প্ৰতিক উগ্ৰবাদী সমস্যাৰ মূল কাৰণো ব্যাখ্যা কৰাৰ চেষ্টা কৰিছে এটা চৰিত্ৰৰ যোগেদি। আজিও আমাৰ দেশৰ বেছিভাগ মানুহ গাওঁত থাকে য'ৰ কিছুমানত আজিও শিক্ষাৰ পোহৰ পৰাই নাই। সেয়ে কিছু সুবিধাবাদী বুদ্ধিজীৱী, ধনিক সম্প্ৰদায়ে যি সকলে সমস্ত ভালৰ সোৱাদ পাইছে তেওঁলোকেই আজি সমাজৰ মূধচত থিয় হৈ নিজৰ ভাবনাকে দেশৰ সমস্ত মানুহৰ ভাবনা বুলি চলাই দিছে। আৰু আনফালে সাধাৰণ মানুহ জীয়াই থকাৰ সংগ্ৰামত এনেকৈ ব্যস্ত যে



দেশৰ দহৰ ভাল বেয়াৰ প্ৰতি সম্পূৰ্ণ স্পৃহাহীন। গ্ৰামাঞ্চলৰ অনগ্ৰসৰতাৰ বাবে কোন দায়ী; কোনে কি স্বাৰ্থত সাধাৰণ মানুহক নিৰক্ষৰ কৰি ৰাখিব বিচাৰে – এই জটিল সমস্যা সমূহৰো উল্লেখ 'ফিৰিঙতি'ত আছে। এই সমস্যাবোৰ সম্পৰ্কে ৰাইজক সজাগ কৰি তোলাত বোলছবিৰ দৰে গণমাধ্যমৰ ভূমিকা যে কিমান গুৰুত্বপূৰ্ণ তাক কোৱাৰ প্ৰয়োজন নাই। জাহ্নু বৰুৱাই এই গুৰুত্বটো উপলব্ধি কৰিয়ে কেমেৰাত ক্লেপষ্টিক দিছে।

সত্য বৰুৱাৰ সংগীত মাৰ্জিত। সময়মতেই প্ৰাসংগিকভাবে গানৰ ব্যৱহাৰ কৰিছে। গাঁৱৰ পটভূমি থকা সত্ত্বেও সময়ে-অসময়ে বিহুগীত আনি ছবিৰ বক্তব্যৰ পৰা দৰ্শকৰ মনোযোগ বিচ্ছিন্ন নকৰাতে সত্য বৰুৱাৰ ৰুচিবোধ স্পষ্ট হৈ পৰিছে। আবহসংগীত অৰ্থবহ। ছবিখনৰ সম্পদ আটাইবোৰ অভিনেতা অভিনেত্ৰীৰে সাবলীল অভিনয়। পৃথিৰাজ ৰাভাৰ প্ৰতিশ্ৰুত অভিনয় প্ৰতিভাক কেমেৰাৰ মুখামুখি কৰোৱা বাবে বৰুৱা ধন্যবাদৰ্হ। চেতনা দাস, বাদল দাস, ইনু বৰুৱা, বিষ্ণু খাৰঘৰীয়া, হেমেন দাস আদি চৰিত্ৰৰ মাজত সোমাই পৰিছে। প্ৰবীণ অভিনেতা লক্ষ্যধৰ চৌধুৰীৰ অভিনয় হৃদয়পৰশা। মূল চৰিত্ৰত মলয়া গোস্বামীৰ অভিনয় দৰ্শকৰ বহুদিনলৈ মনত থাকিব। জাহ্নু বৰুৱাৰ পৰিচালনাত, শৈলধৰ বৰুৱাৰ প্ৰযোজনাত এক কথাত 'ফিৰিঙতি' এখন সাৰ্থক ছবি। ছবিখন ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হোৱা বাবে প্ৰযোজক – পৰিচালকলৈ অভিনন্দন।

'আত্ৰেয়ী'

# ছাৰজাহ ক্রিকেট

ক্রিকেট প্রেমী সকলৰ বাবে ছাৰজাহ এক পৰিচিত নাম। ক্রিকেট ছাৰজাহৰ কিন্তু জনপ্রিয় খেলো নহয়। আচলতে আৰব ৰাষ্ট্র সমূহৰ কোনো এখন দেশেই ক্রিকেট খেলত কোনো ধৰণৰ পাৰদর্শিতা দেখুৱাব পৰা নাই। অথচ সংযুক্ত আৰব ৰাষ্ট্র সমূহৰ এই সৰু দেশখন এক বিশিষ্ট খেলৰ কেন্দ্র হ'ল। ইয়াৰ মূলতে হ'ল এক ধনপতি আব্দুল ৰহমান বুখটিয়াৰ। পশ্চিম পাকিস্তানৰ কৰাচীত কলেজীয়া শিক্ষা লাভ কৰি থকা কালতেই তেওঁ ক্রিকেটৰ প্রেমত পৰে। দেশলৈ ঘূৰি গৈ তেওঁ চিন্তা কৰিবলৈ ধৰিলে কেনেকৈ পৃথিৱীৰ বিশিষ্ট খেলুৱৈ সকলক নিজ দেশলৈ মাতি ক্রিকেট খেলাব পাৰি। বিশ্বৰ নামী-দামী ক্রিকেট বিশেষজ্ঞ সকলক মাতি আনি তেওঁ অত্যাধুনিক ষ্টেডিয়াম নির্মাণৰ পৰিকল্পনা কৰিলে। পৃথিৱীৰ শ্রেষ্ঠ দল সমূহে যাতে নিয়মিত ভাবে ছাৰজাহত ক্রিকেট প্রতিযোগিতা খেলিব পাৰে তাৰ তদাৰক কৰিবৰ কাৰণে ক্রিকেটাৰচ্ বেনিফিট ফান্দ চিৰিজ (চি বি এফ এছ) নামেৰে এক সংস্থা গঠন কৰিলে। ভাৰত আৰু পাকিস্তানৰ ক্রিকেটাৰ সকলৰ প্রতি বুখটিয়াৰৰ এক বিশেষ শ্রদ্ধাৰ ভাব আছিল। ১৯৮১ চনত চি বি এফ এছৰ পৰা প্রথম আর্থিক অনুদান লাভ কৰে পাকিস্তানৰ দুজন প্রাক্তন অধিনায়ক হানিফ মহম্মদ, আচিফ ইকবাল আৰু ভাৰতৰ মাধৱ মন্ত্রীয়ে। ১৯৮২ চনৰ আর্থিক অনুদান আঁচনিত দুজন প্রাক্তন খেলুৱৈ আৰু দুজন বর্তমান খেলুৱৈক সামৰি লোৱা হয়। সেই মর্মে ১৯৮২ চনত ভাৰতৰ গাভাস্কাৰ আৰু পাকিস্তানৰ ইনটিখাব (বর্তমানৰ) আৰু ভাৰতৰ সুভাষ গুপ্তে, পাকিস্তানৰ নাজাৰ মহম্মদ (প্রাক্তন খেলুৱৈ) এই অনুদান লাভ কৰে। এই খেলৰ প্রতি বিশেষ ভাবে আকর্ষিত কৰিবৰ কাৰণে ক্রিকেট খেলুৱৈ সকলৰ উপৰিও ক্রিকেট বোর্ডৰ সদস্য সকলক বিনা খৰছত প্লেনত ভ্রমণ কৰাৰ পৰা আৰম্ভ কৰি বিলাসী হোটেলত থকা ব্যৱস্থা কৰি দিয়ে। খেলৰ প্রচাৰৰ সুবিধার্থে পৃথিৱীৰ নানা দেশৰ শক্তিশালী প্রচাৰ মাধ্যমৰ লগত জড়িত লোক সকলকো বিনামূলীয়া ভ্রমণ, থকা খোৱাৰ ব্যৱস্থা আদিৰ সুবিধা কৰি দিয়া হয়। ১৯৮১ চনত ভাৰত আৰু পাকিস্তানৰ মাজত এখন খেল অনুষ্ঠিত হয়। ১৯৮২ চনত দুয়ো দলে দুখন খেলত অংশ গ্রহণ কৰে। ১৯৮৩ চনত প্রথমবাৰৰ বাবে ইংলণ্ড দলে যোগদান কৰে। ইতিমধ্যে ছাৰজাহৰ শ্বেখেও ক্রিকেট খেলৰ প্রতি আগ্রহী হৈ পৰে। এই দৰেই ছাৰজাহ কাপে এক আকর্ষণীয় আন্তৰাষ্ট্রীয় ক্রিকেট প্রতিযোগিতাৰ মর্যাদা লাভ কৰে। ১৯৮৪ চনত প্রথমবাৰৰ বাবে 'এচিয়া কাপ' ছাৰজাহত অনুষ্ঠিত হয়। পিছে আজিকালি সকলোতে ৰাজনীতি। প্রথমৰে পৰাই চি বি এফ এছে পাকিস্তানৰ পক্ষপাতিত্ব কৰিছিল। এই পক্ষপাতিত্বৰ কাৰণে ভাৰতে ১৯৯০ চনত অসন্তুষ্ট হৈ ছাৰজাহ কাপ বর্জন কৰিছিল।

এইবাৰ ছাৰজাহত তিনিকোণীয়া প্রতিযোগিতা হয়। দেশ কেইখন হ'ল ভাৰত, পাকিস্তান আৰু ৱেষ্টইণ্ডিজ।

ৱেষ্ট ইণ্ডিজৰ ৰিচ্চি ৰিচার্ডচনৰ নেতৃত্বত অহা দলটোত গ্রীণিজ, হেইচ্‌কে আদি কৰি কেইবাজনো শীর্ষস্থানীয় খেলৱৈ অন্তর্ভুক্ত নাছিল। কাজেই ৱেষ্ট ইণ্ডিজ দলটো ভাৰত বা পাকিস্তানৰ লগত সমানে ফেৰ মাৰিব পৰা দল নাছিল। তথাপিও আৰম্ভণিৰ খেলখনতেই পাকিস্তানৰ বিৰুদ্ধে দলৰ অধিনায়ক ৰিচ্চি ৰিচার্ডচনে অভিনৱ বেটিঙেৰে চেঞ্চুৰী কৰিছিল। ভাৰতীয় দলটোৰ লগত ৱেষ্ট ইণ্ডিজ দলটো ধৰাশয়ী হয়। কিন্তু এইবাৰ ছাৰজাহ কাপ হস্তগত কৰা পাকিস্তানী দলটোৰ লগত ৱেষ্ট ইণ্ডিজ দলটোৱে সমানেই প্রতিদ্বন্দ্বিতাত নামিছিল। সেই বাবেই পাকিস্তানে ছেমি ফাইনেল খেলিবলৈ যথেষ্ট শক্তিৰ পৰীক্ষা চলাব লগীয়া হৈছিল। টচ্‌ত জিকি প্রথমেই বেট ধৰিবলৈ সিদ্ধান্ত কৰা পাকিস্তানী কেপ্তেইন ইমৰান খানে ৫০ অভাৰৰ খেলৰ আহ্বান জনাইছিল। ইমৰান খানৰ এই সিদ্ধান্ত চি বি এফ এছে মানি ল'লেও ভাৰতীয় দলৰ পক্ষে ৫০ অভাৰৰ খেল খেলা যথেষ্ট কষ্টকৰ হৈছিল। কম পোহৰৰ বাবে ভাৰতীয় দলটোৰ পক্ষে শেষৰ পিনে বেটিং কৰা অসম্ভৱ হৈ পৰিছিল। এই সুযোগ গ্রহণ কৰি পাকিস্তানে ছেমি ফাইনেলত অনায়াসে জয়লাভ কৰি ফাইনেল খেল খেলাৰ যোগ্যতা অর্জন কৰিছিল।

ছেমি ফাইনেলত অনায়াসে পৰাভূত কৰা পাকিস্তানী দলটো ফাইনেল খেলত আৰু বেছি দুর্দান্ত হৈ পৰিছিল। গতিকে ছাৰজাহ কাপ পাকিস্তানে লাভ কৰিব পাৰিছিল।

'ছাৰজাহ কাপ'ৰ বাবে যথেষ্ট অনুশীলন আৰু ভালেসংখ্যক অভিজ্ঞতাপূর্ণ অলৰাউণ্ডাৰ থকা সত্বেও ৰাজনীতিৰ পাকচক্রত পৰি বিফল মনোৰথ হৈ ভাৰতীয় দলটো ঘূৰি আহিব লগীয়া হৈছিল।


অৱশ্যে এইবাৰৰ প্রতিযোগিতাত চি বি এফ এছে পাকিস্তানৰ প্রতি যিদৰে পক্ষপাতিত্ব কৰিলে তাৰ ফলত ছাৰজাহৰ প্রতি ভাৰতীয় দলৰ মনত চৰম বিৰক্তিয়েতো দেখা দিছেই তাৰ উপৰি এই খেলত ভৱিষ্যতে ভাৰতবর্ষই অংশ গ্রহণ কৰিব নে নকৰিব সেই কথাৰ লগত ভাৰতবর্ষৰ মর্যাদাৰ প্রশ্ন জড়িত হৈ পৰিছে।


সঞ্জয় মঞ্জেৰকাৰ, শচীন তেণ্ডুলকাৰ। অবিস্মৰণীয় বেটিং

মালবিকা পাঠক








ভাৰতৰ ১ নম্বৰ চিলাই মেচিন উষাই আগবঢ়াইছে এটি বিৰল সৌন্দর্য। ৰয়েল এমাৰেল্ড। চিৰ দিনলৈ গুনমুগ্ধ হব লগীয়াকৈ নির্মান কৰা এটা বিতোপন মেচিন।

- চলাবলৈ নিমজ আৰু সহজ।
- দেখাত আটক ধুনীয়া।
- জীৱন জোৰা গুণ।
- ৫ বছৰৰ গেৰান্টী।
- বিক্রীৰ পিছৰ সেৱাৰ ব্যাপক নেটৱৰ্ক।

ৰয়েল এমাৰেল্ড। উষাই আগবঢ়োৱা এবিধ নিখুত ৰত্ন। উষা হ'ল ভাৰতৰ পৰা ব্যাপক ভাবে ৰপ্তানি হোৱা, আন্তঃৰাষ্ট্রীয় কোৱালিটীৰ চিলাই মেচিন যি ভাৰতৰ ৫২ লাখ* সন্তুষ্ট গ্রাহকৰ আস্থা ভাজন হৈছে। আৰু ইয়াক আপোন কৰি লৈছে আমেৰিকা, বৃটেইন, জার্মেনী আৰু বেলজিয়ামকে ধৰি ৬০ খনৰো সৰহ দেশৰ অনেকেই।

আৰু এয়া হ'ল আপুনি কেৱল বছা-বছা উষা মডেলবোৰতহে পাব পৰা আচুতীয়া বৈশিষ্ট্য সমূহ।

- বিশেষ "ছিংগল প্রেছ প্রেছাৰ এডজাষ্টৰ"।
- "থ্রি পজিছন ফেব্রিক ছিলেক্টৰ"।
- "অপেন টাইপ ছাট্‌ল ৰে'ছ"।
- সুদৃঢ়তাৰে নির্মিত ঘাই উপকৰণ।

বহু বছৰৰ পাছতো আপুনি ইয়াৰ অমূল্য গুণৰ শলাগ লব।



ROYAL EMERALD
উষা সংগ্রহৰ এক নতুন অমূল্য ৰত্ন।

উষা
ভাৰতৰ নং 1 চিলাই মেচিন

ULKA-D-JEW-354-ASM